# ডিব্রুৱান

২০০৩-২০০৪ খ্রীষ্টাব্দ



সম্পাদক ঃ পংকজ বড়া

# ডিব্ৰুয়ান

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

ত্ৰয়োবিংশতিতম সংখ্যা

২০০৩-২০০৪

**DIBRUAN**

**THE ANNUAL JOURNAL OF DIBRU COLLEGE**

**Vol XXIII**

**SESSION 2003-2004**

162

আন্তৰিক শ্ৰদ্ধা, প্ৰীতি আৰু শুভেচ্ছাৰে

________________________________________

______________________________________ ৰ

__________________________________ হাতত ___

সম্পাদক

# উৎসৰ্গা

তেওঁলোকৰ হাতত ...

যি সকল জ্ঞানানুৰাগীয়ে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰেৰে এই উচ্চ শিক্ষানুষ্ঠানখন গঢ়ি তুলিছিল; চামে চামে জ্ঞানপিপাসুক আলোকৰ যাত্ৰী হ'বলৈ উদ্বুদ্ধ কৰি তুলিছিল; জীৱনক বুজাৰ, গঢ়াৰ সুবিধা আগবঢ়াইছিল।

আমাৰ মাজৰ পৰা ইতিমধ্যে হেৰাই যোৱা অথবা জীৱনৰ সন্ধিয়াপৰত ভৰি দিয়া সেইসকল মহান পথিকৃতৰ ত্যাগ আদৰ্শ নিষ্ঠা আৰু সুন্দৰৰ সাধনাক আমি শ্ৰদ্ধাৰে স্মৰণ কৰোঁ।

## শ্ৰদ্ধাঞ্জলি

বিগত ১৫ আগষ্ট, ২০০৪ ইং তাৰিখে ধেমাজিৰ বোমাবিস্ফোৰণত নিহত হোৱা নিৰীহ শিশু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি এই সংখ্যাৰ ডিব্ৰুয়ান আলোচনীখনেৰে শ্ৰদ্ধাৰ্ঘ্য যাচিছোঁ।

মানৱ সভ্যতাৰ ইতিহাসৰ অন্যতম বৃহত আৰু মৰ্মন্তুদ বিপৰ্যয় হিচাপে সমগ্ৰ বিশ্বজুৰি শোকৰ প্লাৱন নমাই অনা ছুনামিত আক্ৰান্ত দেশ-দেশান্তৰৰ সেই লক্ষাধিক জীৱনৰ সকৰুণ স্মৃতিত আমি চকুলো টুকিছোঁ।

গোৱালপৰীয়া লোকগীতৰ মুকুট বিহীন সাম্ৰাজ্ঞী প্ৰতিমা পাণ্ডে বৰুৱা

সাহিত্য একাডেমী বঁটা বিজয়ী সাহিত্যিক মেদিনী চৌধুৰী

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট কবি-সাহিত্যিক নৱকান্ত বৰুৱা

ভাৰতীয় শিল্পকলা জগতৰ শিল্পী ভৰেশ চন্দ্ৰ সান্যাল

বাংলা সাহিত্যৰ শ্ৰদ্ধেয় ব্যক্তিত্ব সুভাস মুখোপাধ্যায়

অসমীয়া চলচিত্ৰ জগতৰ মোহময়ী অভিনেত্ৰী ইলা কাকতি

বিশিষ্টা স্বাধীনতা সংগ্ৰামী পুষ্পলতা দাস

বিশিষ্টা সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গীতিকাৰ ডঃ নিৰ্মল প্ৰভা বৰদলৈ

# কৃতজ্ঞতা / ঋণ স্বীকাৰ

* ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুতা জ্যোতি বৰগোহাঁই, শিক্ষাগুৰু শ্ৰদ্ধেয় প্ৰদীপ কুমাৰ চেতিয়া ফুকন, মহেশ কুমাৰ জৈন, মনোজ শৰ্মা, লক্ষণ বৰা, নমিতা দাস, নন্দিতা বৈশ্য আৰু মৌচুমী দত্ত লৈ
* ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু শিক্ষক বৃন্দলৈ
* বিশিষ্ট গল্পকাৰ, গীতিকাৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড০ বিৰিঞ্চি কুমাৰ মেধি ছাৰ লৈ
* ভূমিপুত্ৰ কাকতৰ প্ৰাক্তন উপ সম্পাদক টুনুজ্যোতি দালৈ
* অশেষ ব্যস্ততাৰ মাজতো আলোচনীখনৰ বেটুপাত অংকন কৰি দিয়া চিত্ৰশিল্পী দেৱকৃষ্ণ বৰুৱা লৈ
* অগ্ৰজ প্ৰতীম জিতুদা, অমৰদা, উৎপলদা, দীপাঙ্কৰদা, অৰূপদা আৰু ৰুবুলদা লৈ
* বন্ধুবৰ বলীন, মিলন, জিতু, জয়ন্ত, অনুপ, তৰুণ, প্ৰাণদ্বীপ, পঞ্চম, গকুল, লক্ষ্যদ্বীপ, ৰাজীৱ, উত্তম, অভিজিৎ, মনোজ, কুলেন আৰু ভাস্কৰলৈ
* অনুজ প্ৰতীম বন্দনা, ৰীণা, মেনকা, বদন আৰু বিক্ৰম লৈ
* এই সংখ্যাৰ সমূহ লেখক-লেখিকালৈ
* প্ৰিণ্ট্‌টেক ছপাশালৰ সমূহ কৰ্মীলৈ
* এইসকল বন্ধুবৰ্গলৈও কৃতজ্ঞতা জনাও, যিসকলে সময়ৰ অভাৱৰ হেতুকে সহায় কৰিব নোৱাৰিলে আৰু যিসকলৰ অফুৰন্ত সময় থাকিও ইচ্ছাকৃতভাৱে সহায় নকৰিলে সেইসকল লৈও ...

সম্পাদক



**Dr. K. Pathak,**
***Vice-Chancellor***

**DIBRUGARH UNIVERSITY**
**DIBRUGARH- 786 004, ASSAM**
**Phone : 0373-2370239(O)**
**Fax : 0373-2370323**
**E-mail : kulendupathak@yahoo.com**

**No.DU/VC/2005/42** **Date: 11.03.2005**

## Message

Dear Sri Borah,

I am glad to learn that you are going to bring out your annual college magazine "Dibruan" for 2003-2004 very soon. College magazines are the chronicle of the academic as well as extra-curricular activities of an educational institution. It also acts as a liaison between the institution and the wider community.

The magazine should act as a platform for the students, teachers and other members of the college community for expressing and exchanging their views and ideas on various issues having cultural, scientific, social and economic relevance.

I convey my best wishes to all of you.

Yours sincerely,

(K. Pathak)

Sri Pankaj Borah
Magazine Secretary,
D.C.S.U.
Dibrugarh

## সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ
অধ্যক্ষা, শ্ৰীযুতা জ্যোতি বৰগোহাঁই
উপদেষ্টা ঃ
অধ্যাপক, ড° মহেশ কুমাৰ জৈন
অধ্যাপক, প্ৰদীপ কুমাৰ চেতিয়া ফুকন
অধ্যাপক, মনোজ কুমাৰ শৰ্মা
অধ্যাপক, লক্ষণ বৰা
অধ্যাপিকা, ড° নমিতা দাস
অধ্যাপিকা, নন্দিতা বৈশ্য
সদস্য ঃ
শ্ৰী প্ৰাণদ্বীপ বৰা
শ্ৰী তৰুণ গগৈ
শ্ৰী মিলনজ্যোতি বড়া
শ্ৰী বলীন বড়া
শ্ৰী ৰাজীৱ বৰঠাকুৰ
সম্পাদক ঃ
শ্ৰী পংকজ বড়া

### এই সংখ্যাৰ নেপথ্যত —

বেটুপাত আৰু ৰেখাংকন ঃ
দেৱকৃষ্ণ বৰুৱা
অংগসজ্জা ঃ
পংকজ বড়া
অলংকৰণ ঃ
ৰাজীৱ বৰা
অক্ষৰ বিন্যাস ঃ
সুৱন গোস্বামী
প্ৰকাশক ঃ
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৩-২০০৪ বৰ্ষ
মুদ্ৰক ঃ
প্ৰিণ্ট্ টেক্ অফ্ছেট্
জীৱন ফুকন নগৰ, ডিব্ৰুগড়।
ফোন ঃ (০৩৭৩) ২৩১৬৫৪০




# DIBRU COLLEGE : DIBRUGARH
P.O. BOIRAGIMATH
Assam, PIN - 786 003.
Phone : (0373) 2311328 (O)


Our Honourable Principal
Jyoti Borgohain



## শুভেচ্ছাবাণী

তাৰিখ ঃ ২৭।১২।২০০৪

সাহিত্যত সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱাৰ দৰে এটি অনুষ্ঠানৰ মুখপত্ৰখনতো সেই অনুষ্ঠানটিৰ হুবহু প্ৰতিচ্ছবি প্ৰতিফলিত হয়। সেয়েহে ইয়াৰ প্ৰয়োজন তথা গুৰুত্ব তাৎপৰ্যপূৰ্ণ।

শিক্ষানুষ্ঠান সমূহৰ মুখপত্ৰখনে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক মানদণ্ডক প্ৰতিনিধিত্ব কৰে। বিগত বছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ মুখপত্ৰ 'ডিব্ৰুয়ান'খনে এই প্ৰয়াসক কাৰ্যকৰী ৰূপ দিবলৈ লোৱাৰ প্ৰচেষ্টাক মই শলাগ লৈছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাৰ বিকাশ সাধনে অনুষ্ঠানটিৰ সামগ্ৰিক মানদণ্ড উন্নীত কৰিব বুলি আশা ৰাখিলোঁ। কেৱল পাঠ্যক্ৰম কেন্দ্ৰিক জ্ঞানৰ মাজত আৱদ্ধ নাথাকি জ্ঞান আহৰণৰ বিস্তৃত ক্ষেত্ৰলৈ তেওঁলোক আগবাঢ়ি যাওক।

এই শুভকামনাৰে।

জ্যোতি বৰগোহাঁই
*অধ্যক্ষা*
*ডিব্ৰু মহাবিদ্যালয়*

# A SECTION OF TEACHING STAFF OF DIBRU COLLEGE



*Sitting (L to R) :* M. Saikia (Edu.), N. Dass (As.), A.K.Dutta (Zoo.), R.Sharma (Edu.), J. Borgohain (Principal, i/c), M.K. Jain (com.), B. Das (Bot.), B. Baruah (As.), L. Bora (Eco.), N.K. Tamuli (Phy.).
*Standing (1st Row) :* A Dutta (Bot.), J. Chutia (Socio.), S. Sahu (Math.), B. Konwar (Anth.), R. Bora (Bot.), E. Baruah (Phy.), M.K. Sarma (As.), A Saikia Baruah (Bot.), P. Hussin (Zoo.), R. Gogoi (P.Sc.), N. Konwar (Socio.), H.P. Chetia (Anth.), S. Hazarika (Anth.), T. Gogoi (Anth.) J. Boruah (Stat.), N.A. Shah (com.SC), R.J. Hazarika (Ch.), K. Saikia (Eco.)
*Standing (2nd Row) :* P.Gogoi (Geo.), A. Das (Phy.), R. Singha (P.Sc.), B. Goswami (As.), R.K. Gogoi (Eco.), D. Kalita (Bot.)



## EDITORIAL BOARD SESSION 2003-2004

*Sitting (L to R) :* N. Baisya (Eng.), N. Dass (As.), M.K. Sarma (As.), J. Borgohain (Principal i/c), M.K. Jain (Com.), P.K. Chetia Phukan (Math.), L. Bora (Eco.).
*Standing :* Pankaj Borah (Editor).

## A SECTION OF NON-TEACHING STAFF OF DIBRU COLLEGE SESSION : 2003-2004

*Sitting (L to R) :* K.Mali, N.Borkakoti, P. Dihingia, M.R.Saikia, N.Phukan (Libn.), M. Bora, N. Sarma, A. Ali.
*Standing (L to R) :* R. Tanti, D. Dass, P.R. Konwar, B, Saikia, B.Malakar, B. Phukan, M. Saikia, S. Sensua Gogoi, B. Sahu, N.B. Chetry, R. Bedia.



# বিষয় সূচী


**অতিথি চ'ৰা**

■ নিৰাধাৰ সংসাৰ ○ ড° বিৰিঞ্চি কুমাৰ মেধি □১০
■ গুৱাহাটী সপোনৰ আন এক নাম ○ টুনুজ্যোতি গগৈ □১৫

**প্ৰবন্ধ**

■ সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা - এটি আলোচনা ○ নিত্যৰঞ্জন কলিতা □১৮ ■ Developing Enterpreneurship in the north-east India ○ Dr. M.K. Jain □২০ ■ বন্যপ্ৰাণী ঃ উপদ্ৰৱকাৰী নে নিথৰুৱা ○ পৰাগ চুতীয়া □২৩ ■ Conservation of Genetic Resources ○ Dr. Dilip Kalita □২৪ ■ গীতা ঃ এটি নিৰ্মোহ ভাৱনাৰ মূৰ্ত ৰূপ ○ মায়া শইকীয়া □২৬ ■ Personal loans – An End to your worries ○ Dr. Romiza Khatun □২৮ ■ Career Guidance and Counseling ○ Nandita Bashya □২৯ ■ Mathamatics as career prospects ○ Ranjit Kumar Roy □৩০ ■ ব্যক্তিত্বৰ বিকাশ ○ ৰাজীৱ বৰঠাকুৰ □৩২ ■ NCC An Important Extensive Activities in higher education ○ Lakhon Bora □৩৪ ■ Self employment in agro based industries ○ Prasanta Kr. Bora □৩৬ ■ সোণোৱাল কছাৰীসকলৰ সংস্কৃতি ○ ললিত সোণোৱাল □৩৮ ■ The Large population Growth in India ○ Prasanta Saikia □৪১ ■ ভৱিষ্যতৰ বাবে জল সম্পদ সংৰক্ষণ ঃ সমস্যা আৰু সমাধান ○ তৰুণ গগৈ □৪৩ ■ Miracles of water therapy ○ Nitu Singh □৪৬ ■ জোতাৰ বিষয়ে কিছু ভিন্ন চিন্তা ○ পংকজ কুমাৰ দত্ত □৪৭

**গল্প**

■ হেনৰী আৰু মই ○ ধীৰাজ কোঁৱৰ □৪৯ ■ প্ৰহাৰ ○ সত্যনাথ গগৈ □৫২ ■ স্বপ্ন সমুদ্ৰ ○ মানসজ্যোতি দাস □৫৪ ■ হৃদয়ত মাথো তোমাৰ নাম ○ নৱনীতা চেতিয়া □৫৬ ■ অশ্ৰু সিক্ত এক অধ্যায় ○ যোগমায়া গোহাঞি □৬০ ■ সৰা শেৱালিৰ মৰম ○ ভৱেশ দাৰিক □৬২ ■ দালাল ○ মনোজ সন্দিকৈ □৬৪ ■ কলেজীয়া জীৱনৰ দুখৰীয়া ছবি ○ মৰমজ্যোতি দত্ত □৬৬ ■ মিলন মুহূৰ্তৰ প্ৰতীক্ষাত ○ মৃদুস্মিতা দাস □৬৮ ■ জীৱন্ত এপিটাফ ○ পংকজ বড়া □৭০

**ব্যঙ্গ ৰচনা**

■ মই দুটকীয়াই কৈছোঁ ○ দেৱজিত চেতিয়া ফুকন □৭৩

**কবিতা**

■ চুনামি ○ কামদেৱ কাশ্যপ □৭৫ ■ A Ray of Hope ○ Debasish Chetia Phukan □৭৬ ■ তোমাক ভাল পাওঁ বাবেই ○ বিৰাজ সোণোৱাল □৭৬ ■ প্ৰেৰণা ○ নৱনীতা চেতিয়া □৭৭ ■ I miss you dearest Mom ○ Clement Gorda □৭৭ ■ কুঁৱলীৰ সিপাৰে ○ প্ৰাঞ্জল শইকীয়া □৭৮ ■ Love U Always ○ Irshad Ahmed □৭৮ ■ এতিয়া মনত পৰেনে বৰ্ণালী ○ সীমান্ত হাজৰিকা □৭৯ ■ True in Life ○ Rajak Ali □৭৯ ■ সেউজীয়া পাতৰ আঁৰত ○ দিগন্ত মাহাতু □৮০ ■ তুমি গুছি যোৱাৰ পাছত ○ জুনুমণি □৮১ ■ What I Love ○ Miss Lakhipriya Chitrakor □৮১ ■ প্ৰতিদান ○ ৰাতুল ঠাকুৰীয়া □৮২ ■ Today's Guy ○ Lakhyajeet Deori □৮২ ■ এটা কেমেৰাৰে ফটো ল'ম মই ○ দেবেন কুৰ্মী □৮৩ ■ শৈশৱ ○ অৰবিন্দ হাজৰিকা □৮৩ ■ শব্দহীন ○ সচ্চিদানন্দ শইকীয়া □৮৪ ■ তুমি ○ ভৱেশ দাৰিক □৮৪ ■ মই ধৰিত্ৰীয়ে কৈছোঁ ○ প্ৰণৱ কুমাৰ চাংমাই □৮৫ ■ আকাশৰ শেতেলিতে ○ ৰাজীৱ বৰঠাকুৰ □৮৫ ■ জাৱৰ বুটলা ল'ৰা ○ অজয় শইকীয়া □৮৬ ■ মাথো তোমাৰ বাবে ○ তিলক গগৈ □৮৬ ■ প্ৰতীক্ষা ○ নৱনীতা চেতিয়া □৮৭ ■ You're Happy when you ○ Dhrubajyoti Chetia □৮৭

**উপন্যাসিকা**

■ সপোনৰ সমাধিত গদ্য অগদ্যৰ সুবাস ○ নীৰজ সোণোৱাল □৮৮

**প্ৰাচীৰ পত্ৰিকা 'জাগ্ৰত'ৰ পৰা □৯৩**
**বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন □৯৮-১১১**

বা
উ
চ'
ৰা



মহাবিদ্যালয় একোখনি একোজন বিদ্যাৰ্থীৰ তিতিক্ষাৰূপী এজোপা বিশাল বটবৃক্ষ, যাৰ ছাঁয়াই যুগে যুগে কঢ়িয়াই আনিছে সাধনাৰ অবিৰত যাত্ৰা, জ্ঞান-বিজ্ঞানৰ নৱতম মালিতা। মাতৃ যশোদাই কৃষ্ণৰ মুখগহ্বৰত বিশ্বৰূপ দৰ্শন কৰাৰ দৰেই আজি বিদ্যাৰ্থীৰূপী যশোদাসকলেও মহাবিদ্যালয়ৰূপী কৃষ্ণৰ বক্ষতেই বিশ্বৰ সমগ্ৰ ৰূপ দৰ্শন কৰি আহিছে। য'ত আছে জ্ঞানৰ বিচিত্ৰ ভাণ্ডাৰ, সেউজ স্বপ্নৰ ৰূপালী আলোক তথা ৰং তামাচাৰ মহোৎসৱ। গভীৰ আন্তৰ ভেদি হৃদয়ত নৱতম আলোকৰ সন্ধেদ দিয়া শ্ৰদ্ধাৰ মহাবিদ্যালয়খনিলৈ প্ৰথমেই জনাইছোঁ মোৰ সশ্ৰদ্ধ প্ৰণিপাত। তেনে ক্ষেত্ৰত আমি মহাবিদ্যালয়লৈ অহাৰ উদ্দেশ্য অতি মহান। যাক কেৱল কৈ বা লিখি শেষ কৰিব নোৱাৰি; কিন্তু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মহাবিদ্যালয়লৈ অহাৰ উদ্দেশ্য কি সেয়া এক গভীৰ চিন্তনীয় বিষয়। কিয়নো বৰ্তমান ছাত্ৰ সমাজৰ যি নৈতিক স্খলন ঘটিছে সি আজি পৰিতাপৰ বিষয় ৰূপে পৰিগণিত হৈছে। বৰ্তমানৰ ছাত্ৰ সমাজৰ কথা-বতৰা, আচৰণ দেখি থমকি ৰ'ব লগা হৈছে। আজিৰ ছাত্ৰ সমাজে জ্ঞান লাভৰ উদ্দেশ্যৰে আহে নে কেৱল মাত্ৰ গল্প-গুজৱেৰে সময় কটাবলৈ আহে সেয়া এক উত্তৰ বিহীন প্ৰশ্ন। কি উদ্দেশ্যেৰে আমি মহাবিদ্যালয়লৈ আহোঁ সেয়া প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে গভীৰভাৱে অনুভৱ কৰা উচিত। নহ'লে দেশৰ কৰ্ণধাৰ স্বৰূপ এই ছাত্ৰ সমাজে নিজৰ লগতে সমগ্ৰ দেশখনকে এক অন্ধকাৰ গহ্বৰলৈ ঠেলি নিব! সেয়ে আমি ছাত্ৰ সমাজ, অভিভাৱকসকল, শিক্ষাগুৰুসকল তথা প্ৰতিজন সচেতন নাগৰিকে ইয়াৰ সমাধানৰ পথ উলিয়াবলৈ অনতি পলমে চেষ্টা কৰা উচিত।

তদুপৰি বৰ্তমানৰ ছাত্ৰ আৰু শিক্ষাগুৰুসকলৰ মাজত যি আন্তৰিক সম্বন্ধ সেই সম্বন্ধ একেবাৰেই নোহোৱা হৈ পৰিছে। সেয়ে শিক্ষাগুৰুসকলে ইয়াৰ কেৰোণ ক'ত সেয়া চিন্তা কৰি চোৱাৰ সময় আহি পৰিছে। নহ'লে ছাত্ৰ তথা শিক্ষকসকলে অচিৰেই এক ভয়ঙ্কৰ বিপদৰ সন্মুখীন হ'ব লগাত পৰিব।

ইয়াৰ পাছত আহিল আমাৰ শিক্ষা ব্যৱস্থা। আমাৰ এই শিক্ষা ব্যৱস্থাটো অতি আওপুৰণি। আমি ছাত্ৰ সমাজে প্ৰকৃত শিক্ষা লাভ কৰিব পাৰিছোনে? ইও এক জটিল প্ৰশ্ন। আমাৰ শিক্ষা ব্যৱস্থাটোত প্ৰকৃতাৰ্থত আছে কি? কেৱল মাত্ৰ একোখন প্ৰমাণ পত্ৰৰ বিনিময়ত আমাৰ এই শিক্ষা ব্যৱস্থাটো আনৰ ওপৰত এৰি দিছো। তাহানিৰ বৃটিছৰ দিনৰে মেক'ল ব্ৰেণ্ডৰ যি শিক্ষা ব্যৱস্থা সেই শিক্ষা ব্যৱস্থাক আমি মূৰ পাতি গ্ৰহণ কৰিছোঁ। ইয়াৰ পৰা আমি পাইছো কি? কেৱল মাত্ৰ আমি আমাৰ নিজৰ পৰিচয় নিজে পাহৰি গৈছোঁ, নিজৰ অস্তিত্ব পাহৰি গৈছো। আমি আমাৰ নিজক, নিজৰ সমাজখনক, নিজৰ জাতিটোক, নিজৰ দেশখনক কিমান জানো? এবাৰ মাত্ৰ ভাবি চালে দেখিম সকলোবোৰ কেৱল শূন্যৰে ঠাহ খাই আছে। সেয়ে আমি প্ৰত্যেকেই এইবোৰ কথা উপলব্ধি কৰা উচিত। স্বামী বিবেকানন্দৰ ভাষাত — "আমি সেই শিক্ষাই বিচাৰোঁ, যি শিক্ষাৰ দ্বাৰা আমাৰ চৰিত্ৰ নিৰ্মাণ, মানসিক শক্তি আৰু বুদ্ধিৰ বিকাশৰ জৰীয়তে নিজৰ ভৰিৰ ওপৰত নিজে থিয় দিব পাৰোঁ।" নহ'লে আমাৰ এই শিক্ষা ব্যৱস্থাটো উৱলি যাবলৈ বেছি পৰ নালাগিব।

মানুহ হ'ল সমাজ প্ৰিয়। সভ্যতাৰ উষালগ্নৰে পৰা মানুহে সমাজ পাতি বাস কৰি আহিছে। দুখৰ নিবৃত্তি লাঘৱ ঘটাই সুখ বৃদ্ধি কৰা কৰ্মৰ নামেই সেৱা। গতিকে সমাজৰ সুখ-দুখ, অসুবিধাবিলাক আঁতৰাই তাৰ ঠাইত সুখ বা সুবিধা স্থাপন কৰিবৰ বাবে কৰা কামেই হ'ল সমাজ সেৱা। সমাজৰ উন্নতি সাধন কৰাৰ বাবে



সম্ভৱপৰ সকলো দিশতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কাম কৰি সমাজ সেৱা কৰিব লাগে। সমাজক বাদ দি মানুহে সুস্থ, উন্নত আৰু আনন্দময় জীৱন যাপনৰ কথা কল্পনাই কৰিব নোৱাৰে। ছাত্ৰ সকলো সমাজৰে এটা অঙ্গ। গতিকে এজন কলেজীয়া ছাত্ৰ হিচাপে আমাৰো সমাজৰ প্ৰতি কৰিবলগীয়া বহুতো কৰ্তব্য থাকে: অধ্যয়নত অৱস্থাত থাকিও আমাৰ আজৰি সময়ত, বন্ধৰ দিনত সমাজৰ অন্যান্য ব্যক্তিৰ লগতে সামাজিক উন্নয়ণৰ কাম-কাজ কৰিব লাগে। এই কাম-কাজ সমূহ কৰোঁতে এটি কথা সদায় মনত ৰাখিব লাগে যে — তেওঁলোকে যাতে কাল্পনিক স্বত্বৰ দাবী তথা দলীয় ৰাজনীতিৰ উৰ্দ্ধত থাকি কাম কৰে। আজিৰ ছাত্ৰ আজিৰ দেশৰ নাগৰিক। গতিকে ছাত্ৰ শক্তি এক বিশাল ৰাষ্ট্ৰশক্তি 'Students power, Nations power'। গতিকে আমি ছাত্ৰ সমাজে উপযুক্ত নাগৰিক হিচাপে জীৱন গঢ়ি তুলি সমাজত এক সক্ৰিয় ভূমিকা পালন কৰিব লাগে। যদি এনে ভূমিকা পালন কৰা নহয় তেতিয়া সমাজত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সঞ্চাৰ হ'ব। যিহেতু ছাত্ৰৰ ওপৰতে দেশৰ প্ৰশাসন কাৰ্য নিৰ্ভৰ কৰে। সেয়ে আমি ছাত্ৰ সমাজে সু-চিন্তাৰে, সু-পৰিকল্পিতভাৱে আৰু সচেতন নাগৰিক হিচাপে সমাজৰ কল্যাণমূলক কামত নিজকে তথা অনুজ সকলক আগবঢ়াই নিবলৈ যত্ন কৰিব লাগে। যাৰ ফলত সমাজে অগ্ৰগতি লাভ কৰিব পাৰে।

সমাজ হ'ল সাহিত্য সৃষ্টিৰ এক বিশেষ ধৰণৰ অঙ্গ। যাৰ লগত সাহিত্যৰ সম্বন্ধ ওতপ্ৰোত। সাহিত্য একোটা জাতিৰ দাপোণ স্বৰূপ। এই দাপোণত ভাহি উঠে এটা জাতিৰ একোখন সমাজৰ নিজস্ব সত্তা। সাহিত্যৰ জৰিয়তে একোজন ব্যক্তিৰ সৃজনীশীল প্ৰতিভাই বিকাশ লাভ কৰে, যাৰ ফলত ব্যক্তিয়ে সাহিত্যিক জীৱনৰ পাতনি মেলিব পাৰে। কোনো এটা জাতিৰ প্ৰকৃত মানসিকতা অথবা বৌদ্ধিক চিন্তা-চৰ্চাৰ পৰিচয় দিব পাৰে সাহিত্যই। জাতিৰ সভ্যতা, সংস্কৃতি, অস্তিত্ব আদি সকলোবোৰৰ সন্ধেদ দিয়ে সাহিত্যই। সাহিত্য সৃষ্টি হয় সমাজৰ বুকুত। সমাজক কেন্দ্ৰ কৰিয়েই সাহিত্যৰ গঠন প্ৰণালী নিৰূপিত হয়। সাহিত্যই যেনেদৰে সমাজৰ বুকুত গঠন লাভ কৰে তেনেদৰে ই সমাজৰ বুকুতো খোজ থৈ যাব পাৰে। সাহিত্য সৃষ্টিৰ জৰিয়তে ব্যক্তিয়ে এটা যুগৰ পাতনি মেলিব পাৰে; কিন্তু সাহিত্য সৃষ্টি কৰিবলৈ একোজন ব্যক্তিৰ এটা সৃষ্টিশীল মন, ধৈৰ্য আৰু গভীৰ অধ্যয়নৰ প্ৰয়োজন। এই গুণৰ জৰিয়তে ব্যক্তিৰ সাহিত্যিক প্ৰতিভা বিভিন্ন ধৰণৰ প্ৰচাৰ মাধ্যমত গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ আদি বিভিন্ন আকাৰত প্ৰকাশ পায়। এই সৃষ্টি পাঠকৰ মনোগ্ৰাহী হ'লে ই সমাজত সমাদৰ লাভ কৰে, ফলত সমাজৰ বুকুত মচিব নোৱাৰাকৈ খোজ থৈ যাব পাৰে। এইপ্ৰসঙ্গতে আমাৰ মহাবিদ্যালয়ৰ যি সকল 'ডিব্ৰুয়ানে' আলোচনীত সাহিত্যৰ পাতনি মেলিছিল তেওঁলোকৰ প্ৰতি এক বিনম্ৰ অনুৰোধ তেওঁলোকে যেন তেওঁলোকৰ কলমৰ গতি ৰুদ্ধ নকৰে। যাৰ জৰিয়তে তেওঁলোকে সাহিত্যৰ বিশাল পথাৰখনত হেলাৰঙে খোজ চলাই যাব পাৰে। কিয়নো এই দিশত আমাৰ মহাবিদ্যালয়ৰ দৃশ্যপট একেবাৰে হতাশজনক। অৱশ্যে শিক্ষকসকলৰ মাজত সাহিত্যিক প্ৰতিভাৰ অলেখ আছে; কিন্তু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনিতে দুই এজনে গল্প, কবিতা, প্ৰবন্ধ ৰচনাৰ সীমানাতে সামৰে। ফলত উৎকৃষ্ট মানৰ লেখা আশা কৰিব পৰা নাযায়। আমাৰ প্ৰয়াস কৰে যদিও, তেওঁলোকে কলম সিমানতে সামৰে। ফলত উৎকৃষ্ট মানৰ লেখা আশা কৰিব পৰা নাযায়। আমাৰ মহাবিদ্যালয়ত এটা ভাল গ্ৰন্থাগাৰ থকা সত্বেও ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ন স্পৃহাৰ তেনেই অভাৱ। এনে নিৰৱচ্ছিন্ন অভাৱৰ বাবে মূৰকত গৈ মহাবিদ্যালয়ৰ চৌহদৰ পৰা এখন সৰ্বাঙ্গসুন্দৰ তথা উৎকৃষ্ট মানদণ্ডৰ সাহিত্যৰ সোৱাদ থকা আলোচনী প্ৰকাশৰ দিশত বাধাৰ সৃষ্টি হোৱাটো এটা সাধাৰণ ঘটনাই বুলিব পাৰি।

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'ডিব্ৰুয়ান' খনি প্ৰকাশৰ প্ৰস্তুতিৰ পৰা প্ৰকাশলৈকে সম্পাদক ৰূপে ব্যক্তিগত প্ৰচেষ্টাৰে আলোচনীখনৰ বাবে কৰিব পৰা সকলো খিনিয়েই কৰিছোঁ। আলোচনীখন প্ৰকাশ কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰিছো ঠিকেই; কিন্তু নিজৰ অযোগ্যতাৰ কথা সোঁৱৰি ক্ষণে ক্ষণে কঁপি উঠিছোঁ — কিজানি আৰোপিত কাৰ্যত ব্যৰ্থ হওঁ। 'নটিচ ব'ৰ্ড'ত তিনি-চাৰিবাৰলৈকে জাননী দি এটিও লেখা যোগাৰ কৰিব নোৱাৰি ব্যক্তিগত হেঁচা প্ৰয়োগ কৰি সকলোখিনি লেখা আপোনাসবৰ আগত দাঙি ধৰিছোঁ এখনি আলোচনী ৰূপত। যদি আলোচনীখন আপোনাসবৰ দৃষ্টিত ধৰা পৰিছে "বানে গৰকা উকা পথাৰ" হিচাপে; তেনেহ'লে তাৰবাবে মই আপোনাসবৰ ওচৰত ক্ষমা মাগিছোঁ।

শেষত সকলো ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুলৈ এটি অনুৰোধ তেওঁলোকে যাতে সাহিত্যৰ এই বিশাল পথাৰখনি পৰৱৰ্তী সময়ত সেউজীয়া ৰঙেৰে পৰিবেষ্টিত কৰি অধিক মনোগ্ৰাসী ৰূপত জিলিকাই তোলে যেন।

# নিৰাধাৰ সংসাৰ

ড° বিৰিঞ্চি কুমাৰ মেধি

বাতৰি কাকতখন হাতত লৈ হৰিৎ হাজৰিকাই চছমাযোৰ বিচাৰিলে। প্ৰথমতে ওচৰে-পাজৰে চালে, তাৰ পাছত তেওঁ সেইযোৰ বিচাৰি নিজৰ কোঠাটো চলাথ কৰিলে। নাই, তেওঁ চছমাযোৰ বিচাৰি উলিয়াব নোৱাৰিলে। আজিকালি তেওঁৰ কি হৈছে, লগাৰ পৰত কোনো বস্তুকে বিচাৰি উলিয়াব নোৱাৰে। তেওঁ বাৰু অলৰ বুঢ়া হৈ পৰিছে নেকি? চাকৰিৰ পৰা অৱসৰ ল'বলৈ এতিয়াওচোন দহ বছৰ মানেই আছে। এতিয়ালৈকে তেওঁৰ শৰীৰত বেমাৰ-আজাৰেও খোপনি পুতিব পৰা নাই। ওৰেদিনে ঘৰে-অফিচে এশ-এটা কাম আঁজুৰি ফুৰোঁতে তেওঁ এখন্তেক জিৰাবলৈকো সময় নাপায়। দুদিনে-চাৰিদিনে তেওঁ খোজ কাঢ়িয়েই বজাৰলৈ যায়, আঠ-দহ কেজি বস্তুৰে ওফন্দি থকা মোনা দুটা লৈ উভতি অহাৰ পাছতো তেওঁচোন গিলাচে গিলাচে পানী খাবলগীয়া নহয়। অথচ প্ৰয়োজনৰ পৰত প্ৰায়েই তেওঁ লাগতিয়াল বস্তু এটা বিচাৰি খপজপাই ফুৰিবলগীয়া হয়। নিজৰ ওপৰতে অসন্তুষ্ট হয়। সঠিক পৰত হাত মেলিলেই প্ৰয়োজনীয় বস্তুটো পাব লাগে। চছমাযোৰ বিচাৰ উলিয়াওঁতেই যদি এপৰ বেলি লাগে, তেওঁ বাতৰি কাকত পঢ়িব কেতিয়া? নিৰ্দিষ্ট সময়ত তেওঁ কাম-কাজৰ জেঙে-জোঁট চম্ভালি আজৰি হ'ব পাৰিবনে?

দুৱাৰমুখত ডেল্টাই নেজ জোঁকাৰি কুঁ-কুঁৱাই আছে। ৰাতি নৌ-পুওৱাৰ পৰা তেওঁ এশ এটা কামত ব্যস্ত হৈ থাকোঁতে ডেল্টাক মৰম কৰিবলৈকে সময় পোৱা নাছিল। মাথোঁ মানুহেই নহয়, অমাত জীৱ-জন্তুৱেও মৰম-চেনেহ বিচাৰে। হৰিৎ হাজৰিকাৰ সস্নেহ হাতখন যেন স্বয়ক্ৰিয়ভাৱে ডেল্টাৰ মূৰৰ পৰা নেজৰ আগলৈকে পিছলি গ'ল।

নিজৰ দেহ-মনৰ বিষয়ে ভাবিবলৈ হাজৰিকাই জানো আহৰি পায়? লাইট-টেলিফোনৰ বিল দিয়া, চৌবাচ্চাটো পানীৰে চপচপীয়া কৰা, বজাৰৰ পৰা অনা শাক-পাচলি ধুই-ধাই ফ্ৰিজত ভৰোৱা, ফুলগছ কেইজোপাৰ আপডাল কৰা, আৰু যে কত কাম। যোৱা মাহত তেওঁ অফিচৰ সকামত বেলেগ নগৰ এখনত দুৰাতি খপিবলগীয়া হৈছিল; উভতি আহি দেখে ঘৰখনৰ সকলোৰে মুখবোৰ ওফন্দি বৃহৎ বেলুন একোটা যেন হৈ আছে। কি হ'লবা?

কি হ'ব আৰু। পত্নী সৰমাই ঘেঙেৎকৈ মাত লগালে — যোৱাৰ আগেয়ে গেছ চিলিণ্ডাৰ এটা আনি থৈ যাব নোৱাৰিলে? নিজে ঘৰত নাইতো, আনবোৰে খাইছে নে নাই খবৰ ন'লেও হ'ল। ইস্ ইস্, এই দুদিন চাগৈ ইহঁতৰ খোৱা-বোৱাত বৰ কষ্ট হ'ল। আহত-কণ্ঠে হাজৰিকাই সৰমাক ক'লে — তুমিচোন চিলিণ্ডাৰৰ তলি উদং বুলি মোক কোৱা নাছিলা। সৰিতে চিলিণ্ডাৰ এটাও আনিব নোৱাৰিলেনে? সৰিৎ তেওঁলোকৰ বৰপুত্ৰ; টুঁচৰি-বাগৰি বি.এ. পাছ কৰাৰ পাছত সি শকত বেতন আৰু ওৱাদানিকৈ ওপৰঞ্চি ধন পোৱা চাকৰি এটাৰ আশাত বাৰ-ভূতক বহু টকা খুৱালে। সৰমাই তেওঁক কৈ আছিল, এপ্ৰিলত সি বি.ডি.অ' হ'ব, নৱেম্বৰত সি এছ.ডি.চি. চাকৰিটো পাবই পাব। নাপালে। তাৰ পাছত আৰম্ভ হ'ল মদৰ দোকানৰ লাইচেন্স বিচৰাৰ উথপথপ। দোকানৰ পৰা বিস্কুট এপেকেট আনিবলৈকো টান পোৱা সৰিতেই কেইদিনমান পুৱাৰে পৰা নিশা দোভাগলৈ মন্ত্ৰী, বিধায়ক, দালাল আদিৰ ঘৰলৈ সাগ্ৰহে আহ-যাহ কৰিলে। সেইদৰেও সি কেইলাখমান টকা পানী কৰিলে। এতিয়া সি মাকক হাঁকুটি কৰি দেউতাকক আঁজুৰি আছে — তাক হেনো ব্যৱসায় কৰিবলৈ পোন্ধৰ-বিশলাখমান টকা লাগে।

লাগ বোলোতেই অতসোপা টকা তেওঁ পায়নো ক'ত? সৰিতৰ দৰে অকৰ্মণ্য ল'ৰা এটাই ব্যৱসায় কৰিব পাৰিবনে? সিনো ব্যৱসায়ৰ বিষয়ে কি জানে? তাৰ চৈধ্য পুৰুষতো কোনোবাই ব্যৱসায় কৰি পাইছেনে?

জাঁপ মাৰি ডেল্টা কোলাত উঠাত হৰিৎ হাজৰিকাৰ তন্ময়তা ভাঙিল। ইমানপৰে তেওঁ যে কি আগ-গুৰি নোহোৱা কথাবোৰ ভাবি আছিল। চকুদুটা মচি ল'ব খোজোঁতেই তেওঁৰ আঙুলিয়ে চছমাযোৰত স্পৰ্শ কৰিলে। ইস্ ইস্, তেওঁনো আজিকালি কথাবোৰ ইমানকৈ পাহৰা হৈছে কিয়? হৰিৎ হাজৰিকাই এইবাৰ বাতৰি কাকতখন বিচাৰি ইফালে-সিফালে চালে। নাই, ইতিমধ্যে সেইখন কোনোবাই নিলে। লেলাই-ধেন্দাই ইজনৰ পাছত সিজনে পঢ়োঁতে পঢ়োঁতে সেইখন সাত-গধূলিও তেওঁৰ হাতত পৰেনে নপৰে সন্দেহ। আজি তেওঁৰ অফিচ বন্ধ। তেওঁ যে কিমান কাম কৰিম বুলি মনতে পাঙিছিল, পুৱাতেই সকলোবোৰ খেলিমেলিহৈ পৰিল।

ইফালে-সিফালে চাওঁতে তেওঁৰ মেজৰ ওপৰত থকা চাহ পিয়লা আৰু শুকান ৰুটি দুখনত চকু পৰিল। সৰমাই কেতিয়া চাহ দি গ'ল তেওঁচোন উমানকে নাপালে। অংকিতাইতো ঘৰখন সৰু-সুৰা কাম এটাও নকৰে। তাই কিজানি হাজৰিকাক দেউতা বুলি মাতিবলৈকো লাজ পায়। বহুদিন তাই তেওঁক দেউতা বুলি মতা নাই। তেওঁ যে কিমান চখ কৰি ঘৰটো সাজিছিল। সৰমাৰ ঘৰটো পছন্দ নহ'ল। সৰিৎ আৰু অংকিতায়ো বোলে ঘৰটোৰ দীন-দশাৰ বাবেই বন্ধু-বান্ধৱক নিমন্ত্ৰণ কৰিবলৈ লাজ পায়। তেওঁ উপাৰ্জন কৰিব নোৱৰা হ'লে বা মৰি গ'লে সৰিতে বাৰু ঘৰটোৰ আধাফাল ভাড়ালৈ দিয়ে টুক-টুক টাক-টাককৈ চলিব পাৰিব। অংকিতাই কি কৰিব? ইমান ৰুক্ষভাষিণী বদমেজাজী ছোৱালী এজনীয়ে আন এখন ঘৰত বোৱাৰী খটাটো দূৰৰে কথা, স্বামীৰ হৃদয়তো নিগাজি ঠাই এডোখৰ কৰি ল'ব পাৰিবনে নোৱাৰে সন্দেহ।

চাহ পিয়লা তেনেই চেঁচা হৈ পৰিছে। সৰমাই চাহ দিয়া বুলি তেওঁক কৈ নগ'ল কিয়? তেওঁক সিহঁতে কিয় বাৰু ইমান তুচ্ছ-তাচ্চিল্য কৰে? সিহঁতৰ বাবেই তেওঁ উপাৰ্জন কৰে, সিহঁতৰ বাবেই তেওঁ অহোৰাত্ৰ কষ্ট কৰে। তথাপি সিহঁত ইমান অসন্তুষ্ট কিয়? তেওঁ সকলো সময়তে সন্ত্ৰস্ত-আড়ষ্ট হৈ থাকে; সৰমা জাঙুৰ খাই উঠে বুলি তেওঁ ওজৰ-আপত্তিবিহীনভাৱে, বিচ্ছিন্নভাৱে থাকিব বিচাৰে। নিজৰ সংসাৰতে তেওঁ যেন উপৰঞ্চি সংযোজন। হওক, হওক, তেনেকৈয়ে যদি বাক-বিতণ্ডা নকৰাকৈ তেওঁ জীৱনৰ বাকীকেইটা দিন অতিবাহিত কৰিব পাৰিলেহেঁতেন!

চাহ পিয়লাৰ ওপৰত ডাঠ চামনি পৰিছে; চাহ নহয়, যেন তেওঁৰ নিস্তৰংগ জীৱনটোহে বিবৰ্ণ পিয়লাটিত থুপ খাই আছে।

হৰিৎ হাজৰিকাৰ জীৱনৰ এটি ৰাতিপুৱাৰ হ্ৰস্ব সময়খিনিতে ইমান উপেক্ষা অসন্তুষ্টি একত্ৰিত হ'লে তেওঁৰ সমগ্ৰ জীৱটোনো কেনে হ'ব? ক্লেদাক্ত, ক্লান্তিকৰ, গ্লানিময়? তেওঁৰ সুদীৰ্ঘ অতীতে সামৰি ৰাখিছে অজস্ৰ নুপুৰ পিন্ধা দিন, যিবিলাকে এতিয়াও কেতিয়াবা অকস্মাৎ কৰি উঠে ৰুণ-জুন। আঢ্যৱন্ত নহ'লেও তেওঁৰ পিতৃৰ পৰিয়ালটো ডাল-দৰিদ্ৰ নাছিল। কোনো হেম-গেম নোহোৱাকৈ সংসাৰখন চলাই মাক-দেউতাকে তিনিওটি সন্তানকে উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিছিল। হৰিৎ হাজৰিকাৰ ককায়েকে ওকালতি কৰে। ভনীয়েকজনীও কলেজ এখনৰ প্ৰবক্তা। হৰিৎ হাজৰিকায়ো এম.এ. পাছ কৰাৰ লগে লগে কাৰো হাতে-ভৰিয়ে নধৰাকৈ অফিচ এটাত মূৰ গুজিছিল; বৰ্তমান তেওঁ সেই অফিচটোৰে উচ্চ পদস্থ বিষয়া। তেওঁতো ৰজা-মহাৰজাৰ ছোৱালী বিয়া কৰোৱা নাই। সৰমা ঘোঁকোট গাঁৱৰ দিন-ভিক্ষা প্ৰাণ-ৰক্ষা কৰি চলা নিঃকিন দোকানীৰ ছোৱালী। সমীকৰণৰ সূত্ৰ অনুযায়ী জীৱন চলাহেঁতেন সৰমা হ'ব লাগিছিল আপ্লুত-পৰিতৃপ্ত। তেওঁৰ পিতৃ-গৃহত থকা আৰ্থিক আড়ষ্টতা হাজৰিকাৰ ঘৰত অন্তঃত নাই।

অবৰ্ণনীয় দুখ-কষ্টৰ মাজেৰে সৰমাই যে পাৰ কৰিছে তেওঁৰ অনুদাৰ অতীত, সেই সীমাবদ্ধতা অতিক্ৰম কৰিবলৈকে তেওঁক বহুত কিবাকিবি লাগে — এটা বিয়াগোম ঘৰ, এখন চিক্‌চিকিয়া গাড়ী, অজস্ৰ মূল্যবান সাজ-পোছাক, বাছকবনীয়া অলংকাৰ। মাথোঁ স্বামীৰ দৰমহাৰ টকা কেইটাৰ ওপৰত নিৰ্ভৰ কৰি তেনেবোৰ গগণচুম্বী কল্পনা সাকাৰ কৰিব পাৰিনে?

সুবিধা পালেই সৰমাই হাজৰিকাক খেচখেচায় — এনেহে কলিকালৰ ধৰ্ম-যুধিষ্ঠিৰটো। কাম এটা কৰি দিয়াৰ বাবে কোনোবাই সেৱা-সৎকাৰ কৰি দিয়া বিশ-ত্ৰিশ হাজাৰ টকাকো ভেটি বুলিব পাৰিনে? দৰমহাৰ টকা কেইটাৰে মাহটো লেও দিবলৈকে নাটে। ল'ৰা-ছোৱালী হালক আজিলৈকে ভাল বস্তু এটা খুৱাই, ভাল কাপোৰ এসাজ পিন্ধাই নোপোৱা অকৰ্মণ্যটোৱে নিজকে ৰজা হৰিশ্চন্দ্ৰ বুলি ভাবে। নিজৰ কথা নকৱেঁই। বস্ত্ৰহৰণৰ পাছৰ দ্ৰৌপদীৰ ৰূপ ধৰিবলৈ মোৰ সৰহদিন নাই। কেৰাণী-তৰণিয়েও তলাতল ঘৰ সাজিছে, নিজৰ গাড়ীত উঠি ঘৰ-ঘৰোৱাহে গা-ঘেলাই ফুৰিছে। আমাৰজনৰ কপালত চকুৰ সলনি আলুগুটি আছেতো, তেওঁ সেইবোৰ নেদেখে। নেদেখেনে? নেদেখা-নুশুনাৰ ভাও জুৰি থাকে। পাৰ-বাহ যেন ঘৰ এটা সাজিছে, খেলা খতম, পইচা হজম। থাক এতিয়া কেৰকেৰীয়া শুকান ৰুটি চোবাই, বৰলৰ টোপ যেন মোটা চাউলৰ ভাত খাই। তেওঁৰতো অসুবিধা নহয়, বাহী ভাতো উবৰি-গুবৰিকৈ গিলিব পাৰে। মস্কিল হৈছে আমাৰহে। মই বাৰু চুৱা পাতৰ আগৰ, ল'ৰা-ছোৱালীহঁতৰ কথাতো ভাবিব লাগে। নাই, সেইবোৰলৈ তেওঁ কাণসাৰকে নকৰে। ভেটি নাখায়; এনেহে ৰজা বিক্ৰমাদিত্য ওলাইছে, থিয়ে থিয়ে স্বৰ্গলৈ যাব যেন পাওঁ।

ঘৈণীয়েকৰ বাক্যবাণে হৰিৎ হাজৰিকাক থকা-সৰকা কৰে; তথাপি তেওঁ শান্ত-সমাহিত হৈ থাকিবলৈ যত্ন কৰে। মাইকী মানুহ, তাতে তেওঁ লাওলোটা পৰিয়ালৰ ছোৱালী। মনত চাগে কিমান আশা আছিল, বিয়াৰ পাছতে দুখ-দুৰ্দশাৰ অন্ত পৰিব, বিধে বিধে খাব, ৰকমে ৰকমে সাজ-পাৰ কৰিব, গহনা-গাঁঠনি পিন্ধিব। হাজৰিকাই জানে, তেওঁৰ পত্নীৰ হাবিয়াস পূৰণ কৰিব পৰা নাই। এনেয়ে মানুহজনীৰ খং-ৰাগ বেছি, সামান্য ইফাল-সিফাল হ'লেই দাং খাই উঠে। বেচেৰীৰ মনত দুখ আছে। যিমান পাৰে বকক, গালি-শপণিয়ে মানুহৰ গাত ঘা নকৰে নহয়।

পিছে তেৰোঁতো মানুহ, পত্নী-সন্তানৰ নেওচা-কেওচা কিমাননো সহ্য কৰিব? তেওঁক লাঞ্চিত-অপদস্ত কৰাতে ঘৰখনৰ তিনিওটি প্ৰাণীৰ যেন মহানন্দ। ঠেলি-হেঁচুকি সিহঁতে তেওঁক বনকৰা ল'ৰাৰ বাবে সজা ঠেক-ঠুক কোঠালিটোত সুমুৱাইছে। সামান্য আহল-বহল কোঠা এটা তেওঁৰ ভাগ পৰাহেঁতেন ভাল আছিল। তেওঁৰতো এটাই চখ, কিতাপ কিনা আৰু সেইবোৰ উৰাই-ঘূৰাই পঢ়া। সেই কথাটোকে ঘুঁকটি-ফেনেকি জীয়েক-পুতেকহালে তেওঁক বিদ্ৰূপ কৰে। হাজৰিকাই কিতাপ মেলি লোৱা দেখিলেই সৰিতে কয় — বুঢ়া আই.এ.এছ. পৰীক্ষাত বহে নেকি! অংকিতাই কয় — অহা মাহত ডি.চি. হ'ব যেনেই পাওঁ। সৰমাতো অকলেই এশটা কোদো বৰলৰ সমান। হাজৰিকাক খুকুচিবলৈ মেল খোৱা সৰমাৰ মুখ কেতিয়াও সহজে জাপ নাযায়।

তেওঁৰ যে কি অপৰাধ, হাজৰিকাই নিজেই ঠাৱৰ কৰিব নোৱাৰে। তেওঁৰ দা-দৰমহা ভালেই; লঘোণে নথকাকৈ, ধাৰ-ধুপাৰ নকৰাকৈ তেওঁ মানে-সন্মানে চলি আছে। তেওঁৰ কোঠাটোহে সৰু, সিহঁতচোন গাইপতি একোটাকৈ আহল-বহল কোঠা অধিকাৰ কৰি আছে। বহা কোঠা, শোৱা কোঠা, বাৰাণ্ডাৰে

তেওঁ সজা ঘৰটোতচোন সকলোখিনি সা-সুবিধাই আছে! আটাইতকৈ ডাঙৰ কথা এয়ে ঘৰটো তেওঁ নিজৰ উপাৰ্জনেৰে সজা, অনায়াসে লাভ কৰা পৈতৃক সম্পত্তি নহয়। তেওঁ যেনিবা এটি অট্টালিকা সাজিলেই; সেইটো যদি পত্নী আৰু সন্তানহঁতৰ পছন্দ নহয়!

একেটা ঘৰতে থাকিলে কেতিয়াবাতো পত্নী-সন্তানৰ মুখামুখি হ'বলগীয়াত পৰিবই। তেওঁক দেখিলেই সিহঁতৰ মুখমণ্ডল কুঞ্চিত হয়, শৰীৰত সৃষ্টি হয় অস্বাভাৱিক ভাঁজ। মনে মনে হাজৰিকা আহত হয়, কিন্তু ছিৰাছিৰ হৃদয়খন আৱৰি তেওঁ স্বাভাৱিক হৈ থাকিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে। পৰাপক্ষত তেওঁ পত্নী-সন্তানৰ মুখামুখি নোহোৱাকৈ ইফাল-সিফাল কৰিবলৈ যত্ন কৰে। সেইবাবেই তেওঁ এসোপা ফুল-পুলি ৰুইছিল, কেইটামান হাঁহো পুহিছিল। ডেন্টাতো আছেই। সেইবোৰৰ আপডাল-তদাৰক কৰিয়ে তেওঁ আজৰি সময়কণ কটাব পাৰিব, পত্নী-সন্তানৰ ইতিকিং-ভৰ্ৎসনাৰ পৰাও আঁতৰ হৈ থাকিব পাৰিব।

পিছে পাৰিলে জানো দুদণ্ড শান্তিৰে কটাব? বদুৱা কটাৰি এখনেৰে সৰমাই ৰেপি ৰেপি ফুলগছবোৰ কাটিলে, সৰিতক লগাই খেদি-কুৰি হাঁহকেইজনী মৰালে। সৰমাৰ জিভাত আছে সৰস্বতীৰ বাহ। জুলি-পকি মানুহজনীয়ে দেওধনী ৰূপ ধৰিলে — পশুপালক ওলাইছে, আদৰ্শ খেতিয়কৰ বঁটা পাবলৈ তেওঁ ঠেং দাঙি আছে হ'বলা। হাঁহ-পাৰ পুহি ঘৰখন ঘোঁকোট গাঁৱৰ চুক যেন কৰিবলৈ তেওঁৰ গাত বাঘতেল লাগিছে। ইমানেই যদি ফুলপুলি ৰোৱাৰ চখ, পিতলৰ টাব কেইটামান নানিলে কিয়?

হৰিৎ হাজৰিকাই বিনা-বাক্যব্যয়ে পত্নীৰ দংশনৰ জ্বালা সামৰি-সুতৰি ৰাখিবলৈ প্ৰাণপণে প্ৰয়াস কৰে। হাঁচিয়াওতে অতি শক্তিশালী লোকেও দুচকু মুদিবলৈ বাধ্য হোৱাৰ দৰে পত্নী-সন্তানৰ উদ্ভগুালি দেখিও অজস্ৰজনে নেদেখাৰ ভাও জুৰিবলগীয়াত পৰাটো সংসাৰ-ধৰ্মৰ এক অপৰিহাৰ্য ৰীতি।

পৰাহেঁতেন সৰমা, সৰিৎ আৰু অংকিতাই মিলি হাজৰিকাক কেতিয়াবা জেল-ফাঁচি দিলেহেঁতেন; নোৱাৰিহে আটাইমখাই ধৰফৰাই আছে। সেই ধৰফৰণিয়ে প্ৰায়েই তৰ্ক-বিতৰ্কতো ৰুচি নাই। উখনা-উখনি দূৰৰে কথা, হাজৰিকাৰ তৰ্ক-বিতৰ্কতো ৰুচি নাই। সিহঁতক উত্যক্ত-বিৰক্ত নকৰাকৈ চলা-ফিৰা কৰিবলৈ হাজৰিকাৰ আন্তৰিক প্ৰচেষ্টাৰ অন্ত নাই। হ'লে হ'ব কি! তেওঁৰ সমস্ত প্ৰচষ্টো ফু মাৰি উৰুৱাই দৈনিক বাদ-বিবাদে ঠন ধৰি উঠে। হৰিৎ হাজৰিকাই ফেঁপেৰি নাপাতে যদিও নিত্য-নৈতিত্তিক কাজিয়া-পেঁচালৰ হীন-ডেঢ়ি নঘটে। মূৰ্খবিলাকে তাহানিখনৰ পৰা কৈ আহিছে — এপাট তাল নাবাজে। পৃথিৱীখনত শংখৰে পৰা এক শংখৰে পৰা একৰ্ড্ৰিয়ানলৈ গুটীয়াকৈ বজাব পৰা বাদ্যযন্ত্ৰৰ আকাল লাগিছে নেকি?

হাজৰিকাৰ ছাঁটো দেখিলেই ঘৰখনৰ তিনিওটি প্ৰাণীয়ে ঘেংঘেঙাই উঠে। সিহঁতে ভাবে, মনে প্ৰাণে বিশ্বাস কৰে যে জধলা, কাণ্ডজ্ঞানহীন, অকৰ্মণ্য হাজৰিকাই হৈছে সিহঁতৰ আনন্দ-উন্নতিৰ একমাত্ৰ অন্তৰায়। সৰিতক বিচাৰি মাজে মাজে এবেগেতীয়া কিবা এটা পিন্ধা কেটেঙী ছোৱালী এজনী আহে। তাইক দেখিলেই সৰিৎ বৰফৰ দৰে গলিবলৈ ধৰে। অংকিতাক লগ ধৰিবলৈকো পাকে পাকে ল'ৰা দুটামান আহে। বিচিত্ৰ সিহঁতৰ চাল-চলন, অদ্ভুত সিহঁতৰ সাজ-পাৰ। সিহঁতৰ একোজনে পিন্ধা লংপেণ্টতে থাকে দহ-বাৰটাকৈ পকেট। সৰমাৰ লগতো এজন ঠিকাদাৰ আৰু এজন ব্যৱসায়ীৰ হলি-গলি আছে। হাজৰিকাৰ ঘৰটো দেখিলেই ঠিকাদাৰজনৰ অণ্ঠ-কণ্ঠ শুকাই যায়, সৰমাই দিয়া চেঁচাপানী এগিলাচ ঢকঢককৈ পি দেহাটো জুৰাবলৈ সেই পদূলিশুঙাটোৰ তত নাইকিয়া হয়। ব্যৱসায়ীজনে সদায় হাতত এটোপোলা মিঠাই লৈ আহে। এপৰমান বেলি সৰমাৰ লগত ফুচ-ফুচ ফাচ-ফাচকৈ কথা পাতি, ঢেক-ঢেককৈ হাঁহি, নিজে অনা মিঠাইৰ লগতে চাহ-ভাত গিলাৰ পাছতহে পঘাখোৱাটোৱে বিদায় লয়। পখৰা ধুনত উতলি থকা তেনেবোৰ মানুহৰ আগমনে ঘৰখনৰ গোমোঠা পৰিৱেশটোকে সলনি কৰি পেলায়। হৰিৎ হাজৰিকা মৰমৰীয়া শুকান ৰুটি আৰু গংগা যমুনা মচুৰ দাইল খায়েই বাচি আছে। খাবলৈ-পিন্ধিবলৈ নোপোৱাৰ অজুহাতত সৰমাই অনবৰতে ৰণচণ্ডী মূৰ্তি ধৰি থাকে। সিহঁতৰ লগ-ভাগবোৰ আহিলে নাটন-নোজোৰণ ঘৰখনতে কেনেকৈ যে মিঠাই, অমলেট্, ধোঁৱা থকা কফি ওলায়, অন্তৰ্যামীয়েহে জানে।

ওলাওক, সিহঁতে দকচি খাওক, হেঁপাহ পলুৱাই গল্প-গুজবত মত্ত হওক, খিলখিলীয়া-ঢেকঢেকীয়া হাঁহিৰ যুগলবন্দীয়ে তেওঁৰ ঘৰখন তল-ওপৰো কৰক। তেনেবোৰ কামত হাজৰিকাই কোনোদিনেই হকা-বধা কৰা নাই। তথাপি সিহঁত সন্তুষ্ট নহয়। ৰসে চৌ-চৌ মুহূৰ্তবোৰত ঘৰখনত হাজৰিকাৰ উপস্থিতি সিহঁতে সহ্য নকৰে। আলহী-অতিথি যোৱাৰ পাছত সৰমাই প্ৰায়েই গেজেং গেজেংকৈ কয় — ধন-সম্পত্তিৰে ঘৰখন খুন্দ খাই আছেতো, তেওঁ সেইখন পৰ দি থাকিবই লাগিব। বুঢ়া-যখটোৱে একেবাৰে খুঁটি-পুতি বহিছে, এখন্তেকলৈ ঘৰখন এৰিব নোৱাৰে।

সিহঁতক সন্তুষ্ট কৰিবলৈকে হাজৰিকা অফিচৰ পৰা পলমকৈ ঘৰলৈ ওভতে, বন্ধৰ দিনা ঘৰতকৈ বাহিৰত সৰহ পৰ কটায়। শান্ত, স্নেহপ্ৰৱণ, স্থিতধী হাজৰিকাৰ সুদীৰ্ঘ অতীতে বিনা-সূতাৰে মেৰিয়াই অজস্ৰজনক তেওঁৰ আপোনজন কৰি তুলিছে। সেই সকলো লোকেই তেওঁক অকপটভাৱে সম্ভ্ৰম কৰে, তেওঁৰ উপস্থিতিয়ে সেই লোকসকলক মোহিত-পৰিতৃপ্ত কৰে। তেওঁ কাষত থিয় দিলেই কাৰো হাক-বচন নমনা, চেলেং-পেটেং, অফিচাৰটোৰ আটাইতকৈ দুৰ্বিনীত কাৰ্যালয় সহকাৰী পৰিতোষ পালৰো মুখখন সহজবোধ্য সন্মান প্ৰদৰ্শনৰ জ্যোতি উদ্ভাসিত কৰি তোলে। যাওঁ বুলিলেই তেওঁ প্ৰতিবেশী, সংগী-সহচৰ যিকোনো লোকৰ ঘৰলৈকে যাব পাৰে। পিছে সকলোৰে ঘৰত অসুখ-অশান্তি, সন্তানৰ পৰীক্ষাৰ প্ৰস্তুতি ইত্যাদি এশ এটা অসুবিধা থাকেই। তেনে একোখন ঘৰত চাহ-তামোল খাই সময় কটোৱাৰ বাবেই ঘণ্টাৰ পাছত ঘণ্টা জুৰি মেল মাৰিবলৈ তেওঁৰ ইচ্ছা নহয়।

হাজৰিকাৰ বন্ধুৰ পুতেক এজনে বিদেশত খাদ্য সংৰক্ষণৰ শিক্ষা লৈ আহিছে। কিছুদিন তেওঁ বন্ধু-পুত্ৰৰ পৰা সেই বিশেষ কায়দা কিটিপসমূহ আয়ত্ত কৰিলে। কম্পিউটাৰক বশীভূত কৰাৰ অব্যৰ্থ মন্ত্ৰ শিকি পাৰ কৰিলে কিছু দিন; তথাপিচোন হাজৰিকাৰ ওপৰঞ্চি সময়ৰ অন্তই নপৰে। তামোল এখন কিনাৰ অজুহাততে তেওঁ গোপী দোকানীৰ লগতো বহুপৰ মেল মাৰে। উপযুক্ত শ্ৰোতা এজন পাই গোপীয়েও হৰিৎ হাজৰিকাৰ আগত তাৰ ঘৰ-সংসাৰ, ব্যৱসায়-অথন্তৰৰ বিষয়ে আদ্যোপান্ত বিবৰি কয়। তেনেকৈয়ে হাজৰিকাই গোপীৰ নাড়ী-নক্ষত্ৰৰ ভু পায়। চুট-বুট পিন্ধা কোন কেইজনে তামোল-চিগাৰেট খাই ডিঙিলৈকে ধাৰত পোত কৈ তাক দেখিলেই পুলুং-পালাং কৰে, বিয়াৰ বাৰ বছৰ পাছতো সন্তান নোহোৱাত তাৰ ঘৈণীয়েকজনীক সকলোৱে কোনেদৰে ছেই-ছেই, লেই-লেই কৰিছিল, এগৰাকী সিদ্ধ স্বামীজীৰ কৃপাত কেনেকৈ সি এটা নিপোটল পুত্ৰৰ পিতৃ হ'ল, আগতে পেংলাই কৰা মানুহমখাই এতিয়া কেনেদৰে তাৰ ঘৈণীয়েকক দেখিলে লেউ-সেউ হৈ পৰে, হাজৰিকাৰ আগত লুক-ঢাক নকৰাকৈ গোপীয়ে সকলো কথাকে সবিস্তাৰে বৰ্ণনা কৰে।

কেবা-শ কিলোমিটাৰ দূৰত পুত্ৰ-পৰিবাৰক এৰি হা-হা কা-কা কৰি চলা সহজ-সৰল মানুহটোকো নিজৰ সংসাৰৰ মোহপাশে সন্মোহিত কৰি ৰাখিছে। গোপীৰ তুলনাততো হৰিৎ হাজৰিকা যেন এজন শূন্য, অপাংক্তেয়, হৃত-সৰ্বস্ব লোক। আত্মগ্লানি আৰু অনুশোচনা পোহপাল দি মিঠা লবংগত গুজি থোৱা জ্বলা লংটোৰ দৰে তেওঁনো বাৰু কিহৰ আশাত ঘৰখন ৰখি আছে? সংসাৰ নামৰ কৃতঘ্ন যন্ত্ৰটোৰ কল-কজাৰ অভিমান ভাঙোতেই তেওঁৰ জীৱনৰ এছোৱা পাৰ হ'ল। জীৱনজোৰা নিষ্ঠা-সততাৰ বাবে পত্নী-সন্তানে তেওঁকনো কেনেদৰে পুৰস্কৃত কৰিলে? কিহৰ মায়াত স্বেচ্ছাই তেওঁ এই নৰককুণ্ডত বাস কৰে? তেওঁৰ সুখ-দুখৰ লগত ঘৰখনৰ কোনোটো প্ৰাণীয়েই জড়িত নহয়। তেন্তে তেওঁ ঘৰখনত থকা-নথকাৰ মাজতো পাৰ্থক্য কি?

হৰিৎ হাজৰিকা এক স্থিৰ সিদ্ধান্তত উপনীত হ'ল। ঘৰখনৰ কোনেও উমান নোপোৱাকৈ তেওঁ কিছুমান কাম কৰিবলৈ ধৰিলে। আগতীয়াকৈ তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলে। কৰিৎকৰ্মা উকীল এজনৰ লগত পৰামৰ্শ কৰি নিজৰ সা-সম্পত্তিখিনি ভাগ কৰিলে। ঘৰ-মাটিখিনি দিলে পত্নী আৰু সৰিতক। সিহঁতে পিছে সেই স্থাৱৰ সম্পত্তি কেতিয়াও বিক্ৰি কৰিব নোৱাৰিব। সঞ্চিত ধনখিনিৰ ডাঙৰ অংকটো দিলে সৰমাক, ল'ৰা-ছোৱালীহালকো একোভাগকৈ দিলে। বেছ, এতিয়া তেওঁ বন্ধন-মুক্ত। গোপী দোকানীৰ পৰা ঠিকনা লৈ ইতিমধ্যেই তেওঁ দূৰণিৰ আশ্ৰমৰ অধিকৰ্তা স্বামীজীৰ লগত যোগাযোগ কৰিছিল, স্বামীজীয়েও তুৰন্তে উত্তৰ দিছিল। তিনিশ বিঘা মাটি জুৰি তেওঁলোকৰ আশ্ৰম। তাত স্কুল, চিকিৎসালয়, বৃদ্ধ-নিৱাস, বিভিন্ন কুটীৰ শিল্পজাত সামগ্ৰী উৎপাদন কেন্দ্ৰ আদি আছে। সেইবোৰ পৰিচালনাৰ বাবে অবৈতনিকভাৱে কাম কৰিবলৈ ইচ্ছুক বহু শিক্ষিত-সমৰ্পিত লোকৰ প্ৰয়োজন। অৱশ্যে সেই লোকসকলৰ থকা-খোৱাৰ দায়িত্ব আশ্ৰমেই লয়, কামৰ বাবে তেওঁলোকক যৎ-সামান্য মাননিও দিয়া হয়। খৰচি মাৰি সকলো কথাকে জনোৱাৰ পাছত স্বামীজীয়ে লেখিছিল — আপোনাৰ শিক্ষা-দীক্ষা, সামাজিক স্থিতি আৰু ওপৰঞ্চি কাৰ্যদক্ষতা সম্বন্ধে বিতংভাৱে জনাই আমাৰ লগত যোগাযোগ কৰে যেন।

অশলাগী মানুহ কিছুমানৰ জটিল মেৰ-পাকত ওপৰঞ্চি সংযোজন হৈ থকাৰ অকথ্য অপমানে ত্যক্ত-বিৰক্ত কৰি ৰখা হৰিৎ হাজৰিকা নিজে গঢ়ি তোলা ঘৰখন চিৰদিনৰ বাবে ত্যাগ কৰিবলৈ ত'ত নাইকিয়া হ'ল। হাতত এটা ক্ষুদ্ৰাকৃতিৰ বেগ লৈ কাকো এষাৰ মাতো নিদিয়াকৈ এদিন নিঃশব্দ মানুহজন ঘৰখনৰ পৰা নিঃশব্দে ওলাই গ'ল।

নিতৌ ঘৰত সোমোৱাৰ নিৰ্দিষ্ট সময়ৰ বহু পাছলৈকে হৰিৎ হাজৰিকা ঘৰত সোমোৱা নাই, সৰমা-অংকিতাহঁতে হাহাকাৰ লগাব লাগিছিল। ঘড়ীৰ কাঁটাৰ নিৰ্দেশ মানি চলা ঘৰখনৰ মূল মানুহজনৰ নিশা দোভাগলৈ দেখা দেখি নাই, ভয়-শংকাই সৰমাহঁতৰ বুকুৰ ধপধপনি বঢ়াই তুলিব লাগিছিল। পিছে হাজৰিকা আছেনে মৰিল খা-খবৰ কৰিবলৈ সিহঁতৰচোন কাণসাৰেই নাই। খাওঁ খাওঁ মূৰ্তি ধৰি উঠা সূৰ্যৰ তাপত বহুদূৰ বাটকুৰি বাই সৰিৎহঁতে যেন শীত-তাপ নিয়ন্ত্ৰিত কোঠা এটাতহে প্ৰৱেশ কৰিলে! সিহঁতৰ মন-মেজাজ প্ৰশান্তি আৰু প্ৰসন্নতাৰে উপচি পৰিল। বুঢ়াটো নাই, আহ কি যে শান্তি!

তীব্ৰবেগী ৰেলেৰে দুদিন-দুৰাতি বাট গৈ হৰিৎ হাজৰিকা স্বামীজীৰ উপস্থিত হ'ল। দেখাৰ লগে লগে স্বামীজীয়ে হাজৰিকাক সাৱটি ধৰিলে। অশীতিপৰ বৃদ্ধ স্বামীজীৰ স্নেহময় স্পৰ্শই মুহূৰ্ততে যেন হাজৰিকাৰ অন্তৰত স্তূপীকৃত লাঞ্ছনা-নিৰ্যাতনৰ পাহাৰ খহাবলৈ আৰম্ভ কৰিলে। আপোনজনৰ সান্নিধ্যত তেওঁ যি শান্তি-স্বস্তি অনুভৱ কৰা নাছিল অনাত্মীয় লোকৰ সংশ্ৰৱতে যেন তেওঁ অনুভৱ কৰিলে সেই আকাঙ্খিত পৰিতৃপ্তি।

এদিন-দুদিনকৈ কেবাদিনো পাৰ হৈ গ'ল। বা-বাতৰি ল'বলৈ অহা মানুহ-দুনুহেৰে সৰমাহঁতৰ ঘৰ-চোতাল উপচি পৰিল। কোনোবাই সৰিতক প্ৰশ্ন কৰিলে — তেওঁ দহ-পোন্ধৰ দিন ধৰি ঘৰলৈ অহা নাই, তোমালোকে জানো অ'ত ত'ত খা-খবৰ কৰিছা? মানুহজন নিৰুদ্দেশ হোৱাৰ বাতৰিটো ওচৰ-চুবুৰীয়াই পাওঁতে ইমান পলম হ'ল কিয়? ৰং চাবলৈ অহা আৰু হাজৰিকাক মনে-প্ৰাণে ভালপোৱা মানুহৰ উপস্থিতিয়ে সৰমাহঁতৰ

ঘৰখনত যেন অৱতৰীয়া অম্বুবাচী মেলাৰহে সৃষ্টি কৰিলে। কিনো কৰিব, কিনো নকৰিব সৰমাই উৱাদিহকে পোৱা নাই। তেওঁ বিধে বিধে জা-জলপান কৰি আলপৈচান ধৰা ঠিকাদাৰ আৰু ব্যৱসায়ী দুজনৰ দেখা-দৰিশনকে নোপোৱা হ'ল। সৰিৎ আৰু অংকিতাৰ বন্ধু-বান্ধৱীমখায়ো কিবা সা-সহায় কৰিব লাগে বুলি এইফালে পাক এটাও নমৰা হ'ল। সৰমাই দুচকুৰে ধোঁৱা-কোঁৱা দেখিলে। সৰহ হওক, তাকৰ হওক, ঘৰখনৰ ভিতৰত উপাৰ্জন কৰা মানুহ আছিল সেইজনেই। এতিয়া সৰমাই ঘৰখন চলায় কেনেকৈ?

জাক জাক মানুহে খোদালি-ফেনেকি ঘৰখন বাঁহতল যেন কৰি থৈ গৈছে। এই কেইদিনতে মকৰাজাল আৰু ধূলি-মাকতিয়ে ঘৰ-দুৱাৰ ছানি ধৰিছে। ইমান ডাঙৰ চৌবাচ্চাটো হাজৰিকাই সদায় কেনেকৈ যে পানীৰে পূৰাইছিল! সৰিৎ-অংকিতাৰ হাতে-ভৰিয়ে ধৰিও সৰমাই কোনো এটা কামকে কৰাব নোৱাৰে। ঘৰখনৰ ইমানবোৰ কাম অতদিনে ওজৰ-আপত্তি নকৰাকৈ হাজৰিকাই বাৰু কেনেকৈ চম্ভালিছিল? গেছ চিলিণ্ডাৰ এটা আনিবলৈ দিওঁতে সৰিৎ যেনেদৰেহে দাং খাই উঠিল, পৰাহেঁতেন সি যেন মাকৰ চুলিকোছাত ধৰি ঘটালিহে দিলেহেঁতেন! খোৱা-পিন্ধাত সামান্য হেৰ-ফেৰ হ'লেই সি যে কেতিয়াবা সৰমাৰ গাত হাত নুতুলিব, তাৰেইবা কি নিশ্চয়তা আছে?

খাৰাংখাচ উকিলজন অহাৰ পাছৰে পৰা সৰমাৰ বুকুখন দুৰু-দুৰুকৈ কঁপি আছে। সঁচাকৈয়ে ঘৰৰ মানুহজন কেতিয়াও ঘৰলৈ উভতি নাহিবই নেকি! উকীলজনে হুঁটুৰ-হুঁটুৰকৈ কৈছিল — হাজৰিকা থকা-নথকাৰ মাজতনো কি পাৰ্থক্য আছে? তেওঁ জানো আপোনালোকক সুখ-শান্তি দিব পাৰিছিল? আপদ দূৰ হ'ল, ভালেই হ'ল। সা-সম্পত্তিতো আপোনালোকক দি গৈছে। এতিয়া নিজৰ মতে খাওক, পিন্ধক, ফুৰক, আনন্দ কৰক। হতভাগাটোৱে কয় কি? সৰমাৰ ফাই উঠি গৈছিল। পাৰিলে তেওঁ তেতিয়াই মুখচোকা উকীলটোক বুটী বাঢ়নীৰে গুৰুলা-গুৰুলকৈ কোবাই মূৰত উতলা পানী ঢালি দিলেহেঁতেন।

উকিলক মাৰ-পিট কৰিলেনো হ'ব কি? সঠিক সময়ত সৰিৎ আৰু অংকিতাক শাসন কৰাহেঁতেন ঘটং-মটং কৰি উতলি ফুৰাৰ সলনি ইমানদিনে সিহঁত দুটা লায়েকৰ মানুহ হ'লহেঁতেন। সৰমাৰ গাত বীৰা-যখিনীহে লম্ভিছিল নে অতদিনে তেওঁ চকু দুটা হাতৰ মুঠিতহে লৈ ফুৰিছিল? মুখৰ মাত নোহোৱা, ঘৰ-ঘৰোৱাহক সুখত ৰাখিবলৈ অষ্ট প্ৰহৰ পৰিশ্ৰম কৰা মানুহজনক সৰমাই কম ককৰ্থনা, কম অত্যাচাৰ কৰিছিলনে? নিজৰ চুলিকে কোছা-কোছে উভালি, কপালত ভুকুৱাই সৰমাৰ হিয়ালি-জিয়ালিকৈ কান্দিবলৈ মন গ'ল।

নিশা দুপৰলৈকে সৰিৎ আৰু অংকিতা ঘৰ চপা নাছিল। সৰিৎ আগৰে পৰাই আলাসত চাং পতা ফাংফুঙীয়া ল'ৰা। অত ৰাতিলৈ সিবা মদ-ভাং খাই ক'ত লাং খাই পৰি আছে। অংকিতা ছোৱালী মানুহ, তাইতো কাল-সন্ধিয়াৰ আগে আগে ঘৰ চাপিব লাগে। নাই, মাজ-নিশালৈ আগে আগে ঘৰ চাপিব লাগে। নাই, মাজ-নিশালৈকে তাইৰ দেহাৰ ৰমৰমণি শাঁত পৰাই নাই। সৰমাই দাঁত কৰচিলে — চৰি-ফুৰি পাখৰীজনী আজি ঘৰ সোমাওক, পটাগুটিৰে থেতালি বুঢ়ীমাকে যদি তাইৰ থোতা মুখ ভেতা নকৰোঁ, মোৰ নামত ফাপৰে ধৰা ঢেকুৰা কুকুৰ পুহিবি।

নিশাৰ নিৰ্জনতাই সৰমাক যেন গিলিপ মাৰি ধৰিছে, তেওঁৰ ডিঙি শুকাই খৰখৰীয়া হৈ পৰিছে, স্বাভাৱিকভাৱে তেওঁ যেন উশাহ-নিশাহ ল'ব পৰা নাই।

অকস্মাৎ ফোনৰ ৰিং শুনি সৰমা চমকি উঠিল। এই মাজৰাতিখন কোন কি আতুৰত পৰিছে যে সৰমাৰ লগত কথা-বতৰা নাপাতিলেই নহয়! ৰিচিভাৰটো তুলি তেওঁ কম্পিত কণ্ঠে উচ্চাৰণ কৰিলে — হেল্ল'। ফোনৰ সিটো দিশৰ পৰা ভাঁহি আহিল হৰিৎ হাজৰিকাৰ নিৰাৱেগ কণ্ঠস্বৰ — উকিলে সকলোখিনি বুজাই দিছেনে? তেওঁৰ কণ্ঠস্বৰ যে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰাহে ভাহি আহিছে। খপ-জপকৈ সৰমাই ক'লে — দিছে। তাৰ পাছত সৰমাই উপৰ্যুপৰি প্ৰশ্ন কৰিলে — আপুনি ক'ৰ পৰা কৈছে? ঘৰলৈ অহা নাই কিয়? কেতিয়া আহিব? নাই, সিফালে কাৰো সাৰসুৰ নাই, হাজৰিকাই নিশ্চয় ৰিচিভাৰ থৈ দিছে। অনন্ত নিস্তব্ধতা পৰ দিবলৈকে যেন সৰমা অতন্দ্ৰ প্ৰহৰীৰ দৰে বহি ৰ'ল। ■

### *ড° বিৰিঞ্চি কুমাৰ মেধি*

*স্বৰাজোত্তৰ কালৰ যি মুষ্টিমেয় গল্পলেখকৰ ঐকান্তিক প্ৰচেষ্টাত অসমীয়া গল্প-সাহিত্যৰ প্ৰৱহমান ধাৰাই কল্লোলিনী ৰূপ পৰিগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে, তেওঁলোকৰ ভিতৰত ড° বিৰিঞ্চি কুমাৰ মেধিও অন্যতম। এক বৃহৎ সংখ্যক গল্পৰ ৰচক ড° মেধিৰ গল্পৰ হৃদয়ৰঞ্জন বৈশিষ্ট্যই ইতিমধ্যে বিপুল সংখ্যক পাঠকক মন্ত্ৰমুগ্ধ কৰি তুলিবলৈ সমৰ্থ হৈছে। ড° প্ৰহ্লাদ কুমাৰ বৰুৱা ভাষাত 'মেধিৰ গল্পৰ আটাইতকৈ মোহনীয় দিশটোৱেই হ'ল ইংগিতধৰ্মী ভাষাৰ কাব্যিকতা।' ড° হীৰেন গোহাঁয়ে লেখিছে— 'ভাষাৰ ওপৰত তেওঁৰ (ড° মেধিৰ) দখল স্বচ্ছন্দ। চিত্ৰকল্পৰ সাৰ্থক প্ৰয়োগেই হওক বা গএগ্ৰা মাত-কথাৰ হুবহু প্ৰতিধ্বনিয়েই হওক তেওঁৰ গল্পবোৰত ৰচনাৰ নৈপুণ্য অনস্বকাৰ্য। এক বিষণ্ণ হাস্যৰসো তেওঁৰ বচনভংগীলৈ আনি দিছে এক বিশিষ্ট স্বাদ'। ড° প্ৰহ্লাদ কুমাৰ বৰুৱাৰ ভাষাত 'বিৰিঞ্চি কুমাৰ মেধিৰ পাঠক মাত্ৰেই এইষাৰ কথা স্বীকাৰ কৰিব লাগিব যে মেধিয়ে গল্প ক'ব জানে আৰু চুটিগল্পৰ কাৰিকৰী সচেতন লেখক।' ড° মেধি মাথা গল্পকাৰেই নহয়, তেওঁ একাধাৰে সাৰ্থক গীতিকাৰ, নাট্যকাৰ, প্ৰবন্ধকাৰ, নৃতত্ত্ববিদ আৰু শিশু সাহিত্যৰ ৰচক। বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালত মূৰব্বী অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা ড° মেধিৰ 'নিৰাধাৰ সংসাৰ' গল্পটি পাঠকবৃন্দৰ ৰসাস্বাদনৰ সুবিধাৰ্থে পুনৰ্মুদ্ৰিত কৰা হ'ল।*

সম্পাদক





# গুৱাহাটী ঃ সপোনৰ আন এক নাম

টুনুজ্যোতি গগৈ

আঃ এইখনেই তেন্তে গুৱাহাটী মহানগৰ — ধূলি ধূসৰিত বাট-পথ, উৰণীয়া সেঁতু, চিটিবাছ-লাইনবাছ-নাইটছুপাৰ-ট্ৰাক-অট'-নানা ডিজাইনৰ বিলাসী গাড়ী-ৰিক্সা-ঠেলা, ব্যস্ত পথচাৰীৰ ৰূপত বৃদ্ধ-আদহীয়া-আধুনিক ডেকা-ডেকেৰী, এপিনে শৰণখেৰ, টাৰ্পলিনে সজা ভগা-ছিগা জুপুৰী; আনফালে অত্যাধুনিক কাৰুকাৰ্যখচিত সুদৃশ্য-সুউচ্চ ভৱন, অসম্ভৱ চাকৃচিক্ দোকান-বজাৰ, লোভনীয় খাদ্য সম্ভাৰেৰে হোটেল-ৰেষ্টুৰা, কাঠফুলাৰ দৰে গজি উঠা স্কুল-কলেজ, কল-কাৰখানা, ক্ৰমশঃ সেউজীয়া অন্তৰ্হিত কৰি জনাকীৰ্ণ হৈ পৰা পাহাৰ, বিশাল ব্ৰহ্মপুত্ৰ আৰু কত কি যে মহানগৰৰ বুকুত কুঞ্জমোহনে এই দুদিনতে প্ৰত্যক্ষ কৰিছে, সেয়া কেতিয়াও কৈ শেষ কৰিব নোৱাৰি। এই কেইদিন একো কাম হোৱা নাই তাৰ — পৰহি অংকুৰে তাক ছয়মাইলৰ আনন্দ নগৰত অৱস্থিত এই ভাড়াঘৰটোত থৈ যোৱাৰ পিছৰ পৰা সি বিস্ময়-বিমুগ্ধ হৈ চিটিবাছ বা অট'ত উঠি য'তে ত'তে ঘূৰি ফুৰিছে, মহানগৰৰ বৈচিত্ৰ্যময় জীৱনৰ স্বাদ এচেলেক লৈছে, ৰান্ধি-বাঢ়ি খাইছে আৰু অংকুৰে কিনি থোৱা পুৰণি কাকত-আলেনচনীৰ পাত লুটিয়াই ৰাতি দহ-এঘাৰমান বজাত টোপনি গৈছে। নিমিলে, অসমৰ একেবাৰে শেষ সীমাত অৱস্থিত মাৰ্ঘেৰিটাখনৰ লগত উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ স্বৰূপ গুৱাহাটীৰ জীৱন প্ৰণালী একেবাৰে নিমিলে; গুৱাহাটীৰ দৰে মাৰ্ঘেৰিটাত মানুহৰ ইমান ব্যস্ততা নাই, খোৱা-পানী টুপিৰ বাবে হাঁহাকাৰ নাই, ডাষ্টবিনত বা আনৰ ঘৰৰ পদূলিত জাবৰ-জোঁথৰ পেলাব নালাগে, সৰু কোঠা এটাৰ ভাড়াৰ বাবদ এহেজাৰ টকা ভৰিব নালাগে। গুৱাহাটীৰ জীৱন-যাত্ৰা যেন মাৰ্ঘেৰিটাতকৈ বহুত দ্ৰুত, কৃত্ৰিম, বিলাস-বহুল আৰু সংগ্ৰামমুখৰ। কাৰো ক'তো ৰ'বলৈ সময় নাই, কালৈও ঘূৰি চাবলৈ আহৰি নাই, মানুহৰ মাজত হয়তো আত্মীয়তাও নাই! কিন্তু, ইমান ব্যস্ততাভৰা, যান্ত্ৰিক আৰু ব্যয়বহুল গুৱাহাটী মহানগৰলৈ অবিৰাম জনস্ৰোত বয় জীৱক উন্মোচন কৰাৰ, প্ৰতিষ্ঠা কৰাৰ, প্ৰাপ্তি আৰু বৈভৱৰে উপভোগ কৰাৰ লক্ষ্যৰেই। হয়, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লৈ দুবছৰ ঘৰত বহি থকাৰ পিছত সিও জীৱনত কিবা টো কৰিম বুলি ভাবিয়েই মফচলীয় ঠাইখনৰ পৰা গুৱাহাটীলৈ আহিছে; ভৱিষ্যৎ জীৱনৰ অনিশ্চয়তা আৰু আশংকা থাকিলেও সপোনৰ ৰামধেনুখন বৰ উজ্জলভাৱে চিকমিকাইছে, সকলো সমস্যাক প্ৰত্যাহ্বান হিচাপে লৈ আত্মপ্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰাৰ মানসিক প্ৰস্তুতি আহৰণ কৰিছে। সি চেষ্টা চলাব, গুৱাহাটীৰ হেজাৰ হেজাৰ মানুহৰ ভিৰৰ মাজত হেৰাই নাযাবলৈ, নিজকে প্ৰতিষ্ঠা কৰাৰ যুঁজখনৰ পৰা কক্ষচ্যুত নহ'বলৈ।

আত্মপ্ৰতিষ্ঠাৰ বাবে কুঞ্জমোহনে মাৰ্ঘেৰিটাতো প্ৰচেষ্টা চলাইছিল; আত্মপ্ৰতিষ্ঠানো কি — ছবি অঁকাৰ নিচাক লাভজনক আৰু সন্মানজনক পেছালৈ ৰূপান্তৰিত কৰি সি জীৱনটোক অৰ্থপূৰ্ণভাৱে আৰু আনতকৈ বেলেগ ধৰণেৰে যাপন কৰাৰ কথা ভাবিছিল। সেই যে সৰুতে সি চিলটত মাটি পেঞ্চিলেৰে গছ-মানুহ-হাতী-ঘোঁৰা-বেলি-নদী আঁকিবলৈ চেষ্টা কৰিছিল, সেই চেষ্টাই ধীৰে ধীৰে তাক চিত্ৰশিল্পৰ প্ৰতি, নিজে নজনাকৈ আগ্ৰহান্বিত কৰি তুলিছিল; ডাঙৰ হৈ অহাৰ লগে লগে সেই ধাউতি বাঢ়ি অহাত মাটিৰে লিপা ঘৰৰ এঙাৰেৰে, স্কুলৰ অংক-বিজ্ঞানৰ বহীত কাঠ পেঞ্চিল বা কলমেৰে মাক-দেউতাক আৰু ছাৰ-বাইদেউহঁতৰ গালি-গালাজ খোৱাৰ পিছতো বিভিন্ন ছবি আঁকিবলৈ লৈছিল। তাক কেৱল বুজি পাইছিল দুলাল খুড়াই; তাক ছবি আঁকিবলৈ উৎসাহিত কৰাৰ লগতে মাক-দেউতাকক বুজাইছিল — 'ল'ৰাজনক অনবৰত খেচ্‌খেচাই নাথাকিবিচোন। সি কিবা এটা আঁকিবলৈ চেষ্টা কৰিছে, কৰক; কিজানি সি পাবলো পিকাছৰ দৰে চিত্ৰশিল্পীয়েই হয়গৈ।' পাবলো পিকাছ খায় নে কাণত পিন্ধে সেই বিষয়ে একো নজনা আজলী মাকে খুড়াকৰ কথাত কৈছিল — 'জানো কি কৰিব খুজিছে এইপাতে। হাতী-ঘোঁৰা আঁকি থাকোঁতে ছয়মহীয়া পৰীক্ষাই বেয়া কৰি পেলাইছে।' ভালে কেইদিন খট্-বান্ধ দি লগাৰ পিছত দেউতাকে তালৈ ৰং পেঞ্চিলেৰে সি ছবি অঁকা বহীখনত কিছুমান কাল্পনিক দৃশ্যও আঁকিবলৈ লৈছিল; মানুহৰ ঘৰ-বাৰী, পৰ্বত-পাহাৰ, নৈ-অৰণ্য, আকাশ-ডাৱৰ আৰু কত যে কি! আচৰিত ধৰণেৰে কোনো আনুষ্ঠানিক শিক্ষা নোহোৱাকৈ, মাক-দেউতাক, শিক্ষক-শিক্ষয়িত্ৰীৰ উপযুক্ত সঁহাৰি নোপোৱাকৈ সি নিজেই নিজৰ প্ৰেৰণাৰ উৎস হৈ ছবি অঁকাত পাৰ্গত হৈ পৰিছিল, হৃদয়ৰ সমগ্ৰ আৱেগ ঢালি অঁকা ছবি এখনক প্ৰাণময় কৰি তুলিছিল আৰু লাহে লাহে মানুহৰ প্ৰশংসা আৰু মৰমৰ বুটলিবলৈও সক্ষম হৈছিল। সিতো ৰঞ্জন, প্ৰণৱজ্যোতি জ্যোৎস্নাহঁতৰ দৰে পৰীক্ষাৰ ছবি অঁকা বহীত সৰহ নম্বৰ পাবৰ বাবে আৰ্টস্কুলত ছবি আঁকিবলৈ শিকা নাছিল; চিত্ৰাঙ্কন তাৰ বাবে জীৱন সাধনাৰ নামান্তৰ হোৱা বাবেই এদিন ৰঞ্জনহঁতে ৰং-তুলিকা ত্যাগ কৰিলেও তাৰ হাতত কিন্তু ৰং-তুলিকা লাগি থাকিল। মনৰ বিচিত্ৰ অনুভূতিবোৰ ইন্দ্ৰিয়গ্ৰাহ্য কৰি তুলিবলৈ সি সকলো সময়তে অনুভৱ কৰে দুৰ্বাৰ ডাড়ণা। কেইবাজনো চিত্ৰশিল্পীৰ নিকট সান্নিধ্যলৈ আহি, বিশ্ব-বিশ্ৰুত চিত্ৰশিল্পীৰ জীৱন কাহিনী আৰু চিত্ৰকলা সম্বন্ধীয় অনেক পঢ়ি সি আয়ত্ত কৰি লৈছিল নিজৰ শিল্পবোধ আৰু অংকনশৈলী; বিহু বা পূজাত ভাল কাপোৰ এযোৰৰ পৰিৱৰ্তে ৰং-তুলিকা আদি কিনি কেইবাখনো উচ্চমানৰ ছবি অংকনেৰে বহুতকে চমক খুৱাই দিছিল।

কুঞ্জমোহনৰ ছবিয়ে মানুহৰ সমাদৰ লাভ কৰাৰ লগতে তাৰ নামো মাৰ্ঘেৰিটা পাৰ হৈ তিনিচুকীয়া, ডিব্ৰুগড় আদিত বিয়পি পৰিছিল; কেইবাখনো একক চিত্ৰ প্ৰদৰ্শনীৰ আয়োজনেৰে এচাম গুণমুগ্ধ দৰ্শক সৃষ্টি কৰিছিল, তাৰ চিত্ৰকৰ্মৰ খবৰ বাতৰি কাকততো ওলাইছিল। কিন্তু, কলেজৰ শেষ পৰীক্ষাটো দি উঠাৰ পিছত সি অনুভৱ কৰিলে যে এনেদৰে ছবি আঁকি আৰু চিত্ৰপ্ৰদৰ্শনী আয়োজন কৰি সি প্ৰশংসা, বাঃ বাঃ বুটলিবলৈ সক্ষম হ'ব ঠিকেই; ক্ৰমান্বয়ে বুঢ়া হৈ অহা, মাৰ্ঘেৰিটাৰ দৈনিক বজাৰত শাক-পাচলি বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়া দেউতাকৰ কষ্টই লাঘৱ কৰিব নোৱাৰিব, সংসাৰৰ বন আঁজুৰি আঁজুৰি ভাগৰি পৰা মাকৰ মুখত সঁচা আনন্দৰ হাঁহি এটাহে বিৰিঙাব নোৱাৰিব, কলপুলিৰ দৰে লহপহকৈ বাঢ়ি অহা ভায়েক-ভনীয়েকহালক পঢ়া-শুনাৰ ক্ষেত্ৰত সহায়ো কৰিব নোৱাৰিব। তাৰ যে এটা পেট আছে, পেটৰ ভিতৰ যে ক্ষুধা আছে আৰু সেই ক্ষুধা পূৰণ কৰিবলৈ হ'লে যে টকা লাগে, সেই অনিবাৰ্য সত্যবোৰ আবিষ্কাৰ কৰাৰ পিছত সি অংকিত ছবিবোৰ বিক্ৰী কৰাৰ প্ৰচেষ্টা চলাইছিল; ছবি বিক্ৰী কৰি কেতিয়াবা পাবলো পিকাছ, এম. এফ. হুছেইন, প্ৰণৱ বৰুৱা আদিৰ দৰে ধনী হোৱাৰ অলীক সপোনো দেখিছিল। কিন্তু, যিখন ৰাজ্যৰ মানুহে পেইণ্টিং কিনি নান্দনিক ক্ষুধা পূৰণ কৰাৰ কথা কল্পনাও কৰিব নোৱাৰে; কেৱল জৈৱিক ক্ষুধা পূৰণৰ বাবেহে অষ্টপ্ৰহৰ শ্ৰম কৰিব লাগে; সেইখন ৰাজ্যৰ মাৰ্ঘেৰিটাৰ দৰে অনুন্নত, মফচলীয় অঞ্চলত এখন ছবিও বিক্ৰী কৰিব নোৱাৰিলে; মাজে-সময়ে দুই-এক আলোচনী-স্মৰণিকাৰ বেটুপাত, অন্তৰ্ভাগ অলংকৰণ কৰিলেও মাননী দিয়া দূৰৰ কথা, আৰ্ট পেপাৰখনকে কিনি নিদিয়ে। দেউতাকৰ ওচৰত পিন্ধা-উৱাৰ খৰছৰ বাবে হাত পাতিবলৈ লাজ লগা বয়সত, নিজকে অকৰ্মণ্য যেন লগা সময়ত সি অনিচ্ছা সত্ত্বেও শিল্প-চৰ্চাৰ প্ৰতি পিঠি দি দোকান-বজাৰৰ চাইন-ব'ৰ্ড, বিয়া-সভাৰ বেনাৰ লিখিবলৈ ল'লে, মাৰ্ঘেৰিটাৰ অভিজাত পৰিয়ালৰ কণ কণ ল'ৰা-ছোৱালীবোৰক ছবি অঁকা শিকাবলৈ ল'লে দুটকামান ঘটাৰ উদ্দেশ্যেই। তেনেকৈ ইটো-সিটো কৰি হাত খৰছটো উলিয়াই ল'বলৈ সক্ষম হ'লেও তাৰ মনত সৃষ্টি হৈছিল এক বিৰাট শূন্যতা; বাঢ়ি আহিছিল অপূৰ্ণতাবোধ। চাইন ব'ৰ্ড লিখি, ল'ৰা-ছোৱালীক টিউচন কৰি সি যেন অনেক সময় আৰু সামৰ্থ অপচয় কৰিছে, সেই চিন্তা মনলৈ অহাৰ লগে লগে তাৰ ভিতৰৰ শিল্পী মানুহটো বিষাদ-যন্ত্ৰণাত কান্দি উঠে। খুউব হতাশ হয়, সময়ৰ অভাৱৰ বাবেই এখন ছবি আঁকিবলৈ এমাহৰ প্ৰয়োজন হ'লে; টোতে খৰ মাৰি অঁকা ছবিখনত হৃদয়ৰ সমগ্ৰ নিৰ্যাস ঢালি দিব নোৱাৰিলে। তাৰ মনৰ মাজত এই ধাৰণা প্ৰগাঢ় হৈ পৰিছিল যে শিল্পচৰ্চাৰ বাবে তাৰ সৰ্বোত্তম প্ৰতিভা উজাৰি দিয়াৰ সকলো পথ ৰূদ্ধ হৈ গ'ল; সি আৰু কেতিয়াও প্ৰাক্‌যৌৱনৰ প্ৰতিশ্ৰুতি আৰু প্ৰত্যাশাৰে ভৰা সময়ছোৱা ঘূৰাই নাপাব; কোনোদিন পিকাছ বা প্ৰণৱ বৰুৱা আদিৰ দৰে প্ৰখ্যাত চিত্ৰশিল্পী হ'ব নোৱাৰিব। কেতিয়াবা চৰম দৰিদ্ৰতা আৰু ভৱিষ্যৎ জীৱনৰ অনিশ্চয়তাক আঁকোৱালি লৈ হ'লেও শিল্প-সাধনা অব্যাহত ৰখাৰ কথা ভাবে যদিও চাইনবৰ্ড লিখি আৰু ছবি আঁকিবলৈ শিকাই লাভ কৰা টকাকেইটাৰ মোহ এৰিব নোৱাৰিয়েই সেই সাধনা আৰম্ভ কৰিব নোৱাৰে; ধীৰে ধীৰে যেন মৃত্যুৰ মুখলৈ গতি কৰে তাৰ শিল্প সত্বা।

"তই কি জীৱনটো এনেদৰে খাই-বৈয়ে কটাই দিবিনে কি? এই বয়সতে যদি জীৱনক প্ৰতিষ্ঠা কৰিব নোৱাৰ, তেন্তে পিছততো আৰু নোৱাৰিবি। তই আচলতে গুৱাহাটীত থাকিব লাগিছিল; তাত মানুহ ফকাছলৈ অহা স্ক'প আছে, ছবি আঁকি খোৱাৰ পৰিৱেশ আছে।' — এনেদৰে জীৱনক মনে ভবা মতে গঢ়িবৰ বাবে দুলাল খুড়াকেই তাক উৎসাহ-উদ্দীপনা যোগাইছিল; সকলো সমস্যা আত্মবিশ্বাস আৰু ইতিবাচক দৃষ্টিভংগীৰে প্ৰতিহত কৰিবলৈ সজ পৰামৰ্শ দিছিল। ক'বলৈ গ'লে শৈশৱৰ পৰা তাক ছবি আঁকিবলৈ নিঃস্বাৰ্থভাৱে প্ৰেৰণা যোগাই অহা দুলাল খুড়াকেই তাৰ মৰি যোৱা সপোনবোৰ পুনৰ জগাই তুলিছিল; তাৰ জীৱন-সাধনাক উদ্দীপ্ত কৰি তুলি গুৱাহাটীলৈ অহাৰ বাটটো কাটি দিছিল। কেৱল মনেৰেই নহয়, দুলাল খুড়াকে ধনেৰেও সহায় কৰিছিল গুৱাহাটীলৈ আহিবলৈ লওঁতে; পাঁচ হাজাৰ টকা তাৰ হাতত তুলি দি কৈছিল — 'যা, ইয়াত পচি থকাতকৈ গুৱাহাটীলৈ গুচি যা। প্ৰথম দুমাহমান কষ্ট হ'ব তোৰ। কেনেবাকৈ স্ক'প এটা পোৱাৰ পিছত আৰু উভতি চাব নালাগে। মোৰ এই টকাখিনি ঘূৰাই দিব পাৰিলে দিবি, নোৱাৰিলে নালাগে।' দুলাল খুড়াকে দিয়া পাঁচ হাজাৰ টকা আৰু শিল্প প্ৰতিভাকনক সাৰথি কৰিয়েই সি গুৱাহাটীলৈ গুচি আহিলে; কলেজীয়া দিনৰ বন্ধু অংকুৰে লৈ থোৱা ভাড়াঘৰটোত বাহৰ পাতি সি আৰম্ভ কৰিব খুজিছে আত্মপ্ৰতিষ্ঠাৰ আচল সংগ্ৰামখন।

কালি সি চিটিবাছেৰে পাঞ্জাবাৰীত অৱস্থিত শংকৰদেৱ কলাক্ষেত্ৰলৈ গৈছিল। কলাক্ষেত্ৰৰ ভাস্কৰ্য আৰু পেইণ্টিংসমূহৰ প্ৰতি সাংঘাতিক দুৰ্বলতা আছে তাৰ। গুৱাহাটীলৈ আহিলেই সি কলাক্ষেত্ৰৰ আৰ্টগেলেৰীত সোমায় আৰু বিভিন্ন শিল্পীৰ পেইণ্টিংসমূহ দৰ্শন কৰি শিল্পকলাৰ শেহতীয়া ধ্যান-ধাৰণাৰ লেখ লয়। চিটিবাছেৰে গৈ থাকোঁতে মহিলাৰ বাবে সংৰক্ষিত আসনৰ পিনে চাই পঠিওৱাত সি দেখিলে — এগৰাকী ত্ৰিশোৰ্ত্তীণ, সুন্দৰী যুৱতীয়ে কাকত এখন পঢ়ি ক'ৰবালৈ (খানাপাৰালৈ?) গৈ আছে। তাইৰ জোনৰ দৰে মুখখনত মূৰৰ ক'লা চুলি এডাল পৰি আছে; দৃশ্যটো দেখি তাৰ এনেকুৱা লাগিল যে এতিয়াই জানিবা এই সুন্দৰী নাৰী গৰাকীক ৰং-তুলিকাৰে আঁকি থ'ব। আপাত দৃষ্টিত সাধাৰণ যেন লগা মূৰৰ চুলি এডালেও এজনী যুৱতীক ইমান আবেদনময়ী কৰি তোলেনে? তাৰ চাৎকৈ মনত পৰিল মাৰ্ঘেৰিটাৰ সৰবৰহী, সুন্দৰী যুৱতী উপাসনা তামুলীলৈ। হায়াৰ চেকেণ্ডৰীত পঢ়ি থাকোঁতে সি ক'ৰবাত পঢ়িছিল যে তাৰ অতি প্ৰিয় শিল্পী প্ৰণৱ বৰুৱাই নগ্ন নাৰীৰ ছবি আঁকি ভাল পায়; নাৰী দেহৰ প্ৰতি মনৰ মাজত অন্তহীন কৌতূহল সৃষ্টি হোৱাৰ বয়সত সেই কথাষাৰে তাৰ চেতনাক প্ৰচণ্ডভাৱে জোঁকাৰি দিছিল; নগ্ন নাৰীৰ শৰীৰক শিল্পৰূপ দিয়াৰ এক দুৰ্বাৰ তাড়না অনুভৱ কৰিছিল সিও। কিন্তু, প্ৰখ্যাত চিত্ৰশিল্পীসকলৰ দৰে



তাৰতো কোনো মডেল নাছিল; যাৰ নিৰাভৰণ দেহৰ অজন্তা-ইলোৰাক বিভিন্ন ধৰণেৰে আঁকিব পাৰিব, নগ্নতাক নান্দনিক শিল্পলৈ ৰূপান্তৰিত কৰিব পাৰিব! ডেৰশ টকা দি তিনিচুকীয়াৰ পৰা কিনি অনা যৌনগন্ধী ইংৰাজী আলোচনীৰ নগ্ন নাৰীৰ মডেল চাই চায়েই সি ইখনৰ পিছত সিখনকৈ আঁকিছিল ন্যুড পিকচাৰ আৰু সেই ছবিবোৰ তুলীৰ তলত সুকুৱাই ৰাখিছিল। সেইখিনি সময়তে সি চিৰিয়াছ চিত্ৰ দৰ্শক উপাসনা তামুলীৰ সান্নিধ্যলৈ আহিছিল। তাতকৈ বয়সত চাৰিবছৰ ডাঙৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰী উপাসনাৰ যৌৱন পুৰঠ, ভীষণ যৌন আবেদনময়ী শৰীৰটো এগৰাকী মডেলৰ দৰেই সুন্দৰ আছিল। চুলিকোছা কিচ্‌কিচ্‌কৈ ক'লা আৰু জোপোহা আছিল। তাৰ প্ৰতিটো চিত্ৰকৰ্মক অকৃপণভাৱে প্ৰশংসা কৰা উপাসনাৰ শৰীৰক সি কেইবাখনো চিত্ৰত ফুটাই তোলাৰ চেষ্টা কৰিছিল। তাইৰ সেই ঘন-জোপোহা চুলিকোছাক লৈও 'ধুমুহা' নামৰ ছবি এখন আঁকিছিল। সি কেইবদিনো তাইক ক'ব বিচাৰিছল — "মই আপোনাৰ নগ্ন শৰীৰটো এবাৰ হেঁপাহ পলুৱাই চাব বিচাৰোঁ। মানুহৰ শৰীৰৰ ৰহস্য আৰু মুদ্ৰসমূহক শিল্পৰূপ দিব খোজো। আপুনি শিল্পক অনুধাৱন কৰিব পৰা যুৱতী হিচাপে মোৰ ইচ্ছাৰ প্ৰতি সঁহাৰি জনাব পাৰিবনে?" — কিন্তু, কোনোদিনেই সেই কথা কোৱা নহ'ল তাইক, তাক ভুলকৈ বুজি লোৱাৰ আশংকা কৰিয়েই সি দমন কৰি ৰাখিলে মনৰ ইচ্ছাক। সি হয়তো উপাসনা তামুলীৰ প্ৰেমত পৰিছিল; তাৰ শিল্প সাধনাৰ অন্যতম প্ৰেৰণা হিচাপে তাইক মনৰ মাজতে গ্ৰহণ কৰিলেও সেই ভালপোৱাৰ কথা কেৱল বয়সৰ ব্যৱধানৰ বাবেই ক'ব নোৱাৰিলে। জানোচা তাই তাক গালি-গালাজেৰে অপমানিত কৰে! জানোচা তাৰ গালত পাঁচ নম্বৰ হাই হিলৰ কোব পৰে! তথাপি, তাইৰ মুখনিসৃতঃ প্ৰতিষাৰ প্ৰেৰণাদায়ক কথাকে জীৱন ধাৰণৰ অমৃত উৎস হিচাপে গ্ৰহণ কৰিছিল, তাইৰ সান্নিধ্য আন্তৰিকতাৰে কামনা কৰিছিল আৰু তাই নজনাকৈ তাৰ একপক্ষীয় প্ৰেম জীয়াই ৰখাৰ কথা ভাবিছিল।

এদিন উপাসনাই কুঞ্জমোহনক কৈছিল যে তাই হেনো কয়লা ব্যৱসায়ী ৰুবুল শৰ্মালৈ বিয়া সোমাব। সেই কথাষাৰে তাৰ বুকুত কেইবাটাও ভূমিকম্পৰ সৃষ্টি কৰিলে; চকু ফুটাই অশ্ৰু নিগৰাব খুজিলে। সি একপক্ষীয়ভাৱে প্ৰাণ ভৰি ভালপোৱা ছোৱালীজনী কাৰোবাৰ হৈ যোৱাৰ কথাটো মানি ল'বলৈ তাৰ বাবে বৰ কঠিন হৈ পৰিছিল আৰু সেইবাবেই নেকি তাইৰ বিয়াৰ দিনা সি সংগোপনে চকুলো টুকিছিল। হেজাৰ চেষ্টা কৰিও তাইৰ বিয়ালৈ যাব নোৱাৰিলে সি; বৰং ওৰে ৰাতি উজাগৰে থাকি আঁকিলে 'বিচ্ছেদ' নামৰ ছবিখন। তাইৰ বিয়ালৈ নোযোৱাৰ বাবে তাই আনৰ আগত তাক গালি দিছিল বুলি শুনোতে সি আকৌ এবাৰ বুকু ভাঙি কান্দিবলৈ বাধ্য হৈছিল। উপাসনাক জোৰেৰে পাহৰি থাকিবৰ বাবে সি প্ৰেমৰ প্ৰস্তাৱ দিছিল ক্লাছমেট অনুজাক — যি গৰাকী ছোৱালীয়ে আকৌ ছবিৰ মাথা-মুণ্ড একো বুজি নাপায়; চিত্ৰকৰ এজনক সন্মান আৰু প্ৰশংসাৰ চকুৰে চালেও তেওঁলৈ বিয়া সোমোৱাৰ কথা কেতিয়াও ভাবিব নোৱাৰে। অত্যন্ত উচ্চাকাংক্ষী আৰু বস্তুবাদী ধ্যান-ধাৰণাৰ ছোৱালী অনুজাৰ লগত তাৰ প্ৰেম বেছি দিনলৈ টিকি নাথাকিল; তাৰ জীৱন দৰ্শনক অনুধাৱন কৰিব নোৱৰা ছোৱালীজনীয়ে তাক এসোপা যন্ত্ৰণা আৰু বিশ্বাসঘাটকতা উপহাৰ দি আঁতৰি গৈছিল চকুৰে চকুলৈ চাব নোৱৰা দূৰত্বলৈ। আৰু কি আচৰিত কথা, সময়ৰ সোঁতত বলি হোৱাৰ লগে লগে অনুজাক সি এদিন পাহৰি গৈছিল যদিও উপাসনাক হ'লে পাহৰিব নোৱাৰিলে; তাইৰে হোৱা সান্নিধ্যৰ প্ৰতিটো ক্ষণ স্মৰণ কৰি জীৱনটো প্ৰেমময় কৰি ৰাখিলে। বিবাহসূত্ৰে ডিগবৈলৈ গুচি যোৱা উপাসনাক গুৱাহাটীলৈ অহাৰ আগে আগে তাৰ লগ পাবলৈ বৰ মন গৈছিল আৰু আচৰিত ধৰণেৰে নাইট চুপাৰত উঠাৰ আধাঘণ্টাৰ আগত মাকৰ ঘৰলৈ ফুৰিবলৈ অহা একালৰ প্ৰেমিকাজনীক লগ পাইছিল। বয়সে কিছু গাম্ভীৰ্যতা কঢ়িয়াই আনিছিল তাইৰ দেহলৈ; কঁকাল, বাহু আদিত চৰ্বি বাঢ়িছিল যদিও সেই চৰ্বিখিনিয়ে তাইৰ সৌন্দৰ্যহে চৰাইছিল। বজাৰৰ পৰা এজন সুদৰ্শন মানুহৰ লগত অৰ্থাৎ প্ৰতিষ্ঠিত ব্যৱসায়ী ৰুবুল শৰ্মাৰ লগত আহি থকা উপাসনাক দেখি সি আৱেগজড়িত কণ্ঠেৰে চিঞৰি দিছিল — "বাইদেউ"। তাৰ চিঞৰৰ উৎস নিৰ্ণয় কৰি (সম্ভৱ তাই তাৰ কণ্ঠস্বৰ চিনি পাইছিল) আগবাঢ়ি আহিছিল উপাসনা দুচকুত বিস্ময় আৰু আনন্দৰ জোনাক কঢ়িয়ায়। চিনাকি কৰাই দিছিল স্বামীদেৱতাক।

— "কি গুৱাহাটীলৈ গুচি যাবা? মোকতো অন্ততঃ খবৰটো কিছু দিনৰ আগতে দিব লাগিছিলে। বৰ বেছি বাহাদুৰি হ'ল ন তোমাৰ? মই তোমাক বেয়া পাইছোঁ। আজি লগ নোপোৱা হ'লে তোমাৰ খবৰ দেখোন নাপালোৱেইহেঁতেন।" — অভিযোগ কৰিছিল তাই। কুঞ্জমোহনে নিজৰ ভুলৰ বাবে ক্ষমা বিচাৰি তাক বেয়া নাপাবৰ বাবে অনুৰোধ জনাওঁতে তাইৰ অভিমান আঁতৰি গৈছিল আৰু তাৰ গালত চিকুট এটা মাৰি হাঁহি হাঁহি কৈছিল — "অল দ্য বেষ্ট। জীৱনক নতুন ধৰণেৰে সজাই তোলাগৈ যোৱা। মোৰ শুভেচ্ছা সদায় থাকিব। এই ফোন নম্বৰটো লোৱা আৰু যোগাযোগ অব্যাহত ৰাখিবা।" ফোন নম্বৰ লিখি দিয়া কাগজ টুকুৰা হাতত লৈ, নতুন প্ৰেৰণাৰে আলোকিত হৈ সি গুৱাহাটীমুখী বাছখনত উঠিছিল আৰু ওৰে পথ তাইৰ কথাই ভাবিছিল। আজি গুৱাহাটীত সি আত্মপ্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰিব বিচাৰি বাৰে বাৰে মনত পেলাইছে দুলাল খুড়া আৰু উপাসনাৰ প্ৰেৰণা-সঞ্চাৰী বাক্যবোৰ। তেওঁলোকৰ প্ৰেৰণাক সাৰথি কৰিয়েইতো সি প্ৰচণ্ড আত্মবিশ্বাসেৰে গুৱাহাটীত নিজৰ নাম উজ্বলাই তুলিব লাগিব; যশ-খ্যাতি-অৰ্থ-প্ৰাচুৰ্যৰ অধিকাৰী হ'ব পৰাকৈ চিত্ৰশিল্পকে মাধ্যম হিচাপে ল'ব লাগিব। পাৰিবনে সি? কিয় নোৱাৰিব, পাৰিবই লাগিব। ■

*(ডিব্ৰুগড় এৰি গুৱাহাটীলৈ অহাৰ আগদিনা সু-লেখিকা দিব্যলতা দত্ত বাইদেৱে এটা চোলা আৰু এডাল কলম উপহাৰ দি কৈছিল — "গুৱাহাটীলৈ গৈ এই কলমডালেৰে প্ৰথমটো লেখা লিখিবা।" বাইদেউৰ কথা মই ৰাখিলোঁ, অৰ্থাৎ তেওঁ উপহাৰ দিয়া কলম ডালেৰেই এই গল্পটি লিখিলোঁ বাবে গল্পটি বাইদেউৰ হাততে দিলোঁ।)*

# সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভা ঃ এটি আলোচনা

✍ নিত্যৰঞ্জন কলিতা

ব'ল ব'ল ব'ল
কৃষক শক্তি দল
অ বনোৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল ...
তোৰ বাহুতে আছে লুকাই
অসীম শক্তিৰ বল
ৰণ শিঙা বাজে শুন ঐ
আগবাঢ়ি যাওঁ ব'ল।।



ওপজা দেশৰ কোনো এক প্ৰান্তৰ পৰা জনগণৰ মনৰ মাজত বিদ্ৰোহৰ মনোভাব জগাই ঠায়ে ঠায়ে ঘূৰি, আন্ধাৰ-পোহৰক দেউদি মানুহক স্বাধীন কৰিব বিছৰা শিল্পীজনেই আছিল বিষ্ণু প্ৰসাদ ৰাভা। ১৯০৯ চনৰ জানুৱাৰী মাহৰ ৩১ তাৰিখে ঢাকা চহৰত জন্মগ্ৰহণ কৰে আৰু আজীৱন শোষক-শোষণৰ বিৰুদ্ধে যুঁজি, সংসাৰ সাগৰৰ জ্বালা-যন্ত্ৰণা, মায়া-মোহ এৰি ১৯৬৯ চনৰ ১৯ জুন তাৰিখে অনন্ত ধামলৈ গতি কৰে এইজন মহান সৈনিকে। তেওঁ আছিল একাধাৰে সাহিত্যিক, শিল্পী, কবি, নাট্যকাৰ, প্ৰবন্ধকাৰ, গীতিকাৰ, সৈনিক, ৰাজনীতিজ্ঞ, সুনিপুণ অভিনেতা, খেলুৱৈ, নৃত্য-বিশাৰদ, সংগীতজ্ঞ, চিত্ৰকৰ, গায়ক, কলাকাৰ আদি বিভিন্ন গুণ-সংমিশ্ৰিত এজন বহু প্ৰতিভাৱান ব্যক্তি।

বিষ্ণুপ্ৰসাদ ৰাভা আছিল বৃটিছ বিৰোধী আপোচবিহীন সংগ্ৰামী। তেওঁ অসমক এক নব্য ৰূপেৰে সজাই বিশ্ব দৰবাৰৰ সন্মুখত অসমৰ নাম জিলিকাব খুজিছিল। তেওঁ সপোন দেখিছিল এখন শস্য-শ্যামলা অসমৰ। কৃষিজীৱী জনগণৰ মুক্তি। তেওঁ জানিছিল দেশৰ উন্নতিৰ বাবে জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো লোকে সমানে আগবাঢ়িব লাগিব। মজদুৰ-বনুৱাসকলৰ স্বাৰ্থ ৰক্ষা পৰিব লাগিব। আৰু স্বাধীনভাবে যিকোনো কাম কৰিব পাৰিলেহে দেশৰ উন্নতি সম্ভৱ হ'ব। ৰাভাদেৱে পৰাধীন দেশ ভাৰতক স্বাধীন কৰিবৰ নিমিত্তে অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ঘূৰি ফুৰিছিল। মহাত্মা গান্ধীয়ে আৰম্ভ কৰা অসযোগ আন্দোলনৰ প্ৰতি সমৰ্থন জনাই জ্যোতি-বিষ্ণু আদি বৰেণ্য সকলে অসমত সংগ্ৰামৰ সঞ্চাৰ কৰিছিল। '৪২ ৰ আন্দোলনত জঁপিয়াই পৰি ৰাভাদেৱ কেইবাবাৰো জেললৈ যাবলগীয়া হৈছিল। দেশপ্ৰেমৰ জাতীয় ভাবত উদ্বুদ্ধ ৰাভাদেৱে এদিন খং, জ্বালা-যন্ত্ৰণাত অতিষ্ঠ হৈ ৰাজপথত চিঞৰিবলৈ ধৰিলে এইদৰে —

"ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ
চিঙ্ চিঙ্ চিঙ্ চিঙ
দাসৰ বান্ধোন চিঙ্
খোল্ খোল্ খোল্ খোল্
কাৰাৰ ফাতেক খোল্
ভাঙ্ ভাঙ্ দুৱাৰৰ দাং"

মহা সংগ্ৰামী ৰাভাদেৱে এইদৰে সুপ্ত জগতক জগাই তুলিছিল। তেওঁ কোচবিহাৰ কলেজত চৰকাৰৰ বিৰুদ্ধে পতাকা উত্তোলন কৰাৰ অভিযোগত কলেজ কৰ্তৃপক্ষই তেওঁক কলেজৰ পৰা বহিস্কাৰ কৰে। তেতিয়াৰ পৰা তেওঁ আৰু সংগ্ৰামী হৈ পৰে।

সৰ্বহাৰাৰ মাজত সমতা প্ৰতিষ্ঠাৰ বাবে বিষ্ণু ৰাভাই বিশেষভাৱে সংগ্ৰাম কৰিছিল। নিষ্পেষিত, নিপীড়িত দেশবাসীক তেওঁ সুখৰ ৰেঙণি বিলাব খুজিছিল। বিষ্ণুৰাভাই স্বাধীনতা সংগ্ৰামৰ সময়ত নানা ছদ্মবেশেৰে ঘূৰি ফুৰি সংগঠনৰ কাম কৰি ফুৰিছিল। দিনত হালোৱা, খৰিকটীয়া, মজদুৰ, বণুৱা ইত্যাদিৰ ৰূপত থাকি নিশাৰ ভাগত সংগঠনৰ কাম কৰি ফুৰিছিল। সেইসময়ত বিষ্ণু ৰাভাৰ ওপৰত চৰকাৰৰ শেন চকু পৰিছিল। চৰকাৰে তেতিয়া জাননী জাৰি কৰিছিল যে যদি কোনোবাই বিষ্ণু ৰাভাক ধৰি দিব পাৰে, তেন্তে তেওঁক দহ হেজাৰ টকা



দিব। তেওঁ কিন্তু সেইবোৰৰ পৰা গোপনে থাকি শোষিত জনগণক শোষণকাৰীৰ কবলৰ পৰা ৰক্ষা কৰিব বিচাৰিছিল। দুখীয়া দৰিদ্ৰসকলৰ খাদ্য-অন্ন-বস্ত্ৰ-বাসস্থানৰ বাবে তেওঁ বহু চিন্তা কৰিছিল। সেয়েহে তেওঁ পৈতৃক সূত্ৰে পোৱা দুহেজাৰ বিঘা মাটি কৃষিজীৱীসকলৰ মাজত বিতৰণ কৰি দি নিজে মাটি-ভেটিহীন ভিকহুৰ দৰে ঘূৰি ফুৰিছিল।

এখন দেশৰ ভৱিষ্যত হ'ল উঠি অহা নৱ-প্ৰজন্ম আৰু তেজোদীপ্ত ডেকা শক্তি। সেয়ে ৰাভাদেৱে অসমৰ না না ঠাইত ঘূৰি ফুৰি ডেকা-গাভৰুসকলৰ মনত বিপ্লবী চেতনাৰ সঞ্চাৰ কৰিছিল। অসমৰ সপোনক বাস্তৱ ৰূপ যে ডেকাসকলেই দিব লাগিব, সেইবাবে তেওঁ ডেকাশক্তিক জগাই তুলিছিল এইদৰে

অ' অসমীয়া ডেকা দল
অ' অসমীয়া ডেকা দল
আজি তোৰেই তেজাল বদন
মলিন কিয় হ'ল ?

ৰাভা আছিল জনতাৰ শিল্পী। তেওঁ স্বদেশ-প্ৰীতি সম্পন্ন যিবোৰ গীত-মাত ৰচনা কৰি থৈ গৈছে, সেইবোৰ এডাল একতাৰ এনাজৰী স্বৰূপ। কেঁচা মাটিৰ সুগন্ধৰে অমৃত ঢালি সৃষ্টি কৰা গীতৰ সুৰেৰে সুপ্ত জনতাক জগাই তুলিছিল। ৰাভাদেৱ জীয়াই থাকিব, তেখেতে দি যোৱা অপূৰণীয় অৱদানৰ বাবে। ৰাভাদেৱে জাতি-বিদ্বেষ, হিংসা, অন্যায় আদিৰ বিৰুদ্ধে গীত লিখি এখন সান্তিৰ সমাজ সৃষ্টি কৰিব খুজিছিল, য'ত হিন্দু-মুছলমান বুলি কোনো ধৰ্ম-বিদ্বেষ নাথাকিব। সেয়েহে তেওঁ গাইছিল —

হিন্দু-মুছলমান-বৌদ্ধ-খৃষ্টান
হোৱা এক সবে
হোৱা ভাই এক
পাহৰি বিদ্বেষ জলন্ত অমল
পৰিস্কাৰ কৰি অন্তৰৰ মল।

তেখেতে জানিছিল যে হিন্দু বা মুছলমান বুলি কোনো প্ৰভেদ নাই, প্ৰভেদ আছে মাথোন ধনী-দুখীয়া, বলী-নিৰ্বলী, শোষক-শোষিতৰ মাজতহে। সকলোৱে ঐক্য মত পোষণ কৰি যেতিয়া চৰকাৰৰ কু-কাৰ্যৰ বিৰুদ্ধে সবল মাত মাতিব পাৰিব, তেতিয়াহে দেশৰ স্বাৰ্থ ৰক্ষা পৰিব।

বিষ্ণু ৰাভাই যি আদৰ্শ দেখুৱাই গ'ল, সি প্ৰতিজন সংস্কৃতিবান মানুহৰ অন্তৰত সদায় জীৱন্ত হৈ থাকিব। তেখেতৰ আদৰ্শ-মূল্যবোধ আমি হাতে-কামে কৰি দেখুৱাব পাৰিলেহে তেখেতৰ প্ৰতি আনুগত্য থকা বুজাব।

ৰাভাদেৱে গোটেই জীৱন জনতাৰ শিল্পী হিচাপে কাম কৰিও জীৱনৰ বিয়লি বেলাত তেওঁ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগ দিয়ে। তেওঁ 'হ পৰিছিল এসময়ত তেজপুৰ বিধানসভা সমষ্টিৰ নিৰ্দলীয় বিধায়ক আৰু মৃত্যুৰ আগমুহূৰ্তলৈকে এই পদত আছিল। দেশৰ স্বাধীনতাক তেওঁ আচল কিম্বা প্ৰকৃত স্বাধীনতা নহয় বুলি ডাঠি কৈছিল। তেওঁ কৈছিল, "ইয়ে আজাদী ঝুঠা হ্যায়।" প্ৰকৃত পক্ষে ই সত্য। কিয়নো যদি দেশত স্বাধীনতাই আছে তেন্তে কিয় কণ-কণ শিশু আলফাৰ বলী হ'বলৈ পাইছে? হত্যা, হিংসা, শ্ৰেণী-সংগ্ৰাম অন্যায় আদিয়ে দেশৰ স্বাধীনতাক নুবুজায়।

ৰাভাদেৱে সপোন দেখিছিল এখন সোণালী অসমৰ; এটা মহৎ জাতি গঠনৰ আৰু সপোন দেখিছিল দুৰ্নীতি-হিংসা-অন্যায় আদি নথকা এখন সুস্থ সমাজৰ। তেওঁ সপোন দেখিছিল দেশৰ খাটিখোৱা মানুহৰ স্বাৰ্থ-সিদ্ধিৰ। যদি আমি বিষ্ণুৰাভাৰ এই সপোনক বাস্তৱ ৰূপ দিব পাৰো তেতিয়াহে আমি এটা সুস্থ-সবল অসমীয়া জাতি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিম। ■

(সহায় লৈ)

## CARREER GUIDANCE AND COUNSELLING

[ From Page 29] Service or the Admission Service. Here the students are guided keeping in mind their interest and placement of jobs. For this proper person will be required. And such center will need a well trained staff. This can be provided by the college teachers or by counselling staff who can win the confidence of the students. Today's problem is not olny of unemployment but also of choosing the right subject. Selecting subjects scholarship, Universityes etc. all require couselling. All options start after Higher Secondary and there are so many that Guidance & Counseling is very helpful. It is therefore high time that Schools and Colleges offered Guidance & Counleling as part of their curriculum and facilities available. Thus Guidance & Couselling should –

1. help students plan their future.
2. hold seminars and talk on different subjects regarding career choice.
3. keep information & supply forms for admission to educational institute.
4. encouraging them to gather information regarding facilities/scholarship avaliablity in various institute.
5. information on placement & research facilities.
6. orientation course for the students appearing for interview etc. ■

# DEVELOPING ENTREPRENEURSHIP IN THE NORTH EAST INDIA

Dr. M.K. Jain
*Sr. Lecturer in Commerce*
*Dibru College, Dibrugarh*

INTRODUCTION :

Entrepreneurship development has come to be recognised widely as the key to economic development and human welfare. Entrepreneurial skills are essential for industrialisation and for alleviating mass employment and poverty. Entrepreneurship development in a country is only possible through planned efforts. The myth that entrepreneurs are born and not made, no longer hold good. Entrepreneurs are not just born & they can be developed and trained to undertake ventures and be creative. Developing entrepreneurship is essentially an education process and an indeavour in human resource development. However, it cannot grow in vacuum. It requires an environment in which an entrepreneur can learn and discharge his functions. He must act as a good innovator. In India, the small and medium entreprises has played an important role in the Socio-economic development of the country. But the picture of entrepreneurship development in the NER of India is a little bit gloomy. But there have been efforts to promote and develop SMEs (Small and Medium Enterprises) in the North-East also by providing policy support and implementing promotional-measures over the years.

ENTREPRENEURSHIP DEVELOPMENT IN THE NORTH-EASTERN REGION :

There is immense scope for developing enterpreneurship in the NER of India. The NER has favourable agro-climate condition for agro-based industries. Such industry has in fact been the trust area of the industrial policy of the states of this regions. The regions needs more entrepreneurs for exploiting the emerging entrepreneurial opportunities and contributing to the growth of small medium, as well as large enterprises.

Besides Central Govt. policies framed time to time for NER, the North-Eastern State have their own policies. Assam announced its first industrial policy in 1969. Its latest policy of 1997 aims at encouraging the growth and promotion of all industries based on local resources and local environment. Arunachal Pradesh Industrial Policy of 1994 indentified agro-based industries, industries based on local resourdes including minerals, forest produce, local demand and demand in the neighbouring states and development of Handloom and handicrafts and electronic industries as the trust areas. Manipur Industrial Policy of 1990 has also given emphasis on agro-based, industries, industries based on locally available raw-materials including minerals, manufacturing of products having local demand, electronic industries and forest based industries. Meghalaya industrial Policy of 1989 stressed on the promotion of resource based such as minerals, forst, horticulture and agro-based, power intensive, manufacturing of electronic and consumer items. Mizoram Industrial Policy of 1989, Nagaland Industrial Pokicy of 1995 and Tripura Industrial Policy of 1992 have also placed priority on development of village and small industries based on forest and mineral resources. Development of women entrepreneurs have been emerged as a high priority in most of the North-East States.

GROWTH OF SMEs :

In recent years considerable number of small and medium enterprises have been grown in the North-Eastern Region of India. In 1971, the region had 991 SSI unit went upto 44,207 in 1999-2000 as against 25,39,068 in the country. The trend of Growth of SSI units in the North-Eastern Region has been presented with the help of Table - 1



**TABLE - I : GROWTH OF SSI IN NORTH-EAST**

| Year | North-East Region | India | % age of Share of NER |
|---|---|---|---|
| 1995-96 | 37,110 | 20,84,639 | 1.8 |
| 1996-97 | 35,454 | 22,06,742 | 1.6 |
| 1997-98 | 38,832 | 23,52,220 | 1.6 |
| 1998-99 | 42,743 | 24,46,507 | 1.7 |
| 1999-2000 | 44,207 | 25,39,068 | 1.7 |

Source : DC (SSI) SSI in India - The Growth Sector for the Millennium - 2000

The growth of SSI units within the region itself is a however, not uniform. As on March, 2000 the highest number of SSI units 23,637 (53.51%) was concentrated in Assam followed by Manipur, 6,000 (13.6%), Arunachal Pradesh 4,520 (10.2%) and Mizoram 4,333 (9.8%). The lowest number 982 (2.2%) was in Nagaland. These facts have been presented in Table - II

**TABLE - I : TRENDS OF GROWTH OF SSI IN NORTH-EAST (1995-96 TO 1999-2000)**

| Sl. No. | Name of the State/UT | 1995-96 | 1996-97 | 1997-98 | 1998-99 | 1999-2000 |
|---|---|---|---|---|---|---|
| 1. | Arunachal Pradesh | 1,200 | 2,280 | 3,358 | 4,478 | 4,520 |
| 2. | Assam | 18,637 | 20,035 | 21,514 | 23,132 | 23,637 |
| 3. | Manipur | 5,034 | 5,188 | 5,578 | 5,829 | 6,000 |
| 4. | Meghalaya | 1,977 | 2,079 | 2,229 | 2,514 | 2,621 |
| 5. | Mizoram | 2,880 | 3,466 | 3,677 | 4,028 | 4,333 |
| 6. | Nagaland | 731 | 749 | 779 | 813 | 982 |
| 7. | Tripura | 1,311 | 1,657 | 1,697 | 1,949 | 2,114 |
| | *Total* | *37,770* | *35,454* | *28,832* | *42,743* | *44,207* |
| 8. | Sikkim | 281 | 273 | 305 | 328 | 342 |
| | *Total* | *20,84,639* | *22,06,742* | *23,52,220* | *24,46,507* | *25,39,068* |

Source : DC (SSI) SSI in India - The Growth Sector for the Millennium - 2000

**ORGANISATIONAL SUPPORT :**

There is organisational support for the SME sector in the North-East. There are training institutes, promotional Organisation banks and financial institutions to offer organisational support. Among the training institutes, there are Indian Institute of Entrepreneurship (IIE), Small Industries Service Institutes (SISI), National Small Industries Corporation (NSIC), North-Eastern Industrial Consultant (NECON) etc. Directly involved in Organising and Conducting training for entrepreneurship development. The North-Eastern Institute of Bank Management (NEIBM) organises and conducts training for personnel from banks and financial institution. Among the financial organisations the Regional Office of RBI of India

at Guwahati. IDBI, SIDBI, IFCI, NABARD, NEDFi have provided financial help in setting of small and medium industries in the North-Eastern Region. As a result of such financial help, enterpreneurs have been emerging in some new areas, particularly in service sector. Many new entreprenurs are taking up franchise for being business owners. Besides, retired persons are taking up entrepreneurial activities to keep themselves physically fit and also to guide and help this children to take up career in entrepreneurial activities.

## CONSTRAINTS BEHIND ENTREPRENEURSHIP DEVELOPMENT :

There are many factors behind slow rate of entrepreneurship development in the North-Eastern Region. Geographical isolation, infrastructure bottleneck to some extent problems of finance, marketing, lack of entrepreneurship friendly organisational climate, inadequacy power supply, inadequancy of supply of highly motivated entrepreneour are the major problems hindering the growth & development of entrepreneurship in this region. In addition to that extremists problem has also caused hinderence to mofinate entrepreneurs in this region.

## CONCLUSION :

The North-Eastern Region of India has the potential for developing entrepreneurship specially in SME Sector. The changing environment offers ample scope for making the region industrially and economically developed. For this region needs more entrepreneurs for exploiting the emerging entrepreneurial opportunities and contributing to growth of small and medium enterprises. Recently the North-Eastern Council (NEC) and all India Financial Institutions have started taking keen interest in the promotion of entrepreneurship in the region. Most of the State Government of the Region have started working in this region. It is really a matter of pride that recent years more and more women are taking up entrepreneurial career which was not seen earlier. It is the time to go for adopting new programmes keeping in view the emerging entrepreneurial trends and opportunities. Such an effort has already been taken by IIE, Guwahati to help the students in building up entrepreneurial career. Besides, the teachers are also expected to guide and counsel students in choosing career in this line.

In the light of forthcoming visit of NAAC, many colleges and universities are gradually taking interest to create awareness of career of option in entrepreneurial activities among the students. Many college have already set up information and career guidence cells (ICGC) to guide and counsel students for career in entrepreneurial activities and self employment. In this connection. I would like to thank the Dibrugarh University authority for introducing a paper on entrepreneurship in the B.Com and P.G. courses. A training programme on entrepreneurship, recently organised by the Department of Commerce of the University is really a "praise worthy" effort. Such initiation would certainly lead twords creation an environment for entrepreneurship development. ■

## REFERENCES :


1. Mali, D. D.: Small Industry in North-East – Vision 2000 (1995).
2. Mali, D. D. and Bandopadhyay : Small IndustryDevelopment in North-East (1993).
3. Mali, D. D. : A paper on Small and Medium Enterprises Sectionin North-East India. (oppourtunities & Challanges).
4. : Gupta, Dr. C.B. and Srivasan, Dr. N.P. Entrepreneurship Development in India. S. Chand & Sons (1997).
5. Kurukshetra, Vol 49 No. 9 (June 2001) P.32 : An article published by D.D. Mali on Entrepreneurship Development in North-East; Social and institutional issues.






# বন্য-প্ৰাণী ঃ উপদ্ৰৱকাৰী নে নিঠৰুৱা

✍ পৰাগ চুতীয়া

আজিকালি বাতৰি কাকতখন মেলি ল'লেই অন্যান্য খা-খবৰৰ লগতে বনৰীয়া জীৱ-জন্তুৰ উপদ্ৰৱ, অনেক ঠাইত হাতীৰ দ্বাৰা শস্য-পথাৰ নষ্ট আদি খবৰেও বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰে। সাধাৰণ দৃষ্টিত এনে বাতৰিৰ কোনো গুৰুত্ব নাথাকিলেও জীৱ-জন্তুৰ স্বাৰ্থৰক্ষা আৰু প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত এনেধৰণৰ বাতৰিৰ গুৰুত্ব অনেক। কাৰণ যি সময়ত বনাঞ্চলসমূহত বনৰীয়া জীৱ-জন্তুৰ সলনি মানুহেহে বিচৰণ কৰিব ধৰিছে, যি সময়ত প্ৰতিবিধ জীৱ-জন্তুৰে মাংসৰ জুতি লোৱা মানুহৰ আদিম প্ৰবৃতি জাগি উঠিছে আৰু তাক চৰিতাৰ্থ কৰিবলৈ গৈ জন্তু বধৰ প্ৰতি অকণো দয়া-মমতা নোহোৱা হৈছে। বাধ্যত পৰি আশ্ৰয় বিচাৰি মানুহৰ মাজলৈ অহা জীৱ-জন্তুক মানুহে বিশ্বাসঘাটকতা কৰি বধ কৰিবলৈ লৈছে, তেনে সময়ত এনে বাতৰিৰ গুৰুত্ব নিশ্চয় বাঢ়িছে।

'চতুৰ্বৰ্ণং ময়া সৃষ্টং গুণ কৰ্ম বিভাগাম' — গীতা।

অনন্তকোটিব্ৰহ্মাণ্ডৰ অধিশ্বৰৰ ইচ্ছাতে সৃষ্টি হৈছে চাৰিমুঠি জীৱৰ। উৰণ (চৰাই-চিৰিকতি), বুৰণ (মাছ-পুঠি), গজন (গছ-বন, তৰু-তৃণ) আৰু ভ্ৰমণ (জীৱ-জন্তু আদি)ৰ উপৰি চাৰিওমুঠি প্ৰাণীৰ পালনৰ উদ্দেশ্যে কল্যাণকামী জাগতিক বিধান জগতত পালিত হৈ আহিছে। তাৰ উদাহৰণ প্ৰাচীন ধৰ্ম-শাস্ত্ৰসমূহত বিস্তৃতভাৱে পোৱা যায়। 'যত জীৱ জংগম, কীট পটঙ্গম, অগ নগ জগ তেৰি কায়া' বুলি মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীততো ইংগিত পোৱা যায়। কীৰ্তনতো কৈছে 'কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম জানিয়া সবাকো পৰি কৰিবা প্ৰণাম'। শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বিতীয় তীৰ্থ ভ্ৰমণৰ কালছোৱাত অটব্য অৰণ্যৰ মাজেৰে যাওঁতে এঠাইত ব্যাধৰ জালত বন্দী এজাক চৰাই দেখিলে। তাকে দেখি গুৰুজনাই সংগী মাধৱদেৱক ক'লে 'বৰাৰ পো দেখিলানে জীৱৰ বিলাই, কোনো ব্যাধে ধনৰ লোভত এনে অন্যায় কাম কৰিছে, এতেকে তাত কিছু কড়ি ৰাখি চৰাইজাকক মুক্তি দিয়া হওক।' কথামতে মাধৱদেৱে চৰাই জাক এৰি দিলে আৰু গায় উঠিল — 'জ্ঞান শূন্য আতি, পশু পক্ষী জাতি এ তাকো অনুগ্ৰহ কৰি আছা কৃপাময়, তাকে মানি আৱে শৰণে পশিলোত্ৰ, আমাক তোমাৰ তেজিতে উচিত নয়।' (নামঘোষা)

এনেবোৰ গুৰু বাক্যৰ আধাৰতে ৰচিত ভাৰতীয় সংবিধানেও কেৱল যে জীৱ শ্ৰেষ্ঠ মানুহৰ সুৰক্ষাইহে নিশ্চিত কৰিছে তেনে নহয়, বন্য প্ৰাণী, তৰু-তৃণসমূহৰো সুৰক্ষাৰ বাবে ধাৰা বান্ধি দিছে। মানুহক যেনেকৈ মানৱ সম্পদ আখ্যা দিয়া হৈছে, সেইদৰে বন্যপ্ৰাণী, উদ্ভিদসমূহো দেশ এখনৰ সম্পদ। দেশী-বিদেশী পৰ্যটকসকলক অভয়াৰণ্যসমূহে আকৰ্ষণ কৰাৰ মূলতেই হ'ল বন্যপ্ৰাণীসমূহ। পৰোক্ষভাৱে এই বন্যপ্ৰাণীসমূহে দেশৰ অথনীতিত বলিষ্ঠ ভূমিকা লৈছে। আনহাতে গছ-গছনিয়েই মানুহৰ প্ৰাণ। গছে এৰি দিয়া অক্সিজেন সেৱণ কৰিয়েই মানুহ জীয়াই আছে। এই সকলোবোৰ জানি বুজিও জীৱশ্ৰেষ্ঠ মানুহে জীৱ-জন্তু আৰু গছ-গছনিৰ ধ্বংস যজ্ঞ চলোৱাৰ ফলস্বৰূপে বনাঞ্চলসমূহ উদং হৈছে আৰু প্ৰাকৃতিক ভাৰসাম্যতা হেৰুৱাই অনা-বৃষ্টি, খৰাং বতৰে শস্য পথাৰ বিনষ্ট কৰা আমি সকলোৱে দেখিছো।

আদিৰে প'ৰা মানুহে বন্যপ্ৰাণীসমূহৰ লগতে সহবাস কৰি আহিছে যদিও বৰ্তমা' ক্ৰমাগতভাৱে বাঢ়ি অহাৰ দৰে ইহঁতৰ উপদ্ৰৱ অধিক নাছিল। মানুহৰ নিম্নতম চাহিদা অন্ন, বস্ত্ৰ, বাসস্থান এই তিনিটাৰ অভাৱ পৰিলে মানুহ যেনেকৈ বিদ্ৰোহী হৈ উঠে, তেনেদৰে বন্যপ্ৰাণীবোৰেও খাবলৈ আহাৰ, বিচৰণ কৰিবলৈ এখন ডাঠ হাবি-বননিৰে ভৰা ভূমিৰ অভাৱ অনুভৱ কৰিলেই হিংস্ৰ হৈ উঠাতো স্বাভাৱিক, দ্ৰুত জনসংখ্যা বৃদ্ধিৰ লগে লগে আৱাস ভূমিৰ তাগিদাত মানুহে হাবি-জংঘল, গছ-গছনি কাটি শেষ কৰিছে, তাৰ ফলস্বৰূপে ক্ষতি হৈছে অনেক দিশত। তদুপৰি মাংসৰ লোভতেই হওক চোৰাং চিকাৰীয়ে সঘনে আমাৰ আপুৰুগীয়া বন্যপ্ৰাণীসূহ বধ কৰিছে। এটি সমীক্ষাৰ মতে ২০০২-০৩ পৰ্যন্ত দেশৰ বিভিন্ন আদালতত ২০,০০০ ৰো অধিক বন্যপ্ৰাণী বধৰ গোচৰ ৰুজু হৈ আছে। একমাত্ৰ নিজৰ স্বাৰ্থৰ বাবেই জীৱ জগতৰ সকলো অধিকাৰৰ গৰাকী হৈ মানুহে আইন হাতত তুলি লৈছে। তাৰ ফলস্বৰূপে গাঁৱে-ভূঞেতো বাদেই মানুহেৰে গিজগিজাই থকা নগৰসমূহটো দিনদুপৰতে বন্যপ্ৰাণীবোৰ সোমাবলৈ বাধ্য হৈছে; অনেক অশান্তি কৰিছে। এই অশান্তিৰ মূল আমি মানুহবোৰেই নিশ্চয়।

চৰকাৰ ফালৰ পৰা বন মহোৎসৱ, বন্যপ্ৰাণী সপ্তাহ, বৃক্ষৰোপণ আদি সৃষ্টিশীল কাৰ্যসূচী গ্ৰহণ কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিব খুজিছে সঁচা, কিন্তু ই জীৱ-জন্তু থাকিব পৰাকৈ বন সংৰক্ষণত বিশেষ হৈ উঠা নাই। চৰকাৰৰ অমনোযোগিতাৰ সুযোগ লৈ মানুহে নিজৰ বিপদ নিজে চপাই লৈছে। একেদিনাই শ শ বিঘা বনাঞ্চল বেদখল হোৱা সম্ভৱ নহয়। এটা অংশ বেদখল কৰোতেই যদি বাধা দিয়া হ'লহেঁতেন কেতিয়াও বাঢ়ি নগ'ল হয়। দেখিও নেদেখাৰ ভাও জোৰা বা ধন লৈ সহায় কৰা বিষয়া-কৰ্মচাৰীবোৰক শাস্তি বিহিলে নিশ্চয় সুফল পোৱা গ'লহেঁতেন। অন্যথা বেদখলকাৰীক উচ্ছেদ কৰা অতি কঠিন। যাৰবাবে সমস্যাৰ ভয়াবহতা গভীৰৰ পৰা গভীৰতৰলৈ গতি কৰিছে। অৱশ্যে ইয়াৰ বাবে মানুহৰ এই বিষয়ে সচেতনতাও সমানে প্ৰয়োজন।

বৰ্তমান হাতীৰ উপদ্ৰৱে মানুহক বাৰুকৈয়ে জলা-কলা দেখুৱাইছে। তাৰ উদাহৰণ আমাৰ ওচৰৰে মধুপুৰ অঞ্চল। য'ত খেতিয়কসকলে ধান-মাহ হেৰুৱাব লগাত পৰিছে। তাৰ উপৰিও ঘৰ-দুৱাৰৰ লগতে কণ কণ শিশু, বৃদ্ধ-বনিতাইও প্ৰাণ হেৰুৱাবলগীয়াত পৰিছে। বনকৰ্মী, চিপাহী বা জনসাধাৰণে পহৰা দি এনে উপদ্ৰৱত বাধা দিয়া অসম্ভৱ। ইয়াৰ বাবে লাগিব দীৰ্ঘম্যাদী আঁচনি প্ৰস্তুত কৰি পূৰ্বৰ বনাঞ্চলসমূহ বেদখলমুক্ত কৰি বৃক্ষৰোপণৰ জৰিয়তে বন্যপ্ৰাণীসমূহৰ বিচৰণ ভুমিত পৰিণত কৰা। তাৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰী, সমাজসেৱীসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলেও সভা-সমিতি, আলোচনাচক্ৰ আদি অনুষ্ঠিত কৰি ৰাইজক সজাগ কৰাৰ আৱশ্যমভাবী হৈ পৰিছে। চৰকাৰৰ লগতে খোজ মিলাই বনাঞ্চল বেদখল তথা ধ্বংসযজ্ঞৰ পৰা নিজকে আঁতৰাই ৰখাৰ লগতে আন দহজনকো আঁতৰাই ৰখাৰ ব্যৱস্থা কৰিব লাগিব। এনে ব্যৱস্থা ৰ জৰিয়তে জীৱ-জগতৰ সকলোৰে মংগল হ'ব আৰু ক্ৰমাগতভাৱে বাঢ়ি অহা বন্যপ্ৰাণীৰ উপদ্ৰৱ কমি আহিব বুলি আশা কৰিব পাৰি। ■

# CONSERVATION OF GENETIC RESOURCES

**Dr. Dilip Kalita**
*Sr. Lecturer in Botany*
*Dibru College, Dibrugarh*

Conservation has been defined as a management for benefit of all life including human kinds of biosphere so that it may yield sustainable benefit to present generation while maintaining its potential to meet the needs and aspirations of the future generation. The word conservation is derived from the latin words con = together and servare = guard. DNA (Deoxyribonucleic acid) of chromosoces plays central role of controlling heredity. Chromosoces are located in the nucleus of the cell. The characteristic of genetic materials i.e. DNA are different from species to seeren. From the beginning of 20th century due to selective and excessive exploitation of few selected plants and animal species without proper management practice for their regeneration and due to destruction of certain ecosystem, there is total extinction of number of species. Once a species bacome extinet, that combination of gene pole is permanently lost and man no more can recover it for future use. Therefore conservation of endangered, vulnerable and rare plant and animal species is all the more important. The spears in danger of extinctin and whose survival is unlikely of the casual factors continue operating. These are plant or animal species whose number have been reduced to critical level or whose habitats have been so drastically reduced that they are demmed to be in immediate danger of extincton. "The plant or animal species likely to move into the endangered category in near future if the factors continue operating." These are species of which most or all of the populations are decreasing because of over-exploitation, exeessive destruction of habitats or other environmental disturbances 'The plant or animal species with small populations in the world that are not present endangered or vulnerable but are at risk." These speers are usually localised within limited geographical areas or habitats or are throughly scattered over a more extensive range. The form 'threatened' is used in conservation cartext for specise which are in one of the above three categories.

Each disapearing plant species and in some cases animal species also takes with it other dependent species of animals, fungi as well as




micro-organisms both prokaryetes and eukaryetes. An endangered species is are in which the natural regeneration is not able to cope up or match with the prevailing exploitation level. There are several economic reasons also for the conservationof genetic resources as sometimes form the wild varities a few have proved to extrimely useful. Some are found to be of much medicinal importance while some others are good as fodder, dye yielding plants, rubber yielding plants and so on, Chang (1984) in his paper on "Conservation of rice genetic resoruces; luxury and necessity; has shown that how stunt virus disease resistant, wild species of Oryza nivara from India has been successfully used in cross breeding with Oryza sativa (Phan) to produce disease resistant rice. Conservation of wild life also help in earning huge amount of foreign exchange by the way of attracting tourists.



Commonest causes if endangering the survival of species are (1) habitant destruction,



(2) epidemic, (3) over exploitation, (4) environment pollution, (5) botanical and zoological collection, (6) natural calamities like flood, drought, earthquake etc.

There are two main categories conservation of genetic recources; in situ conservation and ex situ conservation.

1) In situ conservation : This is an iedal system of genetic resources conservation within natural or human made ecosystems in which they occur. Natural monuments, cultural landscapes, biosphere reserver, national park, nature reserve soncturies etc. belong to this type of conservaton.

2) Ex situ conservation : This is conservaton outside their habitats by propetuatity sample population in genetic resource centres, zoos, botanical gardens, culture collection etc. or in form of gene pools and ganerates storage fish, germplasm bank for seeds, pollen, semen, ova etc.

In the world several international as well as national organisations are dealing with conservation of genetic resources. One such international group is conservation of genetic resources. Anothre such intrnational group is consultative group an international agricultral research (CGIAR). This group has established a network with several international research centres dealing with improvement of crop plants. In 1974, CGIAR supported the establishment of international research centres for genetic resources of plants which is known as international board for plant genetic resources (IBPGR). Now it is known as international plant genetic institute. Recently many germplasm banks have also been established in Europe and North America. Some countries like China and USA have established research centres for endangered speers. In India a large number of institutions like universities, research centres involve in conservation of genetic resources. An Indo-US project on plant genetic resources was taken up in 1988 to established a national gene bank. India also started several special projects for endangered species like Tiger in 1973 with nine tiger reserves located in different kinds of habitats in nine states. Gir Lion Project (1972) in Saurashtra peninsula of Gujarat; Crocodile breeding project (1975); Rhinos conservation project. It is a centrally sposored scheme "Conservation of Rhinos in Assam" was introduced in 1987 and is continued for effective and intensive management of Rhino habitats; snow-leopard project. This is being taken to creat 12 snow leopard reserves throughout the Himalayas and project elephant in 1992 for protection of elephants. For conservation of wild plant and animal species Biosphere reserve programe was launched b UNESCO in 1971 which help situ conservation of genetic diversity. Kaziranga, Sunderban, Great Nicober, Nilgiri, Gelf manner, Nanda Devi, Nokrek etc. are some examples of biosphere reserves of India. In India many botanical gardens, zoos, natural monuments, sancturies also help conservation of genetic resources.

From the above discussion it is noted that conservation of domesticated and wild living species is only way for conservation of Genetic resources. So we should take necessary and urgent steps for the conservation of all species of plant animals, fungi and microganisms specially wild forms. ■

# গীতা : এটি নিৰ্মোহ ভাৱনাৰ মূৰ্তৰূপ

✍ মায়া শইকীয়া

"সৰ্বোপনিষদো গাৱো দোগ্ধা গোপাল নন্দন।
পাৰ্থো বৎসঃ সুধীভোক্তা দুগ্ধং গীতামৃতং মহৎ।।"

গীতাশাস্ত্ৰ সমগ্ৰ বিশ্বৰে এখন মহৎ গ্ৰন্থ। এই শাস্ত্ৰ আধ্যাত্মিক আৰু দাৰ্শনিক গ্ৰন্থ সমূহৰ ভিতৰত অন্যতম। ভাৰতীয় দাৰ্শনিক পৰম্পৰাৰ মূল সুঁতিটোৰ শেষতম অভিব্যক্তিটো হ'ল বেদান্ত দৰ্শন। ভাৰতৰ বৈদিক জ্ঞানৰ সাৰমৰ্ম সোমাই আছে ভাগৱদ গীতাৰ মাজত। গীতাত পৰম পুৰুষ পৰমেশ্বৰ ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ প্ৰিয়তম বন্ধু আৰু ভক্ত অৰ্জুনক যুদ্ধক্ষেত্ৰত হোৱা কথোপকথনৰ মাজেৰে আত্মোপলব্ধি তত্ত্বৰ বিষয়ে উপদেশ দিছে।

গীতাৰ মাজেদি প্ৰকাশ পোৱা চিৰন্তন দাৰ্শনিক তত্ত্বটোৱে হাজাৰ হাজাৰ বছৰ ধৰি প্ৰাচ্য আৰু পাশ্চাত্য উভয়ৰে মানুহ বিলাকৰ অনুসন্ধানী মনত খলকনি লগাই আহিছে। হেনৰি ডেভিদ থ'ৰই লিখিছিল—'ভগৱদ্ গীতাৰ তুলনাত 'আমাৰ আধুনিক জগতখন আৰু তাৰ সাহিত্য নিতান্ত ক্ষুদ্ৰ আৰু তুচ্ছ।"

গীতাৰ ভাৱ সম্পদ আৰু কাব্য-সৌন্দৰ্যৰ সংস্পৰ্শলৈ আহি সম্ৰাট ছাহজাহানৰ জেষ্ঠ পুত্ৰ দাৰা শ্বিকোৱে ইয়াৰ প্ৰশংসা কৰি কৈছিল 'গীতা' স্বৰ্গীয় আনন্দৰ অফুৰন্ত উৎস। এই গ্ৰন্থত প্ৰদৰ্শিত হৈছে সাৰ্বভৌম সত্য উপলব্ধিৰ সুগম পথ; বিধিত হৈছে পৰম পুৰুষৰ ৰহস্য কথা; আৰু ব্যাখ্যাত হৈছে ইহলোক আৰু পৰলোকৰ শ্ৰেষ্ঠতম আৰু নিগূঢ়তম সত্যৰ দুৱাৰ।" এই কথাষাৰ ড° মহেন্দ্ৰ বৰাৰ 'গীতা'ত পোৱা যায়। সেইদৰে টি এছ ইলিয়টে এড্‌ৱিন আৰ্ণল্ডৰ ইংৰাজী কাব্যনুবাদ "দ্য চং চেলেশ্বিয়েলখন পঢ়ি মন্তব্য কৰিছে, "মোৰ অভিজ্ঞতাত গীতা খনেই দ্বিতীয় মহত্তম দাৰ্শনিক কাব্য।" জাৰ্মান দাৰ্শনিক ৱিলিয়াম ফন্ হামবোল্ড্‌টৰ মতে, গীতা "আমি জনা যি কোনো ভাষাৰেই সুন্দৰতম আৰু সম্ভৱতঃ একমাত্ৰ প্ৰকৃতাৰ্থৰ দাৰ্শনিক সংগীত"। আকৌ ইতিহাস প্ৰণেতা এল ডি বাৰ্ণেটৰ মতে— জীৱনৰ প্ৰতিটো কৰ্মকেই অনাসক্তিৰ জুইত পুৰি বিশুদ্ধ উপাসনাৰ ৰূপত শোধন কৰি লোৱাৰ যি অপূৰ্ব কৌশল গীতাই প্ৰদান কৰিছে, সেয়া মানুহৰ কৰ্মময় জীৱনৰ এক অন্যহীন অৱলম্বন।" ইয়াৰে আনটো পিঠি উদঙাই ধৰিছে পণ্ডিত জৱাহৰলাল নেহৰুৰ 'ডিস্কভাৰী অব ইণ্ডিয়া' নামৰ গ্ৰন্থত। ইয়াক কৈছে— ই হ'ল সংকটৰ ৰাজনৈতিক, সামাজিক আৰু তাতোতকৈয়ো অধিকৰূপে মানুহৰ আধ্যাত্মিক সংকটৰ কবিতা।" গতিকে গীতাৰ মৰ্মাৰ্থ হয়তো অতি কঠিন আৰু গ্ৰন্থিবহুল। কিন্তু বিছিন্ন ৰূপত ইয়াৰ সৰহভাগ শ্লোকেই ধ্বনিময় স্পন্দন অতি সুললিত আৰু সাধাৰণ অৰ্থ অতি প্ৰাঞ্জল। গীতাৰ মৰ্মবাণী বুজি পাবলৈ বৈদগ্ধ্যতকৈ সংবেদনশীলতাৰ প্ৰয়োজনহে বেছি। সেই কাৰণেই 'কথাগুৰু চৰিত'ত বৰ্ণিত চন্দৰী আইৰ নিচিনা অনাখৰী ধুবুনী এগৰাকীৰ পক্ষেও গীতাৰ গুণমালা ৰচনা কৰি দিয়া সম্ভৱ হৈছিল। গতিকে দেখা গ'ল যে এই অমৰ গ্ৰন্থখনৰ ৰচনাকাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত বহু বিভিন্ন মত আছে যদিও আজিলৈকে খাটাংকৈ কোনেও ক'ব পৰা নাই যে এই গ্ৰন্থখন কেতিয়া ৰচিত হৈছিল।

"গীতাৰ্থ শ্ৰৱণাসক্তো মহাপাপযুতোহপি বা।
বৈকুণ্ঠং সমৱাপ্নোতি বিষ্ণুণাসহ মোদতে।।"

গীতাৰ বাখ্যা শুনিবলৈ আগ্ৰহীজন মহাপাপী হ'লেও বৈকুণ্ঠগামী হৈ স্বয়ং বিষ্ণুৰ লগত আনন্দৰে বাস কৰেগৈ। মহাভাৰতত আছে সকলো বেদৰ সাৰাৰ্থ আৰু সকলো শাস্ত্ৰ সাৰবস্তু; গীতা সৰ্বশাস্ত্ৰময়।

গীতাৰ আৰম্ভণি এক নীতিধৰ্ম প্ৰশ্ন অৱতাৰণাৰে। মৰণ পণ কৰি যুদ্ধ কৰিবলৈ সাজু হৈ থকা কৌৰৱ আৰু পাণ্ডৱ উভয় পক্ষৰ সৈন্য দলৰ মাজত মহাবীৰ অৰ্জুনে সন্মুখত দেখাপোৱা নিজৰ আত্মীয়কুটুম্ব, শিক্ষাগুৰুসকল আৰু সুহৃদ সকলক দেখা পাই শোক আৰু কৰুণাত ম্ৰিয়মান হৈ নিজৰ শক্তি হেৰুৱাই পেলাই, মোহগ্ৰস্থ হৈ যুদ্ধ কৰাৰ সংকল্প ত্যাগ কৰিলে। ব্যথিত অৰ্জুনে স্পষ্টকৈ কৈ দিলে, "মই অস্ত্ৰ নধৰোঁ। লাগিলে মোকেই সিহঁতে নিৰস্ত্ৰ অৱস্থাত হত্যা কৰি সিহঁতৰ বাসনা পূৰ্ণ কৰক।" নীতিধৰ্মৰ এই প্ৰশ্নৰ উত্তৰ দাঙি ধৰা হৈছে দুটা তৰপত সাধাৰণ যুক্তি-তৰ্কৰ অৱলম্বনত আৰু উজ্জীৱিত কৰ্মাদৰ্শৰ ভিত্তিত। যুক্তি-তৰ্কাশ্ৰয়ী মীমাংসাৰ প্ৰযত্নটোক সাংখ্যাযোগ আখ্যা দিয়া হৈছে। প্ৰথমতে, হত্যা বোলা ঘটনাটো মাথোন এক প্ৰতিভাসিক সত্য। মানুহ কেৱল দেহেৰে নিৰ্মিত কোনো পদাৰ্থ বিশেষ নহয়— মানুহ দৰাচলতে এক দেহধাৰী আত্মা আৰু সেই আত্মা অবিনাশী। গতিকে কোনোবাই কাৰোবাক হত্যা কৰাৰ কথাষাৰেই অবান্তৰ। দ্বিতীয়তে; সকলো দেহধাৰী প্ৰাণীৰ ক্ষেত্ৰতেই জন্ম আৰু মৃত্যু অনিবাৰ্য।

"বসাংসি জীৰ্ণানি যথা ৱিহায় নৱানি গৃহ্নাতি নৰোহ পৰাণি।
তথা শৰীৰাণি ৱিহায় জীৰ্ণান্যানি সংযাতি নৱানি দেহী।।"

গতিকে, অনিবাৰ্যৰূপে ঘটনীয় ঘটনাক লৈ শোক কৰি কোনো লাভ নাই। তৃতীয়তে ধৰ্মযুদ্ধত অংশ গ্ৰহণ কৰাতকৈ ক্ষত্ৰিয়ৰ জীৱনত অন্য কোনো মহত্তৰ কৰ্ম নাই। তাকে নকৰিলে অকীৰ্তি হয়। গতিকে ক্ষত্ৰিয়ৰ জীৱনত অখ্যাতিৰ মুখামুখি হোৱাতকৈ বৰং মৰণৰ জয়মাল্য পিন্ধিবলৈ পোৱাটো বহুগুণে ভাল বুলি আখ্যা দিছে। পতঞ্জলীৰ যোগ দৰ্শনৰ লগত অসংশ্লিষ্ট ৰূপেই গীতাৰ নিজস্ব ভংগীৰে ব্যৱহৃত হৈছে। যোগ মানে কৰ্মত প্ৰবৃত্ত হোৱাৰ সাধনা। কোনো স্বাৰ্থ নোহোৱাকৈ পৰমেশ্বৰৰ আনন্দৰ বাবে কাম কৰিলে, কৰোঁতাজনে কৰ্মবিধানৰ পৰা অব্যাহতি পায় আৰু আত্মা আৰু পৰমেশ্বৰৰ বিষয়ে দিব্যজ্ঞান লাভ কৰিব পাৰে।

"কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেসু কদাচন।
মা কৰ্মফলহেতুৰ্ভুঃ মা তে সাঙ্গোস্ত্বকৰ্মণি।।"

এয়াই গীতাৰ অনাসক্তি যোগ অথবা নিষ্কাম কৰ্মৰ সাধনা। দিব্যজ্ঞান অথবা আত্মা, ভগবান আৰু তেওঁলোকৰ পৰস্পৰ সম্পৰ্কৰ আধ্যাত্মিক জ্ঞানে আত্মশুদ্ধি আৰু মোক্ষ এই দুয়োটাকে



আনি দিয়ে। নিঃস্বাৰ্থ ভক্তিৰে কৰা সেৱা (কৰ্মযোগ)ৰ ফল স্বৰূপেই লাভ কৰা যায়।

তাৰপাছত, নীতিধৰ্মৰ সেতুখন পাৰ হৈ চতুৰ্থ অধ্যায়ৰ পৰা দশম অধ্যায়লৈকে গীতাত ধৰ্মতত্ত্বৰ সূক্ষ্মকথাখিনি আলোচনা কৰা হৈছে। পাপৰ উৎস কি? জ্ঞানীৰ লক্ষণ কি? নিষ্কাম কৰ্মযোগ আৰু সন্যাসৰ মাজত কোনোটো শ্ৰেষ্ঠতৰ ইত্যাদি প্ৰশ্নোত্তৰ সমাৱেশ হোৱা দেখা যায়। অৱশ্যে প্ৰত্যেকটো উত্তৰেই জ্ঞানৰ শিখৰলোকৰ ঐশ্বৰ্য্যৰে মণ্ডিত আৰু সকলোবোৰ ধৰ্মীয় মনোভংগীৰে ৰঞ্জিত। গীতাই ভগৱানৰ ভক্তসকলৰ প্ৰকাৰভেদ অতি ফট্‌ফটীয়াকৈ দাঙি ধৰিছে। গীতাৰ মতে, ভক্তৰ প্ৰকাৰ চাৰিটা— আৰ্ত, অথাৰ্থী, জিজ্ঞাসু আৰু জ্ঞানী। কিছুমানে। ঈশ্বৰক স্মৰণকৰে আঁতুৰত পৰি; কিছুমানে ঈশ্বৰৰ অন্বেষণ কৰে মুক্তি লাভৰ আকাংক্ষাকৰি আৰু কিছুমানে ঈশ্বৰৰ নাম সোঁৱৰে বিশুদ্ধ ভক্তিৰ প্ৰেৰণাৰে। কোনবিধ ভক্ত কোন শ্ৰেণীত পৰে, গীতাত বুজিবলৈ টান নহয়। কৌৰৱৰ ৰাজসভাত বিপন্না হৈয়েই দ্ৰোপদীয়ে ঈশ্বৰ কৃষ্ণক সুঁৱৰিছিল। সুগ্ৰীৱ, বিভীষণ প্ৰভৃতি দ্বিতীয়বিধ ভক্ত। তেওঁলোকে ঈশ্বৰত শৰণ লৈছিল ঐহিক আৰু পাৰত্ৰিক কল্যাণ লাভৰ আশা কৰি। ৰাজৰ্ষি জনক আৰু মুচুকুন্দ প্ৰভৃতিয়ে ঈশ্বৰৰ স্তুতি কৰিছিল অন্তৰৰ অদম্য কৌতুহলৰ তাড়ণাত পৰি। সেইদৰে নাৰদ আৰু প্ৰহ্লাদে ঈশ্বৰক সুঁৱৰিছিল মাথোন ভক্ত হৃদয়ৰ প্ৰেৰণাৰ সমিধানৰ সন্ধানত। গীতাত এই সকলোবিধ ভক্তকে সমানে স্বীকৃতি দিয়া হৈছে। তথাপি একনিষ্ঠ জ্ঞানী ভক্তক সকলোৰে উৰ্দ্ধতম বিন্দুত দেখা যায়। এনেধৰণৰ অনেক কথা ভক্তি ৰত্নাৱলীৰ পাতে পাতে প্ৰাঞ্জলৰূপে পৰিস্ফুট হৈ থকা দেখা যায়। তাত ন বিধ ভক্তিৰ যোগেদি কোনে কেনে ধৰণৰ মুক্তি লাভ কৰিছে গ্ৰন্থকাৰে বিশদভাৱে বৰ্ণনা কৰিছে।

উল্লিখিত এই চাৰিবিধ ভক্তৰ ভিতৰত যিজন সদায় ভক্তি পৰায়ণ, একনিষ্ঠ আৰু জ্ঞানীজনেই শ্ৰেষ্ঠ। তেওঁ ভগৱানৰ প্ৰিয় আৰু ভগৱানো তেওঁৰ প্ৰিয়। এই চাৰিবিধ লোকেই মহাত্মা; কিন্তু জ্ঞানীজন ভগৱানৰ আত্মাস্বৰূপ। কাৰণ তেওঁ একাগ্ৰচিত্তে একমাত্ৰ ভগবানেই উত্তম গতি বুলি তেওঁতে আশ্ৰয় কৰি থাকে। অনেক জন্মৰ সাধনাৰ বলতহে জ্ঞানীজন "গোটেই জগত বাসুদেৱ" বুলি উপলব্ধি কৰি ভগৱানক লাভ কৰে। এনে মহাত্মা অতি দুৰ্লভ।

মানুহে স্বভাৱজাত কামনা-বাসনাৰ কাৰণে জ্ঞান হেৰুৱাই নানান প্ৰণালীৰে আন আন দেৱ-দেৱতাৰ উপাসনা কৰে। যি ভক্তই যি মূৰ্তিক শ্ৰদ্ধা সহকাৰে অৰ্চনা কৰে, সেই ভক্তক সেই মূৰ্তিতে ভগৱানে নিজে অচলা ভক্তিৰ বিধান কৰি দিয়ে। কিন্তু তেনে উপাসনাৰ ফল অস্থায়ী। কাৰণ দেৱতাৰ উপাসনা কৰিলে দেৱতাকহে পায়। ভগৱানৰ ভক্তই স্বয়ং ভগৱানক পায়। ভগৱানে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ স্থাৱৰ আৰু ভঙ্গমাত্মক সকলোকে জানে; কিন্তু ভগৱানক মানুহে নাজানে। কিয়নো ভগৱান মায়াৰ দ্বাৰা আবৃত হৈ থাকে। সেয়ে এইজনক জানিবলৈ মোহগ্ৰস্ত লোকসকল সমৰ্থ নহয়।

জড়া-মৃত্যুৰপৰা পৰিত্ৰাণ পাবৰ বাবে যি লোকে ভগৱানৰ আশ্ৰয় লয়, তেওঁ সৰ্বাতীত ব্ৰহ্মাক সমগ্ৰ আধ্যাত্মিক আৰু সমস্ত কৰ্মতত্ত্বৰ গৰাকী বুলি বুজিব পাৰে। গতিকে অধিভূত, অধিদৈৱ আৰু অধিযজ্ঞৰ বিভাগ সহকাৰে যি ভগৱান শ্ৰীকৃষ্ণক বুজব পাৰে তেওঁৰ মৃত্যুৰ কালতো সেই স্মৃতি জাগ্ৰত হৈ থাকে। ফলত অন্তিম কালত ভগৱানক লাভ কৰি ব্ৰহ্মত্ব প্ৰাপ্তি হয়।

গীতাত উপনিষদৰ নিৰ্গুণ ব্ৰহ্মৰ কথা পৰাত্বত বৰ্ণনা কৰা আছে। গীতাই স্পষ্টভাৱে বৰ্ণনা কৰিছে যে, এই বিশ্বজগত মাথোন ব্ৰহ্মৰেই অভিব্যক্তি—

"সৰ্ব্বভূতস্থমাত্মানং সৰ্ব্বভূতানি চাত্মাণি।
ঈক্ষেতে যোগমুক্তাত্মা সৰ্ব্বত্ৰ সমদৰ্শনঃ।।"

এয়া উপনিষদৰ গভীৰৰ পৰা আহৰণ কৰি অনা উক্তি। সাংখ্যৰ মতে এই বিশ্ব গঢ় লৈ উঠিছে চৰ্তুবিংশতি তত্ত্বক আশ্ৰয় কৰি প্ৰকৃতি আৰু পুৰুষৰ সান্নিধ্যত। এই খিনিতে উল্লেখ কৰিব পাৰি যে— গীতাৰ বিভূতি যোগৰ অধ্যায়টোত সাংখ্যৰ প্ৰৱক্তা কপিল মুণিক সৰ্বশ্ৰেষ্ঠ সিদ্ধ বুলি বৰ্ণোৱা হৈছে। গীতাত পুৰুষ এক বিশেষ গুণমণ্ডিত পুৰুষ। সাংখ্যৰ বিশ্বতত্ত্ব মানি লৈয়ো গীতাত সৰ্বেশ্বৰবাদ আৰু একেশ্বৰবাদ প্ৰতিষ্ঠা কৰা হৈছে। কিন্তু গীতাত দাৰ্শনিক যুক্তিৰ পৰ্যায়ত সৰ্বেশ্বৰবাদ অকল্পনীয়। ইয়াত উন্মোচিত হৈছে এক নতুন তত্ত্বকথা— যাৰ নাম অৱতাৰবাদ। অৱতাৰবাদ হ'ল যুগে যুগে পৃথিৱীলৈ নামি অহা নৰৰূপী ভগৱান। এই ভগৱান যেন এক অৰ্ধনীৰিশ্বৰ ৰূপ। ভগৱানে প্ৰাণীৰ অন্তৰত অৱস্থান কৰি থকা আত্মা। সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ তেৱেঁ কাৰণ। এনেদৰে গীতাত ভগৱান শ্ৰীকৃষ্ণই চতুৰ্ভূজ ৰূপ ধাৰণ কৰি ভয়াৰ্ত অৰ্জুনক আশ্বাস দিলে।

'গীতা'ত সৰ্বোৎকৃষ্ট জ্ঞানৰ কথাত আলোচনা কৰিছে। ইয়াত অভ্যাসতকৈ জ্ঞান শ্ৰেষ্ঠ জ্ঞানতকৈ ধ্যান শ্ৰেষ্ঠ আৰু ধ্যানতকৈ কৰ্মফল ত্যাগ শ্ৰেষ্ঠ, ত্যাগৰ দ্বাৰা নিৰন্তৰ শান্তি লাভ হয়। সেয়েহে অৰ্জুনক উপদেশ দিছে যে, "ভগৱানতে মন স্থিৰ কৰি সমাধিপ্ৰাপ্ত হোৱা উচিত। তেতিয়া নিঃসন্দেহে ইয়াৰ পাছতে (দেহ ত্যাগ কৰিলে) ভগৱানৰ মন স্থিৰ কৰাত ব্যাঘাত হয়, তেন্তে অভ্যাসযোগৰ মন স্থিৰ কৰাত ব্যাঘাত হয়, তেন্তে অভ্যাসযোগৰ দ্বাৰা তেওঁক পাবলৈ চেষ্টান্বিত হোৱা উচিত। যদি তাকো কৰাৰ সমৰ্থ নহয়, তেন্তে কেৱল ভগৱানৰ প্ৰীতিৰ কাৰণে কৰ্ম কৰিলেও সিদ্ধি লাভ হ'ব। যদি তকো কৰিবলৈ অসমৰ্থ তেন্তে ভগৱানৰ আশ্ৰয় লৈ একাগ্ৰচিত্তে সকলো কৰ্মফল ত্যাগ কৰা আৱশ্যক।"

গীতাৰ শেষৰ ফালে শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে, "তুমি শুভাশুভ, পাপ-পুণ্য, ধৰ্মা-ধৰ্ম, কামনা-কল্পনা আৰু সমগ্ৰ ব্যক্তি স্বাতন্ত্ৰ্য পৰিত্যাগ কৰি একমাত্ৰ মোকেই আশ্ৰয় কৰা। মই তোমাক সমস্ত পাপৰ পৰা মুক্ত কৰিম। তুমি শোক নকৰিবা।"

"সৰ্বধৰ্ম্মান্ পৰিত্যাজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব পাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।"

এয়া হ'ল শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া নিৰ্ভয়বাণী। আমাৰ প্ৰত্যেক মানুহৰ পৰমাত্মাই জীৱাত্মাক দিয়া বাণী। যেতিয়ালৈকে জীৱাত্মাই নিজে পাপ-পুণ্য, শুভা-শুভা, ধৰ্মা-ধৰ্ম আৰু সমগ্ৰ ব্যক্তিগত বিচাৰৰ ভৱনা ত্যাগ কৰি পৰমাত্মাৰ আশ্ৰয় নলয়, তেতিয়ালৈকে সংসাৰৰ মায়া-মোহ, দুঃখ, ক্লেশৰ অন্ত নহয়। জীৱাত্মাই যেতিয়া নিজস্ব সম্পূৰ্ণ ৰূপ পৰিত্যাগ কৰি পৰমাত্মাৰ আশ্ৰয় ল'ব পাৰে, তেতিয়াহে জীৱাত্মাৰ সকলো কষ্টৰ অন্ত পৰে আৰু সকলো পাপৰ পৰা মুক্তি পায়। ■

# PERSONAL LOANS AN END TO YOUR WORRIES

Dr. Romiza Khatun
*Deptt. of Commerce*

Are you in need of a bank loan ? How to furnish the newly constructed house ? Want to have a new computer ? Or want to have a foreign vacation ? No problem. The most simple way to solve all these problems is to go and avail personal loans from any scheduled bank. Do not worry, all the banks are waiting for your visit. Personal loans mean all purpose loans, and are regarded as quickest solution of your worries. Personal loans have the advantages of speedy approval without any scrutiny and flexible repayment schedule. Such loans have become so popular in recent years. According to an estimate the personal loan market has crossed Rs. 1,00,000 crores mark during the fiscal year 2003-2004. No security or guarantee is required to get this loan.

Banks generally give personal loans to salaried people or self-emplyed individuals and professionals like doctors, Chartered Accountants, Management Graduates and Engineers. While disbursing personal loans the banks look at the three things – residence stability, income stability and employment stability of the customer. A personal loan is available for an amount as low as Rs. 20,000, going upto Rs. 15 lakhs. The repayment is done through equal monthly instalments which may be spread over a period of 12 to 60 months.

Generally no question is asked regarding the utilisation of the loan and the customer can use the loan for any purposes. Today taking a loan is not difficult and the interest rate is quite low. The motto behind personal loan is "buy now pay later". Next generation will say 'debt, set, go; not get set go. Don't be debt shy. At present commercial banks and the state Bank of India are more consumer friendly and loans are easily available. Banks can evaluate the credit worthiness of the customers, who want personal loans.

Competition among the banks have increased so much particularly with the entry of private and foreign banks, and the personal loans segmant has become more transparent. Interestingly some old borrowers have forgotten that there was a time when they had to give bribes to get loans, despite the required documents being ready. Last three years aspirants for personal loans have increased tremendoulsy. Banks on the other hand are earning huge revenues through personal loans. Public sector banks have entered the market quite lately as they are very cautious in disbursing personal loans. Due to the risk of non-recovery the banks have to make an understanding with the employers of the customers to deduct the monthly instalment from the customers' salary. The borrowers should also be careful that their total liability does not exceed more than 60 percent of their take home salary. They should not see the interest rates only. More loans more problems in future. Using credit cards is the simplest way of repayment of loans. But for that you need big bank account. the amount to be given as personal loan depends upon the repayment capacity of the borrowers and the tenure of the loan. For durable goods most banks lend upto 85 percent fo the price of the product. Personal loans are usually availed for expenses rather than asset purchases. To protect one's interest, a borrowr must evaluate the end use of money. For example, if loans are taken for reinvestment, the borrower should ensure that he or she earns more money than the interest payable to the bank for the loans taken. Lastly beware borrowers personal loans are not home loans and do not give any tax benefits. Be brave and go for personal loans. ■

*(Helping Hand : Financial Express)*





# CARREER GUIDANCE AND COUNSELLING

Nandita Baishya
*Dept. of English*

When I passed my H.S., I was debating on what to study. Geography was my favorite subject but those days very few colleges had it in their curriculum. Options were very few. When there was a proposal of setting up a career Guidance and Counselling cell in our college I was happy. I remember my problems in making a right choice and wanted to help my students as the educational scene is rapidly changing, as are the curriculam in the last few years, making it important to prepare the youth to face their future student life is getting more and more complex and they have to tackle many situations. They need expert help and this can be given through Career Guidance and Counselling, both in school and in college. A large number of students in colleges and universities have problems in making adjustments to their new environment. Insecurity, conflict, loneliness, academic problems, sexual problems etc. create emotional conflict among students. Students coming from rural to urban society too, have adjustment problem, making it even more necessary to help them to ease their tension and anxieties. Guidance and counselling plays a very fundamental role in higher education. It has always been the aim of teachers to help students towards a better future. It has been seen that even in ancient Universities of India like Taxila and Nalanda, the learned gurus were helping students in making the right choice. But in those days the number of students were less. In today's world where a wide range of courses and different job opportunities are available and there is cut-throat competition and complexities of day-to-day life it has become even more important to help the students. Various attempts have been made to set up such services in colleges since 1945 but the first full-time service was set up only in 1958 in Baroda University. This included students' education and vocation and research-related guidance. In 1961 Allahabad University, with assistance from United States Educational Foundation in India opened up a Career guidance and counselling centre. The foundation collaborated with UGC in this venture. Slowly other Universities too started having such centres. The UGC in consultation with the Ministry of Education has recommended the opening of such cells in all Colleges. It has become even more necessary under the recent accreditation system (NAAC).

A guidance and counselling cell should help students choose their course and also help in dealing with emotional and psychological problems and is a very important part of an institution. In USA it is called Student Personal Service and it includes placement, financial aid, academic and non-academic help. They have a very effective and efficient way of dealing with students. Guidance is assistance provided by counselors to help an individual to take a decision. Problems can be solved at the very initial stage with proper help and this in turn will play an important role in the welfare of the society and, in turn, in the development of the nation. The scope of Guidance & Counselling is very vast and with the expanding of the education system it has become almost impossible to make the right choice without help and guidance. This process can be started as soon as the students come for admission in college by helping them in selecting the options available. This can be done by an information service or the admission cell. Here teachers can help students in selecting the right subject keeping in view placement. Such a programme will, ofcourse, need a well equipped staff.

Students life is getting more complex and they have to tackle many situations. They need expert help and this can be given through Guidance & Counselling opened up in (schools &) colleges. Guidnace & Counselling can be started as soon as the students come for admission in colleges by helping them in selecting the options available. This can be called the Information [See Page 19]

# MATHEMATICS AS CAREER PROSPECTS

Ranjit Kumar Roy

Mathematics is very base of human civilisation from cutting vegetables to arranging books on shelves, from tailoring cloth to motion of plants – Mathematics applies almost every where. From the wonder of Taj Mahal, Egyptian Pyramids and the leaning Tower of Pisa – to the making of atomic bombs and space craft – including missions to heavenly bodies like planets, each of these can be unrevelled using Mathamatics. In fact every thing we do in our daily life is govern by Mathematics.

Mathematics might make you sweet, but Mathematicians do not agree. In fact, they claim that Mathematics can be real fun. We practice Mathematics without realising that we are using the same intricate algebraic formula and complicated geometrical theorems, which used to sent shivers down our spine when we studied them in childhood. Maths may be broadly defined in the scientific study of quantities, including their relationships, operations and measrement expressed by numbers and symbols. It is a tool subject like languages. Its knowledges is essential for understanding of various other subjects. Mathematics has two branches, pure and applied. Pure mathematics concern with concepts and ideas that do not necessarily have any immediate practical and applicatons. Applied Mathematics is concerned with the use of Mathematical Theories and Principles to solve problems in any field – whether it be research in a University or problems in the fields of Physics, Chemistry, Biology, Social Sciences, Earth Sciences, business and Industry work in applied Mathematics required a theoritical back ground, which enables the Mathematicians to under stand the physical dimention and technicalities of the problem. The study of pure and applied Mathematics is independent. Mathamatics has various major branches ranging from Algebra to trigonometry.

With application in a wide variety of occupations actuarial science, economics, financial analysis, for market research analysis and in materiology and oceanography, one can not manage without mathematics. The Mathematians works in operation research, numerical analysis, information and data processing. The work in the field of aviation in accrodynamics, applied physics, robotics, markets research population studies and commercial serveys, and in industrial research and development. A combine degree in mathematics and computer science is suited for a job in data processing and other allied fields.

Mathematics offers scope for teachers at the School and College level. Reputed teachers may find suitable job opportunities in coaching centres that prepare student for admission in various professional courses. Further more, there were always new areas which command the attention of society. Candidate who passd 10+2 with maths are not only eligible for admission to courses relating to engineering and technology, architecture, pharmacy, but also eligible for seeking admission to Bachelor or Computer application, Bacholor of Financial and investment annalysis and B.Com (Hons.) courses. In some Universities economics is offered at graduate level who have studied math at 10+2 level.

Maths may be offered as a paper in various competative examinations conducted by the union Public Commission/State Public Service Commission. B.Sc. & M.Sc. course in Mathematics are offered by most Univerties. The B.I.T.S. Pilani and I.I.T.s offered five year integrated courses in Mathematics for school levels. Various Universities offer M.A./M.Sc. in maths through distance learning system. Some of them are :-

(1) Alagapa University, Karikudi - 630003
(2) Annamalai University, Annamalai Nagar - 608002
(3) Bangalore University, Bangalore - 560001
(4) C.C.S. University, Meerut - 250002
(5) H. P. University, Shimla - 171005
(6) Kurekhetra University, Kurukhetra - 136119
(7) Madurai-Kamraj University, Madurai - 625021
(8) Mahatma Gandhi University, Kottayam - 686002
(9) University of Mumbai, Mumbai - 400032
(10) Osmania University, Hyderabad - 500007
(11) Kakatiya University, Warangal - 506009

The specialised courses in mathematics are available in the following institutes :-

(1) Chennai Mathematical Institute, 92 G. N. Chetty Road, T. Nagar, Chennai - 600017

(2) The Institute of Mathematical Science, Taramoni, Chennai - 600113

(3) Mehta Research Institute of Mathematics and Mathematical Physics, 10 Kasturba Gandhi Marg, Allahabad - 211019

(4) Tata Institute of Fundamental research, Homi Bhaba Road, Colaba, Mumbai - 400005

offers research scholarship for post graduate in maths and engineering graduates interested in pursing studies in Maths. Research Scholars are paid a fixed monthly scholarship of Rs. 8,000/- P.M. scholars are also eligible for hostel accomodatin at nominal charges. The admission to the instuation of mathematical science, Taramoni, Chennai and Mehta Reserach institute, Allahabad are through a joint entrance screaning test. The eligibility for admission to Ph.D. programes in M.Sc. degree in mathematics or M.Sc./M.E./M.Tech. degree in related disciplines candidates with B.E./ B.Tech are considered at M.R.I. Allahabad.

Some Universities offer specialised courses in maths :-

1. Dr. B. R. Ambedkar University, Agra - 292004 M.Sc. (Instustrial Mathematics and Computer Application), M.Sc. (Bi0-Mathematics and computing)
2. Gujrat University, Ahmedabad - 380009, Diploma in Mathematical Economics.
3. Indian Institute of Technology, Chennai - 600036. M.Tech (Indstrial Mathematics and Scientific Computing), (Post-M.Sc.)
4. Pondicherry Universit, Pondichery - 605014, M.Sc. (Functunal Maths.)
5. Rani Durgavati Vishwavidyalaya, Jabalpur-482001, M.Sc. (Mathematical Economics).
6. University of Roorke, Roorke - 247667, M.Sc. (Industrial Mathematics & Informatics).
7. Madurai-Kamraj University, Madurai-625021, M.Sc. (Mathematical Economics).

Several measures have been taken by the Government of India for promotion of Mathematical education and research. The department of Atomic Enerty (DAE) had formed in 1983. The National Board for Higher Mathematics (NBHM) ot faster the development of higher mathamatics, Department of Atomic Energ O.Y.C., C.M.S. Marg, Mumbai - 400001 offers scholarships for pursing M.A./M.Sc. in maths. First class graduates with at least 70% marks in maths and below 22 years of age courses followed by the interview. Selected candidate get R. 1,200/- P.M. during two years of their M.A./ M.Sc. course. The scholarship is paid through the institute where one is studying. Its important activity is to organise the Indian National Mathematical Olypiad (INMO) with twin objectives of identifying mathematical talents at the schools level and nutruring them and selecting candidates for the international Mathematical Olympiad (IMD).

The maths Olympiad, is one of the most prestigious contents for High School students the world over. The mechanies of this threetier contest in India are A-level test is conducted at the regional level at Major cities in September-October to select 40-50 participants for the B-level national Exam that is generally held on the 3rd Sunday of January each year. The top 5-6 winners are provided special coaching for a month before they are sent for the C-level internatioal olympiad wich is hosted in a different country in the first week of July each year. ■

# ব্যক্তিত্বৰ বিকাশ

শ্ৰীৰাজীৱ বৰঠাকুৰ



সাহিত্য যেনেকৈ একোট জাতিৰ দাপোণ, ঠিক তেনেদৰে 'ব্যক্তিত্ব' একোএকোজন মানুহৰ একোখন নিজস্ব দাপোণ। য'ত প্ৰতিস্ফূত হয় নিজৰ জ্ঞান, বুদ্ধি, প্ৰতিভাকে মুখ্য কৰি আন আন বহুতো গুণ, ব্যক্তিত্বৰ সংজ্ঞা একেষাৰতে নিৰূপণ কৰাটো সম্ভৱ নহয়। মনোবিজ্ঞানী তথা দাৰ্শনিক সকলে বিভিন্ন ৰূপত বিভিন্ন সময়ত ব্যক্তিত্বৰ বিভিন্ন সংজ্ঞা দাঙি ধৰিছে যদিও সেয়া 'ব্যক্তিত্ব'ৰ নিৰ্দিষ্ট সংজ্ঞা হিচাপে মানি লোৱাটো অপ্ৰাসঙ্গিক। একোজন ব্যক্তিৰ ব্যক্তিত্ব নিৰ্মাণ হয় ব্যক্তিৰ চিন্তা-ভাবনা, চিন্তাৰ গভীৰতা, গুণ, কৰ্মস্পৃহা, আগ্ৰহ, জীৱন-দৰ্শনৰ সামগ্ৰিক প্ৰচেষ্টালব্ধ জ্ঞানৰ ওপৰত।

প্ৰত্যেক ব্যক্তিৰে নিজস্ব একোটা স্থিতি থাকে। সেই স্থিতিয়ে সামাজিক জীৱনত প্ৰকাশ হয়। সামাজিক পৰিৱেশ আৰু ব্যক্তিৰ স্থিতিৰ যি সম্পৰ্ক সি সঙ্গতিপূৰ্ণ। ব্যক্তিৰ স্থিতিয়ে সামাজিক পৰিৱেশৰ লগত মতাদৰ্শ বিধানত সহায় কৰে। বৰইং নামৰ মনোবিজ্ঞানী এজনে কৈছিল — "পৰিৱেশৰ সৈতে এক নিৰ্দিষ্ট ধৰণেৰে অথবা বৈশিষ্ট্যমূলকভাৱে সঙ্গ স্থাপন কৰি, নিজকে বিন্যস্ত কৰি বিকাশ লাভ কৰাকে ব্যক্তিত্ব বুলি কোৱা হয়।" আন এজন মনো বিজ্ঞানী জেংকৰ মতে — "বংশ গতি আৰু পৰিৱেশৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱা সকলোবোৰ গুণৰ সমষ্টিয়েই হ'ল ব্যক্তিত্ব। মতবাদ দুটাৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে — ব্যক্তিত্ব পৰিৱেশৰ লগতে বংশ গতিৰো প্ৰভাৱ পৰ্যাপ্ত পৰিমাণৰ।

কোনো এজন ব্যক্তিয়ে সামাজিক পৰিৱেশৰ মাজেদিয়েই তেওঁৰ ব্যক্তিত্ব প্ৰকাশ কৰে। ব্যক্তিৰ ব্যক্তিত্ব নিৰ্মাণ হয় ব্যক্তিজন বাস কৰা সমাজখনৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সামাজিক আদৰ্শ আদি গুণসমূহৰ ওপৰত নিৰ্ভৰ কৰি। ব্যক্তিৰ ব্যক্তিত্ব বুলিলে ব্যক্তিজনৰ স্ব-লব্ধ জ্ঞান, বুদ্ধি, চিন্তাৰ মানসিকতা, কৰ্মোদ্যম, আত্মনিয়ন্ত্ৰণ, আত্মসচেতনতা, আচৰণ, ৰীতি-নীতি, সমাজৰ প্ৰতি থকা দায়িত্ববোধ আদিবোৰৰ ওপৰতে গুৰুত্ব দিয়া হয়।

শিশু এটি ভূমিষ্ঠ হৈ আহোঁতে কায়া আৰু চিত্ত এই দুটা বিশেষ গুণ লগত লৈ আহে আৰু বাকীবোৰ উঠা-বহা কৰা সমাজখনৰ পৰাই আয়ত্ব কৰে। সমাজৰ ভাষা, ধৰ্ম (মানৱ ধৰ্ম), ৰীতি-নীতি, সভ্যতা-সংস্কৃতি, শিক্ষা আদিয়ে ব্যক্তি গঠন কৰাত বহু পৰিমাণে সহায় কৰে। একেখন সমাজত বাস কৰা দুজন ব্যক্তিৰ মাজত আমি যথেষ্ট পাৰ্থক্য দেখিবলৈ পাওঁ, ইয়াৰ প্ৰধান কাৰণ হ'ল দুয়োজন ব্যক্তিৰে প্ৰস্থিতি-স্থিতি ভিন্ন। প্ৰতিজন ব্যক্তিৰে এটা নিজস্ব স্থিতি থাকে আৰু সেই স্থিতিৰ ওপৰত নিৰ্ভৰ কৰিয়ে ব্যক্তিয়ে সমাজত নিজস্ব প্ৰতিভাৰে বিভিন্ন ৰূপত প্ৰতিষ্ঠা লাভ কৰে। আৰু সেই প্ৰতিভাৰে প্ৰতিভাত হোৱা গুণসমূহকে আমি একোজন ব্যক্তিৰ ব্যক্তিত্ব বুলি ক'ব পাৰোঁ।

ব্যক্তিৰ ব্যক্তিত্ব আচৰণ প্ৰণালীৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। এজন ব্যক্তিৰ আচৰণে আন এজন ব্যক্তিক কেনেদৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰে বা ব্যক্তিজনে কেনেদৰে গ্ৰহণ কৰে সেয়াও ব্যক্তিত্বৰ ওপৰত নিৰ্ভৰ কৰে। কথাৰ প্ৰকাশ ভঙ্গীও ব্যক্তিত্বৰ এটা ডাঙৰ উপাদান। আনৰ আদৰ্শ, চিন্তাধাৰা, আবেগ, অনুভূতি আদিৰেও একোজন ব্যক্তিয়ে নিজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে আৰু নিজকে প্ৰতি মুহূৰ্ত সচেতন কৰি তুলিবলৈ যত্ন কৰিব পাৰে।

ব্যক্তিৰ বিকাশৰ প্ৰথম তথা প্ৰধান কেন্দ্ৰ হৈছে পৰিয়াল। এটি শিশুৱে সৰ্ব প্ৰথমে পৰিয়ালৰ পৰাই সকলোবোৰ কথা শিকিবলৈ বা জানিবলৈ প্ৰয়াস কৰে ই স্বাভাৱিক। এটা সুস্থ পৰিয়ালতহে এজন সবল ব্যক্তিত্বৰ ব্যক্তি গঢ়লৈ উঠিব পাৰে। পৰিয়ালৰ আচাৰ-আচৰণ, কথা-বতৰা, খাদ্যাভ্যাস, সাজ-পাৰ, সাংস্কৃতিক দিশ, ধৰ্মীয় সংস্কাৰ আদি সকলোবোৰ কথা পৰিয়ালটোৰ পৰাই আয়ত্ব কৰে। সেয়ে ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত প্ৰথম তথা প্ৰধান কেন্দ্ৰ স্বৰূপ ঘৰখনেই।



ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত দ্বিতীয়তে আমি আধুনিক শিক্ষানুষ্ঠানৰ কথা ক'ব পাৰোঁ। পৰিয়ালৰ স'তে লালিত-পালিত হৈ এটি শিশুৱে যেতিয়া শিক্ষানুষ্ঠানৰ ফালে ধাৱিত হয়, তেতিয়া এখন বাহিৰৰ জগতত তেওঁলোকৰৰ চিন্তা-চৰ্চাসমূহ প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। বৰ্তমান বিদ্যালয়সমূহত শিশুৰ দৈহিক মানসিক, সামাজিক আদি দিশসমূহৰ উপৰিও শিশুৰ ইচ্ছা, অনুভূতি, আবেগ, মানসিক শক্তি আদিৰ ওপৰত ভিত্তি কৰিয়েই ব্যক্তিত্ব বিকাশৰ পথটো গঢ় দিবলৈ চেষ্টা কৰা হয়। শিশুসকলৰ বিভিন্ন দিশত থকা প্ৰতিভাসমূহ শিশুসকলে নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সুযোগ সুবিধা পায়। শিশুসকলৰ প্ৰতিভা বিকাশৰ মূল ধৰণী হ'ল শিক্ষক-শিক্ষয়িত্ৰীসকল। একো একোজন নিষ্ঠাৱান, মৰমীয়াল তথা আত্মোৎসৰ্গ শিক্ষক-শিক্ষয়িত্ৰীয়ে শিশুক একোজন পূৰ্ণাঙ্গ মানৱলৈ পৰিণত কৰিব পাৰে। তাৰ বাবে অভিভাৱক তথা ৰাইজৰ অকুণ্ঠ সঁহাৰি নিতান্তই প্ৰয়োজন।

ব্যক্তিৰ বিকাশৰ আন এক কেন্দ্ৰস্থল হ'ল সমাজ। ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত সমাজৰ গুৰুত্ব তথা দায়িত্ব অপৰিসীমভাৱে অপৰিহাৰ্য। একোখন সুস্থ বাতাবৰণযুক্ত সমাজে একোজন সফল তথা সবল ব্যক্তিত্বৰ মানুহ গঢ় দিব পাৰে। এখন সুন্দৰ তথা নিকা সমাজত গঢ়লৈ উঠা ব্যক্তিয়ে সমাজৰ সকলোবোৰ দিশ শুদ্ধভাৱে চিন্তা-চৰ্চা কৰিবলৈ সুযোগ-সুবিধা পায়। লগতে কৰ্ম-চেতনাৰো উন্মেষ ঘটে। একোজন সুস্থ সমাজৰ ব্যক্তিয়েহে মানৱীয় মূল্যবোধ যেনে — দয়া, ক্ষমা, ধৰ্ম, প্ৰেম, উদাৰতা, পৰোপকাৰ, অহিংসা, ভাতৃত্ববোধ, সহনশীলতা, বুজা-বুজি আদি গুণসমূহ সকলো দিশতে উপস্থাপন কৰিবলৈ সুবিধা পায়। এটা কথা আগতেই উল্লেখ কৰা হৈছে যে — প্ৰত্যেক ব্যক্তিৰ একোটা নিজস্ব স্থিতি থাকে আৰু সেই স্থিতিক কেন্দ্ৰ কৰিয়েই সমাজে ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত অগ্ৰসৰ হোৱাটো বাঞ্ছনীয়।

ব্যক্তিৰ বিকাশৰ ক্ষেত্ৰত বংশগতিৰ প্ৰভাৱো অপৰিহাৰ্য। জন্মৰ লগে লগে বংশৰগতিৰ দ্বাৰা শিশুৱে শাৰীৰিক, মানসিক আৰু নৈতিক শক্তিৰ অধিকাৰী হয়। এই দিশ সমূহ সঠিক ৰূপত পৰিচালিত কৰাৰ ওপৰতে ব্যক্তিত্ব বিকাশ নিৰ্ভৰ কৰে। এই প্ৰক্ৰিয়া সম্পাদিত হয় সামাজিক পৰিৱেশতেই। উপযুক্ত পৰিৱেশতহে এনে প্ৰক্ৰিয়া কাৰ্যক্ষম হয়। সেয়ে বংশগতি আৰু পৰিৱেশ দুয়োটাই ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত অপৰিহাৰ্য। বংশগতি আৰু পৰিৱেশ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি কলেও ভুল কোৱা নহ'ব।

প্ৰত্যেক ব্যক্তিৰে নিজস্ব একোটা 'মন' থাকে। সেই জনে ব্যক্তিত্ব গঠনৰ আধাৰ আৰু বিকাশৰ পথ বাচি উলিয়াব পাৰে। মনোবিজ্ঞানী য়ুঙএ মানসিক অৱস্থা অনুসৰি ব্যক্তিত্বক "বৰ্হিমুখী বৈশিষ্ট্য সম্পন্ন" আৰু "অন্তৰ্মুখী বৈশিষ্ট্য সম্পন্ন" এই দুটা ভাগত বিভক্ত কৰিছে। আন এজন মনোবিজ্ঞানী স্নেংগাৰে



সমাজৰ প্ৰতি প্ৰকাশ কৰা আচৰণ অনুসৰি ব্যক্তিত্বক ছয় ভাগত বিভক্ত কৰিছে। কিয়নো ব্যক্তিৰ বাহ্যিক আচৰণ, চিন্তাৰ গভীৰতা, অভিপ্ৰায়, ভাব-চেতনাকে ধৰি 'জ্ঞানেন্দ্ৰীয়' আৰু 'কৰ্মেন্দ্ৰিয়'ৰ সকলো কাৰ্যকলাপ মনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। মনক একাষৰীয়া কৈ থৈ ব্যক্তিত্ব গঢ় দিয়াটো অসম্ভৱ।

এইবোৰৰ উপৰিও মানৱ দেহটোৱেও ব্যক্তিত্ব গঠনত বহু পৰিমাণে অৰিহণা যোগায়। অৱশ্যে ই একমাত্ৰ উপাদান নহয়। তদুপৰি মানৱ দেহৰ কিছুমান গ্ৰন্থি, হৰমন আদিয়েও ব্যক্তিত্ব গঠনত যথেষ্ট পৰিমাণে সহায় কৰে।

ব্যক্তিৰ কৰ্মস্পৃহা ব্যক্তিত্বৰ এটি মূল উৎস। ব্যক্তিৰ কৰ্মৰ যোগেদি ব্যক্তিত্বৰ মান নিৰ্ধাৰণ কৰিব পৰা যায়। কৰ্মই হৈছে ব্যক্তিৰ আচৰণ বা ব্যৱহাৰৰ পৰিচায়ক। কৰ্মৰ যোগেদিয়েই ব্যক্তিৰ চৰিত্ৰৰ মান নিৰ্ণয় কৰিব পৰা যায়। তাৰোপৰি নৈতিক, আধ্যাত্মিক আৰু সামাজিক দায়বদ্ধতাও কৰ্মৰ দ্বাৰাই প্ৰতিফলিত হয়। জীৱনৰ মানৱীয় মূল্যবোধ কৰ্মৰ দ্বাৰাই উন্মেষিত হৈ পৰে। কৰ্মচেতনা মনৰ দ্বাৰা নিৰ্ণয় হ'লেও পৰিয়াল, সমাজ, আনুষ্ঠানিক শিক্ষা গ্ৰহণ ক্ষেত্ৰ, পাৰিপাৰ্শ্বিক অৱস্থা আৰু বংশগতিৰ প্ৰভাৱো গুৰুত্বপূৰ্ণ। ■

# N.C.C. AN IMPORTANT EXTENSIVE ACTIVITIES IN COLLEGE

**Prof. L. Bora**
*(Head of the Deptt. of Economics)*
*Ex. IAF; Ex. Capt. N.C.C.*

A great philosopher said, "The youth of today are the future leaders of our great nation." So the first Prime Minister of India Late Jawaharlal Nehru had a thought to develope the physical and mental outlook of our boys and girls. As such, N.C.C. was created in 1948 by an act of parliament to channelise the youth energy in constrictive work. Since then N.C.C. was introduced to different educational institutions of our country.

Basically there are three important aims of N.C.C. –

1) Development of leadership, character, comradeship, spirit of sportmanship and the ideal of service.

2) To create a force of disciplined and trained manpower which in a national emergency could be assistance to the country.

3) To provide training for students with a view to developing in them officer like qualities thus also enabling them to obtain commission in Armed Forces.



The aim of N.C.C. is very significance in the students life. A student has to develope some good character, leadership to success in his life. After taking a special training, the nation will get a disciplined force and utilize them during interval and external disputes. Of course, the students can join the Armed Forces after getting a proper training in N.C.C.

N.C.C. organisation is divided into two division –

i) Junior Division :

ii) Senior Division :

i) Junior Division : Generally the students who are reading in school are belonging to Junior Division or J.D. The age group in this Division is from 13 years to 18½ yrs. They can appear the examination for 'A' certificate in the school during second year of training.

ii) Senior Division : After school, students are going to higher education in colleges. All the college students can take N.C.C. and can appear 'B' and 'C' certificate examination. The age group of senior division is from 15 yrs. to 26 yrs. The N.C.C. cadets can appear the 'B' certificate examination in second year and 'C' certificate in the third year of training.

The girls N.C.C. cadets can obtain J-1 'A' certificate for junior division and 'B'-1 and 'C'-1 is senior Division.

The N.C.C. training is very interesting, useful and career prospects in the Armed Forces and paramilitary forces. Now-a-days N.C.C. boys and girls cadets are given training for First Aid, Civil Defence and self defence. But the most important part of N.C.C. training is weapon training which are divided into four parts :–

1) Rifle Training
2) Bayonet Training
3) Light Machine Gun (L.M.G.)
4) Sten Machine Carbine (S.M.C.)

Generally it is said that Rifle is a half wife of a jawan. As the wife stands in all difficulties of a man, the rifle also remains with the jawan in all difficulties. So it has to be maintained properly for accurate firing. The rifle helps a jawan in the time of external distress like war. The N.C.C. cadets are trained for firing, assembling, clearing and unloading of a rifle.



Bayonet is an additional part of a rifle. It can be removed and kept in the hip while not used. The use of bayonet is also essential during war or any emergency. The Bayonet can be used from a very short distance.

The light machine gun is shortly named as L.M.G. This weapon is very useful in battle field. A jawan can deliver a heavy and accurate volume of fire. So it has become most essential to impart training for N.C.C. cadets. The effective range is 500 yards on bipod and 1000 yards on tripod. Every N.C.C cadet must know how to fire the Gun and maintain it.

Sten Machine carbine is an automatic weapon used for close range of battle. So this weapon is known as close quater battle weapon shortly C.Q.B. The battle effective range of sten machine carbine in 30 yards due to low nuzzle velocity. It is very easy to carry from one place to another as the weight is very less.

Besides all these weapon training, N.C.C. cadets are trained for sanitation and hygine. Because for healthy seri...ty every person maintain a perfect physical, mental and social health. So every person must know about basic knowledge of sanitation and hygine. Sometimes girls have to protect themselves from goondas, miscreatns and eve-teaser by self defence training.

The N.C.C. cadets have a lot of job opportunities in Armed Forces, different officers in central and state government. N.C.C. cadets holding 'C' certificate can compete U.P.S.C. examination. There are reservation of 32 vacancies in regular course at IMA are reserved for 'C' certificate holder. Six vacancies per course reserved in commission in Indian Navy for 'C' certificate holder.

Besides N.C.C cadets holding 'B' and 'C' certificate have reservation in paramilitary as follows –

i) Central Reserve Police
ii) Central Industrial Security Force.
iii) Border Security Force
iv) Indo-Tibetan Border Police
v) Police and certain Class II jobs in state government.
vi) Private Business houses also agreed to give preference to certificate holder of N.C.C. cadets for employment in our country.

N.C.C. can serve better in our country if it is implemented properly. ■

# SELF EMPLOYMENT IN AGRO-BASED INDUSTRIES

Sri Prasanta Kr. Borah
*Lecturer in Economics*

The economy of Assam is basically an agrarian economy. This core sector provides employment both directly and indirectly to about 70% of the total workforce of the state and its contribution to the total State Domestic Product (SDP) is about 33%. The main crop cultivated in the state is Rice which is cultivated on about 70% of the total area under crops production. Other crops cultivated in the State are wheat, maiz, pulses, other cereals, oil seeds, jute and sugarcane etc. In addition to providing food grains the agricultural sector also serves as a source of raw materials for developing quite a good number of agro-based industries.

According to an estimate there are presently 400 lakh job seeker on the live register of Employment Exchange in different parts of our country. Of them 240 lakh are metriculates and above. While the rest are uneducated and below the matric standard. The unemployment problem in our state is equally grave where more than 20 lakh job seekers have registered themselves their names in the Employment Exchanges of the state. According to an official estimate 10 million jobs have to be created annually in our country to attain zero unemployment in the next decade which is indeed an unfeasible task. Thus the present scenerio has been a matte of serious concern, specially in a country like India witha huge population and also a high growth of educated personnel. It is an established fact that by creating a few jobs in the govt. departments annually the menace of unemployment can't be solved. But the sad truth is that the present generation after acquiring a minimum educational qualificationis running after a white colour job. They often feel it hard to undertake any enterpreneurial activity for self employment.

Our unemployed youths must realise that there is ample scope of getting employment through setting up of some agro-based industries based on locally available resources at small capital investment among the resources agro-horticulture can play a very important role in the development of agro-based industries and also for creating large employment opportunities. Some of the agro-



based industries that have tremendous potentiality are dehydration of potato, potatochips, preparation of jam, jelly, juice etc. Our unemployed youths can easily setup rice milling, flour milling, oil milling industries by using small machines at low cost. Their packaging, grading, marketing er. could provide jobs to many. Grinding industries may also be developed for grinding locally available spices like termeric, ginger,





coriander, chilly, black pepper etc. Coconut could be used as raw-materials for making coconut milk and milk powder, coconut cream etc. Through production and processing of spices, new products like dehydrated pepper, ginger, squash etc. could be produced and marketed. Mushroom cultivation has become popular now and its cultivation and processing would definitely generate self employment. Use of agri-byproducts particularly banana tree for handmade paper industry is mentionable.

There is tremendous scope for setting up small-scale industries based on fruit. Preservation in Assam. Traditionally we are producing prickles, jams, jelly, squash from fruits and vegetables. Our educated unemployed youths should come forward to set u such industries by using scientfi techniques to preserve fruits and vegetables.

So there is tremendous scope for developing food and food processing industries in our state on the basis oflocally available resources and raw materials. If our unemployed youth are coming forward to open these industries with entrepreneurial zeal it will definitely help in mitigating the growing unemployment problem in the state and will also generate financial benefits to both individuals as well as the govt.

If these industries are not established indigeneously in our state, the other companies will come and capture our market. Many such industries already established by out siders in the State and exploiting our resources. Therefore it is high time to ponder over the matter by our local youths. Otherwise we will remain backward and ever dependent upon others for our day to day needs. It needs to be kept in mind that self employment is the only way of solving the problem of unemployment inthe present era of privatisation. ■

*Reference :- Articles published in The Assam Tribune*

## মহৎ লোকৰ বাণী

- প্ৰতিভা হ'ল এক শতাংশ প্ৰেৰণা, বাকী নিৰান্নবৈ শতাংশই হ'ল কঠোৰ ঘৰ্মাক্ত পৰিশ্ৰম — টমাছ আলভা এডিচন
- শ্ৰমে প্ৰত্যেক বস্তুৰ ওপৰত বিজয় প্ৰাপ্ত কৰিব পাৰে — হোমাৰ
- শ্ৰমৰ স্থান পুঁজিতকৈ উন্নত আৰু তাৰে পৰা স্বতন্ত্ৰ। পুঁজি হ'ল কেৱল শ্ৰমৰ ফল। য'ত শ্ৰমৰ অস্তিত্ব নাই তাত পুঁজিৰ অস্তিত্ব নাই। শ্ৰম পুঁজিতকৈ শ্ৰেষ্ঠ আৰু সেই কাৰণে অধিক ধ্যানযোগ্য — আব্ৰাহম লিংকন
- সৌ সিদিনালৈকে অসমীয়া আছিল এটা জাতিৰ নাম, এতিয়াৰ পৰা অসমীয়া হ'ব এটা বন্দুকৰ নাম — বিৰিঞ্চিকুমাৰ ভট্টাচাৰ্য
- খাবৰ বাবে, পিন্ধিবৰ বাবে,স্বদেশৰ মঙ্গলৰ বাবে যিহকে কৰে সেয়েই কৃষ্টি — বিষ্ণুৰাভা
- আশাৰ বান্ধোনে কঠোৰ বিৰক্ত যন্ত্ৰণাকো সহ্য কৰায় — কালিদাস
- প্ৰকৃত প্ৰেম মহাসাগৰৰ দৰে সীমাহীন, সেই প্ৰেমে এক অন্তৰৰ মাজত উঠানমা কৰি আটাইবোৰ সীমা আৰু সীমান্ত অতিক্ৰম কৰি সমগ্ৰ জগতকে আৱৰি ধৰে — মহাত্মা গান্ধী
- ধৈৰ্য নেহেৰুৱাবলৈ সাহস লাগে আৰু সাহসী হ'বলৈ ধৈৰ্য লাগে — হেম বৰুৱা
- শিক্ষাই হৈছে মূল উপায় যি মানৱ জীৱনলৈ সুখ-শান্তিৰ নিজৰা বোৱাই আনিব পাৰে — এৰিষ্টটল

# সোনোৱাল কছাৰীসকলৰ সংস্কৃতি

✍ ললিত সোনোৱাল



অসমত আদিম কালৰে পৰা বসবাস কৰা কিৰাত বংশীয় ভূমিপুত্ৰ কছাৰী গোষ্ঠীৰ এটি পৰিয়াল হৈছে সোনোৱাল কছাৰীসকল। অসমীয়া জাতি-সত্তাৰ অন্যতম অংশীদাৰ এই জনগোষ্ঠীৰ লোকসকলে অতীতৰেপৰা অসমীয়া সাংস্কৃতিলৈ অৰিহণা যোগাই আহিছে। বিশ্বৰ দৰবাৰত অসমীয়া সংস্কৃতি সোনোৱাল কছাৰী সংস্কৃতিৰ অবিহনে পঙ্গু বুলি ক'লেও বঢ়াই কোৱা নহ'ব।

সোনোৱাল কছাৰীসকল কিৰাত সম্ভূত বড়ো জনগোষ্ঠীৰ এটি অন্যতম জনগোষ্ঠী। কিৰাত জনগোষ্ঠী বুলিলে হিমালয়ৰ পাহাৰীয়া অঞ্চল আৰু ভাৰতৰ উত্তৰ-পূৰ্ব অঞ্চলত বসবাস কৰা মঙ্গোলীয় গোষ্ঠীৰ অনাৰ্য লোক বুজায়। এই জনগোষ্ঠীৰ লোকসকল সাধাৰণতে চুটি-চাপৰ, নাকচেপেটা, মূৰ চুটি, কপাল বহল, গাল গোলাকাৰ আৰু উঠঙা, হাত-ভৰি মঙহাল, কম গুফীয়া, ঠৰঙা চুলি, চকু সৰু, ভৰিৰ কলাফুল শকত, হৃষ্টপুষ্ট আৰু সহজ-সৰল, তথা শৰীৰৰ বৰণ তাম বৰণীয়া।

অসম বুৰঞ্জীত কছাৰী আহোমৰ যুঁজৰ বিৱৰণ আছে। ১৫৩৮ শকত বুদ্ধিস্বৰ্গনাৰায়ণৰ ৰাজত্ব কালত ৰহাৰ ওচৰত কছাৰী-আহোমৰ এখন তয়াময়া ৰণ লাগে। স্বৰ্গদেৱে ৰহাৰ কাষৰ-পাজৰৰ কছাৰী ৰাজ্য দখল কৰি সুন্দৰ মৰাণ বুঢ়াগোহাঁইক তাতে থাপি থ'লে। কিন্তু সুন্দৰৰ পুতেক আখেকৰ কেৰামতলিৰ বাবে শাসনৰ ঢিল পৰাত কছাৰীসকলে আকৌ ৰণ দি সুন্দৰক মাৰে।

কছাৰীসকল পাণ্ডৱৰ দ্বিতীয় পুত্ৰ ভীমৰ বংশধৰ বুলি জনাজাত। হিড়িম্বাৰ গৰ্ভত জন্ম লোৱা ঘটোৎকছৰ পৰৱৰ্তী বংশধৰসকলক কছাৰী বোলা হয়।

আহোম ৰাজত্ব কালত গদাধৰ সিংহই আত্মগোপন কৰি থকাৰ সময়ত সেই সময়ৰ আউনীয়াটী সত্ৰৰ সত্ৰাধিকাৰৰ ওচৰলৈ গদাধৰ সিংহই আশ্ৰয় বিচাৰি গৈছিল। ৰাজদ্ৰোহীক আশ্ৰয় দিলে বিপদৰ আশংকা কৰি সত্ৰাধিকাৰে গদাধৰক আশ্ৰয় নিদিলে। গদাধৰেও ভৱিষ্যতে সত্ৰাধিকাৰক তাৰ প্ৰতিশোধ ল'ব পাৰে বুলি আশংকা কৰি ১৬০৩ শকত সত্ৰাধিকাৰে শদিয়াৰ কছাৰীসকলৰ 'হালালী' ৰাজ্যত আত্মগোপন কৰে। সেই সময়ত শদিয়াৰ কছাৰীসকল কেৱল শিৱ ভক্তই নহয় — চাৰিশাল গোঁসানী, কেচাইখাতী, বুঢ়া-বুঢ়ী, তাম্ৰেশ্বৰী আদি শালত বলি বিধানেৰে পূজা-পাতল কৰিছিল। সেই সত্ৰাধিকাৰজন হ'ল কেশৱদেৱ মহন্ত। তেওঁ কছাৰীসকলৰ বলি বিধানৰ আসক্তি দেখি কেশৱদেৱ মহন্তই সেইসকলক কিভাবে বৈষ্ণৱ মাৰ্গলৈ আনিব পাৰি তাৰ প্ৰচেষ্টা চলালে। পূজা-পাতল, বলি-বিধানৰ পৰিৱৰ্তে কেৱল হৰিনামৰ শ্ৰৱণ-কীৰ্তনেৰে কি ধৰণে ভগৱনাক সন্তুষ্ট কৰিব পাৰি তাৰ তাৎপৰ্য ব্যাখ্যা কৰিলে। সত্ৰাধিকাৰৰ কথাত সন্তুষ্ট হৈ কিছু সংখ্যক কছাৰীয়ে পূজাৰ সামগ্ৰীবোৰ সত্ৰাধিকাৰৰ ওচৰত গোটাই দি বৈষ্ণৱত শৰণ-ভোজন ল'লে। আনহাতে, পুৰণি ধৰ্মনীতিক পৰিত্যাগ কৰি অন্য ধৰ্মত দীক্ষিত হোৱাত সমাজত অনেক অপায়-অমঙ্গলে দেখা দিয়াত গজাই নেতৃত্বত কিছু সংখ্যক কছাৰীয়ে সত্ৰাধিকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে। বিপদৰ আশংকা দেখি সত্ৰাদিকাৰজন সেই ঠাইৰপৰা পলাই আহি বৈৰাগ্য বেশেৰে ডিব্ৰুগড়ৰ মানকটাত আশ্ৰয় ল'লেহি। আৰু তাতেই এটা মঠ তৈয়াৰ কৰিলে। সেই মঠটোৱেই বৰ্তমানৰ বৈৰাগীমঠ নামেৰে জনাজাত। সত্ৰাধিকাৰজন শদিয়াৰ পৰা গুচি অহাৰ পিছতেই কিছু সংখ্যক কছাৰী মানুহে পূজাৰ সামগ্ৰীবোৰ পুনৰ গোটাই এখন নতুন শাল প্ৰতিষ্ঠা কৰিলে, যিখন শালৰ সন্মান ৰাখি সোনোৱাল কছাৰীসকলে আজিও প্ৰতি বছৰে গজাই পূজা পালন কৰি আহিছে।

সোনোৱাল কছাৰীসকল যে শক্তিৰ উপাসক তাৰ প্ৰমাণ তেওঁলোকে এতিয়াও পালন কৰি থকা শদিয়াৰ চাৰিশাল (কেচাইখাতী, বলিয়া বাবা, পাতৰশাল আৰু বুঢ়া-বুঢ়ী শাল) বাইথপূজা, বাঘপূজা, সৰগদেউ পূজা, জল-থল, গাটি-গিৰী, ডাঙৰীয়া পূজা ইত্যাদিয়ে প্ৰকাশ পায়।

অসমৰ অন্যান্য জনজাতিসকলৰ ভাষা-সংস্কৃতিৰ যিদৰে অৱহেলিত তথা অনাদৃত সোনোৱালসকলৰ কৃষ্টি-সংস্কৃতি আজিও অৱহেলিত হৈয়ে ৰ'ল। এইবোৰৰ ভিতৰত 'লাইমিক্ৰি' অন্যতম। শদিয়াৰ পৰ্বতৰ কাষত ১২ ঘৰ কছাৰী আছিল। তাৰেই এটা পৰিয়ালত মানিক নামৰ লোকজনৰ ঘৈণীয়েকৰ গৰ্ভত এটা ক'লা মেকুৰী জন্ম হৈছিল। নিশা মানিকক সপোনত দেখুৱালে যে যদি মেকুৰীটো এমাহদিন সৰিয়হ তলীত পুতি থোৱা হয় তেন্তে সি সোণৰ মেকুৰীলৈ ৰূপান্তৰ হ'ব। সপোনৰ কথামতে মানিকে মেকুৰীটো দুলিত পুতি থ'লে আৰু এমাহ দিনৰ মূৰত সৰিয়হ দুলিৰ পৰা মেকুৰী উলিয়াই আনি দেখে যে সঁচাকৈয়ে মেকুৰীটো সোণৰ মেকুৰীলৈ ৰূপান্তৰিত হৈছে। তেতিয়া সেই সোণৰ মেকুৰীটোৰ বলতেই মানিকে শদিয়াৰ পৰা দিখৌ মুখলৈ শাসন কৰিছিল। মানিকৰ বংশৰ এই মানুহখিনিয়েই পিছলৈ সোনোৱাল কছাৰী নামেৰে জনাজাত হয়। ইয়াৰ পৰা ইয়াকে প্ৰতীয়মান হয় যে শদিয়া অঞ্চলত এসময়ত কছাৰীসকলে ৰাজত্ব কৰিছিল। সেই ৰাজ্যই আছিল সোনোৱাল কছাৰীসকলৰ 'হালালী' ৰাজ্য। 'হালালী' অৰ্থই সোনোৱাল ৰাজ্যৰ কথা প্ৰমাণ কৰে। 'হা' ৰ অৰ্থ যদি 'সোণ' আৰু 'লালী'ৰ অৰ্থই যদি 'মাটি' তেন্তে সোণবৰণীয়া অৰ্থাৎ খাৰুৱা মাটিৰ দেশেই হ'ল 'হালালী' আৰু 'হালালী' ৰাজ্যৰ বাসিন্দাই হ'ল সোনোৱাল কছাৰী। সোণৰ মেকুৰীৰ মূৰ্তিটোৱেই আছিল বৈষ্ণৱ ধৰ্মৰ প্ৰতীক, মানুহৰ সৰ্বকাৰ্য সিদ্ধি হয় বুলি বিশ্বাস কৰা হয়। যি বংশত এই সোণৰ মেকুৰীটো আছিল কছাৰীসকলৰ সেই বংশটোৱেই শ্ৰেষ্ঠ বংশ আৰু বিষ্ণুবংশৰ এই কছাৰীসকলেই সোনোৱাল বুলি জনা যায়। 'লাইমিক্ৰি' যে সোনোৱালসকলৰ উপাষক আছিল ইয়াৰ জ্বলন্ত প্ৰমাণ জোনাইৰ গাতে লাগি থকা লাইমেকুৰী অঞ্চল আৰু লাইমেকুৰী নামেৰে এটা ৰেল ষ্টেচন। (লাইমিক্ৰি — লাইমিকৰী — লাইমেকৰী — লাইমেকুৰী) সোনোৱালসকলৰ কথিত ভাষা 'মেকুৰী' এতিয়াও 'মিকৰী' হিচাপে উচ্চাৰিত হয়।

গতিকে অশোক স্তম্ভত পিঠিয়া পিঠিকৈ থকা সিংহৰ মূৰ্তিটোৰ দৰে পিঠিয়া পিঠিকৈ থকা তিনিটা সোণবৰণীয়া মেকুৰী মূৰ্তিৰ উপাসকসকল যে সোনোৱাল তাত হয়তো সন্দেহৰ অৱকাশ নাই। যিহেতু 'হালালী'ৰ অৰ্থ যদি সোণবৰণীয়া (সাৰুৱা) মাটি আৰু সেই সোণবৰণীয়া মাটিত বসবাস কৰাসকল যদি সোনোৱাল হয় তেন্তে সোণবৰণীয়া ত্ৰিমূৰ্তিৰ মেকুৰী 'লাইমিক্ৰিৰ' উপাসক সকলেই সোনোৱাল। সেয়ে হয়তো আজিও সোনোৱাল কছাৰীসকলে মেকুৰী বধ কৰাতো অপৰাধ হিচাপে গণ্য কৰে আৰু মেকুৰী বধ কৰিলে সোণৰ মেকুৰী এটা দান দিব লাগিব বুলি জনবিশ্বাসত প্ৰচলিত হৈ আছে।

অৰ্থনৈতিক জীৱন ধাৰণ প্ৰণালীত প্ৰত্যেক জনগোষ্ঠীৰে সুকীয়া কিছুমান উমৈহতীয়া সংস্কৃতি পৰিলক্ষিত হয়। এই ক্ষেত্ৰত সোনোৱাল কছাৰীসকলো ব্যতিক্ৰম নহয় তেনে পৰিপ্ৰেক্ষিতত এই জাতিৰ চিন্তা চৰ্চা, ধ্যান-ধাৰণা আৰু উন্নত শিল্প কৰ্মৰ দ্বাৰা আজিৰ অসমীয়া সমাজ জীৱনত এক উৎকৃষ্ট সংস্কৃতিৰ প্ৰতিফলন ঘটিছে। সোনোৱাল কছাৰীসকলৰ সমাজজীৱনত প্ৰচলিত ৰীতি-নীতি বিভিন্ন শিল্প-কৰ্ম, আচাৰ-অনুষ্ঠান, কৃষ্টি-সংস্কৃতি আদিৰ এটি সম্যক আলোচনা দাঙি ধৰা হ'ল।

**খেল, বংশ আৰু পৰিয়ালৰ লেখ ঃ-** সোনোৱাল কছাৰীসকলৰ গাঠনি সাতটা খেলৰ সমষ্টি। এই সাতখেল হ'ল — বালিখিচাৰি, চিৰিপৰীয়া, আমবৰণীয়া, ধুলিয়াল, টিপমীয়া, নামনিকুচীয়া, উজনিকুচীয়া। এই খেলসমূহৰ পৰাই আকৌ ১৪ টা বংশত এই গোষ্ঠীৰ লোকসকল বিভক্ত। এই ১৪ টা বংশ হ'ল — হগ্ৰাল, মুক্তাল, মদন, এযমাল, মানিকিয়াল, সৰুহাজোৱাল, বৰহাজোৱাল, ফৰমাল, ডিঙিয়াল, দংৱাল, কুমৰাল, লাঠিয়াল, ঢেকিয়াল আৰু চেতিয়াল। তদুপৰি কেইবাটাও পৰিয়াল লগ হৈ বংশসমূহ গঠন হৈছে।

**পৰিয়াল গাঠনি ঃ-** গ্ৰাম্য সমাজত বসবাস কৰা সোনোৱাল কছাৰীসকল সাধাৰণতে যৌথ পৰিয়ালযুক্ত। প্ৰত্যেকটো পৰিয়াল ককাই-ভাই, মাক-দেউতাক, দদাই ভতিজা, পুত্ৰ-বোৱাৰী আৰু নিজ নিজ সন্তান-সন্ততিলৈ অতি সুখী আৰু সৌভাগ্যিত।

**বসতি, গৃহ-নিৰ্মাণ প্ৰণালী ঃ-** গাঁওপাতি বাস কৰা সোনোৱাল কছাৰীসকলৰ বাঁহ, কাঠ, খেৰেৰে নিৰ্মাণ কৰা গৃহ-নিৰ্মাণ প্ৰণালীত নিখুত শিল্প নিপুণতাৰ পৰিচয় পোৱা যায়। ৰ'দঘাই স্বাস্থ্য সন্মত কোনো এডোখৰ নিৰ্দিষ্ট ঠাই জ্যোতিষীৰ হতুৱাই চোৱাই মেলি ভেটি নিৰ্বাচন কৰি ঘৰ সজা হয়। ডাকৰ বচনত আছে —

পূবা-পশ্চিমাকৈ সাজিবা ঘৰ।
অকাল মৃত্যুকে নাহিবে দৰ।।
পূবে ভঁৰাল পশ্চিমে গঁৰাল।
উত্তৰে চৰু দক্ষিণে গৰু।।
পশ্চিমে বাঁহ পূবে বেত।
উত্তৰে তামোল দক্ষিণে খেত।।

উক্ত প্ৰবচনটো অনুসৰণ কৰি ঘৰটো সজোৱা হয়। প্ৰথমে ঘৰটো পূবা-পশ্চিমাকৈ উত্তৰফালে বৰঘৰটো সজা হয়। এই ঘৰটো গৃহস্থৰ শোৱনী কোঠাৰূপে ব্যৱহৃত হয়। বৰঘৰৰ সোঁহাতে মাৰল ঘৰ, ঘৰৰ জুহালখনো এই মাৰল ঘৰতে থাকে।

**ধৰ্ম ঃ-** সোনোৱাল কছাৰীসকল মূলতে শাক্তধৰ্মী। কিৰাত ধৰ্মমতে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা শিৱ। মূলতঃ শাক্তধৰ্মী হোৱাৰ কাৰণে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা বাইথ বা খিৰিং ৰজা অথবা শিৱ। তেওঁলোকে কেচাইখাটী, বুঢ়া-বুঢ়ী আৰু তাম্ৰেশ্বৰী দেৱীক পূজা কৰে।

সোনোৱাল কছাৰীসকলৰ গীত-মাত, পূজা-পাতলবোৰ হ'ল — বাইথ পূজা, হায়দাংগীত, হায়দাং নৃত্য, হুচৰী গীত, বহুৱা নৃত্য, বহুৱা নাম, হুগ্ৰা নৃত্য আদি। শ্ৰীশ্ৰী বাইথ পূজাৰ তৃতীয় দিনাৰ অৰ্থাৎ মঙ্গলবাৰে —

"ঠাই ঠাই শিমলু হেঠায় ঠাই
সকলো দেৱতাৰ একে ঠাই
জামুকৰ খুটাতে দিছং ঠাই।"

বুলি জামুকৰ গছৰ খুটাতে হায়দাং গীত সুধাই আহি বাইথৰ চোতালত হুচৰি গীত গোৱা হয়। সেইদিনাৰ পৰা গাঁৱত ডেকা-গাভৰুৱে বিহুৰ আখৰা কৰে। উজনী অসমৰ ডুমডুমাৰ ডাঙৰী অঞ্চলৰ গাঁৱত অৱস্থিত বাইথ মন্দিৰত এক বৰ্ণাঢ্য পৰিৱেশত এই উৎসৱ পালন কৰা হয়। সোনোৱাল কছাৰীসকলৰ নিজস্ব লোক-সম্পদ হায়দাং গীত অতি পুৰণি আৰু প্ৰথমগীত। হায়দাং গীতৰ অংশ বিশেষ হ'ল হায়দাং নৃত্য। উৎসৱমুখৰ পৰিৱেশত যেতিয়া হায়দাং গীত গোৱা হয় তেতিয়া গীতৰ ছেৱে ছেৱে বাঁহীৰ সুৰে সুৰে খুতিতাল আৰু বাঁহৰ টকাৰ তালে তালে জেমা টঙালি আদিৰে

সাজ-সজ্জা পৰিধান কৰি হাতত ম'ৰাচৰাইৰ পাখি লৈ এগৰাকী নৰ্তকীয়ে চালিধৰি নাচে। বহুৱা নাম বুলি সোনোৱালসকলৰ এবিধ নাচ প্ৰচলন আছে। ডিব্ৰুগড় জিলাৰ জামিৰা অঞ্চলৰ ধমল গাঁৱত ব'হাগ মাহৰ শেষৰ যিকোনো এটা দিনত এই উৎসৱ পালন কৰা হয়। এইনাচৰ বিশেষ বৈশিষ্ট্য হ'ল — এইনাচত অংশগ্ৰহণ কৰিবলৈ এটি বহুৱা, এজনী বহুৱানী আৰু কেইজনীমান বহুৱানী লাগে। বহুৱা আৰু নাচনীক ভীমকলৰ চিৰিলা চিৰিলি পাতেৰে মৰাপাতৰ জৰীৰে গাঠি গোটেই শৰীৰটো সুন্দৰভাৱে আবৃত্ত কৰা হয়, বহুৱা আৰু বহুৱানীয়ে মুখা পিন্ধি লয়। মুখা সাধাৰণতে কণীৰ সদৃশ শুকান বগা লাউত চেলাউৰি, মুখ, দাঁত আদি আঁকা আৰু চকুৰ সন্মুখত দুটা ফুটা থাকে। বহুৱাটোৰ মুৰত ছাগলীৰ শিঙৰ দৰে দুটা শিং থাকে। বহুৱা আৰু বহুৱানীৰ পাছফালে চুলিবোৰ ক'লা কাপোৰেৰে ঢকা থাকে। অন্যান্য যিবিলাক নাচনী থাকে তেওঁলোকে গোটেই শৰীৰ ছাঁই সানি লয় আৰু মুখ-মণ্ডল আঁকবাক কৰি লয়। তেওঁলোকে কঁকালত, আঠুত আৰু বাহুত চিৰিলা চিৰিলিকৈ ফলা কলপাত পিন্ধি লয়। তেওঁলোকে ডিঙিত হাড়ৰ টুকুৰাৰে মালা সাজি পিন্ধি লয়। অস্ত্ৰ হিচাপে কাঠৰ নগা দা, জাঠি, বাহৰ লাঠি আদি লয় আৰু এটি নৃত্য হ'ল হগ্ৰা নৃত্য। হগ্ৰা মানে গাহৰি। বাইথ পূজাত গাহৰি বলি দিয়া হয়। পূজাৰ কাৰণে চিকাৰীয়ে অৰণ্যৰ পৰা চিকাৰ কৰি গাহৰি বিচাৰি আনি বাইথ শালত বলি দিয়া হয় আৰু তাৰ মাংস প্ৰসাদ হিচাপে বিতৰণ কৰে। বাইথ পূজা সমাপ্ত কৰাৰ পিছত হুচৰি গাই সেই দিনাই আনুষ্ঠানিকভাৱে বিহু নমোৱা হয় আৰু ইয়াৰ পিছতেই চিকাৰীয়ে অৰণ্যত কেনেকৈ চিকাৰ কৰি গাহৰি ধৰিলে তাকে নৃত্য কৰি দেখুৱায়। এয়াই হগ্ৰা নৃত্য। ইয়াৰ উপৰিও সোনোৱাল কছাৰী সমাজত সৰুগদেউ পূজা, বাঘদেউ পূজা, বুঢ়া পেহা, পিৰ দিয়া, মৰাক দিয়া, লখিমী সবাহ, গজাই-মনাই পূজা আদি লোক-সংস্কৃতিসমূহ এতিয়াও প্ৰাণৱন্ত হৈ আছে।

**হুচৰী গীত** ঃ- হুচৰী গীতৰ দুটা ভাগ আছে, পোহাৰী আৰু থিয় গীত। সাধাৰণতে হুচৰী গীত গাওঁতে দুটা বাঁহৰ খুটিৰ ওপৰত প্ৰতিষ্ঠিত এডাল তেৰটা গাঠি আৰু তেৰপাব যুক্ত দীঘল ভলুকা বাঁহ লয়। এই বাঁহডাল সতীৰ ৰাজহাঁড়ৰ প্ৰতীক। ইয়াকে হুচৰি টকা বোলে। পোহাৰী গীত গাওঁতে নটা পাব, দহটা গাঠি লগা গোটা বাহৰ এডাল টকা ডালৰ দৈৰ্ঘ একে হ'লেও খুটিৰ পৰিমাণ আৰু স্থাপন কৰা প্ৰণালী বেলেগ বেলেগ। কিছুমান ঠাইত টকাডাল দুই মূৰ খুটিৰ ওপৰত ৰাখি পূৱা পশ্চিমাকৈ স্থাপন কৰা হয় আৰু কোনো কোনো ঠাইত এটা মূৰ খুটিৰ ওপৰত ৰাখি আনটো মূৰ মাটিত পেলাই থোৱা হয়।

টকাডালৰ নটা পাবৰ তাৎপৰ্য হৈছে যি নগৰাকী অপেশ্বৰীয়ে মৰ্তলৈ বিহু নমাই আনিছিল তেওঁলোকৰ প্ৰতীকৰূপে লোৱা হয়। গৰুক গা ধুৱাওঁতে ব্যৱহাৰ কৰা 'চাত' মাৰিখিনিও তেওঁলোকৰ প্ৰতীকৰূপে (৪ + ৩ + ২ = ৯) লোৱা হয়। সেই নামকেইটা হ'ল — চতাই, কমলা, জাইমলা, ৰহিমলা, ৰামতি, বতি বাহপাতি, বিছনদৈ আৰু সৰুমতী। টকাডালৰ দহটা গাঠি হ'ল — সংখ, চক্ৰ, গদা, পদ্ম, ত্ৰিশূল, কমণ্ডলু, আশ্বিষ, ধনু।

পোহাৰী গীতৰ সৰহভাগেই উপদেশমূলক আৰু আখ্যানমূলক ফকৰা-যোজনা। যেনে —

"ক'ৰ পৰা আহিলি ক'ত দিলি ভৰি
চোতালখন ফাটি গ'ল চেৰ্ চেৰ্ কৰি।
তামোল লৈ আন খাং ঐ পান লৈ আন খাং
বেজী আন বটিয়া আন চোতাল শিঙি যাং।"

সোনোৱাল কছাৰী সমাজত বলী ৰজা পাতাললৈ অহা কাহিনীটো নিহিত হৈ আছে। শত্ৰুয়েই হওঁ বা মিত্ৰয়েই হওক কোনো অভ্যাগত ঘৰলৈ আহিলে প্ৰথমে সেৱা শুশ্ৰূষা কৰিহে আগমনৰ উদ্দেশ্য সোধা হয়। তেনে কৰিলে শত্ৰুজন আহিলেও মনটো কুমলি যায় আৰু শত্ৰুতা ভাব কিছু পৰিমাণে কমি যায়। বিবাহিতা হিন্দু তিৰোতাই শিৰত সেন্দুৰ লোৱাটো চিৰাচৰিত প্ৰথা। সেয়েহে যৌৱনপ্ৰাপ্ত হোৱাৰ পাছত গাভৰুসকলে সেন্দুৰ লৈ অৰ্থাৎ বোৱাৰী হৈ এখন সোণৰ সংসাৰ গঢ়াৰ সপোন ৰচে। তেতিয়া তেওঁলোকে মনৰ ভাব ব্যক্ত কৰে এনেদৰে —

"নাগফেনা ফেনা ঐ জিকা ফেনা
কোন দিনা খাই পাম যুৰীয়া মাছৰ ছেনা"

আকৌ বিয়া হোৱাৰ পিছত সংসাৰলৈ যেতিয়া আঠিয়া কলৰ গুটিৰদৰে এসোপা ল'ৰা-ছোৱালী আহি সোণৰ সংসাৰৰ সপোন চুৰমাৰ কৰি পেলায় তেতিয়া গাইছে—

"লাচকুচি গুটি ঐ তিতা কুটি গুটি
জালুক বুলি খাই পালং আঠিয়া কলৰ গুটি।"

এই গীত ফাঁকিৰপৰা এইটোৱেই প্ৰতীয়মান হয় যে সীমিত পৰিয়ালৰ কথা পূৰ্ব-পুৰুষসকলে চিন্তা কৰি পাইছিল। কছাৰীসমাজত ঘৰৰ কথা যাতে বাজ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ঘৰৰ কথা বাজ ফুৰা ল'ৰা-ছোৱালী বা গৃহিণীসকলক চোতালৰ আগত থকা ঘৰৰ অনিষ্ট কৰা কাইটজাতীয় গছৰ লগত তুলনা কৰি সতৰ্ক কৰি দিছে যে —

"চোতাল আগৰ বগৰী কেৰেং ৰেং
ভাল বুলি বোৱাৰী আনলং দাত গেৰেং ৰেং।"

ঘৰো সলাবি মনো সলাবি। এখন নতুন ঘৰলৈ আহি বোৱাৰী গৰাকীয়ে শহুৰ (বোপাই), শাহু (আই), বৰজনা, দেৱৰ, ননদ আদি সম্বোধন কৰি পৰিয়ালৰ লোকসকলক আপোন কৰি আকোৱালি লোৱা চিৰন্তন ৰীতি। তাকে কৰিবলৈ কুণ্ঠাবোধ কৰা বোৱাৰীসকলক ফল-ফুল নধৰা গছৰ লগত তুলনা কৰি কৈছে—

"চোতাল আগৰ বগৰী ফুল ফুলে নুফুলে
বাৰু বুলি বোৱাৰী আনলং বোপাই নুবুলে।"

বিভিন্ন জনগোষ্ঠীয়ে বৰঙণি যোগোৱা লোক-সংস্কৃতিৰ মাজতে সোনোৱাল কছাৰীসকলৰ সংস্কৃতিৰ জন্ম আৰু তাৰ মাজতেই বিৱৰ্তন আৰু পৰিৱৰ্তন। ■





# THE LARGE POPULATION GROWTH IN INDIA

✍ **Prasanta Saikia**



In India perhaps the large populaton growth is the biggest wall in each path of development. On 1st March 2001 Indian population was 1027,015,247 comprising of 531,277,078 males and 495,738,169 females. Thus India is the second country in the world after China to cross the one billion mark. India added about 181 million persons in the last decade, which is more that the estimated population of Brazil. Interestingly Brazil is the fifth most populated country in the world. India's share of the world popúlation is 16.7 percent. The percentage decadal growth of the country as a whole has declined from 23.86 during 1981-1991 to 31.34 during 1991-2001. Thus India has registered a fall in its decadal growth rate by 2.52 percent points, which is the sharpest decline since independence. Among the major states Bihar has recorded the highest increase in the percentage decadal growth from 38.47 during 1981-1991 to 28.43 during 1991-2001. During 1991-2001, the lowest growth rate was recorded in Kerela 9.42 percent followed by Tamil Nadu (11.19) and Andhra Pradesh (13.86). Andhra Pradesh has shown the sharpest decline among all the major states (10.34 percent).

Among the state Uttar Pradesh continues to be most populous state in the country with 16.17 percent of India's populaton followed by Maharastra (9.42 percent) and Bihar (8.07 percent). In fact the population of Uttar Pradesh (16 million) is more that the estimated population of Pakistan.

India is the highest populated country in the world by density. She now has 324 persons per sq. km as compared to 267 in 1991. West Bengal is the most denlesy populated state in the country with 904 persons per sq. Km followed by Bihar with 880.

Sex ratio (the number of females per 100 males) for India is 933 females per 1000 males, which is an improvement of 6 points over 927 recorded in 1991. Census like 1991 census, the highest ratio (1058) has been reported in Kerala. Haryana has reported the lowest sex ratio of 861. One of the interesting fact that have emerged is that the sex ratio of child population in age group 0-6 is 927. The child sex ration in 1991 was 945. The sharpest decline in sex ratio of the child has observed in Himachal Pradesh, Punjub, Haryana, Gujrat, Uttaranchal, Maharastra and Union territory of Chandigarh.

Literecy rates amont the populaton for seven years and above stands at 65.38 percent. The corresponding figures for males and females are 78.85 and 54.16 respectivel. In other words three-fourth of the male population and more than half of female population in the counrty are literate today. Thus the literacy recorded an impressive jump of 13.17 percentage points from 52.21 in 1991 to 65.38 in 2001. The increase of literacy rates among males and females are 11.72 and 14.87 percentage points respectively. It is heartening to observe that the gap in males and females literacy rates has decreased from 28.84 in 1991 census to

21.7 percentage points in 2001. One of the most significant aspects of literacy data thrown up by provisional population totals of censs if India 2001 is that for the first time since independence the absolute number of illiterates have shoen a decline. The decline is as large as 31.96 million during 1991-2001. This decline among males was 21.45 million and 10.51 among females. Kerala continues its lead in the literacy rate with 90.92 percent followed by Mizoram 88.49 and Lakshadweep 87.52 percent. Bihar has recorded the lowest literacy rate of 47.53 percent in the counrty.

According to 2001 census figures population of Assam is 26,638,407 among which 13,787,799 are male and 12,850,608 are female. Percentage decadal growth was 24.24 during 1981-1991, which has decreased to 18.85 between 1991-2001. Sex ratio during 1991 was 923 which have shown a small increase up to 932 during 2001. In Assam population density during 1991 was 296 and 340 during 2001. Assam has scored a literacy rate of 64.28. Among males literacy rate is 71.93 and among females it is 56.03.

This large population is not a boon for a developing country like India, but it is the biggest burden of the country. As the population is growing capital is becoming lesser and lesser. As a result the country is badly influenced by unemployment, poverty, hunger death. It has fierce effects in the counrty. Also it is the biggest burden in every field of progress. So people must be aware of this burden. Each and every people must know and understand about this heavy population growth and its fierce effects. This burden could not be controlled if each and every people in a society are literate. So, Government has much responsibility in solving this problem, they must make some hard and fast rule to control this population growth as fast as possible. Our neighbouring country China is the best example, which hs found out a very good solution of this problem. Our government should learn something from this counrty. ■

## মহৎ লোকৰ বাণী

- এলবাৰ্ট আইনষ্টাইনে কৈছিল যে নিজৰ মনত ভাল উদয় হোৱা প্ৰশ্নবোৰ দকৈ ভাবি চোৱা এটা ভাল লক্ষণ। মনত ভাল কৌতূহল বা প্ৰশ্ন উঠিলে তাৰ উত্তৰ নিবিচৰাকৈ নাথাকিবা।
- কনফুছিয়াছে কৈছিল, মাত্ৰ এটা শব্দৰ কাৰণেই মানুহ জ্ঞানী বুলি বিবেচিত হ'ব পাৰে আৰু এটা শব্দৰ কাৰণেই মূৰ্খ বুলিও প্ৰমাণিত হ'ব পাৰে। সেয়েহে আমি যি কথা কওঁ সেই বিষয়ে অতি সাৱধানে হোৱা উচিত।
- বুদ্ধিমান মানুহে কেতিয়াও হাত সাৱটি বহি নাথাকে ৰু ক্ষতিৰ বাবে শোক প্ৰকাশ নকৰে বৰং আনন্দেৰে ক্ষতি পূৰণ কৰে। এই কথাষাৰ কৈছিল শ্বেক্সপীয়েৰে।
- মাৰ্টিন লুথাৰে কৈছিল আমি চৰাইৰ দৰে উৰিবলৈ শিকিছো, মাছৰ দৰে সাঁতুৰবলৈ শিকিছো, কিন্তু পৃথিৱীত ভাতৃৰ দৰে থাকিবলৈ শিকা নাই।
- তুমি নোপোৱা বস্তুটোৰ বাবে অসন্তোষ নকৰিবা আৰু যি পাইছা তাতো অহংকাৰ নকৰিবা — কোৰাণ
- সৎ উপদেশতকৈ কোনো উপহাৰেই বেছি মূল্যবান হ'ব নোৱাৰে — ইৰাছমাছ
- মই কেৱল এটা কথাকে জানো, সেয়া হ'ল মই একো নাজানো — চক্ৰেটিছ
- ভুলকৈ জনাতকৈ একো নজনাই ভাল — শ্বেক্সপীয়েৰ
- প্ৰত্যেক দিনাই জীৱনৰ শেষ দিন বুলি কাম কৰি যাবা — জিম কৰবেট
- ভগবানে সেই সকলক ঘিণা কৰে, যি নিজৰ প্ৰশংসা কৰে — চেণ্টক্লিমেট





# ভৱিষ্যতৰ বাবে জলসম্পদ সংৰক্ষণ ঃ সমস্যা আৰু সমাধান

✍ তৰুণ গগৈ

একবিংশ শতিকাৰ ভাৰতবৰ্ষৰ লগতে বিশ্বৰ প্ৰায় সকলো দেশৰে অন্যতম প্ৰধান সংকটৰূপে দেখা দিয়া বিষয়টো হৈছে 'জলসম্পদ সংৰক্ষণ'। জলসম্পদ বুলিলে আমি ঘাইকৈ পানীৰ কথাকে বুজো যদিও পানীত থকা নানা ধৰণৰ মাছ-কাছ, জীৱ-জন্তু, পোক-পৰুৱা আৰু জলজ উদ্ভিদো ইয়াৰ অন্তৰ্গত।

**জলসম্পদৰ উৎস ঃ**

পৃথিৱীৰ ভূ- পৃষ্ঠৰ প্ৰায় তিনি-চতুৰ্থাংশ অঞ্চলেই জলভাগে আৱৰি আছে। কিন্তু সৌৰজাগতিক আৰু ভূ-প্ৰাকৃতিক অৱস্থাৰ পৰিপেক্ষিতত পৃথিৱীৰ সকলো অংশতে প্ৰাকৃতিকভাৱে বিতৰণ হৈ থকা জলসম্পদৰ পৰিমাণ সমান নহয়। আকাৰ আৰু অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰি জলমণ্ডলক বিভিন্ন ভাগত ভাগ কৰা হৈছে, যেনে — মহাসাগৰ, সাগৰ, অন্তৰ্দেশীয় সাগৰ, উপসাগৰ, নৈ, বিল, হ্ৰদ জলাহভূমি ইত্যাদি। এই উৎসসমূহত থকা পানীৰো আকৌ দুটা ভাগ আছে — অলৱণ জল আৰু লুণীয়া জল। বহল ভিত্তিত জলসম্পদক আকৌ দুটা প্ৰধান ভাগত ভাগ কৰা হৈছে — ভূপৃষ্ঠৰ জল আৰু ভূগৰ্ভস্থ জল।



ভূপৃষ্ঠৰ প্ৰায় চাৰিভাগৰ তিনিভাগেই জলেৰে আবৃত যদিও পৃথিৱীত বিশুদ্ধ পানীৰ পৰিমাণ ইয়াৰ সমস্ত জলভাগৰ ২.৫ শতাংশহে। অৱশিষ্ট ৯৭.৫ শতাংশই সাগৰীয় আৰু লুণীয়া। উপলব্ধ বিশুদ্ধ জলভাগৰো ৬৯ শতাংশ সুমেৰু আৰু কুমেৰু অঞ্চলত স্থায়ী বৰফৰ পাহাৰৰূপে অৱস্থি। অৱশিষ্ট ৩০ শতাংশই গভীৰ ভূ-জল। গতিকে দেখা গৈছে যে আমাৰ ব্যৱহাৰোপযোগী বিশুদ্ধ পানী নৈ, হ্ৰদ, বিল, জলাহভূমি আৰু অগভীৰ ভূজলতেই সীমাৱদ্ধ আৰু ইয়াৰ পৰিমাণ মাত্ৰ ১ শতাংশহে আৰু ই পৃথিৱীৰ মুঠ জলভাগৰ ০.০১ শতাংশ। আকৌ WHO ৰ আনুমানিক তথ্যমতে পৃথিৱীৰ সমগ্ৰ জলৰাশিৰ ০.০০৭ শতাংশহে মানৱ সমাজৰ ব্যৱহাৰৰ উপযোগী।

**জলসম্পদৰ গুৰুত্ব ঃ**

জীৱন ধাৰণ আৰু জলসম্পদৰ আৱশ্যকতাৰ লগতে ইয়াৰ সীমিত ভাণ্ডাৰৰ কথা উপলব্ধি কৰাৰ পাছতো আমিয়েই দৈনিক ইয়াক বিভিন্ন ধৰণে অপচয় আৰু প্ৰদূষিত কৰি আহিছোঁ। মানুহৰ সুস্বাস্থ্যৰ বাবে দৈনিক এশলিটাৰ পানী খোৱা-বোৱা, ৰন্ধা-বঢ়া আৰু কাপোৰ-কানি ধোৱাৰ বাবে আৱশ্যক হয়। কিন্তু শিল্পোন্নত দেশসমূহত ইয়াৰ ব্যৱহাৰৰ পৰিমাণ দৈনিক ৪৫০-৫০০ লিটাৰ পৰ্যন্ত হয়। বিশুদ্ধ পানীৰ জনমূৰি উপলব্ধতা যিদৰে কমি আহিছে তাকে চাই এইটো ধাৰণা কৰা হৈছে যে অহা বিশ বছৰৰ পাছতেই এই বিশ্বৰ দুইতৃতীয়াংশ জনগণেই বিশুদ্ধ পানীৰ অভাৱত ভুগিব। ভাৰতবৰ্ষক উদাহৰণ হিচাপে লৈয়ে উপৰুক্ত ব্যক্তব্যৰ কিছু আভাষ পাব পাৰো — ১৯৫১ চনত জনমূৰি ৫১৭৭ ঘনমিটাৰ বিশুদ্ধ জল থকাৰ বিপৰীতে ২০০১ চনত ইয়াৰ পৰিমাণ কমি গৈ ১৮৬৯ ঘনমিটাৰ হৈছেগৈ। অনুমান কৰা হৈছে যে ইয়াৰ পৰিমাণ ২০২৫ চনত ১৩৪১ ঘনমিটাৰ আৰু ২০৫০ চনত ১১৪০ ঘনমিটাৰ হ'বগৈ। আজিৰ দিনতেই বিশ্বৰ প্ৰায় ১৭০ কোটি মানুহ পানীৰ অভাৱত ভুগিছে। এই সংখ্যাটো অহা ২৫ বছৰতে ৫৪০ কোটি হ'বগৈ বুলি বিশেষজ্ঞসকলে আশংকা প্ৰকাশ কৰিছে। পানী এনেকুৱা এক প্ৰাকৃতিক সম্পদ যাক প্ৰচুৰ পৰিমাণে তৈয়াৰ কৰা পদ্ধতি আজি পৰ্যন্ত আৱিষ্কাৰ হোৱা নাই আৰু ইয়েই পানীৰ গুৰুত্ব বৃদ্ধিৰ মূল কাৰণ।

**জলসম্পদ প্ৰভাৱিত হোৱাৰ কাৰণসমূহ ঃ**

প্ৰতিটোপাল পানী যি ৰূপতেই নাথাকক কিয়, ই সদায় জলচক্ৰৰ অন্তৰ্গত। জলচক্ৰৰ প্ৰভাৱতে প্ৰতিটোপাল পানী পুনঃসঞ্চালিত আৰু পুনঃব্যৱহাৰযোগী হৈ থাকে। আজি মানৱ জাতিৰ বিভিন্ন কাৰ্যকলাপে জলচক্ৰৰ পৰিৱৰ্তন ঘটাই বিশুদ্ধ ভাগক প্ৰৱলভাৱে প্ৰদূষি কৰি পেলাইছে। জলসম্পদৰ ব্যৱহাৰৰ ওপৰত অত্যধিক চাপ সৃষ্টি কৰা কেইটামান কাৰণ হৈছে—

**জনসংখ্যা বৃদ্ধি ঃ-**

দিনক দিনে বাঢ়ি অহা জনসংখ্যাৰ প্ৰয়োজন পূৰাবলৈ আজি

অধিক পৰিমাণৰ পানীৰ প্ৰয়োজন হৈছে। ইয়াৰ লগে লগে বাঢ়ি অহা নগৰীকৰণ আৰু উদ্যোগীকৰণেও এই ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াইছে।

**আধুনিক কৃষিপদ্ধতি ঃ-**

উন্নত দেশসমূহক বাদ দি বাকী বিকাশশীল দেশসমূহত আজিও পুৰণিকলীয়া কৃষিপদ্ধতিকে ব্যৱহাৰ কৰি থকা হৈছে। বৰ্তমান অৱশ্যে এই দেশসমূহৰো কিছু কিছু ঠাইত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰা আৰম্ভ কৰিছে যদিও আধাতকৈ বেছি সংখ্যক খেতিয়কেই শিক্ষিত নোহোৱাৰ বাবে পানীৰ প্ৰয়োজনসাপেক্ষ ব্যৱহাৰ, কীটনাশক দ্ৰব্য আৰু ৰাসায়নিক সাৰৰ উপযুক্ত ব্যৱহাৰৰ বিষয়ে তেওঁলোকৰ জ্ঞান যথেষ্ট নহয়। শস্যৰ বাবে অতিৰিক্ত হোৱা সাৰভাগ মাটিত থাকি যায় আৰু বৰষুণৰ পানীৰ লগত উটি গৈ নৈ, বিল, খাল আদিত পৰি পানী প্ৰদূষিত কৰে। এনেদৰে দূষিত হোৱা পানীত অক্সিজেনৰ মাত্ৰা কম হোৱাৰ হেতুকে কিছুমান জলজ উদ্ভিদ আৰু প্ৰাণীৰ মৃত্যু হয় আৰু পানী দুৰ্গন্ধময় হয়।

বৃহৎ উদ্যোগসমূহৰ পৰা হোৱা সমস্যা ঃ-

বৃহৎ উদ্যোগসমূহে ইয়াৰ পেলনীয়া আৱৰ্জনাৰ বাবে উদ্যোগৰ কাষৰ নৈ, বিলবিলাক ব্যৱহাৰ কৰাত ই এক গুৰুতৰ সমস্যাৰূপে থিয় দিছে। দেশৰ প্ৰধান নৈসমূহ যেনে — গঙ্গা, যমুনাকে আদি কৰি সৰু-বৰ সকলো নৈয়ে আজি আৱৰ্জনা কঢ়িওৱা আহিলাত পৰিণত হৈছে। আমাৰ কাষৰে বুঢ়ীদিহিংৰ পানীও OIL, IOC ৰ পেলনীয়া দ্ৰব্যই দূষিত কৰি তুলিছে। কেইমাহমানৰ আগতে দুলীয়াজানস্থিত "অসম জাতীয় বিদ্যালয়"ৰ ছাত্ৰ-ছাত্ৰীসকলে "আমাক বিশুদ্ধ বুঢ়ীদিহিং ঘূৰাই দিয়ক" শীৰ্ষক শ্লোগানেৰে OIL ৰ অধ্যক্ষ আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰীলৈ লিখা মুকলি চিঠিৰ বিষয়ে অসমৰ প্ৰায়বোৰ কাকততে গুৰুত্বসহকাৰে প্ৰকাশ পাইছিল। নামৰূপ সাৰকাৰখানাই দিলিহ্ নৈৰ পানী, জাগীৰোড কাগজ কলে এলেঙা বিলৰ পানী, নুনমাটি শোধনাগাৰে ভৰলু নৈৰ পানী দূষিত কৰি তোলাৰ কথা সৰ্বজনবিদিত।

**বৃহৎ বান্ধসমূহৰ পৰা হোৱা সমস্যা ঃ-**

বিদ্যুৎ শক্তি উৎপাদন, জলসিঞ্চন, বানপানী নিয়ন্ত্ৰণ, মীন পালন, বিনোদন আদি নানা উদ্দেশ্য আগত ৰাখি নিৰ্মাণ কৰা বৃহৎ বান্ধসমূহে মানৱজাতিক বহু উপকাৰৰ লগতে অপকাৰো নকৰাকৈ থকা নাই। বৰ্তমান পৃথিৱীত প্ৰায় ৪০,০০০ টা মান বৃহৎ বান্ধ আছে। তাৰে ২৯০০ টায়েই ভাৰতৰ। এনে বৃহৎ বান্ধবোৰত ৩০ শতাংশ পানীয়েই ভাপ হৈ উৰি যোৱাত দৈনিক বহু পৰিমাণৰ পানী নষ্ট হৈ গৈছে। বৃহৎ বান্ধ নিৰ্মাণ কৰাৰ পাছত নৈবিলাকৰ নামনিলৈ যোৱা পানী বহু পৰিমাণে হ্ৰাস পোৱাৰ ফলস্বৰূপে পাৰৰ বিভিন্ন উদ্যোগ আৰু নগৰৰপৰা নিৰ্গত প্ৰদূষিত পানীক তৰলীকৰণৰ জৰিয়তে বিপদমুক্ত অৱস্থালৈ আনিব পৰা নাযায়। তদুপৰি নদীত বান্ধ দি কৰা বৃহৎ জলসিঞ্চন প্ৰকল্পবোৰৰ কুফলস্বৰূপে বিস্তীৰ্ণ অঞ্চলৰ কৃষিক্ষেত্ৰৰ জলমগ্নতা আৰু লৱণতা ক্ৰমাৎ বৃদ্ধি পাইছে।

**ভূগৰ্ভস্থ পানীৰ নাটনি ঃ-**

বিশ্বৰ বহু দেশৰ লগতে আমাৰ দেশতো ভূগৰ্ভস্থ পানীৰ নাটনিয়ে দেখা দিছে। মাত্ৰাধিক নিষ্কাষণৰ ফলস্বৰূপে ভূজলপৃষ্ঠ ভাগ ১০ মিটাৰৰ পৰা ১০০ মিটাৰ পৰ্যন্ত নিম্নগামী হৈছে। ভূগৰ্ভস্থ পানীৰ নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা আদ্ৰভূমিসমূহৰ সংকোচনে ভৱিষ্যতৰ বাবে এক গভীৰ চিন্তাৰ আগজাননী দিছে। বেছি তলৰপৰা পানী তোলাৰ ফলত ভূপৃষ্ঠৰ তলৰ ভাগত থকা আৰ্চেনিক, ফ্ৰৰাইড আদি বেছি পৰিমাণে পানীৰ সৈতে ওলাই আহিছে। ভাৰতৰ বিভিন্ন ঠাইৰ লগতে আমাৰ অসমৰ নগাঁও আৰু কাৰ্বিআংলং জিলাতো তদ্ৰূপ ঘটনা ধৰা পৰিছে। ফ্লৰাইড অধিক পৰিমাণে থকা পানী সেৱন কৰাৰ ফলত জিলাদুখনত "ফ্লৰাইছিছ" নামৰ ভয়ংকৰ ৰোগবিধে দেখা দিয়াৰ কথাটো সৰ্বজনবিদিত।

**নদী সংযোগ আঁচনি ঃ-**

সম্প্ৰতি আমাৰ দেশত সঘনাই উচ্চাৰণ হোৱা দুটি শব্দ হ'ল 'নদী সংযোগ আঁচনি'। প্ৰায় ১২,৫০০ কিঃমিঃ দীঘল ৩০ টা নলাৰে সৰু-বৰ ৩৭ খন নদীক সংযোগ কৰাৰ উপৰিও ৪০০ টা নতুন জলাশয় খন্দাৰ কাৰণে ৫,৬০,০০০ কোটি টকা খৰচৰ লক্ষৰে যি পৃথিৱীবৃহৎ প্ৰকল্পৰ কাম হাতত লোৱা হৈছে তাৰ সম্ভাৱনীয়তাৰ ওপৰতে প্ৰশ্ন উত্থাপিত হৈছে। এই আঁচনিৰ যোগেদি দেশৰ খৰাং অঞ্চলসমূহত পানী থকা অঞ্চলসমূহৰ পৰা পানী নি কৃষি উৎপাদন বঢ়োৱা, বিজুলী শক্তি উৎপাদন কৰা, বানপানী নিয়ন্ত্ৰণ কৰা আদি বিষয় অন্তৰ্ভুক্ত হৈছে। কিন্তু দেখা গৈছে আঁচনিখন কাৰ্যত ৰূপায়ণ হ'লে দেশৰ কিছু কিছু অংশ লাভৱান হ'ব যদিও অসমৰ বাবে ই অতি ভাবুকি স্বৰূপ হৈ পৰিব। কিয়নো অসমৰ কৃষকৰ বছৰ বছৰ ধৰি খেতিৰ বাবে প্ৰয়োজন হোৱা পানী ব্ৰহ্মপুত্ৰৰেই অৱদান। অসমৰ ভূগৰ্ভৰ পানীৰ নিয়ন্ত্ৰণত ব্ৰহ্মপুত্ৰৰ ভূমিকা অনস্বীকাৰ্য। ব্ৰহ্মপুত্ৰৰ বিপুল চাপৰ ফলতে ভূজলপৃষ্ঠ যথেষ্ট ওপৰত থকাত সহজেই টিউবৱেল, কুঁৱা আদিত পানী পোৱা যায়। কিন্তু ব্ৰহ্মপুত্ৰৰ পানী অন্য অৱবাহিকালৈলৈ গ'লে উপৰুক্ত অৱস্থাৰ বিৰাট পৰিৱৰ্তন আহি পৰিব। ইয়ে ভৱিষ্যতে অসমত জলসম্পদৰ নাটনি হোৱাত সহায়ক হ'ব।

**সমস্যাৰ সমাধান ঃ-**

ইমান বিলাক সমস্যাৰ মাজত তেনেহ'লে কেনেকৈ ভৱিষ্যতৰ বাবে জলসম্পদ সংৰক্ষণ কৰিব পাৰি সেইটো আজিৰ দিনত এটা বৰ ডাঙৰ প্ৰশ্ন। কিন্তু বৰ্তমান সকলোতকৈ চিন্তাৰ বিষয়টো হ'ল বিশ্বৰ প্ৰতিখন দেশে অনাগত দিনত আহি পৰা ভয়াৱহ পানী সংকটটোক এতিয়াও গুৰুত্বসহকাৰে বিবেচনা কৰা নাই। এতিয়াই যদি চিন্তা কৰা নাযায় তেন্তেইয়ে হয়তো দেশবিলাকৰ অৰ্থনীতিৰ



বিৰাট পৰিৱৰ্তন আনি দিব। সেয়েহে জলসম্পদৰ সঞ্চয় আৰু সুপ্ৰয়োগৰ প্ৰতি সকলোকে সচেতন কৰি তুলিব পৰাটোৱেই বৰ্তমান সময়ৰ আটাইতকৈ বিবেচিত প্ৰদক্ষেপ হ'ব বুলি ধৰিব পৰা যায়।

**বৰষুণৰ পানী সঞ্চয় ঃ-**

প্ৰাকৃতিকভাৱে সহজলভ্য বৰষুণৰ পানী সঞ্চয় আৰু ইয়াৰ শুদ্ধ ব্যৱহাৰেই বৰ্তমান সময়ত পানী সংৰক্ষণত সহায়ক হ'ব। এইক্ষেত্ৰত ল'ব লগা অতি জৰুৰী আৰু সঠিক প্ৰদক্ষেপ হৈছে— ই য'তে পৰে তাতে জমা কৰাৰ ব্যৱস্থা কৰা। অসমৰ সুদীৰ্ঘ ইতিহাসত আহোমসকলে সজাই যোৱা সাগৰসদৃশ পুখুৰীবিলাক ইয়াৰ উৎকৃষ্ট নিদৰ্শন। দেখা গৈছে যে ২০০০ বৰ্গফুটৰ ১ মিটৰ দ' এটা পুখুৰীয়ে ১ হেক্টৰ পৰ্যন্ত মাটিত প্ৰয়োজনীয় পানীৰ যোগান ধৰিব পাৰে।

**পানীৰ অপব্যৱহাৰ ৰোধ ঃ-**

জীয়াই থাকিবলৈ আমাক দৈনিক নুন্যতম যিমান পানীৰ প্ৰয়োজন তাতকৈ বহু বেছি পৰিমাণৰ পানী খৰচ কৰি আহিছো। এইক্ষেত্ৰত জনসাধাৰণ নিজে সচেতন নহ'লে উপায় নাই। খেতিপথাৰতো উন্নত জলসিঞ্চন পদ্ধতিৰ জৰিয়তে প্ৰয়োজন অনুসৰি পানী সিঁচাৰ প্ৰদক্ষেপ লোৱা উচিত। ইয়ে পানীৰ অপব্যৱহাৰ ৰোধ কৰাত অলপ হ'লেও অৰিহণা যোগাব। তদুপৰি যিটো অঞ্চলত যিবিধ শস্যৰ খেতিৰ উৎপাদন ভাল হয় সেইবিধ শস্যৰ খেতি কৰাতহে গুৰুত্ব আৰোপ কৰা উচিত।

**নদীৰ পানী পৰিষ্কাৰ ঃ-**

ভৱিষ্যতৰ বাবে জলসম্পদ সংৰক্ষণত নদীসমূহে এক গুৰু দায়িত্ব বহন কৰিব লাগিব। সেয়েহে বিভিন্ন উৎসৰ দ্বাৰা দূষিত পানী শোধন কৰিহে নদীত পেলোৱাৰ দৰকাৰ। উন্নত দেশসমূহে এইক্ষেত্ৰত বহুতো ব্যৱস্থা হাতত লোৱা দেখা গৈছে। ঘৰুৱা আৱৰ্জনা আৰু পৌৰ এলেকাৰ নৰ্দমাৰে নিৰ্গত হোৱা অন্যান্য আৱৰ্জনাৰ পানীত উপঙি থকা দূষিত পদাৰ্থসমূহ আঁতৰোৱাৰ পাছত বায়ুপ্ৰবাহ ঘটাই পানীত থকা জৈৱপদাৰ্থৰ বেক্টেৰিয়াৰদ্বাৰা পচন ঘটোৱা হয়। ইয়াৰ পাছত বেক্টেৰিয়া আঁতৰ কৰাৰ বাবে পানী ক্লৰিণযুক্ত কৰাৰ পাছত ক্ৰমান্বয়ে শোধন হৈ অহা পানী নাইট্ৰেট আৰু ফচ্‌ফেট্ যুক্ত কৰা হয়। এনেকৈ শোধন কৰাৰ পাছতহে দূষিত পানী নৈ-বিল আদিত পৰিবলৈ দিয়া হয়। অৱশ্যে এই প্ৰক্ৰিয়া যথেষ্ট দীঘলীয়া আৰু ব্যহবহুল।

উদ্যোগৰ পেলনীয়া পদাৰ্থসমূহো 'Industrial treatment plant' ৰ জৰিয়তে প্ৰদূষণমুক্ত কৰিহে পানী নদীত পেলোৱাৰ দৰকাৰ। আমাৰ দেশত উপৰুক্ত ব্যৱস্থাসমূহ কিমানদূৰ সফল হ'ব সেয়া বিচাৰ্যৰ বিষয়। গঙ্গা নদীক চাফা কৰিবলৈ গঠন কৰা 'গঙ্গা একচন প্লেন'ৰ বিফলতাই ইয়াৰ উৎকৃষ্ট উদাহৰণ। অৱশ্যে দেশৰ চৰকাৰ আৰু জনসাধাৰণৰ সচেতনতা থাকিলে ইয়াক বাস্তৱায়িত কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। উদাহৰণস্বৰূপে —ইউৰোপৰ ইতিহাসপ্ৰসিদ্ধ ৰাইন' নদীখন ইয়াৰ কাষত অৱস্থিত শিল্প উদ্যোগসমূহৰ প্ৰদূষিত পানীয়ে লেতেৰা আৰু বিষাক্ত কৰি পেলাইছিল। কিন্তু নদীখন বৈ যোৱা দেশকেইখনৰ চৰকাৰ আৰু জনসাধাৰণৰ মিলিত প্ৰচেষ্টা আজি ৰাইন' নদীৰ পানী স্বচ্ছ আৰু পৰিষ্কাৰ।

**আৰ্দ্ৰভূমিসমূহৰ সংৰক্ষণ ঃ-**

ভূগৰ্ভস্থ পানীৰ নিয়ন্ত্ৰণত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰা আদ্ৰভূমিসমূহৰ জলভাগ আৰু ইয়াৰ পৰিস্থিতিতন্ত্ৰক বিঘ্নিত নকৰাকৈ এইবোৰক ব্যৱহাৰ কৰাৰ যোগেদিও ভৱিষ্যতৰ বাবে জলসম্পদ সংৰক্ষণ কৰাত অলপ হ'লেও অৰিহণা যোগাব পাৰি। কিন্তু ইয়াৰবাবে প্ৰয়োজন হ'ব এক বহুল তথ্যভিত্তিক নিঃস্বাৰ্থ আৰু সুদৃঢ় পৰিকল্পিত কাৰ্যসূচী।

**আন্তৰ্জাতিক বিশুদ্ধ জলবৰ্ষ ঃ-**

প্ৰত্যেকজন উপভোক্তাৰ মাজত বিশুদ্ধ পানীৰ দুৰ্লভতাৰ বিষয়ে সজাগতা সৃষ্টি কৰা, বিশুদ্ধ জলৰ সংৰক্ষণ আৰু সুব্যৱহাৰ, বিশুদ্ধ জলৰ পৰিৰক্ষণ, গুণাগুণ আৰু ইয়াৰ পৰিস্থিতিতন্ত্ৰ অটুট ৰখা, বিশুদ্ধ জলৰ সংবৃদ্ধিকৰণ আদি বিভিন্ন উদ্দেশ্য আগত ৰাখি '২০০৩ বৰ্ষ টোক ৰাষ্ট্ৰসংঘই "আন্তৰ্জাতিক বিশুদ্ধ জলবৰ্ষ" হিচাপে গোটেই বিশ্বতে পালন কৰে। এতিয়া ২০০৩ বৰ্ষটোক সুযোগ হিচাপে লৈ আমি প্ৰত্যেকেই জাতীয়ভাৱে, ৰাষ্ট্ৰহিচাপে আৰু ব্যক্তিগতভাৱে সমগ্ৰ পৃথিৱীবাসীয়েই এটা পৰিয়াল হিচাপে বিশুদ্ধ জলসম্পদৰ পৰিৰক্ষণ আৰু সৎব্যৱহাৰৰ বাবে আগবাঢ়ি যাব পাৰো।

অনুমান কৰা হৈছে— উপযুক্ত প্ৰযুক্তি ব্যৱহাৰ কৰি পানীৰ ব্যৱহাৰৰ পৰিমাণ কৃষিকাৰ্যত ৫০ শতাংশ, শিল্প উদ্যোগত ৯০ শতাংশ আৰু চহৰত ১/৩ শতাংশ কমাবপৰা যাব পাৰে। ইয়াৰ বাবে অৰ্থনীতিৰ ওপৰত চাপ বা মানুহৰ জীৱনৰ গুণগত মান নামি যোৱাৰো কোনো আশংকা নাই।

জলসম্পদৰ ৰক্ষণাবেক্ষণৰ দ্বাৰা আমি আমাৰ ভৱিষ্যতৰ লগতে সমগ্ৰ পৃথিৱীৰ ভৱিষ্যতকো সুৰক্ষিত কৰাত সহায়ক হ'ব পাৰো। প্ৰতিজন নাগৰিক, চৰকাৰ আৰু বিভিন্ন বেচৰকাৰী সংস্থাৰ সন্মিলিত প্ৰচেষ্টাতহে ই সাফল্যমণ্ডিত হৈ উঠিব বুলি আশা কৰিব পাৰি। শেষত ইয়াকে ক'ব পাৰি যে 'ভৱিষ্যতৰ বাবে জলসম্পদ'ৰ বিষয়টো সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিছে বৰ্তমানে আমি তাক কিমান সুপৰিকল্পিত আৰু শুদ্ধভাৱে ব্যৱহাৰ কৰিব পাৰিছো তাৰ ওপৰত।■

*(মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ ইকক্লাব আৰু ভাৰত চৰকাৰৰ বন আৰু পৰিৱেশ মন্ত্ৰনালয়ৰ সৌজন্যত সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত ৰচনা।)*

# MIRACLES OF WATER THERAPY

Nitu Singh

Several diseases can be cured by a simple method called Water Therapy. An article published by Japan's Sickness Association tells us how the system has to be followed for quick results. Before giving the details of this therapy one might be interested to know some of the diseases which can be cured under this therapy. They are Headache, Hypertension, Anaemia, Rheumatism, General paralysis, Obesity, Arthritis sinusitis, Tachy Caradia, Anaesthesia, Cough, Asthma, Bronchitis, Pulmonary tuberculosis, Menigitis, Hepatic Urogenital diseases, Hyper acidity, Dysentry, Rectal Prolapsh, Constipation, Diabetes, Eye troubles, Ophthalmic hemoriage, Ophthalmia, Irregular menstruation, Leucorrhofa, Uterine cancer, Cancer of Mammary gland, pharyngitis.

It might sound incredible, but facts cannot be denied. As said by Confucius early 2500 years back, the health of an of an organism is tempered wholly by the mechanics of the stomach. As a modern saind Paramhansa Yoganandasa analysed that it is over eating on all the 365 days of a year that leads to a complicated disease.

Consuming ordinary drinking water by the right method purifies the human blood. It renders the colon more effective in forming new fresh blood, known in medical terms as 'Haemotoplses'. That the mucosal folds of colon and intestines are activated by this method, is an undisputed fact. Just as the theory that new fresh blood is prodced by the absorbtion of the nutrients of the food by the function of the mucosal. If the colon is cleared then the nutrients of the food taken several time in a day will be absorbed and b the action of the mucosal folds, they turned into fresh blood. This blood is all important in curing ailments and restoring health and for this, water should be consumed in a regular pattern.

**Method of Practice :**

Every morning as soon as one gets up, he should drink 1.26 Kg (1260 cc) of water at a stretch without washing teeth, mouth, face or even eyes (this is very important). For the next 45 minutes one should not eat or take any beverages. After the night dinner (before going to bed) one should not eat or drink simulating beverager or soft drinks. A youngester who followed this therapy sums up his experience this way "..... In three months time, I put on weight, Ever Since I took to water therapy, I never felt sick nor was affected by the cold or cough .....". Where water contains impurities, it should be boiled in the night to be used in the morning. Now all this triggers the in eviatable question, "can sickly persons drink 1260 cc (about 4 steel glass of 320 cc or 2 bottles of syrum) of water at a stretch ?" Perhaps no, after drinking maximum quantity of water, one should do "Spot Walking" for one minute and then drink the remaining water. Those who are weak to walk should practice abdominal breathing in a sitting or standing posture and drink the rest of the water. During the first one or two days, may urirate three to four times within one hour of water intake. However, everything will be normal within three or four days. Persons suffering from Arthritis and Rhumatism should practice Water Therapy three times a day for one week and thereafter once in a day. while following this therapy, one should drink water two hours after a meal. One should not consume soft drinnks, snacks or fast food before going to bed. Water Therapy is very simple, inexpensive and miraculour in effects.

**No Side Effect :**

Experience has shown that following diseases were cured by water therapy within the time shown :-

(1) Hyper Tension (1 month)
(2) Constipation (10 days)
(3) Diabetes (30 days)
(4) Cancer (6 months)
(5) Pulmonary Tuberculosis (3/4 months) ■





# জোতাৰ বিষয়ে কিছু-ভিন্ন চিন্তা

পংকজ কুমাৰ দত্ত, *প্ৰাক্তন ছাত্ৰ*

**(ক) জোতা, ভৰি আৰু জীৱনৰ গতিশীলতা ঃ**

সম্প্ৰতি জোতাৰ চাহিদা বাঢ়িছে
কিন্তু আৰম্ভণিতে কথাবোৰ তেনেকুৱা নাছিল
ভৰিবোৰ আছিল মানুহৰ ইচ্ছাতকৈও স্বতন্ত্ৰ
আত্মাতকৈও স্বাধীন
ভৰিয়ে ভ্ৰমণ কৰিছিল ধূলিয়ৰি পথ আৰু ব্যস্ত লোকালয়
বাৰীৰ বগৰীৰ তলসৰা ঠানিৰ কাঁইটে কেতিয়াবা
ক্ষত-বিক্ষত কৰিছিল তাক
ইটাত উজুটি খাই এৰাই যোৱা নখৰ তলৰ আন্ধাৰত
গোপনে ৰচিত হৈছিল ভৰিৰ জয়যাত্ৰাৰ ইতিহাস
কিন্তু জোতাই সকলো অতিক্ৰম কৰি গুচি গ'ল
পৰ্বত-কন্দৰ, খনি ৰেলৰে প্লেটফৰ্ম
গোলাপ বাগিচা আৰু গম্ভীৰ সভাঘৰ আনকি মন্দিৰ পৰ্যন্ত
ভৰি দুখনৰ এটাই মাথো সান্ত্বনা
ইহঁত জোতাৰ দৰে সলনি হৈ নাথাকে
*('জোতা' — অতনু ভট্টাচাৰ্য)*

জোতাই জীৱনৰ কথা কয়, জোতাই ঘামৰ কথা কয় মানুহৰ। এচুকত অলাগতিয়াল বস্তুৰ সহবাসী হৈ ভেঁকুৰ আৰু মকৰাজালেৰে আলিংগনাবদ্ধ ফটা পুৰণা জোতাযোৰ পেলনীয়া হৈ পৰি থাকিলেও ই জয়গান গায় মানুহৰ জীৱনযাত্ৰাৰ। বৰ্ণময় মানৱ-সভ্যতাৰ বহুবোৰ উত্থান-পতনৰ সাক্ষী, মানুহৰ ইতিহাসৰ শতাব্দী পৰিক্ৰমা মসৃণ-অমসৃণ বাটৰ বহুবোৰ কেঁকুৰিৰ সহচৰ জোতা। জোতা বহুবোৰ ৰক্তক্ষয়ী যুঁজৰ নিৰ্বাক সাক্ষী, বিজয়ী বীৰ সৈনিকৰ গৌৰৱৰ অংশীদাৰ। আলেকজেণ্ডাৰে কৰা বিশ্বব্যাপী অভিযানৰ অলিখিত তিতা-মিঠা অভিজ্ঞতাৰ সতে ঘনিষ্ঠ এই জোতা। জোতায়েই আগবঢ়াই নিছিল অলেখজনক ৰণভূমিৰ তেজৰ কৰাল গচকাই স্বৰ্ণখচিত সিংহাসন অভিমুখে। কলিংগত যেতিয়া সাৰ পাইছিল অশোকৰ বুদ্ধত্ব তেতিয়াও সাক্ষী আছিল এই জোতা, হাতৰ কোমল গোলাপ জাহাংগীৰে যেতিয়া আগবঢ়াইছিল প্ৰিয়তমা নুৰজাহানলৈ, চিন্তাক্লিষ্ট গেলিলিঅ'ই যেতিয়া পাইচাৰি কৰিছিল অথবা স্বৰ্গদেউ ৰুদ্ৰসিংহই যেতিয়া ঘোঁৰা চেকুৰাইছিল তেতিয়া বিশ্বস্ততাৰে সংগ দিছিল জোতাই। হিটলাৰে যেতিয়া আত্মহত্যাৰ সিদ্ধান্ত চূড়ান্ত কৰিছিল বা জুলিয়াছ চিজাৰ ঢলি পৰিছিল তৰোৱালৰ আঘাতত, জোতাই সকলো দেখিও একো কোৱা নাছিল, মাথোঁ বুকুত অব্যক্ত অনুভৱ লৈ মাৰিছিল এটি ৰহস্যময় হাঁহি।

**(খ) জৰ্জ ডব্লিউ বুশ্বৰ জোতা আৰু গুৱেভাৰাৰ জোতা ঃ**

জোতা উদাৰ। জোতাই কেৱল ৰাজপুৰুষৰে চৰণ যুগলৰ শোভাবৰ্ধন কৰা নাছিল, সাধাৰণ মানুহৰ খহটা, কৰ্মঠ ভৰিৰ মৰমৰ, আপুৰুগীয়া হৈ কষ্টৰ যাতনা কিছু লাঘৱ কৰিছিল; সুখ-দুখ ভগাই লৈছিল। সকলোৰে ভৰিত খাপ খাব জানিছিল। ৰাজআলিত আলকাতৰা ঢালোতে, কমাৰশালত লোহা পিটোতে বা খনিৰ আন্ধাৰত পেটৰ ভাত বিচাৰোতে জোতা মানুহৰ সহমৰ্মী হৈছিল। জৰ্জ ডব্লিউ বুশ্বৰ ভৰিত থাকি ই যেনেদৰে আৰাম পাইছিল, চে গুৱেভাৰাৰ সতীৰ্থ হৈ হাবিয়ে-বননিয়ে, পৰ্বতে-কন্দৰে, বোকাই-পানীয়ে ঘূৰি ফুৰোতেও ই অলপো



কষ্ট পোৱা নাছিল।

জোতা সকলো কৰিবলৈ প্ৰস্তুত। গৰাকীৰ নিৰ্দেশত অনায়াসে ই গচকিব পাৰে গণতন্ত্ৰ, স্বাধীনতা, ডাচ্ছ কেপিটেল অথবা সদ্যৰোপিত ফুলৰ পুলি। বিনাদ্বিধাই, নিৰ্বিকাৰ চিত্তে ভাঙি গুৰি কৰিব পাৰে বিপ্লৱ কৰিব খোজা তৰ্জনী। ছিঙি দিব পাৰে গীটাৰৰ ছন্দিত তাঁৰ, বীভৎসতাৰ প্ৰতিভূ হৈ কোনো অন্তৰ্দ্বন্দ্বত নোভোগাকৈ জোতাই গচকি বিকৃত কৰিব পাৰে ধৰ্ষিতা জীয়ৰীৰ যৌনাংগ নিৰ্মমভাৱে। জোতাৰ পলিচ বীভৎস হয় পিষ্ট যৌৱনৰ তেজৰ কৰালেৰে। চতুৰ ৰাজনীতিবিদৰ দৰে মুহূৰ্ততে দল সলাই বিপ্লৱী সৈনিকৰ কদমত কদম মিলাই জোতাই মাথোঁ চিঞৰি যায় 'লেফট ৰাইট', 'লেফট ৰাইট'। কৰ্তব্য পালনত জোতাসম বিশ্বস্ত নাই। জোতাৰ বাবে 'মালিকৰ আদেশ শিলৰ খুঁটি। ফুটবল খেলোতেই হওক বা পৰ্বত বগাওঁতে জোতা বিশ্বাসঘাতকতা কৰিবলৈ নাৰাজ। আমৃত্যু সহচৰ জোতা শতৰুৰ গুলী ফালি দৌৰিবলৈও প্ৰস্তুত।

(গ) জোতা ঃ আইচমেনৰ পৰা ৰামায়ণলৈ ঃ

জোতাৰ কীৰ্তি-কাহিনী অন্তহীন। গ্ৰীক কাহিনীৰ পৰা আমাৰ ৰামায়ণলৈকে। ফেয়াৰী টে'লছৰ পৰা আধুনিক গল্প, উপন্যাস, কথাছবি সকলোতে জোতাই নিজৰ স্থান এটি তৈয়াৰ কৰি লৈছে। আজি কিছুবছৰ পূৰ্বে গুৱাহাটীত খনন কাৰ্যত উদ্ধাৰ হোৱা বৃহদাকাৰ এপাট জোতাই কৌতুহলৰ গুণগুণনি তোলা নাছিল জানো? হেৰুৱা জোতাপাটৰ জৰিয়তে সুন্দৰী চিন্দেৰেলাৰ জীৱনৰ স'তে ৰাজকুমাৰ কেনেদৰে জড়িত হৈ পৰিল তাক নজনা মানুহৰ সংখ্যা চাগৈ বৰ বেছি নহ'ব। ৰামৰ খৰম সিংহাসনত অধিষ্ঠিত কৰাই ৰাজ্য শাসন চলাৰ কথা ৰামায়ণৰ কাহিনীৰ স'তে পৰিচিত ব্যক্তিমাত্ৰেই জানে।

জোতা নিৰ্মাণ কাৰ্যটো পৃথিৱীৰ সৰ্বাধিক পুৰণি বৃত্তিসমূহৰ অন্যতম। চিকাৰৰ সন্ধানত, জীৱন ধাৰণৰ স্বাৰ্থত যাযাবৰী জীৱন কটোৱা আদিম মানুহৰ সভ্যতাই ঠন ধৰাৰ কোন মুহূৰ্তত জোতাই জন্ম ল'লে কোৱা টান হ'লেও লক্ষণীয়ভাৱে প্ৰায়বোৰ প্ৰাচীন সভ্যতাতে জোতাৰ অৱস্থিতি বিদ্যমান। প্ৰাপ্ত তথ্যমতে, পৃথিৱীৰ সৰ্বাধিক পুৰণি জোতাৰূপে চিহ্নিত হোৱা জোতা পোৱা গৈছে ৫০০০ বছৰৰ পূৰ্বৰ আদিম মানুহ 'আইচমেন'ৰ ভৰিত। জন্তুৰ ছালেৰে নিৰ্মিত এই জোতাৰ ফিটাৰূপে বিশেষ ধৰণৰ ঘাঁহ ব্যৱহৃত হৈছিল বুলি ১৯৯১ চনত হোৱা এক আৱিস্কাৰত গোহৰলৈ আহিছে। মানৱ-সভ্যতাৰ ক্ৰমবিকাশৰ কাহিনী প্ৰতিফলিত কৰি জোতায়ো ইয়াৰ আকৃতিৰ পৰিৱৰ্তন ঘটাই আহিছে। সমাজৰ বিভিন্ন স্তৰৰ লোকভেদে, আৰ্থ-সামাজিক অৱস্থানভেদে বিভিন্ন স্তৰৰ ভৰিত খাপ খাই অহা জোতাৰ প্ৰকাৰো ভিন ভিন। কালভেদে অঞ্চলভেদে ৰূপ সলাই অহা জোতাৰ এক বিশিষ্ট মান আছে। ইতিহাসৰ জ্ঞান ৰখাসকলে জানে যে, প্ৰাচীন ৰোম, গ্ৰীক, মিচৰীয় আদি সভ্যতাসমূহত জোতা আভিজাত্যৰ অন্যতম প্ৰতীকৰূপে চিহ্নিত। জোতা আজিও বহুক্ষেত্ৰত ব্যক্তিৰ ৰুচিবোধৰ পৰিচায়ক, আৰ্থিক সক্ষমতাৰ প্ৰতীক। অৱশ্যে জোতা আৱিস্কাৰৰ এই বহু শতাব্দীজোৰা সময়ছোৱাত জোতাৰ খুব এটা বেছি উন্নতি হৈছে বুলি ক'ব নোৱাৰি, জোতাৰ ৰূপৰ পৰিৱৰ্তন, গঢ়-গঠন যথেষ্ট উন্নত হৈছে যদিও সভ্যতাৰ অন্যান্য ক্ষেত্ৰৰ ক্ৰমবিকাশসমূহৰ তুলনাত ই তেনেই সামান্য। জোতাৰ কাৰুকাৰ্য, আকৰ্ষণীয়তাই সময়ভেদে ভিন্নৰূপ পৰিগ্ৰহণ কৰিলেও ই এতিয়াও মানুহৰ বাবে ভৰিৰ এটি আৱৰণ মাত্ৰ। এনে হোৱা সত্ত্বেও জোতাৰ ৰূপবৈচিত্ৰই মানুহৰ জীৱনযাত্ৰাৰ দীৰ্ঘ পৰিক্ৰমাৰ বৰ্ণময় প্ৰতিচ্ছবি দাঙি ধৰিবলৈ সক্ষম।

(ঘ) জোতাহীনভাৱে পাৰ হয় যাৰ জীৱন ঃ

নগৰখন যেতিয়া চহৰ আছিল মানুহবোৰে তেতিয়াৰ পৰা চিনি পায় তেওঁক। পিঠিত জোতা মেৰামতি কৰা সা-সৰঞ্জাম ভৰা বেগটো ওলোমাই তেওঁ চুবুৰীয়ে চুবুৰীয়ে ধাৱমান। বিহাৰৰ পৰা তেওঁৰ পূৰ্বপুৰুষৰ বংশগত বৃত্তিটোৰ পৰম্পৰা বজাই ৰাখি ষাঠি-পয়ষষ্ঠী বছৰীয়া মুচিজনে হেৰুৱাই পেলালে নিজৰ নাম। পিতৃপ্ৰদত্ত নাম হেৰুৱাই তেওঁৰ নাম আজি 'মুচি'। সকলোৱে তেওঁক সেই নামেৰেই চিনি পায়। পুৱাই ওলাই আহে পিঠিত চিৰপৰিচিত বেগটো লৈ আৰু আবেলি উভতে দুখ-ভাগৰে জৰ্জৰিত ঘৰ্মাসিক্ত চেহেৰাটো লৈ। আনৰ জোতাৰ ৰং ঘঁহোতে ঘঁহোতে কেতিয়াবাই হেৰাই গৈছে তেওঁৰ জীৱনৰ ৰং। জীৱনৰ আবেলিৰ হেঙুল মাথোঁ জিলিকিছে তেওঁৰ কপালৰ ঘামত প্ৰতিফলিত হৈ। আনৰ ভৰিৰ জোখত চামৰা কাটোতে কেতিয়াবাই পাহৰি গৈছে তেওঁ নিজৰ ভৰিৰ জোখ। জীৱনৰ বিলাস-বহুলতাই যেতিয়া তেওঁৰ চকুত চাং মাৰি আচন্দ্ৰাই কৰিবলৈ ধৰে তেতিয়া তেওঁ উপলব্ধি কৰে সকলো জোতা সকলো ভৰিৰ বাবে নহয়। জোতাহীনভাৱেই পাৰ হয় বহুতৰ কণ্টকাকীৰ্ণ বাট। তাঁৰ অথবা ৰছীৰে জোৰা দিয়া চেণ্ডেলৰ সঘন উজুটিত বাৰম্বাৰ ফিটা খুলি কিম্বা ছিগি ধাৱমান হয় বহুবোৰ অনামী জীৱন। জীৱনৰ একে পথত থাকিও সমান্তৰাল নহয় মানুহ বোৰৰ জীৱনযাত্ৰা। বিলাসী গাড়ী অথবা বাইকত দ্ৰুততাৰে পালিচৰ চিকমিকনিৰে কিছুমান জোতা পাৰ হৈ যোৱাৰ মুহূৰ্ততে একে পথতে চেণ্ডেলৰ ফিটা ছিগি পিছ পৰি ৰয় বহুবোৰ তলুৱা ফটা খহটা, কেতক'লা ভৰি। সঁচায়ে কি বৈচিত্ৰ্যময় এই জীৱন।



(ঙ) জোতানিৰ্ভৰ জীৱন আৰু জীৱিকা ঃ

জোতায়ে গঢ় দিছে এচামৰ জীৱনৰ ঘৰ আৰু ধন-দৌলত। জোতাৰ বজাৰখন এখন বৃহৎ বজাৰ, কিয়নো ই সমগ্ৰ পৃথিৱীৰ জোতা ব্যৱহাৰ কৰা অজস্ৰ কোটি মানুহৰ লগত জড়িত। চামৰা উৎপাদনৰ যোগেদি দেশে টনকিয়াল কৰিছে নিজ ভঁৰাল। বৃহৎ কোম্পানীসমূহে ঘৰে ঘৰে এৰি দিছে উৎপাদিত জোতা। জোতাৰ স'তে সংযুক্ত ক্ষুদ্ৰ ব্যৱসায়ীসকলেও মুনাফা অৰ্জনত পিচপৰি থকা নাই। গ্ৰাহকৰ চকু চাৎমাৰি ধৰা চকমকনি আৰু বিজ্ঞাপনৰ আৰোপিত গ্লেমাৰেৰে জোতাই শুৱনি কৰিছে শ্বোকেছ। কোম্পানীৰে কোম্পানীৰ আৰু জোতাৰে জোতাৰ প্ৰতিদ্বন্দ্বিতা চলিছে। মালিকৰ জেপ গৰম কৰি জোতা আগবাঢ়িছে ভৰিত খাপ খাবলৈ, কাৰোবাৰ যৌৱন গচকি কাৰোবাৰ জীৱনৰ গতিৰ দ্ৰুততা বঢ়াবলৈ। ■

*(অসমৰ নতুন প্ৰজন্মৰ এজন পৰিচিত লেখক পংকজ কুমাৰ দত্ত আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। আমাৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই তেখেতে প্ৰেৰণ কৰা প্ৰবন্ধটো সহৃদয়তাৰে আমি প্ৰকাশ কৰিছো - সম্পাদক)*







# হেনৰী আৰু মই

✍ ধীৰাজ কোঁৱৰ

এয়েই সুযোগ। হয়, তাইৰ লগত চিনাকি হোৱাৰ এয়েই উত্তম সুযোগ। ল'কে ৰাস্তাটোৰ ফালে চাইকেল চলাই অহা ছোৱালীজনীলৈ চাই মোক ক'লে। ছোৱালীজনীয়ে হয়তো ল'কৰ মাত দূৰতে ধৰিব পাৰিছে। তাই আমাৰ দুয়োৰে ফালে দূৰৰে পৰা চাই ধৰা পৰিছে। মই ল'কক ক'লো — বন্ধু, তুমি ছোৱালীজনীক প্ৰথমে মাতিবা আৰু তাৰ পিছত মই ভালদৰে চিনা-পৰিচয় হ'ম। ছোৱালীজনীক আগৰে পৰা দেখি থকাত চিনাকি হ'বলৈ সাহস গোটাব পাৰিছিলো। ছোৱালীজনীয়েও আমাক আগৰে পৰা দেখিছে। হয়তো আমাৰ নামটোও জানে। কিন্তু আজিলৈকে চিনাকি হ'বলৈ সুযোগ পোৱা নাই।

মই মুম্বাইলৈ অহা প্ৰায় এমাহমান হৈছে। ছোৱালীজনী আমি থকা বিল্ডিংটোৰ ওচৰতে থাকে। ল'কৰ আচল ঘৰ ইটালীত। সি সাংবাদিকতাৰ কামত মুম্বাইলৈ আহিছে। মুম্বাইত ল'ক থকা প্ৰায় দুবছৰ মান হ'ল। ল'কৰ লগত প্ৰথম চিনাকিতে আপোন হৈ পৰিলো। সি হিন্দী ভাষাও স্পষ্টকৈ ক'ব পাৰিছে। সেই বাবে তাৰ লগত চিনাকি হোৱাত মোৰ বিশেষ অসুবিধা হোৱা নাছিল। ল'কে ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যত অভিভূত হৈ পৰিছে। এবাৰ মই ল'কক কৈছিলো, "বন্ধু আমাৰ অসমৰ গঁড় দেখিলে তুমি সঁচাকৈ অতি আনন্দ পাবা। আমাৰ অসমৰ এশিঙীয়া গঁড় পৃথিৱীৰ বিখ্যাত। ল'কে তেতিয়া মোক অসমলৈ অহাৰ বাবে জোৰ কৰিছিল। মইও তাক প্ৰতিশ্ৰুতি দিছিলো ব'হাগ বিহুৰ সময়ত অসমলৈ নিম বুলি।

ল'কে ছোৱালীজনীক 'হায় চিক্টাৰ' বুলি কৈ মাতিলে আৰু ছোৱালীজনীয়ে আমাৰ দুয়োৰে ফালে চাই চাইকেলখন ৰখালে। ছোৱালীজনীয়েও হিন্দীতে কাক মাতিছে বুলি সুধিলে। তেতিয়া ল'কে মোৰ ফালে চাই ক'লে — "অনুপমে তোমাৰ লগত চিনাকি হ'ব বিচাৰিছে।

মই লাজ নকৰাকৈ ক'লোঁ — "তুমি যদি বেয়া নোপোৱা।"

"নাই... কিয় বেয়া পাম?" ছোৱালীজনীৰ মৰমলগা মাতে মোক সঁচাই বৰ আকুল কৰি তুলিলে।

মোৰ নাম হেনৰী কাশ্যপ। ঘৰ অসমৰ নগাঁৱত। ছোৱালীজনীৰ কথাৰ পৰা জানিলো যে তাই খ্ৰীষ্টিয়ান ছোৱালী। অসমৰ বুলি জানি মইও মোৰ পৰিচয় দিবলৈ ব্যাকুল হৈ পৰিলো।

মোৰ নাম অনুপম শইকীয়া। মইও অসমৰে। ঘৰ গুৱাহাটীত আৰু এওঁ মোৰ বন্ধু ল'ক।

হেনৰীয়ে মোৰ ঘৰ অসমত বুলি জানি ভাল পালে। তাই হাঁহিৰে ক'লে — আপোনাক কিন্তু অসমীয়া ল'ৰা বুলি ধৰিব নোৱাৰি।

হেনৰীৰ কথা শুনি মোৰো হাঁহি উঠিল। ছোৱালীবোৰৰ যে কথা। অসমৰ বাহিৰত থকা মোৰ মাত্ৰ এমাহহে হৈছে মই মনতে ভাবিলো।

ল'ক আৰু মোৰ ফালে চাই হেনৰীয়ে আকৌ ক'লে — আমাৰ ঘৰলৈ যাওঁ ব'লক। দেউতাই অসমৰ ল'ৰা বুলি জানিলে বৰ ভাল পাব। দেউতাই বহুদিন অসমীয়াত কথা-বতৰা পতা নাই।

হয় নেকি? ব'লা তেনেহ'লে ... বুলি কওঁতে, ল'কে মাত লগালে — বন্ধু মোক ক্ষমা কৰিবা। মই আজি যাব নোৱাৰিম। মোৰ এটা বিশেষ কাম আছে। হেনৰী ক্ষমা কৰিবা আজি যাব নোৱাৰিম। অন্য এদিনা নিশ্চয় যাম।

ল'কৰ কথাত হেনৰীয়ে সঁহাৰি জনায় ক'লে — অনুপম দা! আপুনি কিন্তু যাব লাগিব।

হেনৰীৰ অনুৰোধ এৰাব নোৱাৰি ল'কক বিদায় দি মই তাইৰ লগত খোজেৰে যাবলৈ ওলালো। তাই চাইকেলখন ঠেলি নিছে আৰু মই তাইৰ ঘৰৰ পৰিচয় সুধি গৈ আছো। সেইদিনা সঁচাকৈ মই ৰোমান্তিক হৈ পৰিছিলো। প্ৰিয়তমে প্ৰিয়তমাক একেবাৰে কাষত পায় আনন্দত মতলীয়া হৈ পৰাৰ দৰে। মাজে মাজে তাইৰ লাজকুৰীয়া চাৱনি মোৰ দুচকুত পৰিছে। এইদৰে গৈ থাকোঁতে কেতিয়া তাইৰ ঘৰ পালোগৈ গমেই নাপালো। তাই কোৱাতহে মোৰ সপোন ভাগিল।

অনুপম দা, সৌৱা চোৱা দেউতা বাৰাণ্ডাতে বহি আছে।

মাজনী, ইমান পলম হ'ল যে। দেউতাকৰ মৰম লগা প্ৰশ্ন।

দেউতা প্ৰথমে তুমি অনুপম দাৰ লগত চিনাকি হৈ লোৱা। তাৰ পিছত গম পাবা মোৰ কিয় পলম হ'ল। হেনৰীয়ে দেউতাকক ক'লে।

হেনৰীৰ দেউতাকে মোক অসমৰ বুলি জানি সঁচাকৈ বৰ ভাল পালে। তেওঁৰ স'তে হেনো অসমৰ মানুহ বৰ সহজ-সৰল। খ্ৰীষ্টিয়ান যদিও মানুহজনক নিভাঁজ অসমীয়া বুলিহে ক'ব লাগিব। চাহ-জলপান খাই সন্ধ্যা হোৱাৰ আগে আগে মই তাৰ পৰা যাবলৈ ওলালো। যাবৰ সময়ত বাপেক-জীয়েকৰ মৰম দেখি মই অভিভূত হৈ পৰিছিলো। জীয়েকে দেউতাকক কিমান যে ভাল পায় আৰু দেউতাকে একমাত্ৰ সন্তান হিচাপে হেনৰীক মাক ঢুকোৱাৰ পিছৰে পৰা মাকৰ মৰমৰ পৰা বঞ্চিত কৰা নাই। দেউতাকে তাইক মাকৰ চেনেহ বান্ধি ৰাখি ঘৰখন আনন্দমুখৰ কৰি ৰাখিছে। এতিয়া যেন দেউতাকৰ এটাই চিন্তা জীয়েকক কেনেকৈ বিয়া দিব পাৰি। যিটো বাপেকৰ কথা-বতৰাত স্পষ্টকৈ ধৰা পৰিছে।

এইদৰে ক্ৰমান্বয়ে পিছত ল'ক আৰু মই প্ৰায়ে হেনৰীহঁতৰ ঘৰলৈ গৈছিলো। আমি দুয়ো হেনৰীহঁতৰ আপোন হৈ পৰিলো। মই হেনৰীক অন্তৰে সৈতে ভাল পাইছিলো। কথা পতাৰ চেগতে তাইৰ মিচিকিয়া হাঁহিটো চাবলৈ পাহৰা নাছিলো। কেতিয়াবা ভাবো তাইৰ চকুত ধৰা পৰা নাইতো। ভাল পোৱা জানো পাপ। সেইয়ে মই ভয় কৰা নাছিলো। অৱশ্যে মোৰ মনৰ কথা ক'বলৈ সাহস কৰিব পৰা নাছিলো। ল'কক মই মনৰ কথা কৈছিলো আৰু সি মোক সাহস দিছিল। এদিন আমি থকা বিল্ডিংটোৰ ওচৰৰে তাই যোৱাত মই ক'লোঁ — হেনৰী ..., অলপ ৰ'বাচোন। তোমাৰ লগত অলপ কথা আছে। হেনৰী ৰ'ল।

ঃ কোৱা অনুপম দা, কিবা জৰুৰী কথা আছে নিশ্চয়।

ঃ নাই ইয়াত ক'ব নোৱাৰি। ব'লা ... সৌ পাৰ্কখনলৈ যাওঁ। ভাল লাগিব আৰু মুকলি বতাহো পাম।

ঃ অনুপম দা চোৱা, সৌ সৰু ল'ৰা দুটাই কেনেকৈ বাগিছাৰ মাজত হাঁহি ধেমালিৰে খেলি আছে।

ঃ অ' ... সঁচাকৈ ল'ৰা দুটা পিছে বৰ ধুনীয়া। সিহঁতৰ হাঁহি ধেমালি দেখি মোৰো ল'ৰালি কাললৈ ভুমুকি মাৰি চাবৰ মন গৈছে। ল'ৰালি কালৰ সময়বোৰ সঁচাকৈ বৰ সুন্দৰ।

মই ভাবিছো হেনৰীয়ে মোক কি কথা ক'ব আছে সুধিব। কিন্তু তাই দেখোন পাৰ্কৰ সৌন্দৰ্যহে উপভোগ কৰিছে। মই তেনেদৰে কিবা এটা ভাবি থকা দেখি তাই মাত লগালে — অনুপম দা! আৰে আপোনাৰ আকৌ কি হ'ল মন মাৰি আছে যে।

ঃ হেনৰী তোমাক এটা কথা ক'বলৈহে মই ইয়ালৈ আহিছিলো। যদি তোমাৰ সন্মতি হয় ...।

ঃ আকৌ, কিহৰ সন্মতি। হেনৰীৰ অভিমানী সুৰ।

ঃ হেনৰী মই তোমাক ভাল পাওঁ। যদি তোমাৰ সন্মতি হয় তেনেহ'লে তোমাক বিয়া কৰাব বিচাৰো। তোমাক ইয়াত প্ৰথম দেখাৰে পৰা তোমাৰ প্ৰেমত পৰো। কিন্তু তোমাক ইমানদিনে এই কথা ক'বলৈ সাহস গোটাব পৰা নাছিলো।

ঃ অনুপমদা! আপোনাৰ আৰু মোৰ মাজত ভালপোৱাৰ জানো কিবা অৰ্থ আছে। আমি হৈছো খ্ৰীষ্টিয়ান। আপোনালোকৰ সমাজে জানো মোক আদৰি ল'ব।

ঃ হেনৰী, তুমি শিক্ষিতা ছোৱালী হৈও এইবোৰ কথা কৈছা। সমাজে জানো আমাৰ মৰমক দূৰ কৰিব পাৰিব। যিখন সমাজ কু-কৰ্মই ভৰি আছে, য'ত মানুহে মানুহক বুজি নাপায়। সেইখন সমাজৰ কথা কৈছা, তুমি যদি মোক ভাল নোপোৱা তেনেহ'লে কোৱা। কিন্তু সমাজৰ কথা কৈ মোৰ ভালপোৱাক আঘাত নিদিবা।

ঃ অনুপম দা! আপুনি এইবোৰ কি কৈছে। মইও আপোনাক প্ৰাণ ভৰি ভাল পাওঁ। আপোনাৰ অবিহনে মই আন কাৰোবাক ভাল পাব পাৰিম সেইটো সম্ভৱ নহয়। সমাজৰ ভয়ত আমাৰ প্ৰেমক প্ৰবঞ্চনা কৰাৰ বাবে মোক ক্ষমা কৰিবা। হেনৰীৰ চকুত চকুলো নিগৰি আহিল।



ঃ আমি এখন নতুন সমাজ গঢ়িব লাগিব। যিখন সমাজত কোনো ভেদাভেদ নাথাকিব আৰু যিখন সমাজত সুবিধাবাদী শ্ৰেণীয়ে তেওঁলোকৰ প্ৰয়োজন অনুসৰি সমাজৰ কোনো নিয়ম নীতি সৃষ্টি কৰিব নোৱাৰিব।

ঃ অনুপম দা! আপোনাৰ লগত মইও আছো। আমি এখন নতুন সমাজ গঢ়িব লাগিব। যিখন সমাজে মানুহক আপোন কৰিবলৈ শিকায়। আমি মানুহক একত্ৰিত কৰি বুজাব লাগিব যে পুৰণি সমাজৰ নীতি-নিয়ম পৰিবৰ্তনশীল সমাজ ব্যৱস্থাৰ লগত খাপ খোৱাতো সম্ভৱ নহয়।

শিক্ষিতা ছোৱালী হিচাপে হেনৰীৰ পৰা মই যথেষ্ট উৎসাহ পাইছিলো। লাহে লাহে আমাৰ প্ৰেমৰ কথা ঘৰতো গম পালে। এদিন মই হেনৰীক আমাৰ ঘৰলৈ লৈ গৈছিলো। মই মা-দেউতাই হেনৰীক ভাল পালে যদিও তাই খ্ৰীষ্টিয়ান হোৱাৰ বাবে আমাৰ প্ৰেমক স্বীকৃতি দিবলৈ সন্মত নহ'ল। অৱশ্যে পিছত মা-দেউতাক বুজাই সন্মত কৰাইছিলো। আৰু মোৰ অনুৰোধ ক্ৰমে আমাৰ প্ৰেমক স্বীকৃতি দি বিয়াৰ দিন ধাৰ্য কৰিলে। হেনৰীয়ে মা-দেউতাৰ কথা শুনি প্ৰথমে আচৰিত হৈছিল যদিও তাই এদিন কৈছিল — দেখিবা লাহে লাহে মানুহে পুৰণি সমাজৰ অন্ধবিশ্বাসবোৰ পৰিহাৰ কৰি এখন নতুন সমাজ গঢ়িব আৰু সেইখন সমাজত সকলোৱে মৰমৰ এনাজৰীৰে বসবাস কৰিবলৈ ল'ব।

হেনৰীৰ উচ্চ চিন্তাধাৰা দেখি মই অভিভূত হৈ পৰিলো। মৰমতে তাইৰ দুগালত দুটা চুমা আঁকি দিলো। তাই লাজতে মোৰ কাষৰ পৰা আঁতৰি যায়। তেনেতে হেনৰীৰ দেউতাকৰ মাত শুনিবলৈ পাওঁ আৰু মই বাহিৰলৈ ওলাই দেউতাকক ভিতৰলৈ আগবঢ়াই আনো।

ঃ অনুপম, তুমি অহা বহু দেৰি হ'ল চাগে। মই বজাৰৰ পৰা আহিলোগৈ। মাজনী অনুপমক চাহ দিয়া, লগতে মোলৈও একাপ। দেউতাকে হাঁহি হাঁহি ক'লে।

ঃ দেউতা, আপোনাক এটা বিশেষ কথা ক'বলৈহে আহিছিলো। যদি আপোনাৰ সন্মতি হয় ...। মোৰ কথা শুনি হেনৰী পাকঘৰৰ পৰা নোলোৱা হ'ল। লাজতে ৰঙা-চিঙা পৰি তাই দৰ্জাৰ ফাকেৰে এবাৰ দেউতাকলৈ আৰু এবাৰ মোলৈ চাই আছে।

ঃ কোৱা অনুপম। তুমি আকৌ কিহৰ সন্মতিৰ কথা কৈছা?

ঃ দেউতা মই ... মানে ... মানে হেনৰীক বিয়া কৰাব বিচাৰো। হেনৰীকো মই ভালপোৱা কথা কৈছো। — মই ক'লো।

ঃ কিন্তু তোমালোকৰ মা-দেউতাই হেনৰীক বোৱাৰী হিচাপে আদৰি লোৱাটো অসম্ভৱ।

ঃ দেউতা, আপুনি এইবোৰ চিন্তা কৰিব নালাগে। মই মা-দেউতাক সকলো বুজাই কৈছো। মা-দেউতাও সন্মত হৈছে। আনকি আমাৰ বিয়াৰ দিনো ধাৰ্য কৰিছে।

মোৰ কথা শুনি হেনৰীৰ দেউতাকে ক'লে — তোমালোকৰ দুয়োৰে মন মিলিছে যেতিয়া মোৰ কোনো আপত্তি নাই। তোমালোকে সুখেৰে থকাটোহে মই বিচাৰো। মাজনী, চাহ গৰম হোৱাই নাই নেকি? হেনৰীয়ে লাজতে তলমূৰ কৰি দুকাপ চাহ থৈ ভিতৰলৈ সোমাই যায়।

১৬ বহাগৰ দিনা উলহ-মালহেৰে হেনৰী আৰু মোৰ বিয়া হৈ যায়। আমাৰ পৰিয়াল ধনী হোৱাৰ বাবে সকলোৱে আমাক ভাল চকুৰে চাইছিল। আমাৰ বিপক্ষে কোনেও মাতিবলৈ সাহস কৰা নাছিল। মই বিয়াৰ দিনাখন আনুষ্ঠানিকভাৱে সমাজৰ পুৰণি নীতি-নিয়মৰ বিৰুদ্ধে থিয় দিবলৈ সকলোকে অনুৰোধ জনাওঁ। কিছুমানে মোৰ প্ৰস্তাৱত সন্মতি দিয়া নাছিল যদিও পিছত তেওঁলোকক বুজাবলৈ চেষ্টা কৰো। এখন নতুন সমাজ গঢ়িবলৈ আমি সকলোৱে আগবাঢ়ি আহিব লাগিব। আমাৰ বিয়াখন সুকলমে হৈ যায়।

ঃ হেনৰী চোৱা, মুক্ত আকাশৰ তৰাবোৰ যেন আমাৰ দুয়োৰে ফালে চাই আছে। জোনটোক তৰাবোৰে চাৰিওফালে আগুৰি ৰাখি অতি মনোৰম দৃশ্য সৃষ্টি কৰিছে।

হেনৰীয়ে মোৰ বুকুৰ মাজত সোমায় ক'লে — সঁচাকৈয়ে এনে দৃশ্য চালে চাই থাকিবৰ মন যায়। আজি দিনটো আমাৰ বাবে স্মৰণীয় হৈ ৰ'ব। ■

---

**Youth is the Power of Nation**

**Lets make our Nation Powerfull**

Swami vivekananada



# প্ৰহাৰ

শ্ৰী সত্যনাথ গগৈ

মানুহৰ জীৱনত ভাগ্যই সঁচাকৈয়ে প্ৰভাৱ পেলায় নে? দিন হাজিৰা কৰি দিন অতিবাহিত কৰা ৰমেনে কিন্তু ভাগ্যকে সকলো ধিয়াইছে। জীৱনৰ সকলো দুখ-সুখৰ বতৰা ভাগ্যই কঢ়িয়াই আনে বুলি অভিমত প্ৰকাশ কৰিব বিচাৰিছে। ভলুকাজান চাহ বাগিছাৰ ওচৰৰ জালুকবাৰী গাঁৱৰ ৰমেন এজন দুখীয়া ঘৰৰ ল'ৰা। সৰুতেই মাক-বাপেকক হেৰুৱাই ওচৰৰ গাঁৱৰ এজনী ৰূপহীৰ লগত সংসাৰ পাতি অ'ত-ত'ত হাজিৰা কৰি কোনোমতে সংসাৰখন চলাইছে। সংসাৰ বুলিবলৈ মাথোঁ এটি পুত্ৰ সন্তান, সি আৰু তাৰ পৰিবাৰ।

সেই দিনা আছিল শনিবাৰ। ৰাতিপুৱাবলৈ বেছি সময় নাই। বাহিৰৰ মুক্ত আৰু নিৰ্মল আকাশৰ তলত বিবিধ চৰাই চিৰিকটিয়ে বাঁহৰ পৰা ওলাই কলকলাবলৈ ধৰিলে। কুকুৰাই পুৱাৰ ইংগিত দি ডাক দিবলৈ ধৰিলে। কুকুৰাৰ ডাক আৰু চৰাইৰ কল-কলনি শুনি ৰমেনে টোপনিৰ পৰা সাৰ পাই উঠি বিচনাতে বহি পৰিল। সদায় ৰাতিপুৱা দোকমোকালিতে উঠি ৰমেনে ঘৰৰ দুই-এটা কাম কৰি কিবা-কিবি এটা পেটত পেলাই দিনটো আগত ৰাখি ভাগ্যকে ধিয়াই কিবা এটা কাম পোৱাৰ আশাৰে ওলাই যায় টাউনৰ ফালে। দিনটো কাৰোবাৰ ঘৰত হাজিৰা কৰি, কাৰোবাৰ টান কথা শুনি, লেতেৰা বস্তু উকটি যি এপইছা পায় গধূলি ঘৰলৈ ঘূৰে ঘৰৰ প্ৰয়োজনীয় বস্তুকেইটা লৈ। কিন্তু সেইদিনা ৰমেনে বিচনাতে বহি টোপনিত মছগুল হৈ থকা তেওঁৰ অভাগীনিৰ মুখলৈ এক কৰুণ দৃষ্টিৰে চাই আছিল। নানা চিন্তাই ৰমেনৰ মনত খুন্দিয়াবলৈ ধৰিলে। এবাৰ সংসাৰৰ কথা, এবাৰ পুত্ৰৰ কথা আকৌ কেতিয়াবা পত্নীৰ বেমাৰৰ কথা। চিন্তা কৰি কৰি ৰমেন ভাগৰি পৰিছে। পত্নীৰ যিটো বেমাৰ হৈছে সেই বেমাৰৰ চিকিৎসাৰ বাবে ৰমেনৰ যথেষ্ট টকাৰ প্ৰয়োজন হ'ব। দিনটো হাজিৰা কৰি যি এপইচা পায় সেইকেইটা পইচাৰে ঘৰখন কোনোমতে চলিবলৈ হয়হে। কাৰোবাৰ ওচৰত খুজিবলৈ গ'লেও দুখীয়া বুলি উলটিয়েই নাচায়। পত্নীৰ যদি বেমাৰত মৃত্যু হয় তেতিয়া বাৰু কি অৱস্থা হ'ব? এইদৰে বিভিন্ন কথা চিন্তা কৰি থাকোতে ৰমেনে সময়ৰ কথা পাহৰিয়েই গৈছিল। কাষৰ মানুহঘৰৰ ঘড়ীৰ ছয় বজাৰ সংকেত শুনি ৰমেনে উচপ্ খাই বিচনাৰ পৰা নামি আহিল লাহে লাহে চিন্তিত মনেৰে। আগৰ কেইদিনৰ দৰে সেইদিনাও ৰমেনে ঘৰৰ সকলো কাম শেষ কৰি কিবা এটা খাই টাউনৰ ফালে খোজ ল'লে কিবা কাম পোৱাৰ আশাৰে। ৰমেনৰ মনলৈ বাৰে বাৰে পত্নীৰ বেমাৰৰ চিন্তা আহিবলৈ ধৰিলে। ভাবি ভাবি একো উপায় উলিয়াব নোৱাৰি বহুদূৰ খোজ কাঢ়ি অহা ভাগৰুৱা ক্লান্ত পথিকৰ দৰে ৰমেনে তিনি আলিটোৰ কাষত থকা শিমলু গছজোপাৰ ছাঁতে বহি পৰিল। গছৰ ছাঁতে বহি চিন্তা কৰি থাকোঁতে হঠাৎ ৰমেনৰ চকুত পৰিল অলপ দূৰত কিছুমান মানুহে কিবা কিবি বস্তু সেই ঠাইৰ পৰা ক'ৰবালৈ কঢ়িয়াইছে। ৰমেনে সেই মানুহকেইজনৰ ফালে আগবাঢ়ি গ'ল। ৰমেনে সেই ঠাইত উপস্থিত হোৱাৰ লগে লগে এজন শকত-আৱত ভদ্ৰ পুৰুষে অন্য ব্যক্তি কেইজনৰ দৰে তাকো বস্তুবোৰ কঢ়িয়াবলৈ নিৰ্দেশ দিলে। সংসাৰৰ নানা চিন্তা কৰি পুৰুষজনৰ নিৰ্দেশত অন্য ব্যক্তিসকলৰ লগত বস্তু কঢ়িয়াবলৈ ধৰিলে। কাম শেষ হোৱাৰ পিছত ভদ্ৰ পুৰুষজনে সিহঁতে পাবলগীয়া প্ৰাপ্য দি মটৰ চাইকেলত উঠি তাৰ পৰা গুচি গ'ল। কাম কৰা মানুহবোৰো কোন কেনি ফৰিং চিটিকা দিলে ৰমেনে তলকিবই নোৱাৰিলে। সি যিদৰে অকলশৰীয়াকৈ আহিছিল পুনৰ অকলশৰীয়াকৈয়ে ঘৰলৈ উভতিব লগীয়া হ'ল। অন্য দিনাতকৈ ৰমেনে সেইদিনা কম সময়তে যথেষ্টকেইটা টকা পালে। মনত ৰমেনৰ অলপ সুখৰ ছাঁ ফুটি উঠা দেখা গ'ল। ৰমেনে পোৱা টকাকেইটা হিচাপ নিকাচ কৰি দেখিলে সেই টকাৰে ঘৰৰ তেল, নিমখ, চাউল, শাক-পাচলি নিও পত্নীৰ বেমাৰৰ কাৰণে দুটামান ঔষধ কিনি নিব পাৰিব। ৰমেনে বাহিৰে বাহিৰে টাউনৰ এখন ফাৰ্মাচীৰ পৰা ঔষধ নিব পৰাকৈ তিনি আলিৰ কাষৰ গাঁৱৰ মাজেৰেই আগ বাঢ়িল। ৰমেনে এইদৰে হিচাপ নিকাচ কৰি থাকোঁতে তেতিয়া পশ্চিম আকাশত সূৰ্যদেৱতা প্ৰায় অস্ত গৈছেই। চৰাই-চিৰিকটিবিলাকো নিজৰ নিজৰ বাহলৈ ঢাপলি মেলিছে। ৰমেনে অলপ সোনকালে ঘৰ পোৱাৰ আশাৰে খৰখেদাকৈ খোজ দিবলৈ ধৰিলে। তিনিআলিৰ পৰা অলপ দূৰ গৈয়ে ৰমেনে কেইজনমান ডেকা ল'ৰাক লগ পালে। ডেকা ল'ৰাকেইজনে ৰমেনক বাট ভেটি ধৰিলে আৰু বিবিধ প্ৰশ্ন সুধিবলৈ ধৰিলে। ক'ৰপৰা আহিছে? ক'লৈ যাব? ঘৰ ক'ত? কি কৰে? ইত্যাদি। ৰমেনে ল'ৰাকেইজনক ঘৰত সি সোনকালে পাবগৈ লাগে বুলি কৈ বাট এৰি দিবলৈ ক'লে। সময় তেতিয়া প্ৰায় সন্ধিয়া। ইজনে সিজনক ভালকৈ চিনি নোপোৱা হৈছে। আন্ধাৰৰ সুযোগ লৈ ল'ৰাকেইজনে ৰমেনক নানা ভাবে শাৰীৰিক প্ৰহাৰ কৰিবলৈ ধৰিলে। ল'ৰাকেইজনৰ প্ৰহাৰত ৰমেন মাটিত ধলি পৰিল আৰু ল'ৰাকেইজনে ৰমেনৰ জেপৰ পৰা যিকেইটা পইচা আছিল আটাইকেইটা লৈ ততালিকে সেই ঠাইৰ পৰা পলাই পত্ৰং দিলে। অলপ সময়ৰ পিছত ৰমেনে জ্ঞান ঘূৰাই পাই জেপলৈ হাত নি দেখে তাৰ জেপত পইচা নাই। তেতিয়া ৰমেনে দুখতে ভাগি পৰি সেই ঠাইতে বহি পৰিল। বহি ৰমেনে পত্নীৰ কথা, ল'ৰাৰ কথা চিন্তা কৰি কৰি বহি থকা অৱস্থাতে মূৰ্চা গ'ল। ■



# মই দুটকীয়াই কৈছোঁ

(৭৩ পৃষ্ঠাৰ পিছৰ পৰা) দুদিনৰ পছতে তাৰে এজনে Police Inspector এজনক মোৰ বিনিময়ত দোকানৰ পৰা 'পান' এখন কিনি খুওৱাঁতে মই চিঞৰি ক'লো "ছাৰ নেখাব, নেখাব। ইয়েই ডকাইত, ইয়েই মোৰ পুৰণা মালিকক হত্যা কৰিছিল। ছাৰ ইয়াক এৰি নিদিব।" কিন্তু মোৰ ভাষাটো ছাৰে সম্ভৱ বুজি নেপালে। পাৰিছিল যদিও নোপোৱাৰ ভাও জুৰিলে। সি গুচি গ'ল? হঠাৎ ভাবিলো মই বহুত মূল্যহীন হৈছো যে এতিয়া মাত্ৰ মই পান খনৰ সমান হৈ পৰিলো। অৱশ্যে মোৰ যথেষ্ট বয়সো হৈছে।

মোৰ জীৱনৰ যাত্ৰাটো ইমান ক্ষিপ্ৰতৰ হৈছে যে তাৰ তুলনাত মোৰ প্ৰয়োজন আপোনাসবৰ নোহোৱা হৈছে। ধনীজাতৰ মানুহ বিলাকেতো মোক চুবই নিবিচাৰে। এদিন হঠাৎ ধনীজাতৰ এঘৰত প্ৰথমবাৰৰ বাবে ১০০০ নম্বৰ লগোৱা এজনক দেখিলো। দেহত আধুনিকতাৰ প্ৰলেপ আৰু চকুত অহংকাৰ ভাৱ ফুটাই তুলি তেওঁ মোক হাঁহিছিল, ইতিকিং কৰিছিল। মই মনতে ভাবিলোঁ —"নম্বৰটো ডাঙৰেই হওক বা সৰুয়েই হওক দানৱৰ হাতত লটি ঘটিটো খাবই লাগিব।"

এবাৰ এজন ল'ৰাই ফণিখন উলিয়াওতে মণিবেগৰ পৰা মুখ ঠেকেচা খাই ৰাস্তাত পৰি গ'লো। অলপ সময়ৰ পিছত দি যোৱা বৰষুণজাকত তিতি লেতু-হেতু হ'লো। হঠাতে গৰম সেক পাই হে জ্ঞান ঘূৰাই পালো। এজন বৃদ্ধই মোক প্ৰতিপালন কৰি আছে। কাষতে নাতি পোৱালিটোৱেই একান্তমনে পঢ়ি আছে। বুঢ়াৰ কথাত গম পালো মোৰ একাংশ এৰাই গৈছে। মোক মানুহজনে এনেহেন প্ৰতিপালন কৰিছে যেন মই তেওঁলোকৰ পৰিয়ালৰ সদস্যহে। মোৰ দেহ অলপ টনকিয়াল হ'লত নাতি-ল'ৰাটোৱে মোক তেওঁৰ ক্লিনিকলৈ লৈ গৈছিল। সৰু সৰু কাগজৰ টুকুৰা আৰু চেলুটেপৰ সহায়ত মোৰ ছিন্ন ভিন্ন দেহাটোক প্লাষ্টিক চাৰ্জাৰি কৰি পেলালে।

মই জীৱনৰ বাস্তৱ অভিজ্ঞতাৰে অলপ অভিজ্ঞ। আপোৱাসবৰ হাতৰ পৰশ মই পাইছো। সেয়েহে কওঁ "নতুনক আকোৱালি লওতে পুৰণিক একেবাৰে অনাদৰ কৰি গতিয়াই দিব নালাগে। গতিয়ালে আমাকো ভালদৰে গতিয়াব। সময় গতিশীল। সময়ৰ লগে লগে কিছুমান পৰিৱৰ্তন মানি ল'ব লাগিব সঁচা। কিন্তু পৰিৱৰ্তনবোৰ ধ্বংসাত্মক নহৈ গঠনাত্মক হ'লে ভাল। মোৰনো ক'বলৈ কি আছে? মই দুটকীয়াহে। ■

# স্বপ্ন সমুদ্ৰ

মানসজ্যোতি দাস



সৌৰজগতৰ সীমা চেৰাই গৈ মই উপস্থিত হৈছিলোগৈ আন এখন সৌৰজগতৰ 'লীনা' নামৰ গ্ৰহত। মোৰ লগত আছিল মোৰ বন্ধু ৰক্তিম আৰু বিদূৰ। আমাৰ মহাকাশ যানখনৰ নাম আছিল 'ৰশ্মিযান'। পোহৰৰ গতিবেগেৰে আমাৰ যানখন গৈ লীনা গ্ৰহত উপস্থিত হৈছিল। লীনা গ্ৰহৰ জলবায়ু প্ৰায় আমাৰ পৃথিৱীৰ দৰেই আমি পাইছিলো। বায়ুত অক্সিজেনৰ পৰিমাণ আছিল যথেষ্ঠ। মুঠতে জীৱৰ বাবে এটা স্বাস্থ্যকৰ পৰিৱেশ। লীনা গ্ৰহৰ গছ-গছনিবোৰ প্ৰায় পৃথিৱীৰ দৰেই দেখা গৈছিল। কিন্তু আকাৰটো পৃথিৱীতকৈ অলপ ডাঙৰ দেখা যায়। আচৰিতভাৱে আমাৰ যানখন যিডোখৰ ঠাইত অৱতৰণ কৰা হৈছিল সেইডোখৰ ঠাইত ইমানবোৰ বৃহৎ বৃহৎ গছ-গছনি থকা সত্বেও কোনো প্ৰাণী আমাৰ দৃষ্টিগোচৰ হোৱা নাছিল। আমি ঠাইডোখৰত অলপ জিৰণি ল'লোঁ। তাৰ পাছত তিনিও গ্ৰহটো অলপ ঘূৰি অহাৰ সিদ্ধান্ত ল'লো। সেই সময়তে আমি সুউটকৈ কিবা এটা মূৰৰ ওপৰেদি পাৰ হৈ যোৱা অনুভৱ কৰিলো। আমি ঘূৰি চায় দেখিলো এটা সৰু চৰাইজাতীয় জীৱ। চৰাইটো দেখিবলৈ অদ্ভূত আছিল। পাখিবোৰ সোণালী ৰঙৰ আৰু ঠেং চাৰিটা। ঠেং চাৰিটা কিবা মূল্যবান ধাতুৰ দৰে জিক্‌মিকাই আছিল। সেইটো এৰি আমি আগবঢ়াবলৈ সিদ্ধান্ত ল'লো। আমি যানৰ ভিতৰত থকা সৰু তিনিখন আসনযুক্ত যানখনত বহিলো। বিদূৰে সৰু ৰিমট ক'ণ্ট্ৰলাৰেদি মুখ্য দুৱাৰখন খুলিলে আৰু লগে লগে আমাৰ সৰু যানখন সেই দুৱাৰেদি ওলায় গৈ গ্ৰহটোৰ পশ্চিম দিশত অগ্ৰসৰ হ'ল; অনুসন্ধানৰ বাবে।

প্ৰায় দুই কিলোমিটাৰ মান পাৰ হোৱাৰ পাছত এখন বিশাল নগৰ আমাৰ দৃষ্টি গোচৰ হ'ল। এখন বিশাল নগৰ। নগৰখনত পকীঘৰ তেনেই কম। ঘৰবোৰ দেখিলে পৃথিৱীলৈ মনত পৰে। অৰ্থাৎ ত্ৰেতা-দ্বাপৰ যুগলৈ। ঘৰৰ চালবোৰ বৃহৎ বৃহৎ গছৰ পাত যেন অনুভৱ হয়। আমি কাৰোৰে যাতে দৃষ্টি গোচৰ নহওঁ তাৰ বাবে আমি বৃহৎ গছ এজোপাৰ আঁৰত ৰ'লো। আমাৰ যানখন বায়ুমণ্ডলত ওপঙি থাকিল। তাৰ পৰা আমি দূৰবীণ জাতীয় যন্ত্ৰৰ দ্বাৰা নগৰখন চাবলৈ চেষ্টা কৰিলো। অৰ্থাৎ যিমান পাৰো ভালদৰে অধ্যয়ন কৰিবলৈ চেষ্টা কৰিলো। অলপ দূৰলৈ দৃষ্টি ঘূৰোৱাত এটা বৃহৎ অট্টালিকা মোৰ দৃষ্টিগোচৰ হ'ল। অট্টালিকাটো মোৰ একেবাৰে ৰাজঅট্টালিকা যেন লাগিল। ৰক্তিম আৰু বিদূৰকো মই সেইফালে আঙুলিয়াই চাব কৈছিলো। কিন্তু আচৰিত এতিয়ালৈকে নগৰখনত কোনো ধৰণৰ প্ৰাণী মই দেখা নাছিলো।

"গ্ৰহটোৰ সভ্যতা বেছি পুৰণি যেন নালাগে।" ৰক্তিমে ক'লে।

"তেনেকুৱাই লাগে। কিন্তু ইয়াত কোনো প্ৰজাতিৰ সভ্য প্ৰাণী মোৰ দৃষ্টিগোচৰ হোৱা নাই কিয়?" মই ক'লো।

"মোৰো হোৱা নাই।" বিদূৰে ক'লে।

"কিবা আচৰিত যেন নালাগে নে?" মই ক'লো।

"কিবা এটা কাৰণ নিশ্চয় আছে।" ৰক্তিমে কোৱাৰ পাছত আমি এটা ডাঙৰ শব্দ শুনিবলৈ পালো। "গুপ" "গুপ" "গুপ" একেলেথাৰিয়ে এই শব্দটো আমি শুনিবলৈ পোৱাৰ পাছত নগৰৰ মাজত আমি দেখিবলৈ পালো এক বৃহৎ আকাৰৰ প্ৰাণী। এটা আচৰিত তথা কুৎসিত জীৱ। দুটা ঠেঙৰ ওপৰত তিনিখন হাত থকা জীৱ। দুখন হাত আমাৰ মানুহৰ দৰেই কিন্তু তৃতীয়খন হাত বুকুৰ সোঁ মাজত। দুটা দীঘল দাঁত, দঁতাল হাতীৰ দৰে ওলোৱা। দুটা ম'হৰ দৰে শিং, গাৰ বৰণ পৃথিৱীৰ নিগ্ৰো মানুহতকৈও ক'লা আৰু চকুকেইটা বোন্দা মেকুৰীৰ দৰে জিক্‌মিকাই আছিল। সি এফালৰ পৰা জুপুৰিৰ দৰে সৰু ঘৰবোৰ গচকি মোহাৰি গৈছিল। কিন্তু তেতিয়ালৈকে কোনো সভ্য প্ৰাণী আমাৰ দৃষ্টিগোচৰ নোহোৱাত আমি আচৰিত হৈছিলো। অৱশেষত বিকট আকৃতিৰ প্ৰাণীটো গৈ ৰাজঅট্টালিকা সদৃশ ঘৰটোৰ সন্মুখত ৰ'ল আৰু কিবা কিবি বিংবাং বকিবলৈ ধৰিলে। লগে লগে আমি আমাৰ যানখন নগৰখনৰ মাজলৈ এৰি দিলো আৰু এটা ঘৰৰ আঁৰত লুকাবলৈ চেষ্টা কৰিলো। তাৰ পাছত তিনিওৱে তিনিটা মাইক্ৰ'ফ'ন জাতীয় যন্ত্ৰ কাণত আৰু মুখত লগায় ললো। এই যন্ত্ৰ লগায় ল'লে বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো ভাষা আমি বুজি পাওঁ। আৰু আমি



কোৱা কথাবোৰআন প্ৰাণীবোৰে বুজি পায়। লগে লগে আমি বৃহৎ প্ৰাণীটোৱে কোৱা কথাবোৰ বুজি পালো। সি কৈছিল — "ঐ ৰজা আজিৰ ভোজন দুটা সোনকালে পঠিয়া। নহ'লে মোৰ শক্তিৰ কথা তই জানই। এই অট্টালিকা ভাঙি চুৰমাৰ কৰি প্ৰথমে তোক খাম। তাৰ পাছতহে আনক খাম।"

লগে লগে আমি বুজি পালো যে এই গ্ৰহৰ এইটো এটা ৰাক্ষস। যাৰ ভয়ত সকলো প্ৰজা ৰজাৰ অট্টালিকাত সোমায় আছে। সেইকাৰণে আমি এতিয়ালৈকে কোনো প্ৰাণী দেখা নাছিলো। অলপ সময়ৰ পাছত এটা অসহায় প্ৰাণী অট্টালিকাৰ পৰা ওলায় আহিল। তাৰ পাছে পাছে দৌৰি আহিল আন এটা প্ৰাণী। পাছে পাছে দৌৰি অহা প্ৰাণীটো আচলতে প্ৰাণীটো নহয়। প্ৰাণীজনীহে। দেখিবলৈ প্ৰায় পৃথিৱীৰ মানুহৰ দৰেই। তাইক দেখিবলৈ একেবাৰে অপেশ্বৰী যেন লাগিল। আগত যিটো প্ৰাণী আহিছিল সেইটোও পৃথিৱীৰ মানুহৰ দৰেই। মাত্ৰ সি অলপ চাপৰ আৰু বান্দৰৰ দৰে এডাল নেজ আছে। অৰ্থাৎ এই গ্ৰহৰ পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গৰ এটা পাৰ্থক্য হ'ল পুংলিঙ্গৰ সেই নেজডাল। এইবোৰেই হয়তো লীনা গ্ৰহৰ সভ্য প্ৰাণী মই ধাৰণা কৰিলোঁ। অসহায় প্ৰাণীটোৱে অসহায়ভাৱে কৈছিল, "খা, মোকেই খা, মোৰ জীক খা, লীনা গ্ৰহত লীনু আৰু শেষ, যি কেইজন আছে আৰু কেইদিনমানৰ পাছত তই খাই পেলাবি। তাৰ পাছত কি খাবি। নিজৰ মাংসে খাবি।"

"ৰজা তয়েই আহিলি। হাঃ হাঃ হাঃ ঠিক আছে তোৰ মাংস খায়েই ভাল লাগিব।"

এইখিনি কথোপকথনৰ পৰা মই বুজিব পাৰিলো যে এইজনেই লীনা গ্ৰহৰ ৰজা আৰু সেই প্ৰাণীজনী ৰাজকুমাৰী আৰু এইগ্ৰহৰ সভ্য প্ৰাণীবোৰৰ নাম লীনু। ইতিমধ্যে ৰাক্ষসটোৱে তললৈ চাপৰি বজাই ৰজা আৰু ৰাজকুমাৰীক থাপ মাৰি ধৰি হাতত তুলিলে। মই লগে লগে ৰক্তিম আৰু বিদূৰক ক'লো, "আজি আমি মানৱ ধৰ্ম ৰক্ষা কৰিব লাগিব। দুজন অসহায়ক এই ৰাক্ষসৰ পৰা উদ্ধাৰ কৰিব লাগিব।"

"কিন্তু এই বৃহৎ ৰাক্ষসক আমি জানো শেষ কৰিব পাৰিম।" — বিদূৰে ক'লে।

"কামটো কৰাৰ পাছতহে তাৰ ফল জনা যায়। আমি চেষ্টা কৰি চোৱাত একো ক্ষতি নহয়। যদি আমি তাক ধ্বংস কৰিব নোৱাৰো আমি এই যানেদি বিজুলী বেগেৰে পলায় যাব পাৰিম।" মই ক'লো।

"আৰু এটা কথা বিদূৰ আমি অনুমান কৰা মতে এই গ্ৰহৰ সভ্যতা বৰ বেছি পুৰণি নহয়। হয়তো ইয়াত আমাৰ দৰে অত্যাধুনিক মৰণাস্ত্ৰ নাথাকিবও পাৰে। গতিকে ইহঁতে এই ৰাক্ষসক ধ্বংস কৰিবলৈ সক্ষম হোৱা নাই। আমাৰ এইবিলাক মৰণাস্ত্ৰৰে আমি এটা বৃহৎ শিলৰ মাজেৰেও ছিদ্ৰৰ সৃষ্টি কৰিব পাৰো।"

"ওঁ কথাটো হয়।" — বিদূৰে ক'লে।

"তেন্তে পলম কৰি লাভ নাই, ব'লা।" — মই ক'লো।

আমি আমাৰ যানখন ৰাক্ষসটোৰ ঠিক পিছফালে বায়ুত স্থিৰ কৰিলো। ইতিমধ্যে ৰাক্ষসে ৰজা আৰু ৰাজকুমাৰীক মুখৰ ওচৰলৈ খাবৰ বাবে আনিছিল তেনেতে আমি তিনিওৱে একেলগে মৰাণাস্ত্ৰৰ পৰা তিনিডাল ৰশ্মি ৰাক্ষসৰ কঁকালৰ পোনত নিক্ষেপ কৰিলোঁ। লগে লগে ৰাক্ষসৰ কঁকালত তিনিটা ছিদ্ৰৰ সৃষ্টি হ'ল। ৰাক্ষসে বিষ অনুভৱ কৰি ৰজা-ৰাজকুমাৰীক হাতৰ মুঠিৰ পৰা এৰি কঁকালত ধৰি ঘূৰি চালে। ৰজা আৰু ৰাজকুমাৰী তলত পৰিল। অলপ দুখো পালে। এইবাৰ আমি তিনিওৱে তিনিডাল ৰশ্মি নিক্ষেপ কৰিলোঁ। বিদূৰে আৰু ৰক্তিমে বুকুলৈ আৰু মই নাভি লৈ। কিন্তু ৰাক্ষসৰকোনো কেট-কুটেই নহ'ল। সি এইবাৰ আমাক খেদি আহিলে। আমি অলপ পিছুৱাই গ'লো। ৰজাই আঁকৰা হৈ আমাৰ যুদ্ধ চাই থাকিল। এইবাৰ আমি একেলেথাৰীয়ে বহুতো ৰশ্মি ৰাক্ষসৰ চকুলৈ নিক্ষেপ কৰিলোঁ। ৰাক্ষসৰ চকু ফাটি তেজ ওলাব ধৰিলে। ৰাক্ষসটো দৃষ্টিহীন হৈ পৰিল। আমি এইবাৰ একেলেথাৰীয়ে বহু ৰশ্মি ৰাক্ষসৰ ডিঙিত নিক্ষেপ কৰিলোঁ। প্ৰায় পোন্ধৰ মিনিটমান একেৰাহে ৰাক্ষসৰ ডিঙিত ৰশ্মি নিক্ষেপ কৰাৰ পাছত ৰাক্ষসৰ ডিঙি খহি লীনাপৃষ্ঠত পৰিল আৰু লগে লগে ৰাক্ষসৰ দেহ। লগে লগে এক বৃহৎ শব্দ হ'ল আৰু লীনা গ্ৰহটো অলপ কঁপিল। পৃথিৱীত হোৱা হ'লে ইয়াক ভূমিকম্প বুলি ক'লেহেঁতেন। এতিয়া লীনাত মই ইয়াক লীনাকম্প বুলিয়েই ধৰিলোঁ। আমি আমাৰ যানখন ৰজাৰ সন্মুখত অৱতৰণ কৰিলো। লগে লগে বহুতো লীনু অট্টালিকাৰ ভিতৰৰ পৰা ওলায় আহিল। সকলোৱে আমালৈ মূৰ দোঁৱায় "ভগৱান", "ভগৱান" কৰিব ধৰিলে। আমি লীনুসকলক বুজাই ক'লো যে আমি ভগৱান নহয় আমি পৃথিৱীবাসীহে। আমি বিশ্বব্ৰহ্মাণ্ডত জীৱৰ সন্ধানত ওলায় আহিছো। আমাৰ সকলো কথা বিৱৰি কোৱাত ৰজাই আমাক অট্টালিকাৰ ভিতৰৰ অতিথিকক্ষলৈ নিলে। আমি তাতে অলপ বিশ্ৰাম কৰিলোঁ সোমোৱাই লীনাগ্ৰহৰ ৰজাই লীনাগ্ৰহৰ বিষয়ে আমাক বিৱৰি ক'লে। ৰজাই ক'লে যে তেওঁ সত্যবাদী। তেওঁহেনো সমগ্ৰ লীনা গ্ৰহত প্ৰচাৰ কৰিছিল যে যিয়ে ৰাক্ষসক বধ কৰিব পাৰিব সিয়ে ৰাজকুমাৰীক বিবাহ কৰাব। এতিয়া ৰাক্ষসক তোমালোকে বধ কৰিলা গতিকে তোমালোকৰ কোনোবা এজনে ৰাজকুমাৰীক বিবাহ কৰোৱা। ৰজাই সেইবুলি কোৱাৰ লগে লগে আমাৰ মাজত এটা খেলি-মেলিৰ সৃষ্টি হ'ল যে কোনে ৰাজকুমাৰীক বিবাহ কৰাব। মই বিদূৰ আৰু ৰক্তিমক ক'লো যে তহঁতৰটো পৃথিৱীত গাৰ্লফ্ৰেণ্ড আছেই। তহঁতি যদি ৰাজকুমাৰীক বিবাহ কৰ তেন্তে তহঁতি তহঁতৰ গাৰ্লফ্ৰেণ্ডক প্ৰতাৰণা কৰা হ'ব। আৰু প্ৰতাৰণা মানেই পাপ। গতিকে তহঁতে এই সুবিধাটো মোক দে। কাৰণ পৃথিৱীৰ ছোৱালীয়েতো মোক পাত্তাই নিদিয়ে। মোৰ কথাত সিহঁত দুটা মান্তি হ'ল। ৰজাই আমাৰ কথা শুনি অলপ হাঁহিলে। অৱশ্যে ৰাজকুমাৰীৰ সৈতে মোৰ বিয়া নহ'ল। মই বৰষুণত তিতা যেন অনুভৱ কৰিলো। আৰু লগে লগে এটা চিনাকি মাতৰ এষাৰি আমনি লগা বাক্য শুনিলো। "ঐ মাধু আঠ বাজিল ওঠ। কলেজলৈ যাবলৈ নাই নেকি?" অৰ্থাৎ বিজিতদাই মোক পানী ছটিয়াই স্বপ্ন-সমুদ্ৰৰ পৰা সাৰ পোৱাই দিলে। বিজিতদাই মোক মাধু বুলি মাতে। ভাবিলো বিজিতদাৰ বাবে মোৰ আজি ৰাজকুমাৰীৰ স'তে বিবাহ নহ'ল। অৱশেষত এই সপোনটোক কলেজৰ আলোচনীলৈ পঠাবলৈ মই সিদ্ধান্ত ল'লো। মনত বৰ দুখ। ৰাজকুমাৰীক এৰি থৈ আহিলো লীনা গ্ৰহত। এতিয়া ভাবিছোঁ বিদূৰ আৰু ৰক্তিমৰ দৰে পৃথিৱীতে এজনী চাম। পৃথিৱীৰ ছোৱালীবোৰেও যেন সঁহাৰি দিয়ে, এই আশাৰে... ■

# হৃদয়ত মাথোঁ তোমাৰ নাম

✍নৱনীতা চেতিয়া



কৃষ্ণচূড়া ফুলাৰ বতৰতে
প্ৰতিশ্ৰুতি দি এৰি গ'লা হঠাতে ...
এতিয়া চাব নোৱাৰো
কৃষ্ণচূড়া ফুলিলে
বুকুখন হাহাকাৰ কৰি উঠে
আজিও ৰৈ আছো মই নীৰবে
কৃষ্ণচূড়াৰ তলতে
তোমাৰ স্মৃতি লৈ বুকুৰ মাজতে ...

নিজৰ ৰুমৰ খিৰিকীখন খুলি দি অনিন্দিতাই এটা দীঘল উশাহ ল'লে। ৰাতিপুৱাৰে পৰা কান্দি কান্দি তাই ভাগৰি পৰিছে। তথাপিও তাইৰ চকুৰ পানী শেষ হোৱা নাই। আজি এবছৰ ধৰি তাই নিসংগতাত দিন কটাইছে। সংগী মাত্ৰ তাইৰ চকুপানীখিনি। বহু দিন হ'ল তাই ঘৰৰ বাহিৰত ক'তো ফুৰিবলৈ যোৱা নাই। আচলতে তাই এই ফুৰা-চকা কৰাতো একেবাৰে পাহৰি গ'ল। মনত পৰে তাইৰ এবছৰৰ আগতে প্ৰাণদ্বীপৰ লগত সপ্তাহত দুবাৰকৈ য'ত ত'ত ফুৰিবলৈ ওলাই গৈছিল। শ্বপিং কৰা, চিনেমা চোৱা, পাৰ্কত ফুৰিবলৈ যোৱা আদিৰে তাইৰ জীৱনটোক প্ৰাণদ্বীপে হাঁহিৰে সজাই ৰাখিছিল। তাত কোনো দুখৰ ছাঁ নাছিল। ভগৱানৰ ওচৰত আনিন্দিতাই সদায় প্ৰাৰ্থনা কৰিছিল তাহাঁতৰ জীৱনলৈ যেন কেতিয়াও দুখৰ সময় নাহে। সদায় হাঁহিৰে সিহঁতৰ জীৱনটো যেন পাৰ হয়। ভগৱানক বিশ্বাসত লৈ তাই সদায় পুৱা-গধূলি প্ৰাৰ্থনা কৰিছিল।

কিন্তু হঠাৎ পৃথিৱীখন যেন তাইৰ ভৰিৰ তলৰপৰা আঁতৰি গ'ল। নিমিষতে। প্ৰাণদ্বীপে চিৰজীৱনৰ কাৰণে আঁতৰি গ'ল মৃত্যুৰ সৈতে। সেইদিনা তাই কান্দিবও নাজানিছিল। থৰ হৈ ৰৈ গৈছিল। প্ৰাণদ্বীপৰ মৃত্যুৰ বাতৰিয়ে তাইক বোবা কৰি পেলাইছিল। ঘৰৰ সকলোৱে তাইৰ গাত জোকৰি দিছিল। গালত চৰ মাৰিছিল, সকলোৱে চিঞৰি চিঞৰি কৈছিল, "অনি, তই কিবা এটা ক। তই কান্দ অনি, তই কান্দিব লাগিব, তোৰ 'প্ৰাণ'ৰ মৃত্যু হৈছে। তোৰ প্ৰাণ আৰু জীয়াই থকা নাই। তাইৰ বৌয়েকে তাইৰ গাত ধৰি জোকাৰি জোকাৰি কৈছিল, অনি তোমাৰ চকুপানী কিয় ওলোৱা নাই। তাৰ পাছত তাই কান্দিছিল, বহুত কান্দিছিল।

আজিও তাইৰ চকুপানী শেষ হোৱা নাই। প্ৰাণদ্বীপৰ মৃত্যুৱে আজি এবছৰত ভৰি দিলে। তাইৰ আজি বেছিকৈ মনত পৰিছে প্ৰাণদ্বীপলৈ। কিয় ভগৱানে তাইৰ ওচৰৰ পৰা প্ৰাণক কাঢ়ি লৈ গ'ল? ভগৱান তুমি ইমান নিষ্ঠুৰ হ'লা। তোমাৰ প্ৰতি মই বিশ্বাস হেৰুৱাই পেলালো। ইমান কষ্ট মোক কিয় দিছা। মোকো লৈ যোৱা প্ৰাণৰ ওচৰলৈ। প্ৰাণ, তুমি লৈ যোৱানা মোক। তুমি মোৰ অবিহনে থাকিব পাৰিছা? তুমি দিয়া প্ৰতিশ্ৰুতিবোৰ আজি ক'ত হেৰাল? তোমাৰ সেই হাঁহিভৰা মুখৰ ৰসাল কথাবোৰ মোৰ বৰ মন গৈছে শুনিবলৈ প্ৰাণ। তাইৰ দুগালে দুধাৰি অশ্ৰু আকৌ বৈ আহিল। আগতে প্ৰাণদ্বীপৰ লগত কটোৱা সেই দিনবোৰলৈ বৰকৈ মনত পৰিল।

ডিব্ৰুগড়ৰ পৰা হায়াৰ ছেকেণ্ডাৰী পাছ কৰি অনিন্দিতাই গুৱাহাটী কটন কলেজত পঢ়িবলৈ গৈছিল। তাতেই চিনাকি হৈছিল প্ৰাণদ্বীপৰ লগত। প্ৰথম চিনাকিতে কিছু ভাল লাগিছিল প্ৰাণদ্বীপক। খুব মাৰ্জিত স্বভাৱৰ ল'ৰা, তাৰ উজ্জ্বল দুচকুত কিবা এটা মৰম সনা চাৱনি বিচাৰি পাইছিল অনিন্দিতাই। কলেজৰ প্ৰথম দিনটোতেই চিনাকি হৈছিল প্ৰাণদ্বীপৰ লগত। কলেজৰ প্ৰথম দিনটোৰ তাইৰ ইতস্ততঃ ভৰি দুখন দেখিয়েই নিজে চিনাকি হ'বলৈ আহিছিল।

"হাই!" — মিঠা বৰণীয়া ল'ৰাজনৰ উজ্জ্বল দুচকুৰে। মুখত হাঁহি লৈ তাইলৈ এখন হাত আগবঢ়াই দিছিল।

অনিন্দিতা অলপ অপ্ৰস্তুত হৈছিল। তথাপি তাই "হেল্লু" বুলি নিজৰ হাতখন আগবঢ়াই দিছিল।

"আমাৰ কলেজত তুমি নতুন নেকি?" হাঁহি ভৰা মুখেৰে সুধিছিল।

"হয়।" — অনিন্দিতাই চমু উত্তৰ দিছিল।

"তোমাৰ নামটো জানিব পাৰিমনে?"

"নিশ্চয়। অনিন্দিতা, অনিন্দিতা বৰুৱা।" — লাহেকৈ অনিন্দিতাই ক'লে।

"ক'ত থাকা?" — হাঁহি ভৰা মুখেৰে আকৌ প্ৰশ্ন কৰিলে।

"মণিৰাম দেৱান পথত। মাহীৰ ঘৰত।" — অনিন্দিতাৰ চমু উত্তৰ।

"এতিয়া তোমাৰ কিবা ক্লাছ আছেনেকি?"

"হয় আছে।"

"ঠিক আছে। পাছত লগ পাম। গুছি গৈছিল সেই উজ্জ্বল দুচকু তাইৰ চকুৰ আগৰ পৰা।

একেথৰে ল'ৰাজন যোৱা ফালে চাই ৰ'ল অনিন্দিতাই। ছেঃ মইযে তাৰ নামটো নুসুধিলো। কি যে ছোৱালী মই। ওলোটাই এটাও নুসুধিলো। কি বুলি ভাবিছে বাৰু মোক?

প্ৰত্যেকদিনা অনিন্দিতাৰ দুচকুৱে বিচাৰি ফুৰে সেই উজ্জ্বল চকুজুৰি, কলেজৰ প্ৰতিটো কোণতে। কলেজৰ তৃতীয় দিনা অনিন্দিতা ক্লাছ কৰি বাহিৰলৈ ওলাই আহিছিল। হঠাৎ তাইৰ সমুখত থিয় হ'লহি সেই সন্ধানী চকুজুৰি।

"হাই অনিন্দিতা।"

"হাই —"

"ফ্ৰী আছানে?"

"ফ্ৰীয়ে।"

"ব'লা সেই বেঞ্চখনত বহি কথা পাতো।" — অলপ দূৰত থকা বেঞ্চ এখন আঙুলিয়াই দি ক'লে।

"ব'লা।"

দুয়ো গৈ বেঞ্চখনত বহিলগৈ। বহিয়ে অনিন্দিতাই লাহেকৈ সুধিলে —

"তোমাৰ নামটো জনাব পাৰিবানে?"

"ঠিক, তুমি সুধিছা যেতিয়া পাৰিম। মই ভাবিছিলো তুমি মোৰ নামটো জানিব নোখোজা। মোৰ নাম 'প্ৰাণ' — প্ৰাণদ্বীপ হাজৰিকা। মোৰ জন্ম যোৰহাটত যদিও মই সৰুৰে পৰা মামাৰ ঘৰত, মানে গুৱাহাটীত থাকো।"

অনিন্দিতাই একো ক'বলৈ নিদিয়াকৈ প্ৰাণদ্বীপে নিজৰ পৰিচয় দি গ'ল। তেনেদৰে বহুত কথা পাতিলে প্ৰাণদ্বীপৰ লগত। প্ৰথম চিনাকিতে বহুত ভাল লাগিল প্ৰাণদ্বীপক। উজ্জ্বল দুচকু। মিঠা বৰণীয়া মুখখনৰ হাঁহিৰে সঁচাকৈ প্ৰাণদ্বীপক বৰ ভাল লাগিল।

এনেদৰে কলেজত কথাবতৰাৰ মাজেৰে দিনবোৰ পাৰ হ'বলৈ ধৰিলে। প্ৰাণদ্বীপ এদিন কলেজ নাহিলে অনিন্দিতাৰ নিঃসংগ যেন লাগে। আকৌ প্ৰাণদ্বীপৰো অনিন্দিতা নাহিলে ভাল নালাগে। দিনবোৰ অতিবাহিত হৈছিল সিহঁতৰ বিভিন্ন কথা-বতৰাৰ মাজেৰে। অনিন্দিতাৰ প্ৰতি প্ৰেমৰ ভাব প্ৰথমে প্ৰকাশ কৰিব পৰা নাছিল। তথাপি, এদিন প্ৰাণদ্বীপে অনিন্দিতাৰ আগত নিজৰ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে। অনিন্দিতাইও কোনো আপত্তি নকৰাকৈ প্ৰাণদ্বীপৰ প্ৰেম স্বীকাৰ কৰিলে। কথা-বতৰাৰ মাজেৰে প্ৰাণদ্বীপে অনিন্দিতাৰ সলনি 'অনি' বুলি মাতে, অনিন্দিতাইও প্ৰাণদ্বীপক 'প্ৰাণ' বুলি মাতিবলৈ ল'লে। এনেদৰে সিহঁতৰ প্ৰেমে তিনিটা বছৰ অতিক্ৰম কৰিলে।

অনিন্দিতাই এদিন প্ৰাণদ্বীপক ডিব্ৰুগড়লৈ আনি নিজৰ মাক-দেউতাক, ককায়েক-বৌয়েকক চিনাকি কৰাই দিলে। নিজৰ প্ৰেমৰ কথা মাক-দেউতাকক ক'ব নোৱাৰি একমাত্ৰ বৌয়েকক কৈছিল প্ৰাণদ্বীপৰ লগত তাইৰ প্ৰেমৰ কথা, প্ৰাণদ্বীপৰ অবিহনে জীয়াই থাকিব নোৱাৰা কথা। ভাবিব নোৱাৰাকৈ সিহঁতৰ প্ৰেম গভীৰ হৈ গৈছিল।

বৌৱেকে হাঁহি মাৰি কৈছিল—

"তুমি একো চিন্তা নকৰিবা। সকলো ঠিক হৈ যাব। মা-দেউতাক মই বুজাই কম।" সঁচাকৈয়ে বৌয়েকে কোৱাৰ দৰে সকলো ঠিকে আছিল। তাইৰ মাক-দেউতাকেও প্ৰাণদ্বীপক ভাল পাইছিল। ভালদৰে উপলব্ধি কৰিব পাৰিছিল সিহঁতৰ গভীৰ প্ৰেমৰ কথা।

প্ৰাণদ্বীপেও তাইকলৈ গৈছিল তাৰ মাক-দেউতাকৰ ওচৰলৈ। তাইক খুব মৰম কৰিছিল প্ৰাণদ্বীপৰ মাক-দেউতাকে। বাৰে বাৰে কৈছিল — বোৱাৰী সাজত তোমাক আমাৰ মাজত

সোনকালে যেন পাওঁ। তোমাৰ হাতৰ ভাতসাজ সোনকালে যেন খাবলৈ পাওঁ। বৰ মৰমীয়াল আছিল প্ৰাণদ্বীপৰ মাক-দেউতাক। প্ৰাণদ্বীপ তেখেত সকলৰ একমাত্ৰ সন্তান।

দুয়োখন ঘৰৰ মাজত অহা-যোৱা চলিছিল। তাহাঁতৰ বিয়াৰ কথা-বতৰাও হৈছিল। যিদিনা প্ৰাণদ্বীপে এই কথাষাৰ গম পাইছিল খুব আনন্দ কৰিছিল। অনিন্দিতাৰ মনটোও এক অপাৰ আনন্দত নাচি উঠিছিল। সিহঁতৰ প্ৰেম সঁচাই সফল হৈছে।

গধূলি প্ৰায়ে অনিন্দিতাৰ ওচৰলৈ প্ৰাণদ্বীপ আহে। ঘৰৰ ওচৰত থকা কৃষ্ণচূড়া জোপাৰ তলত বহি সিহঁতৰ মনৰ কথা পাতে। ভৱিষ্যতৰ সপোন ৰচে। শেষবাৰৰ কাৰণে অনিন্দিতাই লগ পাইছিল প্ৰাণদ্বীপক গোৱালৈ যোৱাৰ আগতে এই কৃষ্ণচূড়াজোপাৰ তলতে — ভবা নাছিল এয়ে সিহঁতৰ শেষ দেখা।

কৃষ্ণচূড়াজোপাৰ তলতে প্ৰাণদ্বীপে অনিন্দিতাক কৈছিল —

"অনি বিয়াৰ পাছতো তুমি মোৰ ওচৰত এনেদৰে থাকিবানে?"

"কি কোৱা তুমি। তোমাৰ ওচৰত নাথাকি আৰু কাৰ ওচৰত থাকিম?"

" মই জানো মোৰ প্ৰতি তোমাৰ ভাল পোৱাৰ অকণমানো কৃত্ৰিমতা নাই। তথাপি মোৰ ভয় হয় তুমি যদি মোক এৰি যোৱা।"

"প্ৰাণ কি কথা তুমি ক'ব বিচাৰা। তোমাৰ বাহিৰে মোৰ জীৱনত আৰু একোৱেই নাই। তুমি কিন্তু মোক কেতিয়াও অকলশৰে নেৰিবা।"

"নাই নেৰো। কিন্তু তাৰ আগতে তুমি এটা প্ৰতিশ্ৰুতি দিয়া।"

"কি?"

"তুমিতো জানা মোৰ এটা ট্ৰেইনিঙৰ কাৰণে ২৬ তাৰিখে গোৱালৈ যাব লাগে।"

"জানো প্ৰাণ।"

"এমাহ ধৰি মই গোৱাত থাকিব লাগিব। সেই দিনকেইটাত তুমি সদায় গধূলি এই কৃষ্ণচূড়াৰ তললৈ আহিবা।"

"কিয়?"

"জানা অনি, তুমি আৰু এই কৃষ্ণচূড়াজোপা মোৰ জীৱনৰ উশাহ-নিশাহৰ লগত জড়িত হৈ আছা, সেয়ে। এই সন্ধিয়াবেলি আমি ইয়াত বহিছো এই কৃষ্ণচূড়াৰ তলত, তাত মানে গোৱাত এই সন্ধিয়া সময়খিনি মোৰ বাবে বৰ অকলশৰীয়া হৈ পৰিব। সেয়ে মই প্ৰতিটো সন্ধিয়াতে মোৰ দুচকু মুদি থাকি, মোৰ মনটো কৃষ্ণচূড়াৰ তললৈ আহিব তোমাক লগ পাবলৈ।"

"কি যে কথা কোৱা তুমি।" অনিন্দিতাই প্ৰাণদ্বীপৰ কথা শুনি হাঁহি দিলে।

"সঁচা কৈছোঁ তুমি বিশ্বাস কৰা।"

"মই জানো, তুমি য'তে থাকা কুশলে থাকিবা আৰু মই তোমাৰ কাষতে থাকিম।"

"অ' তাৰমানে মই ইমান দিন গোৱাত থাকিমগৈ তোমাৰ মনটো বেয়া লগা নাই।" অভিমানৰ সুৰেৰে প্ৰাণদ্বীপে ক'লে।

"আৰু নকবা।" অনিন্দিতাৰ দুচকু চলচলীয়া হৈ পৰিল।

"এই আকৰী তুমি কান্দিছা। ধেৎ মই ধেমালিহে কৰিছো। বাৰু বাদ দিয়া। বহুত দেৰি হ'ল। ব'লা মাহঁতে আমাৰ বাবে চাহ খাবলৈ ৰৈ আছে ছাগে।" অনিন্দিতাই কোনো প্ৰতিবাদ নকৰাকৈ উঠি গ'ল।

আজি ২৬ তাৰিখ। প্ৰাণদ্বীপ গোৱালৈ যাব। অনিন্দিতাই ৰাতিপুৱাৰে পৰা কান্দি আছে। মটৰ চাইকেলৰ মাত শুনি অনিন্দিতা বাহিৰলৈ দৌৰ মাৰি ওলাই আহিল। প্ৰাণদ্বীপ আহিছে। তাই দৌৰ মাৰি প্ৰাণদ্বীপৰ ওচৰ পালেগৈ।

"এই কান্দিছা কিয়?" প্ৰাণদ্বীপে মৰমেৰে সুধিলে।

"তোমাৰ যাবৰ হ'লেই নেকি? প্ৰাণদ্বীপৰ প্ৰশ্নৰ উত্তৰ নিদি তাই সুধিলে।

"হৈছে। সেয়ে তোমাক এবাৰ চাই যাওঁ বুলি আহিলো।"

"তুমি সোনকালে আহিবা প্ৰাণ।" — প্ৰাণদ্বীপৰ দুবাহুৰ মাজত তাই হুকহুকাই কান্দি দিলে।

"ধেৎ কিয় কান্দিছা। মইতো সোনকালে আহিম। তুমি যদি এনেদৰে কান্দি মোক বিদায় দিয়া মোৰ মনটো ভাল নালগিব নহয়। মইতো চিৰদিনৰ কাৰণে তোমাৰ ওচৰৰ পৰা যোৱা নাই। প্লিজ নাকান্দিবা। মোৰ দেৰি হৈছে। ৩ বজাত ট্ৰেইন আছে। আহোঁ, ভালদৰে থাকিবা।"

"যোৱা ফোন কৰিবা। All the best."

"Thanks, bye bye তুমি নাকান্দিবা কিন্তু। নহ'লে মই বৰ কষ্ট পাম।" যোৱাৰ সময়ত প্ৰাণদ্বীপে চিঞৰি কৈছিল।

প্ৰাণদ্বীপ সেইদিনা গুচি গৈছিল গোৱালৈ। অনিন্দিতাই বৰ অকলশৰীয়া অনুভৱ কৰিছিল। ৰাতি তাই বাৰে বাৰে ভগৱানক প্ৰাৰ্থনা কৰিছিল — "হে ভগৱান প্ৰাণ ভালে ভালে গোৱা পায়গৈ যেন।"

পিছদিনা ৰাতিপুৱা তাই শুই উঠা অলপ পলম হ'ল। খৰধৰকৈ উঠি হাত-মুখ ধুই চাহ কাপ খাবৰ বাবে তাই পাকঘৰত মাকৰ ওচৰ পালেগৈ। পাকঘৰত সকলোৱে একেলগে মন মাৰি বহি আছে।

"কি হ'ল বৌ?" তাই বৌয়েকক সুধিলে।

"আৰে কি হৈছে নোকোৱা কিয়? মা কান্দিছা কিয়?"



"আজিৰ পেপাৰখন চাচোন অনি" — ককায়েকে ক'লে।

"কি হ'ল কিবা বেয়া খবৰ আছেনেকি?"

পেপাৰখন হাতত লৈ তাই প্ৰথম পৃষ্ঠাতে দেখিলে ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে গুৱাহাটীৰ পৰা গোৱা অভিমুখি ট্ৰেইনত বোমা বিস্ফোৰণ। ১২ জন নিহত, ১২৫ জন আহত। নিহত সকলৰ ভিতৰত বহু ডেকা, প্ৰদীপ, ৰমন, প্ৰাণদ্বীপ হাজৰিকা ...

তাই আৰু বাকীখিনি পঢ়িব নোৱাৰিলে। হাতৰ পৰা পেপাৰখন সৰি পৰিল। তাইৰ বুকুখন ক্ৰমাৎ কঁপিবলৈ ধৰিলে। উশাহ-নিশাহ যেন তাইৰ বন্ধ হৈ পৰিল। পৃথিৱীখন তাইৰ ভৰিৰ তলৰপৰা আঁতৰি গ'ল। তাই থৰ হৈৰ'ল। প্ৰাণ, প্ৰাণ বুলি দুবাৰমান চিঞ্ৰৱাৰ পিছত তাই আৰু চিঞৰিব নোৱৰা হ'ল। বৌয়েকে তাইৰ গাত ধৰি জোঁকাৰি দিছিল। সকলোৱে কান্দিছিল, কিন্তু তাই কান্দিব পৰা নাছিল। বহুত চেষ্টা কৰিছিল মাকহঁতে তাইক কন্দুৱাবলৈ। বহু দেৰি পাছত তাইৰ দুচকু পানীৰে উপচি পৰিল। কেৱল চকুপানী। তাইক কোনেও বাধা দিব পৰা নাছিল। বহুত কান্দিছিল তাই। তাইক প্ৰাণে কিয় এৰি গ'ল। ভগৱান তুমি নাই নেকি? প্ৰাণ ভালে ভালে পাবলৈ তোমাৰ ওচৰত প্ৰাৰ্থনা কৰিছিলোঁ, তুমি নুশুনিলা কিয়? প্ৰাণ তুমি মোক ঠগিব নোৱৰা। তাই চিঞৰি চিঞৰি কান্দিছিল।

কাৰোবাৰ হাতৰ পৰশত তাই উচপখাই উঠিল। 'প্ৰাণ' তাইৰ মুখৰপৰা অজানিতে ওলাই আহিল।

"এনেদৰে আৰু কিমান কান্দিবা? আজি এবছৰে হ'ল প্ৰাণ আমাৰ মাজৰ পৰা আঁতৰি যোৱা। তুমি ইমানকৈ কান্দি থাকিলে প্ৰাণৰ আত্মাই শান্তি নাপাব অনি। ব'লা প্ৰাণৰ আত্মাৰ শান্তিৰ বাবে চাকি এগছ জ্বলাবা। বৌয়েকে মৰমেৰে হাত বুলাই ক'লে।

"বৌ, মোৰ আৰু জীয়াই থাকিব ইচ্ছা নাই।"

"তেনেকৈ ক'ব নাপায়। তোমাৰ জীৱনটোক আকৌ এবাৰ ৰঙীণ কৰিবলৈ চেষ্টা কৰা। প্ৰাণক পাহৰি যাবলৈ চেষ্টা কৰা।"

"কিন্তু ই অসম্ভৱ।"

"অসম্ভৱ সম্ভৱ কৰি তোলা। মা-দেউতাই তোমাৰ বাবে নতুন প্ৰাণৰ সন্ধান কৰিছে। মা-দেউতাৰ দুয়োৰে তুমি বোজা। প্ৰাণক পাহৰি নতুন জীৱন আৰম্ভ কৰা।"

"বৌয়েকে তাইক আৰু একো ক'বলৈ সুবিধা নিদিলে। বৌয়েকে কান্দিছিল। তাই ওচৰৰ পৰা আঁতৰি গ'ল।

বৌয়েকে কোৱা কথাষাৰ তাইৰ কাণত বাৰে বাৰে বাজি উঠিল। মা-দেউতাই নতুন প্ৰাণৰ মানে, প্ৰাণৰ নিচিনা দৰা বিচাৰিছে। নাই নাই তাই প্ৰাণৰ বাহিৰে আন কাৰো হ'ব নোৱাৰে। তাইৰ আকৌ ধাৰাসাৰে চকুলো বৈ আহিল। তুমি এনে কিয় কৰিলা প্ৰাণ। মোকো লৈ নোযোৱা কিয়? তাই বিচনাৰ পৰা উঠি দৌৰি গৈ কৃষ্ণচূড়া জোপাৰ তল পালেগৈ। কৃষ্ণচূড়াজোপা ফুলি ফুলেৰে সজীব হৈ আছে। আজি বৰ ভাল লাগিছে কৃষ্ণচূড়াজোপা। এই জোপাৰ তলত বহিয়ে প্ৰাণ আৰু তাই কিমান যে কথা পাতিছিল।

তাই প্ৰাণক লগ পাবলৈ কথা পাতিবলৈ খুব মন গৈছে। প্ৰাণৰ লগত মিলা এটা উপায় — প্ৰাণৰ দৰে তাইয়ো এই জগতৰ পৰা আঁতৰি প্ৰাণ থকা জগতখনলৈ যাব। হয় তাই প্ৰাণৰ ওচৰলৈকে যাব। প্ৰাণৰ বাহিৰে তাই আৰু আন কাৰো নহয়। মা-দেউতাই মোৰ কাৰণে বেলেগ প্ৰাণ বিচাৰিব নালাগে। অনিন্দিতাৰ দুচকুৱেদি ধাৰাসাৰে পানী ৰ'বলৈ ধৰিলে। তাই আগতে প্ৰাণৰ লগত বহা ঠাইডোখৰলৈ ৰ' লাগি চাই ৰ'ল। ■

## সৰা শেৱালিৰ মৰম

*(৬৩ পৃষ্ঠাৰ পৰা)* আঠ বজাত আহি পোৱা ব্লুহিল বাছখনৰ পৰা নামিলহি দীপ্তি আৰু তাইৰ স্বামী। লগত বস্তু কঢ়িওৱা এজন মানুহ। দীপ্তিৰ নতুন মুগাৰ মেখেলাখন খচ্‌খচ্ শব্দ কৰি পাৰ হৈ গ'ল। মূৰ ওৰণি আৰু শিৰত সেন্দুৰ, গহণাবোৰ বাবে দীপ্তি ৰূপৱতী হৈছে। কাষতে ৰোৱা অট'খনত সিহঁত কেইটা উঠি গুছি গ'ল। আমি দুয়ো এচুকত নীৰৱ দৰ্শক হৈ দৃশ্যবোৰ উপভোগ কৰি ৰ'লো।

দীপ্তিৰ এই আকষ্মিক সাক্ষাতে মোক মুহূৰ্তৰ বাবে হ'লেও ভবাই তুলিলে — প্ৰকৃত প্ৰেমৰ প্ৰতিদানত পালে কি? প্ৰতাৰণা! প্ৰৱঞ্চনা আৰু এখন বিধ্বস্ত হৃদয়। এখন বিধ্বস্ত হৃদয় কঢ়িয়াই মই জানো অনাগত ভৱিষ্যতটোৰ মুখামুখি হ'ব পাৰিম। হাজাৰ চেষ্টা কৰিলেও যে স্মৃতিবোৰে লগ এৰা নিদিয়ে। ... নাই নাই মই পাৰিবই লাগিব। মোৰো এটা সুকীয়া অস্তিত্ব আছে, প্ৰতিভা আছে। এই পৃথিৱীত মোৰ অস্তিত্বৰ, মোৰ প্ৰতিভাৰ গুৰুত্ব মই প্ৰতিপন্ন কৰিব লাগিব। এতিয়া মই উপলব্ধি কৰিছো কেৱল তিক্ত অতীতৰ বাবে এটা সুন্দৰ ভৱিষ্যতক নিঃশেষ কৰি পেলোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে।

"কি ভাবিছা ভৱেশ?"

ৰঞ্জনৰ মাতত সচকিত হ'লো।

কৰিবলগীয়া একো নাছিল। এটা ফৰকাল মন লৈ আমি দুয়ো চহৰৰ মূল আলি বাটটোৰে নামনিলৈ নামি গ'লো। কোবাকোবিকৈ। ■



# অশ্রুসিক্ত এক অধ্যায়

✍ যোগমায়া গোহাঞি

আজি দেওবাৰ। তাতে আকৌ শৰতৰ এটা ফৰকাল বতৰ। তথাপি, সুজাতাৰ মন গোমা। এক কথাত বৰ্তমান তাই দেওবাৰৰ দিনটো আবেলি সময় ছোৱাত অন্ততঃ নিজকে পৃথিৱীখনৰ পৰা নিলগাই পাৰ্কত সময় কটাইছিল। ৰোমন্থন কৰেগৈ পাৰ হৈ যোৱা মীৰেনৰ ধুমুহাৰ কথা। যিয়ে ভাঙি থৈ গ'ল তাইৰ সপোনবোৰ। আনৰ দৃষ্টিত তাই অভিজাত পৰিয়ালৰ একমাত্ৰ জী। তাই পাহৰি যাব খোজে কিছুমান কথা। সেয়ে তাই প্ৰতি দেওবাৰে উজান বজাৰ পাৰ্কত গৈ বহেকৈ নিৰবে। চাই বয় ঢৌ খেলা ব্ৰহ্মপুত্ৰক, ৰোমন্থন কৰে অতীতৰ; কেতিয়াবা তাইৰ নিজকে কুৰুক্ষেত্ৰৰ কৌৰৱৰ বেহুত সোমাই থকা অভিমন্যু যেন লাগে। আজি তাইৰ মনটো আনদিনাতকৈ বেয়া যেন অনুভৱ কৰিছে। বিশেষকৈ ঘৰত ঘটি অহা ঘটনাটোৱে আৰু সন্মুখত থকা প্ৰেমত উত্তাল হৈ থকা যুৱক-যুৱতী হালে যেন কিবা পাহৰি অহা কথা মনত পেলাই দিছেহি।

হওঁতে জীৱনত তাই সকলোৱেই পালে। বৰঞ্চ বেছিহে পালে। সোণৰ চামুচ মুখত বৈ জন্ম হোৱা সুজাতা আজি মানসিকভাৱে বিধ্বস্ত। আলসুৱাভাৱে ডাঙৰ হোৱা সুজাতাই এদিন কলেজ পাইছিলগৈ। প্ৰতিটো শ্ৰেণীতে তাই গৌৰৱেৰে পাছ কৰি গৈছিল। সৰ্বানন্দ বৰাৰ একমাত্ৰ জীয়েক হিচাপে ঘৰৰ ওচৰত কলেজখন থাকিলেও হোষ্টেলৰ পৰা কলেজলৈ অহা-যোৱা কৰিছিল। সুজাতাই সোণৰ কাঁহীত ভাত খাইছিল যদিও তাইৰ মন সদায়েই সৰলতা তথা সহজতে বিলীন হ'বৰ মন গৈছিল।

সেইদিনা কটন কলেজৰ কটনিয়ানৰ অধিৱেশন। সমূহ ছাত্ৰ-ছাত্ৰী তথা প্ৰাক্তন কটনিয়ান সকলেও অধিৱেশনত যোগদান কৰিছিলহি। সুজাতা তেতিয়া স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী, গায়িকা। সেইদিনা তাই এটা এককভাৱে আধুনিক গীত গোৱাৰ পিছত এটা হিন্দী গীত পৰিৱেশন কৰিবলৈ সাজু হৈছিল। ইতিমধ্যে তাইৰ সংগী আহিয়েই পোৱা নাই। ইফালে সাংস্কৃতিক বিভাগৰ সম্পাদক দৰ্শনা কাশ্যপে তাইক যোৰ দিয়েই আছে। কি কৰে এতিয়া। কপালত তাইৰ বিন্দু বিন্দু ঘাম জিলিকি উঠিল। লগৰ বিনতি, পাপৰিয়ে ক'ত বুজাইছে তাই কিন্তু মত দিছে তাই সংগী নোহোৱাকৈ গীত পৰিৱেশন কৰিব নোৱাৰে। তেনেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰিভিয়াছ ইয়েৰৰ ছাত্ৰ তথা প্ৰাক্তন কটনিয়ান আৰু গায়ক হিচাপে পৰিচিত বিক্ৰমাদিত্য দাসক লগত লৈ দৰ্শনা কাশ্যপ আহি হঠাতে একে উশাহতে ক'লে — "সুজি তই বিক্ৰমদাৰ লগত গানটো গাই দে। মই ইয়াক সব কৈছো। সোনকালে গা, Best of luck মোৰ ইজ্জতৰ কথা চিন্তা



কৰি যা, be quick। হে ভগৱান help them & me।" সুজাতাই তলকিবই নোৱাৰিলে কি হ'ল। দৰ্শনাই ঠেলি মেলি ষ্টেজত তুলি দিলেহি। ভগৱানক চিন্তা কৰি তাই গাইছিল, "Job koi baat bigar jaye ..." তাইৰ সুৰত সুৰ মিলাই বিক্ৰমাদিত্যইও গাই গৈছিল। আৰু তাই পাহৰি পেলাইছিল সকলো। পিছত হাতচাপৰিৰ মাততহে সম্বিত ঘূৰি আহিছিল। থিক তেনেকৈয়ে আৰম্ভ হ'ল প্ৰথমে বন্ধুত্ব, আত্মীয়তা, বুজাবুজি আৰু ই ৰূপ ল'লেগৈ প্ৰেমৰ। কেতিয়ানো, কোনেও গম নাপালে। তাই স্নাতক হৈ বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰাৰ লগে লগে বিক্ৰম বিশ্ববিদ্যালয়ৰ পৰা ওলাই চাকৰি বিচাৰি ৰাতি দিন একাকাৰ কৰিলে।

ইফালে 'সুজক' চাবৰ বাবে ক'ত ল'ৰা আহিল। সুজ কিন্তু কোনোপধ্যেই মান্তি নহয়। দাম্ভিক ডহি সৰ্বনন্দ বৰাৰ গাত, সন্মানত তেতিয়াই আঘাত লাগিছিল, যেতিয়া শুনিছিল যে তেওঁৰ জীয়েক বাটৰ ভিকহু নিম্ন বংসৰ ল'ৰা এজনৰ প্ৰেমত পৰিছে। ইফালে বিক্ৰমে চাকৰি বিচাৰি জোতাৰ তলি ক্ষয় কৰিলে। সকলোকে মাথোঁ টকা লাগে। তাৰ নিচিনা ল'ৰা এটাই, যি সৰুৰে পৰাই আনৰ অনুগ্ৰহতে চলি আহিছে, কেনেকৈ লাখ লাখ টকা যোগাৰ কৰিব। Scholarship-ৰ সহায়ত শিক্ষিত হ'ল। খেতি কৰিবলৈও মাটি নাই। যিখিনি আছিল তাৰ মাক-দেউতাকহঁত জীয়াই থকা সময়ৰ পৰাই মহাজনৰ ওচৰত বন্ধকত পৰি আছে। এফালে প্ৰেমে তাক আজি ইমান জৰাজীৰ্ণ কৰি তুলিলে যে সি কেতিয়াবা ভাবে সুজক লগ নোপোৱা হ'লেই ভাল আছিল। তাই আৰু তাৰ মাজত আকাশ-পাতাল প্ৰভেদ। সুজক এইবোৰ কথা ক'লে তাই বেয়া পায়। কান্দিও দিয়ে। সি জানে তাই তাক খুব ভাল পায়। সিওটো তাইক পৰিধি নোহোৱাকৈ ভাল পায়। কিন্তু দুখীয়াৰ বাবে ভোকতকৈ প্ৰেম ডাঙৰ নহয়। সি যদি সুজক দুবেলা দুমুঠি দিব নোৱাৰে, তেন্তে মাকহঁতে তাক শাওপাত দিব। সুজ কিন্তু অবুজন। তাই কয় "আমি দুয়ো মিলি কিবা কৰিম নহয়। কিন্তু চিন্তা কৰা মই কিন্তু আৰু ৰ'ব নোৱাৰিম। ঘৰত বহুত জোৰ দি আছে।" তেতিয়া সি কৈছিল — "ঠিকেই আছে। তোমাৰ মা-দেউতাই তোমাৰ ভালৰ বাবেহে কিবা কৰিছে। সেয়েহে তেওঁলোকৰ কথামতে বিয়া হৈ যোৱা কাৰোবাৰ লগত। "তেতিয়া তাই হুকহুকাই কান্দি দিছিল, শপত দিছিল তেনে কথা নক'বলৈ। এদিন তাক সুজৰ ঘৰলৈ মাতিলে। সি সংকোচেৰে তালৈ গ'ল।

সুজৰ দেউতাকে তাক বহিবলৈ দিলে। ক'লে "অ' তুমিয়েই মানে আমাৰ মাজনীৰ বন্ধু।"

সি কৈছিল — "হয় খুড়াদেউ।"

"তুমি এতিয়া পিছে কি কৰি আছা?"

সি যথাযোগ্য উত্তৰ দিছিল।

তেতিয়া বৰাই উচ্চস্বৰে কৈছিল — "তুমি যদি একোৱেই নকৰা তেন্তে কেনেকৈ তোমালৈ মোৰ ছোৱালী দিম? অ' টকাৰ লোভ। এই চহৰৰ গণ্যমান্য ব্যক্তিৰ ঘৰত ছদ্মবেশ ধৰি ডকাইত হৈ আহিছে। You rascal, ভিকহু কৰবাৰ। তই মোৰ মাজনীক এসাজ ভাল কাপোৰ দিব পাৰিবি? লগতে তোৰ দৰে তলৰ জাতৰ লগত আমি কোনোকালেই সম্বন্ধ নকৰো, ওলাই যা মোৰ ঘৰৰপৰা।"

সি শিল পৰা কপৌ যেন হৈ থাকিল। দুনয়নেৰে চকুলো বাগৰি আহিলে। সুজে বাহিৰত হোৱা গণ্ডগোলৰ উমান ল'বলৈ আহি সকলো শুনিলে। তাই একেচাটে গৈ দেউতাকৰ ভৰিত পৰি ক'বলৈ ধৰিলে, "দেউতা please এওঁক তেনেকৈ নকবা এওঁ সহিব নোৱাৰিব। মা! দেউতাক চোৱাহি।"

সেইদিনাই ঘৰৰ লগুৱাবোৰে বিক্ৰমক গতিয়াই মেলি ঘৰৰ বাহিৰ উলিয়াই দিলে। সেইদিনাৰে পৰা তাৰ কোনো খা-খবৰ নাই পোৱা। বেদনা, বিৰহৰ মাজেৰে আজি সাতবছৰ পাৰ হ'ল মাকহঁতে কোনোপধ্যে সুজক মান্তি কৰিব নোৱাৰিলে। অৱশেষত কালি দেউতাকে তাইক ক'লে, "তই যি বিচাৰিছ পাবি। তোৰ আৰু বিক্ৰমৰ বিয়াৰ কথা পাতিবলৈ মই আৰু মাৰে কাইলৈ সিহঁতৰ গাঁৱলৈ যাম।

তাই এতিয়া কি কৰিব, সেয়া পাৰ্কত বহি দুখমনেৰে ভাবিছে। যাক মাকহঁতে ইমান অপমানিত কৰিলে সি জানো বিয়াত বহিব? বহিলেও সি জানো তাইৰ পৰা সেই মৰমৰ আশা কৰিব পাৰিবনে? যিটো সি আগতে বিচাৰিছিল। তথাপি যে সিহঁতৰ প্ৰেম জয়ী হ'ল।

পিছদিনা মাকহঁত মধুপুৰলৈ গ'ল। য'ত বিক্ৰমৰ সম্বন্ধীয় মোমায়েকৰ ঘৰ। তাত সিহঁত দুটাৰ বিয়াৰ প্ৰস্তাৱ দিওঁতে যিষাৰ কথা শুনিলে দুয়ো শিল পৰা কপৌ হ'ল। বিক্ৰমে চাকৰী নাপায় অনাই বনাই ঘূৰি অৱশেষত নিশ্চিত মৃত্যুৰ পথ বাছি ল'লে। অৰ্থাৎ এদিন আত্মঘাতী দল এটাত যোগ দিলে। যোৱা ডিচেম্বৰত সংঘটিত হোৱা বোমা বিস্ফোৰণত সি নিজে এটা মানৱ বোমা হৈ জীৱন দিলে। অভিমানী সৰ্বানন্দ বৰাৰ দম্ভ মাটিত মিলি গ'ল। তেওঁ এতিয়া কেনেকৈ জীয়েকক ক'ব যে বিক্ৰম এই পৃথিৱীত নাই।

তেনেতে ঠংকৈ এটা শব্দ হ'ল। কোনোবাই যেন তেওঁলোকৰ বাৰ্তালাপ শুনিলে। দৌৰি ওলাই আহি দেখিলে সুজ দেখোন। তেজ নোহোৱা মানুহৰ দৰে মুৰ্চিত অৱস্থাত পৰি আছে। লৰালৰিকৈ হস্পিতেললৈ নিলে। কিন্তু নিয়তিৰ কি পৰিহাস, সুজাতাই পোন্ধৰ দিন ক'মা অৱস্থাত থাকি যোল্ল দিনৰ দিনা বিক্ৰমৰ কাষলৈ গুচি গ'ল। ■

# সৰা শেৱালিৰ মৰম

✍ ভৱেশ দাৰিক



"তোমাৰ খবৰ-খাতি কেনে?"

"দীপ্তি আৰু তোমাৰ সম্পৰ্ক কেনে চলিছে?"

ৰঞ্জনে শেষত মৌনতা ভাঙি দিলে। বহু দিন বিৰতিৰ অন্তত সি মোক দীপ্তিৰ কথা সুধিলে। দীপ্তি আৰু মোৰ সম্বন্ধৰ বিষয়ে বহু প্ৰশ্ন কৰিলে। উত্তৰৰ অভাৱত তলমূৰকৈ ৰ'লো। হয়তো সি অজ্ঞাত দীপ্তি আৰু মোৰ বৰ্তমান অৱস্থাৰ বিষয়ে।

দুয়ো নিমাত। বহুদিনৰ পিছত তাৰ সৈতে অট' ষ্টেণ্ডৰ একোণত থকা বন্দনা ৰেষ্টুৰাঁখনতে বহিছো। আমাৰ দুয়োৰে হাতত আছিল দুটা চাহৰ কাপ। দুদিন মান আগতে সি গুৱাহাটীৰ পৰা আহিছে। ৰঞ্জন গুৱাহাটীৰ বি. বৰুৱা কলেজত পঢ়ে। ৰঞ্জনৰ প্ৰশ্নৰ উত্তৰ দিবলৈয়েই মই বৰ্ণাই গৈছো মোৰ সমস্ত ব্যৰ্থ প্ৰেমৰ দুখৰ কাহিনীৰ ইতিবৃত্তি।

নিৰৱতা ভংগ কৰি মই আৰম্ভ কৰিলো। দীপ্তিৰ সৈতে আজি মোৰ কোনো সম্পৰ্ক নাই। মোৰ একান্ত নিবিড় ভালপোৱাৰ কোনো মূল্যই নিদিলে তাই। বিধ্বংসী ধুমুহাই উৰুৱাই নিয়াদি উৰুৱাই লৈ গ'ল মোৰ সমস্ত ৰঙীন কল্পনাক। দীপ্তিয়ে মোক আচলতে ভুল বুজিলে। অন্তৰ দি ভালপোৱা দীপ্তিজনীক নাপালে জীৱনটো অসাৰ বুলি ভবা মোক দীপ্তিয়ে প্ৰতাৰণা কৰিলে। সঞ্জয়ে চিনাকি কৰি নিদিয়াহেঁতেন হয়তো দীপ্তিৰ সৈতে মোৰ গভীৰ সান্নিধ্যই নহ'লহেঁতেন।

প্ৰথম দৰ্শনতেই দীপ্তিক মই ভাল পাই পেলাইছিলো। দীপ্তিৰ অজ্ঞাতে মই সজাইছিলো মোৰ জীৱনৰ চিৰ-সংগী ৰূপে। এনেদৰে বাস্তৱলৈ প্ৰেমৰ বিনিময়ো ঘটিল। এদিন দীপ্তিৰ আগত অতি বিশ্বাসেৰে দাঙি ধৰিছিলো দীপাৰ কথা। কিন্তু দীপ্তিয়ে মোৰ বিশ্বাসত নিষ্ঠুৰভাৱে কুঠাৰাঘাত কৰিলে। সকলো পাহৰি দীপ্তিয়ে জীৱনৰ নতুন স্বপ্ন ৰচনা কৰিলে।

দীপা। স্বৰূপাৰ্থত এজনী ধুনীয়া ছোৱালী। জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুয়োজনে পঢ়িছিলো। তাই বৰ চঞ্চল আছিল। এজন অচিনাকিৰ লগত ক্ষন্তেকতে মিলিব পৰা তাইৰ গুণ আছিল অসীম। দুয়োজনে নিজৰ একান্ত গোপন কথাবোৰ অকণো দ্বিধাবোধ নকৰাকৈ প্ৰকাশ কৰিছিলো। মুঠতে তাই মোৰ লগত সম্পূৰ্ণ 'ফ্ৰি'। দীপা মোৰ কাৰণে তোমালোকৰ লগৰ এজনী চাই দিয়ানা। মই বৰ অকলশৰীয়া অনুভৱ কৰিছোঁ। মোৰ কাৰণে তোমালোকে যদি ছোৱালী এজনী গোটাই দিব নোৱাৰা তেন্তে তোমালোক মোৰ কিহৰ লগৰ। মই তাছিল্যৰ সুৰত কৈছিলো।

"বাহ! মই থাকোঁতে বেলেগ ছোৱালীৰকথা ক'লা তুমি? কি আচৰিত ল'ৰা তুমিও যে। মোক ভাল পোৱা। মই কি দেখিবলৈ বেয়া নেকি? নে তোমাৰ কাৰণে মোৰ যোগ্যতা নাই।" অনৰ্গলভাৱে কথাবোৰ দীপাই ক'লে।

"তোমাক পালেতো মোৰ কোনো কথাই নাই। বেলেগ ছোৱালী বিচাৰি মিছাতে কিয় হাবাথুৰি খাম নহয় জানো? দীপা আজিৰ পৰা তুমি মোৰ আৰু মই তোমাৰ।" মই কথাবোৰ ধেমালিতে ক'লো।

কিন্তু আচৰিত! ধেমালিৰ সংলাপবোৰেই এদিন অপ্ৰত্যাশিতভাৱে আমাৰ জীৱনলৈ প্ৰতিশ্ৰুতি বহন কৰি আনিছিল। সেই প্ৰতিশ্ৰুতি আছিল দুখন হৃদয় এক হোৱাৰ প্ৰতিশ্ৰুতি। দীপাক মই নতুনকৈ পাইছিলো। পাইছিলো ধেমালিৰ সেই প্ৰতিমাজনীৰ নহয় যেনিবা ষষ্ঠীত প্ৰতিষ্ঠা কৰা পৰম আৰাধ্যা দেৱী।

দীপা মোৰ জীৱনৰ, যৌৱনৰ প্ৰথম অতিথি। তাইৰ লগতে মোৰ জীৱনৰ প্ৰথম প্ৰেমৰ অভিজ্ঞতা। অথচ সেই নিৰ্মল প্ৰেমে তিক্ততাৰ বাহিৰে মোক একোৱেই নিদিলে। দীপাই লিখিছিল — "মই তোমাক ভাল পাওঁ আৰু পাই থাকিব বিচাৰো। তোমাৰ আৰু মোৰ কল্পনাৰ কাৰেংঘৰ কেতিয়াও ভাঙিব নিদিওঁ। মই তোমাৰ; তোমাৰেই হৈ ৰ'ম চিৰদিন।" দীপাৰ এইখন চিঠিৰ কথাই প্ৰকৃত প্ৰেমৰ পৰিচয় নিদিয়াকৈ নাছিল। এইষাৰ কথাই মোৰ ভালপোৱাক গভীৰৰ পৰা গভীৰতলৈ বৈ যোৱাত অলপ হ'লেও ইন্ধন যোগাইছিল। এনেকৈ মই নিজে ক'ব নোৱাৰাকৈ সম্পূৰ্ণ গভীৰভাৱে ভাল পাই পেলাইছিলো তাইক। কিন্তু প্ৰকৃততে দীপাই মোৰ সৈতে এখন ছলনাৰ খেলহে খেলি আছিল, যাক মই ঘূণাক্ষৰেও জানিব পৰা নাছিলো।

দীপাৰ উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষা ভাল হৈছিল। তাই এইখন চহৰৰে এখন কলেজত নাম ভৰ্তি কৰিছিল। বাটে-ঘাতে, চহৰে-বজাৰে, কেতিয়াবা কলেজলৈ যোৱাৰ পথত দীপাৰ সৈতে দেখা হয়।

দীপাই ঘূৰাই পকাই নানা কথাৰে মোলৈ দীঘলীয়া চিঠি প্ৰায়েই লিখিছিল। আৰু এদিন হঠাতে এখন দীঘলীয়া বৰ্ণনাবহুল চিঠিৰেই দীপাই মোৰ পৰা ক্ষমা খুজি 'শ্যামল'ৰ লগত বিয়া সোমোৱাৰ কথা লিখিছিল বৰ স্বাৰ্থপৰভাৱে। মই চিঠিখন পঢ়ি নিজকে নিজে বিশ্বাস কৰিব নোৱাৰিলো। কাৰণ এনেধৰণৰ চিঠি মোৰ বাবে সপোনৰো অগোচৰ। প্ৰকৃততে দীপা এজনী ঠগ-প্ৰবঞ্চক। তথাপি তাইক মই কোনো দিনেই বেয়া পোৱা নাই। আজিও দীপিকা, পূৰবী, ৰীণাহঁতক তাইৰ কথা সোধো। যিখন দীঘলীয়া অন্তিম চিঠিৰে দীপাই শ্যামলৰ সৈতে বিয়া সোমোৱাৰ কথা লিখিছিল চিঠিখনৰ প্ৰতিটো আখৰেই মোক পুৰি মাৰিছিল। দীপাৰ প্ৰতি এতিয়া মোৰ কোনো হিংসা নাই। নাই সামান্যতম ক্ষোভ।... তথাপিও কেতিয়াবা অতীতৰ ওচৰত মই বৰ অসহায় হৈ পৰোঁ।

চেঁচা হৈ পৰা চাহ কেইটোপা ঢোককৈ গিলি দিলো। ৰঞ্জনে মোৰ মুখলৈ চাইছে। নিশ্চয় দাড়িয়ে-গোফে ভোবোকাৰ হোৱা মোৰ মুখখনলৈ চাই দীৰ্ঘদিনীয়া বিষাদখিনি অনুভৱ কৰিছে। পৰম আগ্ৰহেৰে কৈ গ'লো দীপ্তিৰ কথা। দীপ্তিয়ে কিয় মোক আৰু দীপাক সহজভাৱে ল'ব নোৱাৰিলে। দীপাৰ পিছত দীপ্তি মোৰ জীৱনলৈ আহিছিল। ৰঞ্জনেও জানে সঞ্জয়ে চিনাকি কৰি নিদিয়াহেঁতেন দীপ্তিৰ সৈতে এই অধ্যায়টো মুকলি নহ'লহেঁতেন। বিশ্বাস দীপ্তিক মই দীপাৰকথা কৈছিলো। মোৰ দুখৰ সময়ত দীপ্তিয়ে মোক সান্ত্বনা দিছিল। নতুনকৈ জীৱনটো গঢ়াৰ প্ৰেৰণা দিছিল। দীপাৰ দুখত দুখী নহ'বলৈ মোক বুজাইছিল।

এটা সময়ত মই বিস্মিত হৈ পৰিছিলো, যিজনী ছোৱালীয়ে মই কেইদিনমান লগ নিদিলেই অভিমানত মুখ ওন্দোলাইছিল। এটা সময়ত সেইজনী ছোৱালীয়ে মোক লগ দিবলৈ আনকি চিঠি এখন দিবলৈও অৱকাশ নোপোৱা হ'ল। পাছত গম পালো, তাই হেনো গুৱাহাটীত চাকৰি কৰা 'মাইকেল' নামৰ ল'ৰা এজনক ভাল পায়। ছোৱালীজনীক এতিয়া ল'ৰাজনৰ সৈতে বিয়া দিবলৈও ৰাজি হৈছে তাইৰ ঘৰৰ মানুহ। দীপ্তিহঁতৰ ঘৰৰ ওচৰৰ দেৱযানীয়ে কথাটো কৈছিল। দেৱযানীৰ কথাটো শুনি মূৰটো ক্ৰমাৎ গৰম হৈ পৰিল। মোৰ সমস্ত গা কেঁচা ঘামেৰে একেবাৰে ঘামি গৈছিলোঁ। শৰীৰৰ অংগ সমূহে ক্ৰিয়া কৰিবলৈ যেন পাহৰি গৈছে তেনে অনুভৱ হৈছিল। ক'ব নোৱৰাকৈ দুচকুৰ পৰা আপোনা আপুনি দুধাৰী তপত লোতক বাগৰি আহিছিল।

অতিশয় সৰল স্বভাৱৰ পাত্ৰ মই। নিৰুপায়। ৰঞ্জনে কিবা ক'ব খুজিও ৰৈ গ'ল। মই নিৰ্বিকাৰ। এদিন শুভকামনা যাচিবলৈ দীপ্তিৰ ঘৰ ওলাইছিলোগৈ।

"দীপ্তি ঘৰত নাই। তাইৰ দুমাহৰ আগতে গুৱাহাটীত বিয়া হৈছে। দীপ্তিৰমাকে গহীনভাৱে ক'লে।

মই ভাঙি পৰিবৰ উপক্ৰম হৈছিলোঁ। কিন্তু মই যে পুৰুষ। অটল হৈ ৰ'লো। ভাবিলো দীপ্তি সুখী হ'ব। তাইৰ নামৰ দৰে তাইৰ যুগ্ম জীৱন সুখী হ'ব। আনন্দৰে মুখৰিত হওক তাৰে কামনা কৰিলো।

দীপ্তি মোৰ হকে এধানি ত্যাগ স্বীকাৰ কৰাৰ পৰিৱৰ্তে নিজকে প্ৰতাৰণাৰ মাজলৈ ঠেলি দিলে। বোধকৰো ছোৱালীবোৰ এনেকুৱাই হয়। এই সন্দেহৰ বাবে সিহঁতৰ জীৱনলৈ নামি আহে মুহূৰ্তে মুহূৰ্তে বিপৰ্যয়ৰ ক'লা ডাৱৰ। বিগত অতীতটোৱে কেতিয়াবা মোক ভবাই তোলে দীপা আৰু দীপ্তিয়ে মোক সঁচাকৈ ভাল পাইছিল জানো?

এতিয়া মই মুক্ত। মানুহৰ মাজত নিজকে গঢ়াৰ প্ৰয়াস কৰিছো। প্ৰেম আৰু বিৰহৰ তিক্ত অভিজ্ঞতাৰে মই এতিয়া এক অভিজ্ঞ ব্যৰ্থ প্ৰেমিক। মোৰ কামনা দীপা আৰু দীপ্তি উভয়ে সুখী হওক।

ৰঞ্জনে মোৰ মুখলৈ চালে। চকু দুটা সেমেকিছে মোৰো। মানুহ এজাক সোমাই আহিল। আমি ৰেষ্টুৰাঁ এৰিলো। এনেতে এক প্ৰকাৰ চিঞৰি উঠাৰ দৰে ক'লে — "ভৱেশ!" সি আঙুলিয়াই দিয়াৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে।

(শেষাংশ ৫৯ পৃষ্ঠাত)

# দালাল

শ্ৰী মনোজ সন্দিকৈ

এজন উচ্চ পদস্থ বিষয়াৰ অফিচ। বিষয়াজনৰ টেবুলৰ ওপৰত মেলি লোৱা ফাইলৰ পৰা মূৰ তুলিবলৈ সময় নোহোৱাৰ দৰে। তেনেতে এজন স্বাস্থ্যবান ডেকা ল'ৰা বিষয়াজনৰ অফিচলৈ সোমাই আহিল। ল'ৰাজনৰ মুখত কেইবাদিনো নুখুৰুৱা দাড়ি। বিষয়াজনে ভাবিলে যে তেওঁ নিশ্চয় ক'ৰবাত ল'ৰাজনক দেখিছে। কিন্তু, ক'ত দেখিছিল মনত পেলাব পৰা নাই।

ল'ৰাজনক বহিবলৈ নোকোৱাকৈয়ে বিষয়াজনে সুধিলে "কি আছে সোনকালে কোৱা। মোৰ সময় নাই।"



বিষয়াজনৰ প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ ল'ৰাজনে চকীএখন বহি ল'লে। বিষয়াজনৰ খং উঠিল আৰু ক'লে — "কিবা যদি কথা আছে সোনকালে কোৱা। নহ'লে যাব পাৰা।"

ল'ৰাজনে ক'লে — "কথা আছে, শুনক।"

বিষয়াজনৰ আৰু বেছিকৈ খং উঠিল। তেওঁ ইটো কোঠাৰ লগত সংযোগ থকা ফোনৰ বুটাম টিপা মাৰিব খুজিছিল। ল'ৰাজনে বাধা দি ক'লে — "সেইবোৰ নকৰিব। কোনো নাহে আপোনাৰ কোঠালৈ এতিয়া।"

"মানে!"

"মানেটোও জানিব। প্ৰথমতে মোৰ কথা শুনক।"

বিষয়াজনে ক'লে — "ৰ'বাচোন, ইয়াৰ আগতে তোমাক ক'ৰবাত লগ পাইছো নেকি বাৰু?"

ল'ৰাজনে ক'লে — "পাইছে, এইটো কোঠাতে।"

বিষয়াজনে অলপ ভাবি ক'লে — "ইয়াত কেনেকৈ?"

ল'ৰাজনে ক'লে — "ময়ো ইঞ্জিনিয়াৰিঙৰ চিট বিচাৰি আহিছিলো।"

তেতিয়া বিষয়াজনে ক'লে — "কিন্তু এতিয়াতো নামভৰ্তি হৈ গ'ল। ক্লাছো আৰম্ভ হ'ল। এতিয়া কোনো উপায় নাই।"

ল'ৰাজনে ক'লে — "মই উপায় বিচাৰি অহা নাই। আগতে আহোঁতে মই নামভৰ্তিৰ তালিকাত ঠাই বিচাৰি অহা নাছিলো। আহিছিলো আপোনাৰ মতটো জানিবলৈ।"

বিষয়াজনে ক'লে — "কি কৈছা তুমি এইবোৰ?"

ল'ৰাজনে ক'লে — "একলাখ টকা বিচাৰিছিল, এটা



ইঞ্জিনিয়াৰৰ চিটৰ বাবে। অৰ্হতা নথকা কিমান ল'ৰাৰ পৰা কিমান লাখ টকা লৈ চিট দিলে জানিব পাৰোঁনে?"

এইবাৰ বিষয়াই খঙেৰে ক'লে — "কি ক'বলৈ আহিছা তুমি এইবোৰ। মই একো টকা লোৱা নাই। ওলাই যোৱা ইয়াৰ পৰা।"

এইবাৰ ডেকাই জেপৰ পৰা কিছুমান কাগজ-পত্ৰ উলিয়াই বিষয়াক ক'লে — "ৰাম, যোৱাৰ আগতে এইবোৰ চাই লওক। কাৰ কাৰপৰা কিমান টকা ল'লে।"

তেতিয়া বিষয়াজন অবাক হ'ল, তেওঁ নিজকে নিজেই ক'লে — "কাৰ পৰা সংগ্ৰহ কৰিলা এইবোৰ।"

ল'ৰাজনে পিঠিৰ ফালে কঁকালত গুজি থোৱা সৰু পিষ্টল এটা উলিয়াই টেবুলৰ ওপৰত ভৰিকেইটা থৈ ক'লে — "এই হিচাপবোৰ সংগঠনৰ বাবে মই নিজেই সংগ্ৰহ কৰিছোঁ।"

বিষয়াজনৰ কঁপালত ঘাম ওলাল। ল'ৰাজনে কৈ গ'ল — "আমি আপোনালোকৰ সকলো কথাই জানো। টকাখিনিযে মন্ত্ৰীৰ লগত ভাগ কৰিলে তাকো জানো। কিন্তু, সেইটোতকৈও ডাঙৰ কথা এটা আছে। সেইটো হ'ল — আপুনি মন্ত্ৰীৰ আগত সংগঠনৰ সৈতে যোগাযোগ থকা বুলি কৈ টকা সৰকাইছে।"

বিষয়াজন অবাক হ'ল। তেওঁ ক'লে — "মিছা কথা এইবোৰ। কোনে ক'লে তোমাক?" এইবুলি কৈ বিষয়াজনে পিষ্টলটোৰ ফালে চালে।

ডেকা ল'ৰাজনে জোৰকৈ ক'লে — "কোনেও কোৱা নাই। আমি তথ্য কেনেকৈ সংগ্ৰহ কৰোঁ আপোনাক নক'লেও হ'ব চাগে?"

বিষয়াজনে এইবাৰ লাহেকৈ ক'লে — "মই কি কৰিব লাগে এতিয়া? তোমাক যিমান টকা লাগে মোক কোৱা মই দিম।"

ল'ৰাজনে ক'লে — "টকা? মোক ... আপুনি সংগঠনৰ নামত মন্ত্ৰীৰে পৰা কিমান টকা সৰকালে ক'বনে? সংগঠনে আপোনাৰদৰে বিয়াগোম বিষয়াসকলৰ পৰা হিচাপ বিচাৰিবলৈ কৈছে?"

"কিহৰ হিচাপ দিব লাগে আমি?" বুলি কৈ বিষয়াজনে মেজৰ ড্ৰয়াৰটো খুলি সৰু টাৱেল এখন উলিয়াই কপালৰ ঘামবোৰ মচি ল'লে আৰু টাৱেলখন ডেকাৰ পিষ্টলটোৰ ফালে দলিয়াই দি ক'লে — "ঢাকি হোৱা সেইটো, কোনোবা সোমাই আহিব।"

ডেকাই পিষ্টলটোৰ ওপৰৰ পৰা টাৱেলখন দাঙি আকৌ বিষয়াজনৰ গালৈ দলিয়াই দি ক'লে — "থৈ দিয়ক সেইখন। কোনো নাহে কোঠালৈ এতিয়া। দিহা কৰি থৈ আহিছো।"

বিষয়াজনে ভয়ে ভয়ে ক'লে — "তোমাৰ মতলব কি?"

উত্তেজিত হৈ ডেকাই ক'লে — "জানিব বিচাৰিছে মোৰ মতলব? শুনক তেন্তে — শিক্ষাৰ ক্ষেত্ৰত আপোনালোকে যিকেইজন অৰ্হতা থকা ল'ৰা-ছোৱালীক বঞ্চিত কৰি ধনৰ বিনিময়ত এচাম কম অৰ্হতাসম্পন্ন ল'ৰা-ছোৱালীক ইঞ্জিনিয়াৰিঙত এড্‌মিশ্বন দিলে, সেই কেইজনক চিনাক্ত কৰা। সেইবোৰৰ অভিভাৱক, পিতৃ-মাতৃক চিনাক্ত কৰা আৰু সময়মতে ....

ডেকাৰ কথা শেষ হোৱাৰ আগতেই বিষয়াই ক'লে — "কি কৰিবা সময়মতে তোমালোকে?"

ডেকাই ক'লে — "দেখি থাকিব। সময়মতে কি হয়। আপোনাক মাথোঁ কৈ যাওঁ, এইবোৰ কাম কৰা পঞ্চাশ শতাংশ টকা বেলেগে থৈ দিব। সময় আহিলে আমাৰ সংগঠনৰ সৈনিক আহি লৈ যাবহি।"

বিষয়াজন চকিত হ'ল। সৰু টাৱেলখনেৰে আকৌ এবাৰ মুখৰ ঘামবোৰ মচি ল'লে। টাৱেলখন জাপি ড্ৰয়াৰটোত সোমোৱাৰ চলেৰে বিষয়াই ড্ৰয়াৰৰ পৰা এটা পিষ্টল উলিয়াই ডেকাজনৰ বুকুত গুলিয়ালে। লগে লগে ডেকাজন বাগৰি পৰিল। বিষয়াজনে লগে লগে কলিং বেলটো টিপা দিলে।

"ছাৰ, ছাৰ" বুলি কৈ সোমাই আহিল ব্যক্তিগত সচিব। পিছে পিছে পিয়ন দুজনমান আৰু আন কৰ্মচাৰীসকল। সচিবজনে মৃতদেহটো দেখি পুলিচলৈ ফোন কৰিলে। প্ৰায় দহ মিনিটমানৰ পাছত পুলিচ পালেহি। থৰ হৈ বহি থকা বিষয়াজনৰ পুলিচ আহিলতহে মাত ওলাল। পুলিচে সোধাৰ আগতেই বিষয়াজনে ক'লে — "সি মোক মাৰিব আহিছিল। এড্‌মিশ্বন নোপোৱা ল'ৰা বোলে। চাওক সেইটো পিষ্টল। ভাগ্য ভাল মই সতৰ্ক হৈ আছিলো। নহ'লে সি মোক মাৰিবলৈ লৈছিল।"

পিছদিনা বৰ বৰ আখৰেৰে বাতৰি কাকতত খবৰ ওলাল, বিষয়াজনৰ ছবিও। কাষত ডেকাৰ মৃতদেহৰ ছবি। বাতৰিবোৰ এনেদৰে ওলাল — "হত্যাৰ ভাবুকিৰে নামভৰ্তিৰ প্ৰচেষ্টা।" "সতৰ্ক প্ৰশাসনিক বিষয়াৰ কথমপি প্ৰাণৰক্ষা।" "উগ্ৰপন্থীৰ দ্বাৰা ধন দাবী কৰাৰ নতুন কৌশল।" "দুৰ্ধৰ্ষ উগ্ৰপন্থীৰ দ্বাৰা বিষয়াক হত্যাৰ ভাবুকি।" ইত্যাদি, ইত্যাদি।

আইনৰ চকুত সেই টকা খোৱা দালাল বিষয়াজন বাচি গ'ল। কিন্তু নিৰ্দোষী ল'ৰাজনে সত্য কথা ক'বলৈ গৈ অৱশেষত মৃত্যুক আকোৱালি ল'লে গৈ। ■

# কলেজীয়া জীৱনৰ দুখৰীয়া ছবি

✍ মৰমজ্যোতি দত্ত

(১)

"আচ্ছা — পৃথিৱীত শেইক্সপীয়েৰজন্ম হোৱা আজি চাৰিশ বছৰ পাৰ হৈ গ'ল, আজিলৈকে নেক্সট্ কোনো মাইকেলালে কিয় শেইক্সপীয়েৰক ক্ৰচ কৰিব পৰা নাই ... হোৱাই!"

বিতৰ্কৰ বিষয়টো আগবঢ়াই দি অমিতাভ কিছুপৰ থমকি ৰ'ল। যেন উশাহ ল'বলৈকো পাহৰি গ'ল। একেথৰে সি লগৰ কেইটাৰ মুখবোৰ পৰ্যবেক্ষণ কৰি গ'ল। তাৰ হাতৰ গিলাছত "সোঁৱৰণী মোৰ ৰাঙলি জীৱনৰ ৰঙবোৰ" ক'ৰবাৰপৰা ঘূৰাই আনিবলৈ এবিধ ৰঙাকৈ পানীয়। বুকু গৰম কৰিব পৰা।

আটাইবোৰ ক্ষন্তেক তভক্ মাৰি ৰ'ল। ঠিক বোকাৰ পৰা লাহেকৈ মূৰ উলিওৱা বতিয়া মাছৰ মূৰটো পৰ্যবেক্ষণ কৰাৰ দৰে।

তাৰ পাছত আগ্নেয়গিৰি উদ্গীৰণ হ'ল। সেইটো প্ৰণৱ। বটলৰ ৰসকণে তাৰ হৃদয়, মগজু, জিভা, গলা ..., সক ...লো ৰসা ... ল কৰি তুলিছে। চকু দুটা! চকু দুটা চিকমিকাই উঠিছে টিউব লাইটৰ দৰে। জিভাৰ পৰা শব্দবোৰ ফৰিং হৈ উফৰি পৰিছে। সেউজীয়া ফৰিং ... হালধীয়া ফৰিং ... ৰঙা ফৰিং ... ফৰিঙৰ বৰ্ণালী আহ! কি সুন্দৰ এই বৰ্ণালীজনী।

জঁপিয়াই জঁপিয়াই ভাগৰ লাগিলত শেইক্সপীয়েৰ মহাশয় শুই পৰিল। এইবাৰ আহিল আড্ডাখৰ বিষয়ে। কলেজৰ সন্মুখৰ ৰসাল পুলটো। পখিলাবোৰক খোচা-বিন্ধা কৰিবলৈ তাতকৈ সুবিধাজনক প্লেচ আৰু ক'তোৱেই নাই। ছোৱালীৰ পাছত আহিল প্ৰেম। সমবেত সকলৰ প্ৰতিজন সদস্যই বৰলা সঙ্ঘাৰ হয় চেক্ৰেটেৰী নহয় প্ৰেছিডেণ্ট নতুবা সদস্য। প্ৰেমৰ লাডু এওঁলোকে খাই পস্তোৱাতকৈ নোখোৱাকৈ পস্তোৱাচো বেছি সমৰ্থন কৰে। পাই হেৰুৱাৰ বেদনাতকৈ বোলে নোপোৱাৰ বেদনা সহিবলে বহুত ভাল।

(২)

তোমাৰ বিয়ালৈ আৰু / কেইদিন বাকী  
মাথো দহদিন / এই দহ দিন  
তুমি যাবা তোমাৰ বাটে ...

তাই এইকেইদিন অলপ ধুনীয়া হৈছে। তেজস্বী হৈছে। তাই মানে, মোৰ লগৰটোৰ প্ৰেমিকাজনীৰ কথা কৈছোঁ। লগৰটো মানে প্লাৱন। এক নম্বৰ বুৰ্বক হয় এইটো। প্ৰেমত ডুবাৰ আৰম্ভণিতে মানা কৰিছিলোঁ। বোলো "তই যদি তাইৰ প্ৰেমত পৰ তেন্তে মোকে পাহৰি যা।" নাইনুশুনিলে। সি বোলে "তোকো নাপাহৰোঁ, তাইকো নাপাহৰোঁ। ফিফ্‌টি ফিফ্‌টি।" আৰে ভাই মই জানো নহয়। মোৰ ভনীজনীয়ে আজি দুটা সন্তানৰ মাক হৈ কুৰিতে বুঢ়ীজনী হ'ল। তাৰ মূলতে এই প্ৰেম নামৰ আপদীয়া, সৰ্বনশীয়া বস্তুটো। প্ৰেমে কি মানুহক কি কৰি পেলায় দেখিছোঁ নহয়। জানি বুজি প্লাৱনক কিমান মানা কৰিলোঁ। অঁকৰা মৈত উঠি সি নানামেহে নানামে। শেষত বোলো, মজাটো পাই ল'ক, নিজে নিজে বুজিব বুলি বুজাবলৈ এৰি দিলোঁ। এতিয়া তাৰ কি ট্ৰেজেদি শুনিবা! জীয়াই থাকিবলে বোলে মনেই নোযোৱা হ'ল। হেৰ' এজনী ছোৱালীয়েই তোৰ জীৱনৰ সৰ্বস্ব নহয় নহয়। আচলতে আজিকালি এই চিনেমা-তিনেমাবোৰে ল'ৰা-ছোৱালীবোৰ একেবাৰে বৰ্বাদ কৰি দিলে। সঁচা প্ৰেম বোলা অমৃতকণা কিবা বজাৰৰ খাঁটি বস্তুৰ দৰেই হৈ পৰিল। দাম দিলেও নাপায়। এইযে মাছবজাৰৰ মাছ বেপাৰী কেইটা — "ভাল মাছ দাদা লৈ যাওক, ল'কেল মাছ।" সিহঁতৰ মুখৰ কথাত বিশ্বায়নৰ মহিমাৰ গুণগান। অন্ধ্ৰপ্ৰদেশৰ পৰা বাটকুৰি বাই আহি মাছবোৰ অসমত ল'কেল হৈ পৰে। মুঠতে দোকানীয়ে আপোনাক বাই হুক্ অৰ বাই ক্ৰুক্, ঠগিবহে বিচাৰে।

মোৰ কথাবোৰ শুনি নিশ্চয় কোনোবা কলেজীয়া ল'ৰা-ছোৱালীৰ গাৰ্জেন যেন লাগে নহয় জানো। হ'ব পাৰে। সেইকাৰণেই কিজানি মোক লগৰবোৰে ফাদাৰ বুলি মাতে। কিন্তু, কথাটো আচলতে তেনেকুৱা নহয়। হ'ব পাৰে জীৱনে মোক এই কম বয়সতে কিছুমান অভিজ্ঞতা মানসিকভাৱে বয়সীয়াল কৰি তুলিছে। কিন্তু মোৰ মৰমলগা মুখৰ গঢ়টো একেবাৰে কুমলীয়া। ধুনীয়া বুলি কৈ মুখথেকেচো নাখাওঁ। কিন্তু ইমান পেলাইমৰা বিধৰো নহয় দিয়কচোন।

আচল কথা হ'ল বাস্তৱ। বাস্তৱ পৃথিৱীৰ ভিতৰত সৰ্বশক্তিশালী আৰু সবাতোকৈ কঠোৰ। বাস্তৱ বৰ নিয়মত চলে। তুমি এক দিলে তোমাকো ওলোটাই একেই দিব, দুই দিলে দুইয়েই দিব, অলপো কম বেচ নহয়। কিন্তু তাৰ মাজতো আজিৰ বাস্তৱ যেন কিবা মিশ্ৰ বাস্তৱ। দিলেও কেতিয়াবা যেন নাপায়।

এই প্লাৱনৰ কথাই ধৰকচোন। সি ভাল পাইছিল হাচনাহানাক। কেৱল হাচনাহানাক। কিন্তু হাচনাহানাই তাক ভাল পাই থাকোঁতেই আন দুটা ল'ৰাৰ স'তে প্ৰেম সমান্তৰালভাৱে চলাই গৈছিল। এদিন ৰিক্সাত তাৰে কোনোবা এটাৰ স'তে উঠি যাওঁতে প্লাৱনে ধৰা পেলালে। তাই অপ্ৰস্তুত হ'ল। কথা গোমৰ ফাঁক হৈ গ'ল। প্লাৱনটো আচলতে সৰল ল'ৰা যে। তাৰ বিশ্বাসত আঘাত হনাৰ বাবে সি অন্তৰত বৰ দুখ পালে। সঁচাকৈ ভাল পাইছিল যে তাইক। আৰে কিমান ভাল পাইছিল!! আনকি, মাক-দেউতাকক সুধি জাত-পাত মিলাই পাৰ্‌মিছন লৈ থৈছিল; তাইৰ এটা মাত্ৰ বাক্য "আপুনি শান্তিবাৰ আলোচনীত লিখিব না।" — এই বাক্যটোৱে তাৰ অন্তঃস্থলৰ পৰা এটা গল্প উলিয়াই আনিছিল।

সি বোলে তাইক ভাল পোৱাৰ প্ৰতিদানত কেতিয়াও দোষ জাপিব নোৱাৰি তাইক ফাঁকি দি লিখিছিল —

"তুমি মোক ক্ষমা কৰিবা। তোমাৰ স'তে মোৰ বিয়া নহ'বগৈ যেন লাগিছে। এইকেইদিন ঘৰলৈ অহা-যোৱা কৰি মোৰ অনুভৱ হৈছে মোৰ বিয়া অহা দহ বছৰলৈ অসম্ভৱ। তুমি হ'লা বংশৰ ডাঙৰ ছোৱালী। তোমাৰ বিয়া অহা চাৰি বছৰ মানৰ ভিতৰতে হৈ



যাব। .... অকল দুখেই পাই থাকিলে সুখনো কেতিয়া হ'ব .... তুমি মোৰ মৰমৰ ভণ্টীজনী হৈ থাকিবা ... যেতিয়াই তোমাৰ প্ৰয়োজন .... ।"

বুৰ্বকটোক মই এইবোৰ কথা প্ৰথমেই বুজাইছিলো যে ছোৱালী বোলা বস্তুটো চিতল মাছ। আৰে ভাই মোৰ একমাত্ৰ ভনীজনীকেই মই জানো। তাইক সঁচাকৈ ভালপোৱা ল'ৰাটো মোৰ একান্ত বন্ধু। তাইও এসময়ত ভাল পাইছিল (!)। কিন্তু, মাত্ৰ টকাসোপা দেখিয়েই, মৃন্ময় দত্তৰ দৌলতৰ জুইত তাই ফুলৰ পৰীহেন ছগাজনী জাহ গ'ল। এতিয়া পাইছে নহয় মজাতো। আৰে, কেৱল পাকস্থলি, হাওঁফাওঁ আৰু যৌনতাৰ সুখেৰেই মানুহ জীয়াই থাকিব নোৱাৰে নহয়। মানুহ কেৱল এটা জৈৱিক শৰীৰ হয় যে জৈৱিক উপাদানবোৰ পালেই সুখেৰে প্ৰাচুৰ্যময় হৈ থাকিব পাৰিব। মানুহৰ যে এটা অতিন্দ্ৰীয় সত্তা আছে। যৌৱনৰ জুই জ্বলি থাকে মানে সৰহভাগেই অনুভৱ কৰিব নোৱাৰে। যেতিয়া দেহৰ জুই স্তিমিত হয় তেতিয়া হৃদয়ৰ উত্তাপ বিচাৰি মানুহ পাগল হৈ পৰে। কিন্তু, ইতিমধ্যে সেইখন সময় ট্ৰেইন জাপানীজ টাইমত নিজৰ গন্তব্য স্থানলৈ গতি কৰে। মানুহৰ বহুত দেৰী হৈ যায়। তাৰ পাছত গোটেই জীৱন হুমুনিয়াহ ... হতাশা ... !

আচল কথা, মানুহক প্ৰেম লাগে, প্ৰেম। অন্ধ প্ৰেম। অন্ধই টকা, বাইক একো নেদেখে। তেনেকুৱা প্ৰেম খাবলৈ পালে মানুহ দুখীয়াও হয়। টকা কমোৱাৰ জোছ থাকে আৰু ধনীও হয়। কিন্তু এই ছোৱালীবোৰৰ মগজবোৰৰ ঢুকি পোৱা ক্ষমতাৰ ওপৰত মোৰ অলপ সন্দেহ হয়।

আহকচোন এই হাচাহানাৰ কথাকেই অলপ বিশ্লেষণ কৰি চাওঁ। কলেজৰ কৰিড'ৰত বোলে আৰম্ভ হৈছিল সিহঁতৰ প্ৰেম। সঁচানে মিছা নাজানো তাই বোলে একেদিনাই তাৰ প্ৰেমৰ প্ৰস্তাৱত সন্মতি জনাইছিল। একেদিনাই মানে, মাত্ৰ তিনি ঘণ্টাৰ ভিতৰতে। জালান নগৰ ষ্টেডিয়ামৰ খটখটিকেইটা বোলে তাৰ গোটেই জীৱন মনত থাকিব। তাইৰ বোলে তাক নিজৰ দেউতাকৰ দৰেই লাগিছিল। (এতিয়া প্লাৱনে কথাবোৰ কৈ কৈ মাজে মাজে খুউব হাঁহে। কি সুন্দৰ অভিনয় কৰিছিল তাই!) তাৰ পাছৰ পৰা কিমান কি কি পাৰ হৈ গ'ল। সেই ষ্টেডিয়ামতে ৰেড ৰোজ্‌দেৰ দিনা তাইক বোলে লুকাই লুকাই চাইছিল, হৰ্চ ৰেচিং চলি আছিল, তাইৰ কাষত মাক বহি আছিল। সেউজীয়া বননিৰে এটা বতাহময় আবেলি সিহঁত বোলে ফুৰিছিল। যিদিনা গোটেই ডিব্ৰুগড় ধূলিৰে ধূসৰিত হৈ পৰিছিল। ফাগুণৰ বলিয়া বতাহ আছিল সেইজাক। তাইৰ মুখৰ পৰা কিযে মিঠা মিঠা কথাবোৰ ওলাইছিল। সি 'ৰ' লাগি শুনিছিল। স্বপ্ন নে দিঠক সি ঠিক বুজিব পৰা নাছিল। ৰাতি দুটালৈকে পঢ়িছিল। ভাত-শাকবোৰ ইমান সোৱাদ লগাকৈ বনিছিল যে নিজেই আচৰিত হৈ গৈছিল। আৰুযে কত কি? ...

"ভঙা চিঙা ল'জ"ৰ (ভাড়াঘৰটোৰ নাম) এটা আবেলিৰ কথা। প্লাৱনৰ মাক ঘৰৰ পৰা আহি আছিলহি। আচম্বিতে তাই ওলাইছিলগৈ হেমপ্ৰভাৰ লগত। তাৰ অৱস্থা হৈছিল চাবলগা। মাকে সিহঁতক চাহ কৰি খুৱাইছিল। ঘৰৰ পৰা অনা চটিয়া-পিঠাৰে। কথা-বতৰা পাতিছিল। যাবৰ সময়ত তাই লাজ সংকোচ কাতি কৰি "মা ... যাওঁদেই" বুলি কৈ গৈছিল। সিহঁত যোৱাৰ পাছত মাকে তাক সুধি সুধি হায়ৰান কৰি দিছিল। সিও বিশ্বাসযোগ্য উত্তৰ এটাৰে মাকক পতিয়ন নিয়াইছিল।

তাইৰ ঘৰৰ এটি আবেলিৰ কথা। জোৰ কৰি তাই তাক ঘৰলৈ লৈ গৈছিল। ঘৰত কোনো নাছিল। মৌনতাৰ সূঁতা গাঁঠি থাকোঁতেই বহুপৰ পাৰ হৈ গৈছিল। তেনেতে বাহিৰত স্কুটাৰৰ খোৱাৰ শব্দ শুনা গৈছিল। তাইৰ দেউতাক! সি তাৰ মুখখন যিমান সহজ কৰিব বিছাৰিও কৰিব পৰা নাছিল। ধৰা পৰি গৈছিল। পাছত তাইক কিবাকিবি কৈছিল।

সি পঢ়া টেবুলত বহি তাইলৈ চিঠি লিখিছিল। ইখন পাতৰ পৰা সিখন পাতলৈ আখৰবোৰ বানপানীৰ সোঁতৰ দৰে বৈ গৈছিল। তাই বোলে পঢ়ি কান্দিছিল। তাইও লিখিছিল "পঢ়ি থাকোঁতে ক'ৰপৰা নো আপোনাৰ মৰম লগা মুখখনিয়ে আহি আমনি কৰে। তাৰ পাছত আৰু পঢ়া নহয় ... মোৰ বৰ কষ্ট হৈছে জানে ... । ইমান বছৰ কেনেকৈ পাৰ কৰিম তাকে ভাবিছোঁ।" (সি বোলে তাইক ছবছৰ সময় দিছিল।)

সেই একেজনীয়েই ছোৱালী। যেতিয়া তাৰ গাত বসন্তই দেখা দিছিল। একেবাৰে কিবাটো হৈ পৰিছিল সি। বন্ধু শিৱৰাজৰ লগত তাইৰ পৰীক্ষাৰ শেহৰ দিনা লগ কৰিবলৈ গৈছিল। খবৰ ল'বলৈ। তাই দেখিও নেদেখাৰ ভাও ধৰিছিল। সকলো মনত থাকিও যেন পাহৰি পেলাবলৈ চেষ্টা কৰিছিল। মাতিবলে ইচ্ছা কৰা নাছিল। তাক বেমাৰী বুলি অৱজ্ঞা কৰিছিল। সৰল অন্তৰত তাৰ প্ৰচণ্ড খং আৰু অভিমানৰ উত্তাল ঢৌৰ সৃষ্টি হৈছিল। দুচকুৰে বৈ অহা মুকুতাৰ ধাৰাৰে দুগাল তিতি গৈছিল। শিৱৰাজে বুজাই বুজাই অৱশেষত মনে মনে সিও চকুলো টুকিছিল। ডায়েৰীৰ পাতত ৰঙা চিঞাহীৰে সি লিখিছিল —

"সময় চকৰী এদিন ঘূৰিবই ঘূৰিব। এদিন তুমি মোৰ বাবে কান্দিবই লাগিব।"

কিছুদিন পাছত তাইৰো বসন্ত হৈছিল। ভীষণ কষ্ট পাইছিল। তাৰ বৰ দুখ লাগিছিল। প্ৰায়ে গৈ খবৰ লৈছিল। তাই কৈছিল তাই হেনো বুজি পাইছে তাইৰ কিয় বসন্ত হৈছে। তাই বোলে তাৰ বসন্ত হওঁতে তাক নেগ্‌লেক্ট কৰাৰ বাবে তাইৰ বসন্ত হৈছে। বুজি পাইছিলোঁ বুলি কৈছিল, কিন্তু বুজি পাইছিল জানো। যদি বুজি পাইছিলেই তেন্তে সেই ল'ৰাজন! ৰিক্সাত সিহঁত দুটা একেলগে!! নাই, মই কেতিয়াও বিশ্বাস নকৰোঁ তিৰোতা মানুহে কিবা কথা দকৈ বুজি পাব পাৰে বুলি। কেতিয়াবা মোৰ পুতৌ হয়। প্ৰায় প্ৰতিগৰাকী তিৰোতাকে ভগৱানে এখন সুন্দৰ মুখমণ্ডল উপহাৰ দিছে। কিন্তু মুখমণ্ডলৰ পিছফালে থকা মগজুত এটা উন্নত প্ৰাণী হিচাপে থাকিবলগা সকলো বস্তু নিদিলে নেকি? অৱশ্যে কিবা এটা পাবলৈ কিবা এটা হেৰুৱাব লাগিব দিয়কচোন। ■

*(তিৰোতাসকললৈ ক্ষমা ভিক্ষা প্ৰাৰ্থনাৰে)*

*মোৰ অকৃত্ৰিম বন্ধু শিৱৰাজ, মুনীন্দ্ৰ, বীৰেণ, ৰঞ্জিন, প্ৰণৱ, বিনয়, ভূপেন, পঞ্চম আৰু আবুলৰ হাতত। বন্ধুত্বৰ কৃতজ্ঞতাৰ চিনস্বৰূপে। আৰু এগৰাকী নাম উল্লেখ কৰিব নোৱাৰা ভণ্টীলৈ।*

# মিলন মুহূৰ্তৰ প্ৰতীক্ষাত

✍ মৃদুস্মিতা দাস



টেলিফোনটো ক্ৰিং ক্ৰিং কৈ বাজি উঠাত মমতাই লিখি থকাৰ পৰা বাওঁহাতে ৰিচিভাৰটো তুলি লৈ স্বভাৱ সুলভ আন্তৰিকতাৰে মাত দিলে, "হেল্লো"। আনটো মূৰৰ পৰা উচ্ছাসিত পুৰুষকণ্ঠ শুনা গ'ল, "হেল্লো মমতা। মই আদিত্য।" তাইৰ কাণ দুখন যেন গৰম হৈ উঠিল। বুকুখন দুৰু দুৰু কঁপি উঠিল। সদায়ে এনে হয়। তাৰ মাত শুনি বুকুখন কঁপি উঠে। কাণ-মূৰ গৰম হৈ যায়। উত্তেজনাত উশাহ ল'বলৈকো যেন তাই পাহৰি যায়। কিয় জানো তাই নিস্তব্ধ হৈ ৰিচিভাৰটো ধৰি থাকিল। কি হ'ল তাইৰ? আদিত্যৰ মাতে তাইৰ স্নায়ুতন্ত্ৰৰ কোনোবাখিনিত চুই গ'ল নেকি?

"তুমি আছানে, ফোনটো থৈ দিলা?" আকৌ প্ৰশ্ন।

"নাই নাই ফোন থোৱা নাই।"

"তেন্তে মনে মনে আছা কিয়? কিবা কোৱানা।"

"কি ক'ম?" তাই প্ৰশ্ন কৰিলে।

"সেইটোও মই কৈ দিব লাগিব নেকি?"

"আচ্ছা সেইবোৰ অবান্তৰ কথা বাদ দিয়া।" প্ৰসঙ্গ সলাবলৈ তাই কৈ উঠিল। "এতিয়া কোৱা কি উদ্দেশ্যৰেবা ফোন কৰিলা।"

অহা ১১ মাৰ্চত মই ডিব্ৰুগড়লৈ যাম। চৌকিডিঙ্গি বাছষ্টেণ্ডত তোমাৰ বাবে অপেক্ষা কৰিম, আহিবা।"

"বাৰু ফোন থৈছো।" সিটো পক্ষ অলপ সময় স্তব্ধ হৈ গ'ল। ইমানযে কম কথা পাতিলে। অভিমানত তাইৰ চকুযুৰি চলচলীয়া হৈ পৰিল।

গুৱাহাটীত থাকি সি। ইঞ্জিনীয়াৰ। ছুটিও বেছি নাপায়। অজানিতে মনৰ মাজত গোপনে থিতাপি লোৱা মনৰ গৰাকীক সদায় লগ পোৱাৰ ইচ্ছা হয়। কিন্তু তেনে ভাগ্য সিহঁতৰ ক'ত? অন্তৰৰ বহু কথা ফোনৰ মাজেৰে প্ৰকাশ কৰে, কেতিয়াবা চিঠিও দিয়ে। ফোন আৰু চিঠিৰ জৰিয়তে জানো মনৰ সকলো কথা কৈ শেষ কৰিব পাৰি।

প্ৰায় এবছৰ পাছত আদিত্য আহিব। বহুত কথা পাতিবলৈ আছে। আবেগত আকৌ এবাৰ মমতাৰ বুকুখন কঁপি উঠিল।

আজি ১১ মাৰ্চ, হালধীয়া চুৰিদাৰযোৰে পিন্ধি তাই আইনাৰ সন্মুখত থিয় হ'ল। হালধীয়া ৰঙৰ ফোঁট, ওঁঠত পাতলীয়াকৈ লিপষ্টিকৰ বোল। আন দহজনী ছোৱালীৰ দৰেই সাধাৰণ তাইৰ ৰূপ। আইনাখনলৈ চাই আজি তাইৰ নিজকে আনদিনাতকৈ ধুনীয়া লাগি গ'ল। চুলিখিনি ফণিখনেৰে থিক্ কৰি ল'লে তাই।

বিক্ৰমবোৰতো যে ইমান ভিৰ। ঠেলি হেঁচি তাই কোনোমতে সামান্য ঠাই এডোখৰত বহিলে। কাষত এগৰাকী ভদ্ৰ মহিলা। "কলৈ যাবা?" "চৌকিডিঙ্গিত নামিম।" মহিলাগৰাকীৰ প্ৰশ্নৰ চমু উত্তৰ দিলে তাই। কথা পাতিবলৈ তাইৰ মন নগ'ল। তাইৰ এই সময়খিনি নিৰবতাৰে পাৰ কৰিবলৈ মন গ'ল। বতৰটো ডাৱৰীয়া, বৰষুণো পৰিছে।

প্ৰতি প্ৰহৰৰ আউল ছিঙি
সুদূৰৰ বাঁহীৰ সুৰ ভাঁহিছিল
মোৰ সোণালী অতীতৰ উৰুলি
দুকুল উপচা জোনাকেৰে উটি ভাঁহি।

মমতাৰ মনটো বহু বাট অতিক্ৰম কৰি অতীতলৈ উৰা মাৰিলে। আদিত্য প্ৰথমবাৰৰ বাবে যেতিয়া গুৱাহাটীলৈ গৈছিল তেতিয়াও এনেদৰে বৰষুণ পৰিছিল। তেতিয়া তাই ভাবিছিল বিচ্ছেদৰ সময়তে হয়তো বৰষুণ দিয়ে। কিন্তু আজিতো সিহঁতৰ মিলনৰ দিন।

প্ৰথম কেতিয়া লগ পাইছিল বাৰু তাই আদিত্যক। কৃষ্ণচূড়া, এজাৰ আৰু সোণাৰু ফুলাৰ দিনত। প্ৰেম কি বস্তু বুজি পোৱাৰ আগেয়ে মমতা প্ৰেমত পৰিছিল। প্ৰেম নে কি তাই বুজি পোৱা নাছিল। মাথোঁ বুজি পাইছিল যে তাইৰ ভাল লাগে আদিত্যক। বন্ধু এজনৰ সৈতে আদিত্য আহিছিল মমতাহঁতৰ ঘৰলৈ। এইদৰে আহোঁতে আহোঁতে আদিত্যৰ বাবে সিহঁতৰ ঘৰখন ভাতঘৰৰ দৰে হৈ পৰিছিল। ভুৰুং-ভুৰুং আহিয়ে থাকে, গৈয়ে থাকে। প্ৰেম সাধনা, প্ৰতি পলে পলে জীৱনৰ মাজেৰে প্ৰেমে বগুৱা বায়। প্ৰেমে পোহৰাই দিয়ে মানুহৰ জীৱনৰ আন্ধাৰ দিশবোৰ।

ল'ৰাবোৰৰ লগত তাই কেতিয়াও সহজভাৱে কথা পাতিব নোৱাৰে। কিবা এক অনামী লাজে তাইৰ মুখৰ মাতো যেন কাঢ়ি লৈ যায়।

আদিত্যক ভাল লগাৰ পৰা তাইৰ যেন লাজ আৰুহে বাঢ়ি গৈছিল। সিহঁতৰ ঘৰলৈ আদিত্যৰ অহা যোৱাতো অলপ কমি গ'লেই তাৰ ওপৰত তাইৰ বৰ খং উঠে। কেতিয়া সন্ধিয়া বেলিকা 'বাইক' লৈ ভুৰুংকৈ আহি ওলায়হি। এঘন্টামান পাকঘৰৰ পৰা ড্ৰইং ৰুমলৈকে ঘূৰি মেলি উৎপাত কৰি আকৌ গুছি যায়।

দিনটোৰ কৰ্মব্যস্ততাৰ অন্ততঃ বিশেষকৈ সন্ধিয়াৰ পৰা নিশা বিচনাত পৰালৈকে তাই আদিত্যৰ লগতে যেন কটাই দিব, এনেকুৱা লাগে। মমতাই জানে, মাক-দেউতাকেও আদিত্যক খুবেই ভাল পায়।

আদিত্যৰ গভীৰ মৰম, আকুলতাৰে ভৰা সেই চকুযুৰিয়ে চালে তাইৰ হৃদয়খনত যেন কিবা এটা অজান অনুভূতিৰ সৃষ্টি হৈছিল। সিহঁত সহজ হৈ পৰিছিল দুয়ো দুয়োৰে ওচৰত। জাতি-ধৰ্মৰ পাৰ্থক্যয়ো সিহঁতৰ মৰমৰ এনাজ চিঙিব পৰা নাই। বৰং দুয়োখন সমাজৰ এই নিয়মৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাই মানৱ প্ৰেমেৰে এখন নতুন সমাজ গঢ়াৰ সপোন দেখিছে। কিমান আশা, কিমান সপোন, কিমানযে কল্পনাৰে ভৰা এই জীৱন। সিহঁত প্ৰেমত পৰিছিল।

"দি যোৱানা
যোৱাৰ আগেয়ে
প্ৰতিশ্ৰুতি অহাৰ
কৈ যোৱানা,
কাণে কাণে
তোমাৰ মনৰ কথাটি।
চকুৰ আঁতৰ হ'লে, মনৰো আঁতৰ হয়
এই কথাষাৰ তুমি যেন নকৰা প্ৰমাণ।"

সঁচাই যেন সিহঁতে এই কথাষাৰ মিছা বুলি প্ৰমাণ কৰি দিছে। দুয়ো দুয়োৰে পৰা বহু আঁতৰ থাকিও সিহঁতৰ মৰমবোৰ একেদৰেই আছে।

মমতাৰ পছন্দ হয় আদিত্যৰ দৰে ল'ৰাকহে। ধুমুহাৰ দৰে যাৰ গতি। যাৰ সঙ্গ সুখে জীৱনটোক কৰি তুলে ধন্য।

"মমতা কিয় ইমান মনে মনে আছা। কিবা এটা কোৱানা?" দুয়োকাষে সেউজীয়া চাহ গছৰ মাজেদি খোজ কাঢ়ি ফুৰোঁতে আদিত্যই কয়।

"কিনো কওঁ"। — কওঁ বুলি ভবা কথাবোৰ যে তাই আদিত্যক পালে পাহৰি যায়। কিয় বাৰু এনে হয়? দুয়ো দুয়োৰে চকুলৈ আকুলতাৰে চাই ৰয়। এই সুন্দৰ নিৰৱতাখিনি ভঙ্গ কৰাৰ ইচ্ছা কাৰোৰে নাথাকে।

চাহপাতৰ কলি এটা চিঙি মমতাই সুধে, "আদিত্য তোমাৰ চকুযুৰিত বাৰু কি আছে?"

"তোমাৰ বাবে এসাগৰ মৰম। যি মৰমৰ মাজত মই তোমাক চিৰজীৱন সাৱতি ৰাখিব বিচাৰো।" — আদিত্যই মমতাৰ দুচকুলৈ চাই কয়। আদিত্যৰ প্ৰসাৰিত দুবাহুৰ মাজত থাকি তাই যেন সকলো পাহৰি যাব বিচাৰে। পৃথিৱীখন যে ইমান সুন্দৰ। ইমান মৰম আৰু আৱেগেৰে সাৱতি কপালত তপ্ত ওঁঠৰ পৰশ দিয়ে আদিত্যই।

চৌকিডিঙ্গিত কোনোবা নামিব নেকি বুলি সোধাতহে মমতা বাস্তৱ জগতলৈ উভতি আহিল। নিজৰ মনতে এক লাজ লাজ অনুভূতিৰ প্ৰকাশ পোৱা যেন পালে তাই।

বাছষ্টেণ্ড পালোহিয়েই। কিবা এক অজান আশংকাত বুকুখন আকৌ কঁপি উঠিল। কাণ-মূৰ গৰম হৈ যোৱা যেন লাগিল তাইৰ। দোকান এখনৰ সন্মুখতে ৰৈ ইফালে সিফালে চালে। বাছবোৰ আহিছে, গৈছে। মানুহবোৰো নামিছে। কোনোবাই হয়তো বাছত উঠিবৰ বাবে ব্যস্ত হৈ পৰিছে। কিন্তু ক'ত সেই চিনাকি চকুযুৰি? জিৰণী কোঠা, কিতাপৰ দোকান, পান-তামোলৰ দোকান। নাই ক'তো নাই সেই চিনাকি মুখখন।

আদিত্যই তাইৰ জন্মদিনত উপহাৰ দিয়া সৰু ঘড়ীটোৰ ঘণ্টা, মিনিট, ছেকেণ্ডৰ কাটাবোৰ ক্ৰমাৎ আগুৱাবলৈ ধৰিলে। কঁপি কঁপি আগবঢ়া ছেকেণ্ডৰ কাটাডালৰ দৰে তাইৰ বুকুখনো কঁপিব ধৰিছে। প্ৰায় দুঘন্টা হ'ল তথাপিতো আদিত্যৰ ক'তো দেখা দেখি নাই। তাইৰ বুকুখন বিষাবলৈ ধৰিছে। মুহূৰ্ততে তাই নিজকে বৰ অকলশৰীয়া অনুভৱ কৰিছে। প্ৰচণ্ড ক্ষোভত তাইৰ চকুৰেদি চকুলো বাগৰি গৈছে।

আদিত্যই তাইক প্ৰতাৰণা কৰিলে। সি মিছা কথা ক'লে। নাই তাই আৰু অপেক্ষা নকৰে। তাই যাবলৈ ওলাল। কিছু দূৰ আগবাঢ়োঁতেই পিছৰ পৰা কোনোবাই তাইৰ নাম ধৰি মতা শুনিলে। হাজাৰ হাজাৰ চৰাইৰ কোলাহল আৰু সুউচ্চ শৃঙ্গৰ পৰা সৰি পৰা স্ৰোতস্বিনী জুৰিৰ আস্ফালনেৰে যেন সেই মানষাৰ সৰু-বৰ অসংখ্য সুৰঙ্গৰ মাজেৰে ঠেকা খাই বাগৰি বাগৰি অৱশেষত তাইৰ কাণলৈ আহিছে। যাবলৈ লোৱাৰ পৰা পিছলৈ ঘূৰি চাওঁতে তাইৰ সময় লাগিল সম্পূৰ্ণ পাঁচবছৰ। আৰু ডেউকা ভঙা কপৌৰ ধপ্-ধপনিৰে তাইৰ বুকুৰ পৰা বিস্ময়-বিহ্বল দৃষ্টি আৰু অস্ফুট শব্দেৰে ওলাই আহিল এটা নাম "আদিত্য"। ■

# জীৱন্ত এপিটাফ্

✍ পংকজ বড়া

নৱাগত সকলৰ নতুন উল্লাসেৰে নতুন শিক্ষা বৰ্ষৰ জড়তা আঁতৰাই কলেজ কেম্পাছটো এজনী ৰূপহী ষোড়শী গাভৰুৰ দৰে হৈ পৰিছে। ব্যস্ততাৰ যেন সীমা নাই। সৌৰজগতত নক্ষত্ৰপুঞ্জই নিজ কক্ষপথত বিৰামহীনভাৱে চক্ৰাকাৰে ঘূৰি থকাৰ দৰেই প্ৰত্যেকজন নৱাগতই ঘূৰি ফুৰিছে নিজ কৰ্মৰ কক্ষপথত। কাৰো যেন উভটি চোৱাৰ অৱকাশ নাই। যেন মহানগৰীৰ কোনোবা এটা ব্যস্তময় পথ। কাৰ কি কাম জনাবো উপায় নাই। কেৱল ব্যস্ত আৰু ব্যস্ত। সেই নৱাগত সকলৰ ভিতৰতে এগৰাকী নৱাগতাই থিতাপি লৈছিল কজেল জীৱনৰ শেষ ক্ষণ গণি গণি ক্লান্ত হৈ পৰা প্ৰাঞ্জলৰ বুকুৰ নিভৃত কোণত। বিকল যন্ত্ৰত বিদ্যুৎ সংযোগ হৈ সৃষ্টি হোৱা তৰঙ্গৰ দৰেই হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সৃষ্টি হৈছিল প্ৰাণ-প্ৰাচুৰ্য প্ৰেমময় স্পন্দন। দীৰ্ঘ দিনৰ কলীয়া ডাৱৰে মেঘাছন্ন কৰি ৰখা প্ৰাঞ্জলৰ মনাকাশত অযুত তৰালীৰে লুকা-ভাকু খেলিছিল। নৱাগতৰ ধাম্‌খুমীয়াত ৰৌজাল-বৌজাল কৰি থকা কলেজত প্ৰাঞ্জলৰ কাৰণে বিৰাজ কৰিছিল এক নিঃসংগতাবোধে। তাৰ মনাকাশৰ অযুত তৰালীৰ মাজত তাক আমনি কৰিছিল এক স্বপ্নই য'ত আছে অদূৰ ভৱিষ্যতৰ বিচিত্ৰ ৰঙৰ বিক্ষিপ্ত ছবি।



নৱাগতাক সি দেখিছিল কলেজত নামভৰ্তিৰ সময়ত প্ৰথম বাৰৰ বাবে। প্ৰথম দেখোতেই তাৰ হৃদয়ত এক জোকাৰণিৰ সৃষ্টি হৈছিল। শিহঁৰিত হৈছিল প্ৰাঞ্জল, তাইৰ শান্ত চকুযোৰিত সি বিচাৰি পাইছিল অনাগত জীৱনৰ নতুন পথ। ডাণ্টেই কুমলীয়া বয়সত যি প্ৰেমৰ অনুভৱ কৰিছিল বিয়েট্ৰীছৰ প্ৰতি, সেই অনুভৱ প্ৰাঞ্জলেও অনুভৱ কৰিছিল নৱাগতাৰ প্ৰতি। সেইসময়ৰ ডেকা কবি ডাণ্টেই কোৱাৰ দৰে "My desire and will rolled even as a wheel which moves equally by the love that moves the sun and the other stars." যি প্ৰেমৰ তাড়নাত সূৰ্য আৰু নক্ষত্ৰাৱলী ঘূৰিব লাগিছে, সেই প্ৰেমেই গাড়ীৰ চকাৰ দৰে তাৰ ইচ্ছা আৰু বাসনাক নিয়ন্ত্ৰিত কৰিছে। কলেজৰ পঞ্চম বছৰত আহি ভৰি দিছে প্ৰাঞ্জলে। স্নাতক চূড়ান্ত বৰ্ষৰ ইংৰাজী বিভাগত। খুব কম সময়ৰ ভিতৰতে কাৰোবাৰ অন্তৰত স্থায়ী আসন দখল কৰিব পৰা গুণটোৱে আছিল প্ৰাঞ্জলৰ অতি মহৎ গুণ। সেয়ে সি হৈ পৰিছিল সকলোৰে প্ৰিয় পাত্ৰ। কিন্তু তাৰটো কাহানিও প্ৰেম হোৱা নাছিল। কলেজৰ চাৰিটা বছৰটো তেনেকৈয়ে পাৰ কৰিলে। এতিয়া কলেজ জীৱনৰ বিয়লি বেলাত কেনেকৈ যে তাৰ প্ৰেম নামৰ সামগ্ৰিক শব্দটোৱে থিতাপি ল'লে নিজেই নাজানে। প্ৰেম হয়তো এনেকোৱাই আভৰণ খুলি হৃদয় জুৰায়।

কলেজত Admission হৈছিল সেইদিনা। পূৰ্ণ উদ্যমে নৱাগতসকলে উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰিছিল কলেজত। জাক পাতি পাতি নতুন মুখৰ ল'ৰা-ছোৱালীবোৰ থিয় হৈ আছিল কলেজৰ প্ৰশাসনিক ভৱনৰ বাৰান্দাত। তাতেই প্ৰাঞ্জল, অপূৰ্ব, শশী, মিলন, ৰাজীৱ, বলিনহঁত থিয় হৈ আছিল বাঢ়নী পানীয়ে মথাউৰি ভঙা দৃশ্য চাবলৈ বৈ থকাৰ দৰে মাৰ বান্ধি। বাৰান্দাৰ পৰাই প্ৰত্যক্ষ হয় কলেজৰ গেটখন। তাৰে পৰাই দেখা পাইছিল সেউজীয়া ৰঙৰ পোছাক পৰিহিতা এগৰাকী নৱাগতাক। তাইক দেখি প্ৰাঞ্জল থৰ লাগিল। তাইৰ কমনীয়তাই প্ৰাঞ্জলক একেবাৰতে মোহিত কৰিলে। তাইৰ লাৱনি খোজত গেটৰ পৰা Cash Counter পৰ্যন্ত পৰিব্যাপ্ত Foot Path টো যেন কঁপি উঠিছিল। মুহূৰ্ততে প্ৰাঞ্জলৰ হৃদয়ৰ মণি কোঠাত প্ৰৱেশ কৰিলে তাইৰ বিন্দু বিন্দু সৌন্দৰ্য ৰাশিয়ে।

ঐ থৰ লাগিলি যে — হঠাত অপূৰ্বৰ মাতত উচপ খাই উঠিল প্ৰাঞ্জল। তাৰ যেন লাজ লাগি গ'ল।

প্ৰাঞ্জলৰ মনটোৱে ইউৰেকা ইউৰেকা কৰি উঠিল। বহুদিন বিচাৰি ফুৰা তাৰ কল্পনা উল্লাসীৰ দৰে লাগিল তাইক। প্ৰাঞ্জলৰ মনত তাইৰ স'তে চিনাকি হোৱাৰ এটা তীব্ৰ হেঁপাহ জাগি উঠিল। সি অপূৰ্বক ছোৱালীজনীৰ স'তে চিনাকি হ'বলৈ খাটনি ধৰিলে। তেতিয়া অপূৰ্বই প্ৰাঞ্জলক আন এদিন চিনাকি হোৱাৰ কথা ক'লে — যে অহা জুলাই মাহৰ পৰা ক্লাছ আৰম্ভ হ'ব নহয়, তেতিয়া ভালকৈ চিনাকি হ'ম। প্ৰাঞ্জলৰ ছোৱলীজনীৰ লগত চিনাকি হ'ব খোজাৰ কথাটি শুনি কাষত থকা শশীয়ে তপৰাই মাত লগালে প্ৰাঞ্জলৰ লগত বড়িয়া মিলিব দেই। হ'ব বন্ধু তই নিশ্চিন্ত থাক তোৰ নহ'লেও আমাৰ কাৰোবাৰ হ'ব দে, সকলোৱে একে মুখে কয়। হাঁহিৰে কাষৰ দেৱদাৰু কেইজোপা আৰু আমলখি জোপাত যেন এটা মৃদু ফাগুণী মলয়াৰ বা বোৱালে। তাই আহি খট্ খটি কেইটা বগাই অলপ সংকোচেৰে প্ৰাঞ্জলহঁতৰ ওচৰেদি cash counter ৰ কাষ পালেগৈ। মুখত আলকটৰাৰ দৰে লিপ্‌ষ্টিকৰ প্ৰলেপ নাই, দেহত উৎকট পাৰ্‌ফিউমৰ সুবাস নাই, কিন্তু আছে তাইৰ দেহত আবতৰীয়া ডাঁহেচীয়া মধুৰিআমৰ মৃদু আবেদন। নিৰ্দিষ্ট স্থানত, নিৰ্দিষ্ট কাম কৰি নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট দিশে একেটা খোজেৰে ঘৰমুৱা হ'ল তাই। কিন্তু প্ৰাঞ্জলে একেটা স্থানতে, একেটা অৱস্থাত অপলক নেত্ৰেৰে মাথোঁ তাইৰ ফালে চাই থাকিল। তাক আৰু একো নালাগে মাথোঁ লাগে তাৰ হৃদয়ৰ কোঠাৰ পাটৰাণী হ'ব পৰা এই মানৱী কন্যাক।

সেইদিনা প্ৰাঞ্জলৰ টোপনি অহা নাই। অদূৰত ফেঁচাৰ কুৰুলিৰ শব্দই তাক বিৰহৰ দাবানলত পুৰি মাৰিছে। উচ্‌পিচ্ কৰি কৰি অৱশেষত ৰাতি কুটি খোৱা চৰাইটোৰ মাতত ৰাতিপুৱাল। বিচনাৰ পৰাই কেলেণ্ডাৰখনলৈ চকু ফুৰালে প্ৰাঞ্জলে। আজি জুলাই মাহৰ ১ তাৰিখ। আজিৰ পৰা কলেজৰ ক্লাছ আৰম্ভ হ'ব। তাৰ বুকুৰ মাজেদি এখন দ্ৰুতবেগী ব্ৰডগজ ট্ৰেইন পাৰ হৈ যোৱা যেন লাগিল। কলিজাটোৱে ধপধপাবলৈ ধৰিলে। চকুত টোপনি নাই, পেটত ভোক নাই।

প্ৰেমৰ অৰ্থ কবিতাৰ দৰেই — সজ্ঞাৰে বান্ধি ৰাখিব নোৱাৰি। আজি সি চিনাকি হ'ব তাৰ মন-ফাগুণীজনীৰ স'তে। পুৱাতে গা-পা ধুই ভগৱানৰ ওচৰত সেৱা জনালে চিনাকি পৰ্বটো যেন সুকলমে পাৰ হৈ যায়। ঘড়ীটোৰ কাটা কেইডাল যেন হালত নোযোৱা বলধ। সময়বোৰ নাযায় নুপুৱায়। পুৱা সাত বজাতে খলকনিৰ লহৰ তুলিছিল 'ৰং-মন' ল'জত। ঐ তহঁতে কলেজলৈ নাযাৱ নেকি? আজিৰ পৰা আমাৰ ক্লাছ আৰম্ভ হ'ব নহয়। আমাক সি কলেজ ওলাবলৈ থাউনি নাইকিয়া কৰিছিল।

অৱশেষত আমি তাৰ কথা ৰাখিবৰ বাবেই পুৱাতে কলেজ যাবলৈ ৰাওনা হ'লো। আমি থকা ল'জটোৰ পৰা কজেল পাবলৈ প্ৰয়োজন মাথোঁ পোন্ধৰ মিনিট সময়ৰ। সেয়ে আমি খোজ কাঢ়িয়েই কলেজলৈ গ'লো। ন-পোন্ধৰৰ পৰা ক্লাছসমূহ আৰম্ভ হয়। আঠ-ত্ৰিশ বজাতে আমি কলেজত হাজিৰ — আমাৰ প্ৰাঞ্জল পাৰ্টি, ডিব্ৰুক্ষেত্ৰৰ প্ৰেমৰণৰ মহাৰথিবোৰ। নতুন নতুন আমেজেৰে সপোন সাৰ্থকতাৰে নতুনৰ আগমনে কলেজ চৌহদ সমাগম হৈছে। আমিও সেই সমাগমত সোমাই পৰিলো। কিছু সময় আমি এনেয়ে পাৰ কৰিলো।

হঠাতে আমাৰ মাজৰ পৰা প্ৰাঞ্জল নোহোৱা হৈ গ'ল। চাৰিওফালে বিচাৰ-খোচাৰ কৰিও প্ৰাঞ্জলক তাত দেখা পোৱা নগ'ল। তেনেতে বলিনে শশীক সুধিলে — ঐ সি চিনাকি হ'ব বিচৰা ছোৱালীজনীক লগ পাই আঁতৰি যোৱা নাইতো? প্ৰাঞ্জল তেনেকুৱা ল'ৰাই নহয় — ৰাজীৱে কৈ উঠিল। আমি তাক বিচাৰি যাওঁ বুলি কলেজৰ দ্বিতীয় মহলা পালোগৈ, তেনেতে দেখিলো সি সংস্কৃত বিভাগৰ কোঠাটোৰ কাষত তললৈ মূৰ গুজি অকলে ভাবত বিভোৰ হৈ বহি আছে। ঐ প্ৰাঞ্জল — এনেদৰে আমাক এৰি থৈ গুচি আহিলি যে — কি চিন্তা কৰি আছ? আমাকো চিন্তা কৰিবলৈ দে আক'? মিলনে ক'লে। সি আমালৈ মূৰ দাঙি চাওঁতে আমি দেখিলো সি যেন দুখত কাতৰ হৈ পৰিছে — তাৰ দুচকুৰ কোণেৰে দুধাৰি চকুলো বৈ আহিছে। আমাক দেখি সি চকুযোৰি মোহাৰি "নাই মোৰ একো হোৱা নাই" বুলি কৈছিল। অৱশেষত আমি খুব জোৰ কৰাত সি ক'বলৈ বাধ্য হ'ল — মোক আজি এটা কথাই বৰকৈ আমণি কৰিছেঅ' — চাৰি বছৰৰ আগতে এই নৱাগত সকলৰ দৰেই মইয়ো এইখন কলেজলৈ আহিছিলো। ৰং-তামাচাৰ মহোৎসৱেৰে দিনবোৰ পাৰ কৰিছিলো; কিন্তু আৰু কেইদিনমানৰ পাছত এই সকলোবোৰ এৰি গুচি যাব লাগিব। সিহঁতক বা আকৌ কেতিয়া লগ পাম। আকৌ জানো কেতিয়াবা আমাৰ দেখা দেখি হ'ব।" সঁচাকৈয়ে কি কৰিবি। সময়ৰ আহ্বান আমি মানিবই লাগিব। ঋতু আহে ঋতু যায় — ই প্ৰকৃতিৰ চিৰাচৰিত নিয়ম। এই নিয়ম কোনে ভঙ্গ কৰিব পাৰিব বুলি প্ৰাঞ্জলৰ আগত মিলনে কৈ গ'ল।

এনেতে অপূৰ্বই তাৰ কল্পনা উল্লাসীকা গৰাকীৰ সৈতে চিনাকি হ'বলৈ তাক লৈ গ'ল। সিহঁতে নৱাগতসকলৰ মাজত তাইক বিচাৰি নাপাই ইফালে সিফালে চাব ধৰিলে। হঠাতে কলেজ গেটৰ সন্মুখলৈ দৃষ্টি নিক্ষেপ কৰি প্ৰাঞ্জলে তাইক দেখাৰ লগে লগে আনন্দত উত্ৰাৱল হৈ পৰিছিল। বগা চুৰিদাৰ আৰু আকাশী নীলা চুৰ্নীখনেৰে উঠন বুকুখন ঢাকি হৰিণী খোজেৰে কলেজৰ দ্বিতীয় দ্বিতীয় মহলাৰ নিজৰ শ্ৰেণী কোঠালৈ বাট ল'লে। গোটেই দিনটো সি চিনাকি হোৱাৰ আশাৰে বাট চাই ৰ'ল। হায়! বিধিৰ কি নিদাৰুণ বিধান। কলেজত সেই কেইদিন ৰেগিঙৰ ভয়ত নৱাগতসকলৰ ঘূৰা-ফিৰাটো কম হৈছে। কিন্তু সি তাইৰ লগত চিনাকি হোৱাৰ আশাৰে নিঃচুপ হৈ বহি থাকিল দ্বিতীয় মহলালৈ উঠি যোৱা খট্‌খটিৰ ওচৰত দিনৰ দিনটো। তথাপিও সি চিনাকি হোৱাৰ সুযোগ কনেই নাপালে।

কলেজ আৰম্ভ হোৱা কিছুদিন পাৰ হ'ল তাৰ হেঁপাহ হেঁপাহতে মলঙিছে। কলেজৰ পৰিৱেশত যেন সি পাইছিল কিবা এক আনন্দৰ শুভ সংবাদৰ গোন্ধ। যাৰ কাৰণে ইমান দিন সি সাগৰৰ অতল তলিৰ পৰা মুকুতা বিচৰাৰ দৰে আপ্ৰাণ চেষ্টা কৰিছিল চিনাকি হোৱাৰ আশাৰে। সেই গৰাকীয়ে আজি তাক চিনাকি হ'বৰ বাবে বিচাৰি ফুৰিছে। এয়া কি আশ্চৰ্য। কথাষাৰ শুনাৰ পৰা তাৰ ন যসৌ ন তস্থৌ অৱস্থা। বিভাগীয় শিক্ষকৰ মুখৰ পৰা প্ৰাঞ্জলৰ কথা গম পাইছিল তাই। "তাৰ পৰা সহায় পাবা, তাক সুধিবাচোন বুলি শিক্ষকে নৱাগতাহঁতক কৈছিল।" বাৰে কিচিম ভাবনাই জুমুৰি দি ধৰিছিল তাক, তাৰ নিজকে এবুজা চিন্তাৰে সৈতে এখন মাল-বাহি ট্ৰাকৰ দৰে লাগিছিল। কিন্তু তাৰ সখীয়তী মনটোৱে থৌকি বাথৌ কৰি নাচি আছিল।

প্ৰাঞ্জল দা, অ, প্ৰাঞ্জলদা, জংকিৰ মাত শুনি উভটি সুধিলে, মোক মাতিছা? অ, আপোনাকে মাতিছো। নৱগতাই আপোনাৰ লগত চিনাকি হ'ব বিচাৰিছে। ভয়েই লাগক বা সংকোচেই লাগক তাৰ যে হৃদয়ত আনন্দৰ জোৱাৰ উঠা নাছিল তেনে নহয়। চিনাকি পৰ্ব ভালেই গ'ল, সিহঁতৰ চাৰিচকুৰ মিলনত বহু কথাই ফুটি উঠিল। তাইৰ নীলা চকুজুৰি যেন সাগৰৰ সলিল ৰাশি। তাইৰ বুকুখনেদি যে এটা বৈদ্যুতিক আধান পাৰ হৈ যোৱা নাই তেনে নহয়, তাইৰ মনতো একেটা বৃহৎ প্ৰাপ্তিৰ আনন্দৰ ছুনামি উঠিছিল। তাইয়ো স্নাতক বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰী। যি কি নহওক সেইদিনা সিহঁতৰ প্ৰাৰ্থমিক চিনাকি পৰ্ব সিমানতে অন্ত পৰিল আৰু তাই যাব বিচৰাত সিও আপত্তি নকৰিলে।

লাহে লাহে প্ৰাঞ্জল নৱাগতাৰ প্ৰেমত পৰিল। প্ৰাঞ্জলে ভাবিছিল, জীৱনত অন্তত এবাৰ প্ৰেমত পৰাটো, কাৰোবাক আপোন কৰি ল'বলৈ চেষ্টা কৰাটো মানৱীয় কৰ্তব্য। সেয়ে সি কলেজত তাইৰ লগত একাষৰীয়াকৈ কথা পাতিবলৈ সুযোগ নাপালেও মুখা-মুখি হ'লে হাঁহি মাৰি সুধিছিল পঢ়া-শুনা, ভাল-বেয়াৰ কথা। এনেদৰে এদিন দুদিন কৰি সিহঁতৰ সম্পৰ্ক প্ৰায় মধুৰ হৈ আহিছিল। তাইৰ লগত কথা পাতি কেনেকৈ সময় যায় প্ৰাঞ্জলে গমেই নোপোৱা হৈছিল আৰু তাইও কিছু পৰিমাণে তাৰ প্ৰতি দুৰ্বল আছিল নিশ্চয়, সেইবাবেই চাগে প্ৰাঞ্জলেও তাইৰ মনত সোমাবলৈ সক্ষম হৈছিল।

এদিন প্ৰাঞ্জলে নৱাগতাৰ আগত প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে। সঁচা কথা ক'বলৈ গ'লে সি প্ৰথম তাইক দেখা দিনাৰ পৰাই তাইক ভাল পাই পেলাইছিল। তুমি মোক কি বুলি ভাবা, কি কোৱা, মই নাযানো — প্ৰাঞ্জলে তাইৰ আগত কৈ উঠিল। তথাপি মই স্পষ্টকৈ কওঁ তোমাক মই ভাল পাওঁ।

মই জানিছিলো আপুনি ইয়াকে ক'ব। কিন্তু প্ৰাঞ্জলদা প্ৰেম জানো এনেকৈ হয়। প্ৰথম দৃষ্টিতেই প্ৰেম মোৰ বিশ্বাস নহয়। এইটো ঠিক যে মোৰ আপোনাক ভাল লাগিছিল চিনাকি হোৱাৰ দিনাৰ পৰাই। ভাল লাগিলেই জানো প্ৰেম হয়? মই মানুহৰ লগত ইমান Free নহয়, বিশেষকৈ ল'ৰাবোৰৰ ক্ষেত্ৰত। কিন্তু কিয় আপোনাৰ লগত ইমান Free হৈ কথা পাতিছোঁ, তাকো ক'ব নোৱাৰো। প্ৰাঞ্জলদা আপোনাক মোৰ ভাল লাগিছে। কিন্তু ইয়াৰ মানে এইটো নহয় যে আপোনাক মই ভাল পাওঁ। কাৰণ এই ক্ষেত্ৰত মই নিৰুপায়। Please আপুনি মোক ভুল নুবুজিব। অনৰ্গল দাৰি, কমা নোহোৱাকৈ প্ৰাঞ্জলৰ আগত কৈ গৈছিল নৱাগতাই।

প্ৰাঞ্জলে নৱাগতাই কৈ থকা কথাবোৰ হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰিছিল। তাইক ক'বলৈ বা বুজাবলৈ তাৰ একো নাছিল। ভালপোৱা কাৰো ওপৰত জাপি দিব নোৱাৰি। ই স্বতঃস্ফূৰ্ত।

সি পোৱা-নোপোৱাৰ আলিদোমোজাতেই পাৰ কৰিছিল সময়বোৰ। কিছুমান ঘটনা ঘটি যায় নিজৰ অজানিতে। কিছুমান কথাৰ মাজত নোসোমাওঁ বুলিও সোমাই পৰিব লগা হয়। জীৱন যাত্ৰাত মাত্ৰ সহযাত্ৰী হিচাপে কাৰোবাক কাষত পাবলৈ বিচাৰিছিল মাথোঁ। আজি বহুদিন হ'ল নৱাগতাক নেদেখা। মনটোৱে তাৰ হাহাঁকাৰ কৰি উঠিছিল। নৱাগতাই কলেজলৈ অহা নাই সেইবাবেই। নিবিড় প্ৰেমৰ কেনে এক আকুতি আছিল সেই চাৱনিৰ। প্ৰথম চিনাকি হোৱাৰ সেই ক্ষণটোৰ কথা মনত পৰি তাৰ মনটো ৰোমাঞ্চিত হৈ পৰিছিল। কোনো কাৰোৰ বাবে আপোন হৈ ৰ'ব নোৱাৰে। তথাপি কিয় জানো ভাব হৈছে তাই যেন তাৰ চিৰকালৰ বাবে আপোন হৈ থাকিব।

প্ৰেম হ'ল উত্তৰণৰ মূল চালিকা শক্তি আনহাতে ই ধ্বংসাত্মক। এয়া নিৰ্ভৰ কৰে আমি প্ৰেমক কোনটো দৃষ্টি ভঙ্গীৰে লৈছো। প্ৰাঞ্জলৰ দৃষ্টিত প্ৰেম চালিকা শক্তি। জীৱনত যদি সি সপোন দেখিছিল মাথোঁ তাইৰ বাবে, উজাগৰি নিশা কটাইছে মাথোঁ তাইৰ বাবে, যদিও বা জীৱন যুদ্ধৰ মহাৰথী হ'ব লগা হয় তেন্তে নিৰ্ভীকতাৰে যুঁজ দিব মাথোঁ তাইৰ বাবে। কিন্তু যাক লৈ সি সপোনবোৰ ৰচিবলৈ ধৰিছিল, তায়েই নিষ্ঠুৰভাৱে হত্যা কৰি পেলালে সপোনবোৰক। সিটো বিচৰা নাছিল কোনো প্ৰতিদান। কেৱল দিব বিচাৰিছিল তাৰ হৃদয়ৰ অযুত ভালপোৱা। এই কথা কেনেকৈ পতিয়ন নিয়াব নৱাগতাক। নৱাগতাৰ কঠোৰ হৃদয়ে জানো এইবোৰ মানি ল'ব। তাৰ নিজৰ ওপৰতে খং উঠিল। "ঠিকেই মই ভুল কৰিলো। তাইৰ কি স্বাৰ্থ অন্তৰ্নিহিত হৈ আছিল, মোৰ লগত চিনাকি হোৱাৰ অন্তৰালত। তাইক বুজিবলৈ চেষ্টাই নকৰিলো। তাই কি ভাল পায়, কি বেয়া পায়, তাইৰ ভিতৰৰ মানুহজনীয়ে কি বিচাৰে? মইতো একো নুসুধিলো। স্পষ্টকৈ তাইক মই কৈ দিয়াটোৱেই মোৰ দোষ হ'ল বুলি সি প্ৰলাপ বকাৰ দৰে বকিবলৈ ধৰিছিল। কেনেকৈ বন্ধুবৰ্গৰ আগত সি নিজতকৈ ভালপোৱা নৱাগতাক তাৰ একো নহয়, সি তাইক ভালকৈ চিনি নাপায় বুলি ক'ব। এই সকলোবোৰ কথা ভাবি সি অলসভাৱে ওলাই গ'ল কমৰপৰা। কি বুলিনো সান্ত্বনা দিয়ে নিজকে। অসংযতভাৱে খোজ পেলালে নিৰ্জন হৈ পৰা ৰাজপথটোত। আন্ধাৰে যেন ক্ৰমান্বয়ে তাক গ্ৰাস কৰিবলৈ আৰম্ভ কৰিছে।

ছক্ৰেটিছৰ কথাৰে প্ৰেম মানৱ আত্মাৰ স্বৰ্গীয় সৌন্দৰ্যৰ প্ৰতি জাগ্ৰত হোৱা এবিধ ক্ষুধা, প্ৰেমিকে সৌন্দৰ্য লাভ কৰাৰ প্ৰতিয়েই আগ্ৰহান্বিত নহয় প্ৰেমিকে সৌন্দৰ্য সৃষ্টি কৰিবলৈও বিচাৰে। ইয়াক যুগমীয়া কৰিবলৈও প্ৰয়াস কৰে। কিন্তু প্ৰাঞ্জলে জানো পাৰিব চিৰ যুগমীয়া কৰিব। তাৰ বাবে সি কৰিব লগীয়া হৈছে প্ৰতীক্ষা, সদায় আশাৰে বৈ থাকোঁতে, নিৰাশাই হাত বাউল দি মাতে। নতুন উদ্দীপনাৰে পুৱা আৰম্ভ কৰে, অস্তমিত সূৰুযে বিদায় সম্ভাষণ জনোৱাৰ লগে লগে দিনটোৰ অবিৰত প্ৰতীক্ষাৰ অন্ত পৰে। কিন্তু কেতিয়াবা আহিবনে তাৰ হিয়াহীনা নৱাগতাৰ পৰা প্ৰেমৰ সঁহাৰি। নে সি চিৰদিন চিৰন্তন হৈ থাকিব নৱাগতাৰ স'তে যুগ্মজীৱনৰ সুমধুৰ তথা ৰঙীণ স্বপ্ন দেখা এক জীৱন্ত এপিটাফ্। ■







# মই দুটকীয়াই কৈছোঁ

✍ দেৱজিৎ চেতিয়া ফুকন

নমস্কাৰ গ্ৰহণ কৰিব। মই দুটকীয়াই কৈছোঁ। আমাৰ টকা সম্বাটোক চিনি নোপোৱা মানুহ আপোনাসবৰ মাজত নাই। সকলো সময়তে আমি আপোনালোকক লৈয়ে ব্যস্ত থাকো। অৱশ্যে আমাৰ জন্মও যে আপোনালোকৰ হাততেই। আমাক লৈ আপোনালোকে গৌৰৱ কৰে। আমি টকাবোৰ আনৰ গৌৰৱেৰেই গৌৰৱান্বিত। আমি টকাবোৰ কম-বেছি থকাৰ ওপৰত নিৰ্ভৰ কৰি আপোনালোকৰ মাজত ধনী আৰু দুখীয়াৰ শ্ৰেমীবিভাগ আছে। সেই দৰে আমাৰ বুকুৱা পিঠিয়ে নম্বৰ দুটামান লগায়ে আপোনালোকৰ সুবিধা অনুসৰি আমাক ভাগ কৰি লৈছে। ইয়াৰ ভিতৰত মোক দুই নম্বৰটো দিলে। মোৰ তলত এক নম্বৰ জন আছিল যদিও তেওঁক অস্তিত্ব নাইকিয়া হৈ আহিছে। ইয়াত মই মোৰ জীৱনযাত্ৰা সম্পৰ্কে দুৱাষাৰ কম বুলি ভাবিছোঁ। ভুল হ'লে ক্ষমা কৰে যেন।

মোৰ টকাশালত প্ৰস্তুত কৰাৰ পাছত মোৰ দেহৰ পৰা এবিধ ধুনীয়া নিনাম গোন্ধ ওলায়। ঠিক 'ফ্ৰাষ্ট লাভ'ৰ গোন্ধৰ দৰেই। এইটো আমাৰ টকা সন্তাৰ সকলোৰে ক্ষেত্ৰতে হয়। ইয়েই আমাৰ বাবে যৌৱন অৱস্থা। প্ৰথম যৌৱন অৱস্থাত মোৰ যৌৱনে আপোনালোকৰ বহুতকে আকৰ্ষণ কৰিছিল। মোক সেই সময়তে বহুতে চুমা খাইছিল, মোৰ চকচকীয়া-খচখচীয়া দেহাটোত মৰমেৰে হাত বুলাইছিল। বুকুৰ ওপৰত জেপত থৈ বুকুৰ উম দিছিল। সচাঁকৈয়ে বৰ তৃপ্তিদায়ক আছিল মোক যৌৱন অৱস্থা।

যিদিনাই মোৰ প্ৰিয় মানুহজনে মোক বুকুৰ উমৰ পৰা গতিয়াই দোকানীক এজনক দি দিলে সেইদিনাৰ পৰাই আৰম্ভ হ'ল মোৰ কৰ্মময় জীৱনৰ অবিৰত যাত্ৰা। জীৱনৰ বেছিভাগ সময় আপোনালোকে লৈ ফুৰা সৰু সৰু বেগবোৰত, দোকানৰ চন্দুকত, চাৰ্টৰ পকেটত আৰু কেতিয়াবা ঢাৰি-পাটীৰ বা টেবুলৰ ক্লথৰ তলত, লগতে কেতিয়াবা ভাগ্য ক্ৰমে কিতাপৰ মাজতেই পাৰ হয়।

এদিন এনেদৰে মোৰ জীৱনৰ বাৰ্দ্ধক্য নামি আহে। ক'তো কাৰো স্থিৰতা নাই। কেতিয়াবা ৰাস্তাৰ জাবৰৰ দমৰ জুইত। কেতিয়াবা ৰাস্তাত। অৱশ্যেই য'তেই মোৰ জীৱনৰ সমাপ্তি নঘটক লাগে, জীৱনৰ প্ৰথমছোৱাত কিন্তু লাইফ এনজয় ভালদৰে কৰিলোঁ। পুৰণি দিনত মোৰ মূল্যও যথেষ্ট আছিল। তেতিয়া দিনত এজন মানুহে মোৰ বিনিময়ত দোকানৰ পৰা দুটা বেগ ভৰাই বস্তু আনিব পাৰিছিল আৰু ৫০ পইছা এটা ঘূৰাইও পাইছিল।

কেইবছৰমান দোকানৰ পৰা মানুহৰ হাতলৈ, মানুহৰ পৰা দোকানলৈ ঘূৰা-পকা কৰি থাকোঁতে মই থকা এঘৰ মানুহত এটা ঘটনা ঘটিল। মানুহঘৰ ধনী আছিল। সৰুসকলৰ ভিতৰত মইয়েই আৰু ডাঙৰ সকলৰ ভিতৰত ১০০-৫০০ নম্বৰৰ বহুতো ককাইদেউক প্ৰথমবাৰৰ বাবে একেলগে লগ পাওঁ। হঠাৎ ৰাতি দুজনমান মুখাবন্ধা দূতে উঠাই আমাৰ গোটেইখনকে লৈ গ'ল আৰু যাবৰ সময়ত মোৰ মালিকক মাৰি থৈ গ'ল। ভাবিলে আচৰিত লাগে আমাৰ বাবে মানুহে মানুহক এনেদৰে মাৰেনে? সিহঁতে আমাক ভাগ কৰি পেলালে। *(শেষাংশ ৫৩পৃষ্ঠাত)*

# AIDS

✍ Miss Jun Das

Blood transfusion become essential in case of patient suffering from loss of blood due to injury or surgical operation. If the blood of the donar contains disease producing bacteria or viruses the patient may develop such diseases. It has become more important now a days as viruses of dreaded diseases like AIDS and hepatitis may pass into the body of the patient which has swept the world. Now a new Virus (HIV) which the medical world calls Acquired Immune Deficiency Syndrome (AIDS) and the virus which causes it is called HIV.

HIV takes place through the following ways :-

(i) Sexual Contact :- Sexual contact with HIV infected male or female transmit the diseases.

(ii) Blood transfusion :- Transfusion of HIV contaricated blood can infect recipient.

(iii) Shared needle :- Drug addicted youths sometime share the same needle for pushing the drug under the skin. This is a very potent cause of spreading of the disease.

(iv) Mother to Child :- A woman infected with the HIV may pass on the infection to her child during pregancy or during birth or shortly after birth.

(v) Barbers razor :- Slight cut by barbers razor or scratch may transmit the virus.

Heroin, brown sugar, cocaine and other like Nitrasam and Sapramo, Proxybon (capsules), Fortioin (injection), Daizepam and Paxam (tablets) and corex (cough syrup) are the most common drug used by intravenous drug user, takem at least five or six 'short' a day. Syring change hands and remain in use until they are broken or lost. The stupefying revelations is the use of dendrite, a common adhesive which is simply inhaled.

It has been estimated that at present 17 million people of our globe are affected by AIDS. Daily 6100 people which means is every 14 second one person is infected by AIDS virus. The India approach to this special session of the UN was sadly only mainly one of how to obtain a part of the resources in the global fund. India is home to the world's second largest HIV population, there is no urgency either at the governmental and social level on prevention and care.

The national intelligence council of the United States has reported that the number of people affected with HIV/AIDS in India, would grow up the current level of 14-23 million to 50-75 million by 20-10.

Mode of HIV Transmission

| Estimated efficiency | Mode of Transmission (Global) % of Total infection |
|---|---|
| | Sexual |
| 0.1% - 10% | 75% - 80% |
| | Blood Transfusion |
| > 90% | 5% |
| | Infective Drug |
| 0.5% - 1% | 10% |
| | Others |
| < 0 - 5% | Small |

However, there is a view that too much attention is being paid to AIDS even as diseases. Things will have to be change for the better, otherwise we will meet our doom. The first thing that needs to be addressed is the awarness level of our people as for as AIDS is concerned. Unless the people are made aware of the consequences of the diseases, no effort will pay off. Second, counselling through various voluntary and non-governmental organisations be carried out onsafe sex. The counselling has to be so strong that using a condom for safe sex becomes a household dictam. Third, people should owe some moral alligiance and stay away from spreading the diseases. But HIV test is something for which the organisation has neither equipment nor training, but at least we can remove the myth about the spread of AIDS. We need AIDS education in the school level among the teachers and students and also to envolve further interventions for implementing the scheme successfully in the school. Moreover, peoples co-opertions also is needed now. We will knock the door of National AIDS control organisation (NACO) or any other agencies for that matter who do not come forward to helping us. If we do not fight the issue in the interest of our society, we will soon be inviting trouble. ■



# ছুনামি

✍ কামদেৱ কাশ্যপ



২৬ ডিচেম্বৰৰ ৰাতিপুৱা
ৰেডিঅ'ত ভাহি আহিল সেই দুঃসম্বাদ
দক্ষিণ এছিয়া হেনো সাগৰীয় ভূকম্পনৰ কৰাল গ্ৰাসত
প্ৰচণ্ড জোৱাৰৰ গ্ৰাসত হেজাৰ হেজাৰ লোকৰ প্ৰাণহানি
সুমাত্ৰাৰ পশ্চিম উপকূলৰ
৮.৯ ৰিখ্‌টাৰ স্কেলৰ প্ৰাবল্যত
ইন্দোনেছিয়া, মালয়েছীয়া, শ্ৰীলংকা, মালদ্বীপ
আন্দামান, নিকোবৰ, থাইলেণ্ড, ম্যানমাৰ কম্পিত
ভাৰত মহাসাগৰৰ ছুনামিত চকুৰ নিমিষতে
উপকূল হৈ উঠিল মৃত্যু উপত্যকাত পৰিণত
অভাৱনীয়, অকল্পনীয় ন-দহ মিটাৰ উচ্চতাৰ প্ৰকাণ্ড ঢৌৱে
মুহূৰ্ততে গ্ৰাস কৰিলে উপকূলৰ সভ্যতাক
খবৰ কাগজ, দূৰদৰ্শনে প্ৰচাৰিলে তাৰ সচিত্ৰ প্ৰকাশ
কি ভয়ঙ্কৰ ছুনামিৰ ৰূপ, তাৰ আস্ফালন
সাগৰ পাত্ৰটি যেন নাচিবলৈ লৈছে
তাণ্ডৱ উত্তাল তৰঙ্গত
এফালৰ পৰা মহতিয়াই নিছে জীৱনক
ভীষণ গৰ্জন আৰু ধ্বংসমুখী উন্মাদনাত
প্ৰাণাতুৰ জনক আদবাটতে সাৱটি
উলটিছে ছুনামিয়ে
ঘনঘোৰ আৰ্তনাদ, লহ লহ জিহ্বা মেলি
গিলিব যে সকলোটি।
মহাপ্ৰলয়ৰ বিভীষিকাত কম্পমান উপকূল আকাশ
ডেৰ লক্ষাধিক জীৱনক কৰিলে নিপাত
সন্ধানহীন হেজাৰ হেজাৰ
সুমাত্ৰাৰ মৃত্যু উপত্যকাত শাৰী শাৰী মৃতদেহৰ লানি
কাৰ নিকোবৰৰ অস্তিত্বই শংকাযুক্ত
ভূকম্পনৰ প্ৰবল জোকাৰণি এতিয়াও অনুভূত
আকৌ আহিব ছুনামি! জীৱনৰ অস্তিত্ব দ্বিধাগ্ৰস্ত।
মহাপ্ৰলয়ৰ আশংকাত হতাশগ্ৰস্ত
প্ৰাণৰ মমতাত আতংকিত জীৱন
সাগৰ শান্ত, ছুনামি শয়নৰত
আৰম্ভ হ'ল আওজনৰ হিচাপ নিকাচ
সৰ্বহাৰা হৃদয় বিদাৰক আৰ্তৰাৱ
গলিত মৃতদেহৰ লানি লানি শাৰী
দুৰ্গতজনৰ আত্মীয় সন্ধানৰ হেতা-ওপৰা।
গেলি যোৱা জীৱনৰ দুৰ্গন্ধত
জীৱনেই বান্ধিলে নাকত কাপোৰ।
কি দুঃসহ! অথচ ৰূঢ় বাস্তৱ।
উদ্ধাৰকাৰীৰ সমদল, বিশ্বপ্ৰশাসনৰ সহায়ৰ হাত
পৰা নাই চুব ছুনামিৰ ধ্বংসলীলাক
আশ্ৰয় শিবিৰত ক্ষুধাৰ্তৰ আৰাও
আত্মীয়হাৰাৰ হিয়াভঙা বিলাপ।
মহামাৰীৰ বীজাণুৱে মাতিব আন এক ছুনামিক!
ছুনামি আহিল,গুচি গ'ল।
আকৌ আহিব, হয়তো নাহে।
কিন্তু, এই যে জীৱন কাঢ়ি লৈ গ'ল
বিভীষিকা সিঁচি দি চৌদিশে
আঁকি থৈ গ'ল কলংকময় ইতিহাস।
ক'তজনৰ ক'ত আশা, ক'ত বিৰহীৰ প্ৰেমৰ প্ৰত্যাশা
অকালতে হ'ল যে নিপাত
দূৰ অতিক্ৰমি নয়নাভিৰাম সাগৰ লৈ বুলি
ঢাপলি মেলা সেই যে পৰ্যটক প্ৰেমিক যুগল
হেৰাই গ'ল অজানিতে।
বৃদ্ধ আইতাৰ উঠি অহা ঘৰখন নিঃচিহ্ন হ'ল
মাতৃৰ কোলা উদং কৰি হেৰাই গ'ল কণমানি শিশু।
পুত্ৰহাৰা পিতৃৰ কুহুৰ কুহুৰ উচুপনি
স্বামীহাৰা নাৰীৰ কৰুণ বিননি
হে ছুনামি! তুমি শুনিবানে ...
শুনিবানে কোনোবাদিন।

# A RAY OF HOPE

✍Debasish Chetia Phukon



Amidst the darkness and loneliness
I linger to see a ray of light
I long to be distinct
To be recognized in the crowd
My steps are unsteady, slow
My path is twisted.

On one hand I am caught by glamour
On the other by my duties.
Confusion and turmoil prevails

All of a sudden, my mind relaxes
I realize
My life is not a bed of roses.
But full of harsh realities.

Slowly and slowly
Fear confusion, turmoil fades
I realize
That the ray of light has glittered
The light which is constantly there.
The light which I fail to recognise,
The light which I often search for
And desired.

Now my life has bloomed
Now I realise
The darkness and loneliness
Which I previously hated most
It in reality the blessing.

# তোমাক ভাল পাওঁ বাবেই

(মৰমেৰে প্ৰীতিৰ হাতত)

✍বিৰাজ সোনোৱাল

তোমাক ভালপাওঁ বাবেই
কাণৰ কাষত তুমি
সাগৰ তলিৰ শংখৰ দৰে
ৰি ৰি কৈ বাজি থাকা
কঁপি কঁপি বাগৰি আহে জোনাক
তোমাৰ সপোনেৰে তোমাৰ ভাৱনাৰে
মই উন্মাদ হওঁ
বুকুৰ তেজেৰে আকোঁ তোমাৰ প্ৰতিচ্ছবি
তোমাক ভালপাওঁ বাবেই
তোমাক শব্দৰে বন্দী কৰিব বিচাৰোঁ
কেতিয়াবা গুচি যাব খোজোঁ
কোনো অচিন দেশলৈ তোমাৰ সৈতে।



# প্ৰেৰণা

✍নৱনীতা চেতিয়া

কবিতা লিখা স্পৃহা ক্ৰমাৎ যেন—
হেৰাই গৈছিল।
কবিতাৰ নিলিখা শব্দৰবোৰ মোৰ বুকুৰ একোণত,
এটা শিলৰ দৰে কঠিন হৈ বৈছিল।
কেতিয়াবা লিখো বুলি ল'লেও
আবেগৰ ধুমুহাই
ভাৱনাবোৰ পাহৰাই পেলাইছিল।
হঠাৎ তুমি মোক ক'লা
"তুমি কবিতা লিখা"
তোমাৰ ভাৱনাক আকৌ এবাৰ জগাই তোলা।
কবিতা—
আবেগ, অনুভূতি, প্ৰেম অভিমানেৰে ভৰা
এখন হৃদয়ৰ অবুজ ভাষা।
তোমাৰ সান্নিধ্যই মোৰ হৃদয়ত দি গ'ল,
নতুনপ্ৰেৰণা।
তোমাৰ প্ৰেৰণাৰে মোৰ কবিতাক
আকৌ এবাৰ সেউজীয়া কৰি তুলিম
আকাশৰ পূৰ্ণিমা জোনৰ তলত বহি,
শেৱালিৰ সুৱাস লৈ—
সপোনবোৰ বাস্তৱ কৰিম।



# I MISS YOU DEAREST MOM

✍Clement Gorda

What for did you leave me here.
Nothing else than loneliness prevails ?
Don't you wanna see me ?
Don't you wanna feel me ?
Please mom, let me to know
What for did you leave me ?
It's gonna be my 19th B. Day,
And I'm left with no gay,
The cause is that,
I can find you anywhere,
Though you said, "I'll be there".
You promised, always, to be at my side,
Now, where have you gone ?
Left to myself here all alone,
Dearest mom for your love I long
I miss your huggs,
I miss your kisses,
I miss my sweet home
And I've not a dwelling place,
Coz' I miss you, dearest mom.

# কুঁৱলীৰ সিপাৰে

✍ প্ৰাঞ্জল শইকীয়া

কুঁৱলীৰ সিপাৰেও দেখো তোমাক
সংগোপনে থৰ হৈ চাওঁ
আৱেগত উঠা নমা কৰা
তোমাৰ সুঠাম বুকু
সুদূৰত জিলিকে মাজনিশা
উলংগ কৰি ৰখা তোমাৰ বুকুত
জোন-তৰাৰ অপৰূপ আলিংগন

উত্তাপত তুমি যেন ক্লান্ত হোৱা
বতাহত নিগৰাই দিয়া তোমাৰ
সাৱলীল কণ্ঠৰ হৃদয় পৰশা সুৰ
তাৰেই তালে তালে
নাচি উঠে বতাহ আৰু জোনাক
নিসংগতা আৰু দুষ্ট আত্মাৰবোৰেও
ক্ৰমান্বয়ে কৃষ্ণচূড়া, চন্দন অথবা বকুলজোপাৰ
তলত বোবা হৈ পৰে।

মোৰ প্ৰেয়সী তুমিয়েই
তোমাৰ উলংগ বুকুত
মই কবিতা লিখো কলিজাৰ তেজেৰে
আৰু এনেকৈয়ে
সংগোপনে সংগোপনে জীয়াই থাকিব
আমাৰ আলিংগনাত্মক প্ৰেম।




# LOVE 'U' ALWAYS

✍ Irshad Ahmed

Where I met you
I knew it
From the start .....
It would not be easy
Finding a way
Into your heart.

I knew I will
Trip and fall.
But I am not
Giving up at all,
Breaking every wall
That you create !!!
I will still
Be standing tall.
I know my love
will find your way.
And I wish
Like your shadow,
I will be
With you everyday ...



# এতিয়া মনত পৰেনে বৰ্ণালী

✍ সীমান্ত হাজৰিকা

এতিয়া মনত পৰেনে বৰ্ণালী
সেই দিনবোৰলৈ
য'ত তুমিয়েই আঁকিছিলা
মোৰ সপোনৰ অলেখ ছবি।
মনত পৰেনে
আবেগত উঠলি উঠা মুহূৰ্তলৈ।
য'ত তুমি মোৰ দুচকুত হাত থৈ
কৈছিলা—
এইবাৰ বিহুত চিফুং বাঁহী আৰু
ঢোল বজাবা তুমি
মই মুগা মেখেলাৰে নাচিম দেই
টাকুৰি ঘূৰাদি।
এতিয়া মনত পৰেনে বৰ্ণালী
সেই বুকুভৰি থকা দিনবোৰলৈ
য'ত তুমি মোৰ কোলাত
মুখ গুজি আবৃত্তি কৰিছিলা
এটি পুৰঠ কবিতা—
দিনৰ পাছত ৰাতিবোৰ
যেনে দৰে আহে
গোপনে গোপনে
ঠিক তেনেদৰে
তুমিতো মোৰ মনৰ মাজলৈ
আহা খুব সংগোপনে
বৰ্ণালী যদিও তুমি
সম্প্ৰতি ঃ ঠিকনা বিহীন
তথাপি মনত পৰে তোমালৈ।
মনত আছেনে বৰ্ণালী
তুমিটো কৈছিলা—
মই সদায় মই হৈ থাকিম
তুমিও তুমিহৈ থাকিবা দেই
কিন্তু তুমি পিছলি পৰিলা
বৰ্ণালী।
পুনশ্চঃ সোঁৱৰাই দিছো তোমাক
মই মই হৈ আছো বৰ্ণালী।




# TRUTH IN LIFE

✍ Rajak Ali

Death is soothe (truth) in life
No need to give plea after death.
Death is the root of life,
No need to pour water after death.
Death free us from Jeopardy.
No need to free from sophistry.
Death has no time.
Everybody will find,
Death is a hunter.
It is like a face booter
(প্ৰাচীৰ পত্ৰিকা— জাগ্ৰতৰ পৰা)

# সেউজীয়া পাতৰ আঁৰত

✍ দিগন্ত মাহাতু

আকাশ নীলা ...!
শীতৰ নিকৰুণ প্ৰহাৰত
মূৰ্চ্ছা যোৱা গছবোৰত যেতিয়া
কুঁহিপাত মেলে;
তেতিয়া—
নিশাৰ গধুৰ কুঁৱলীবোৰ
পুৱাঁৰ ভাগত নিয়ৰ হৈ
টোপাটোপে ওলমে
পৃথিৱীখন এখন বহল,
সেউজীয়া দলিচা হৈ পৰে
দলিচাৰ বুকুত
নৃত্য কৰে—
এজাক সুঠাম চেহেৰাৰ
নৃত্য পটিয়সীয়ে।
নিয়ৰ সনা পাতৰ আগলিত;
সিহঁতৰ হাতৰ বুলনিত
সৃষ্টি হোৱা শব্দেৰে—
স্ৰোতস্ৰিনী নৈৰ শব্দৰ
মিল আছে।
কোমল হাতৰ
লিহিৰী আঙুলিৰে বুলোৱা
লহৰ ...!
যেন সাগৰৰ উৰ্মিমালা;
ক্লান্তিময়ী দেহৰ, লাৱণী চেহেৰাৰ—
দুচকুৰ ফিৰিঙতিৰে
চিৰ প্ৰবাহমান ...!
যেন সৃষ্টিৰ অমৰ ধাৰা।
কি আছে বাৰু?
সেউজীয়া পাতৰ আঁৰত লুকাই
সিহঁতে হহাঁ
মিচিকিয়া হাঁহিৰ
সেই মুখখনিত ...!
ৰোমাঞ্চ ... !!



সুনয়না দুচকুৰ মাজতো
যেন কোনোবাখিনিত
লাজৰ আত্মাই বাস কৰে,
সিহঁতৰ চাৱনিত
বিদ্যুত প্ৰবাহমান
আৰু মনত যেন
স্বৰ্গীয় অনুভূতি সঁচ।
সিহঁত আহে
সেউজীয়া দলিছাখনিৰ বাবে
সিহঁতে বাস কৰে; সিহঁতৰ ঘৰখনি
সাৰি-পুচি, জাপি আতাই
থৈ যায়—
যাবৰ পৰত।
অহাৰ দিনা আকৌ
নতুনকৈ মেলি দিবৰ আশাৰে।
তাতে প্ৰতিফলিত হয়
সিহঁতৰ জীৱনৰ য'ত
আশা-আকাংক্ষা, দুখ-বেদনা,
প্ৰেম-পিৰীতিৰ, চিন্তা-ভাবনাৰ
নতুন প্ৰতিচ্ছবি;
তাৰ মাজতো
সিহঁতৰ জীৱনৰ
হাঁহিৰ গোন্ধবোৰ
লাগি ৰয়—
পাতে পাতে; সেই,
সেউজীয়া পাতৰ আঁৰে আঁৰে
নিগৰিত হয় আৰু উৱলি যায়
জীৱনৰ গতি;
এনেকৈয়ে—।
যেন গ্ৰীষ্ম আৰু শীতৰ সময়ছোৱা
নীৰৱে গতি কৰা
এক বোৱতী সুঁতি



# তুমি গুচি যোৱাৰ পাছত

✍ জুনুমণি শইকীয়া

মোৰ বাস্তৱ নষ্টালজিক অনুভৱে
বিষাদময় কৰি তুলিছে।
মই জানো,
এইয়া কেৱল স্বপ্ন আছিল,
যি স্বপ্নই জাগ্ৰত কৰে এক সীমাহীন শূন্যতা ...।
এতিয়া ...
একাকীত্ম অপ্ৰেমৰ পৃথিৱীত
মই অকলশৰে
কটিয়াই লৈ ফুৰো
দুখৰ এখন টৌসনা নদী।
ডাষ্টবিনৰ এটা বিষাক্ত কীটৰ দৰে
যৌৱনৰ সাঁচতীয় সপোনবোৰে এতিয়া
প্ৰতিক্ষণ মোক কামুৰি কলিজাটো ৰঙা কৰি তোলে।
তথাপি ...
মোৰ আত্মগ্লানিয়ে ভৰপুৰ মনটোক
স্থিতপ্ৰজ্ঞ কৰিবলৈ এয়া তোমালৈ লিখি আছো।
নাভাৱিবা ...
তোমাৰ যান্ত্ৰিক অভিজাত হৃদয়ত
ঠাই বিচাৰি বাৰে বাৰে আমনি কৰিছো বুলি।
যেনেকৈ এতিয়া ...
মোকলৈ তুমি ছন্দিত সপোন নেদেখা
সেইদৰেই ...
অচল মুদ্ৰাৰদৰে হৈ পৰিছে আজি
মোৰ অক্ষয় প্ৰেমৰ বৰ্ণ পৰিচয়।
নালাগে তোমাৰ প্ৰেম ভালপোৱা
নালাগে পোচাকী প্ৰতিশ্ৰুতি পাহাৰ,
য'ত কচুঁপাতৰ পানীতকৈও
বিশ্বাসবোৰ নিঃসংগ অস্থায়ী



# WHAT I LOVE

✍ Miss Lakhipriya Chitrakor

I Love to hear the birds chirping
In the early morning
I love to hear the faint breeze blowing
O'ver the valley mellowing
I love to hear the gentle stream gurgling
Admist the bouldes struggling
I love to hear the bee buzzing
On the flowers dancing
I love to hear the clouds roaring
With the rains pouring
But above all I love ?
To hear the love and tenderness
of my "mother voice".

## প্ৰতিদান

✍ ৰাতুল ঠাকুৰীয়া

মমৰ শিখাটি জ্বলে
নিজৰে বুকুপুৰি
আনক পোহৰ বিলাই
দহনৰে নিজে খহি
খোজে খোজে মৰম
বেদনা জ্বলি গ'লা
বুকুৰে জানা— নোসোধে
কোনেও।
কিয় বাৰু ...?
এই জীৱন আনৰ বাবে
নিজক মাথোঁ বিলাই দিয়া
বিনিময়ত প্ৰতিদান কাৰোপৰা
একো নিবিচাৰিবা
ধূপ জ্বলে নীৰৱে
নিজকে জ্বালায়
পুৰি পুৰি মনে মনে
সুঘ্ৰাণ বিলাই
তথাপিও কাকো নজনাই
এই জীৱন স্মৃতিৰ কিতাপ
সময় চিয়াঁহীৰে বুলাই লিখা
নিজ কামৰ হিচাপ নিজেই লিখি
আজৰিতে নিজেই চোৱা।
কিবা পালা, এবাৰো
একো নাপালা
বিলাই আনৰ বাবে
দুহাত খালী হৈ ৰয়
মমৰ শিখাটি জ্বলি শেষ হৈ ৰয়।



## TODAY'S GUY

✍ Lakhyajeet Deori

He walks on the middle of the road.
All roads belongs to him.
He bothers for nobody.
He rides his bike at the speed of ninety,
but by accident he is going to die at twenty.
He smokes in style,
but he doesn't know that it cause cancer
Drinking is just a fashion,
but he doesn't know its reaction.
For him study has no value,
He moves like a filmi hero,
But his future is a big zero.
He doesn't understand life,
Alas, life also doesn't understand him.

## শৈশৱ

✍ অৰবিন্দ হাজৰিকা

মই খুব সুন্দৰকৈ পান কৰিছিলো
তোৰ সেউজী মাদকতা
মোৰ বুকুৰ শিৰাই শিৰাই তই
সিঁচি দিছিলি হেতালিখেলা ধেমালী
আৰু, গুজি দিছিল কাষলতিৰ তলত
এখন চিলট আৰু কুঁহিপাঠ।
আঘোণৰ পথাৰত লেছেৰি বুটলি বুটলি
ভাগৰি পৰোঁতে খানি চাইছিলো
দ'পথাৰৰ চেঁচোৰ পমবোৰ
আৰু কেতিয়াবা
দৌৰি গৈ চাইছিলো
মাজপুখুৰীৰ ভলুকা ডাৰিৰ বৰশী।
বেলি সাজপৰোতে ঘৰলৈ উভতিছিলো
টাং গুটি খেলি-খেলি
আৰু দেউতাই চেকনিৰে কোবোৱা ছিগাছালত
আইতাই দিছিল তুলসীৰস
সন্ধিয়া চোতালত
হাজাৰ জোনাকিৰ মণি
হিচাপ কৰি কৰি ঢলি পৰিছিলো
আৰু ক্ৰমাৎ তই
এডাল দুডাল কৰি মোৰ বুকুৰ
কামিহাড় বোৰ হিচাপ কৰিছিলা
মোৰ চেঙেলিয়া অতীতৰ
ধূলিয়ৰি দিনবোৰ ...
কঁঠালৰ পকা পাতে ম'হ সজা দিনবোৰ
তই এবাৰ ঘূৰাই দিবিচোন।



## এটা কেমেৰাৰে ফটো ল'ম মই

✍ দেৱেন কুৰ্মী

এটা কেমেৰাৰে ফটো ল'ম মই
তোমাৰ আৰু মোৰ সমস্ত দেহৰ
শিৰা উপশিৰাৰ পৰা
পিন্ধি থকা চোলাৰ বুটামলৈকে।

এটা কেমেৰাৰে ফটো ল'ম মই
স্বপ্নভৰা এক ৰঙীণ ছবিৰ।

ফটো ল'ম মই
তোমাৰ আৰু মোৰ মৃন্ময় শৰীৰক
সজাই থব পৰা জীৱনক ছয়ত্ৰিশটা কপিৰে।

ফটো ল'ম মই
নদী আৰু নাৱৰীয়াৰ জীৱন্ত প্ৰেমৰ দিনলিপিবোৰৰ
এটা কেমেৰাৰে ফটো ল'ম মই।

# তুমি

শ্ৰী ভৱেশ দাৰিক

তুমি বাৰিষাৰ বতৰ।
মোৰ শূন্য আকাশ ভেদি
অন্তৰৰ আৱৰণ খুলি
এদিন থিতাপি ল'লা
সাগৰৰ তলত বৈ যোৱা শিলৰ দৰে।

ৰ'দৰ তীব্ৰ প্ৰকোপত
শুকান আছিল মোৰ পথাৰ
তোমাৰ পৰশত ক্ৰমশঃ জীপাল
কজলাৰ সলনি সেউজীয়া
মোৰ ঘাঁহনি ডৰা।

আঘোনৰ পথাৰৰ দৰে সোণালী
নীলিম আকাশখনৰ দৰে গাঢ়
মোৰ উপত্যকা।
তোমাৰ কোনটো অংশৰ পৰা বৈ আহিল
নিষ্ঠুৰ প্লাৱন
প্লাৱিত মোৰ পৃথিৱী
থান-বান হ'ল সমস্ত স্বপ্ন।
কাৰ সান্নিধ্যই পাহৰালে
মোৰ আৰু তোমাৰ ঠিকনা।
তোমাৰ মনত আছেনে প্ৰিয়া?
এদিন . . .
তোমাৰ আৰু মোৰ যত্নত
ফুলনি বাগিছা
পাপৰিও মেলিব খুজিছিলিগে
কিন্তু অপেণততে বিদীৰ্ণ
আমাৰে বাগিছাখনিৰ অস্তিত্ব
কিয়? তুমিওটো প্ৰয়োজনত সাৰ-পানী দিছিলা
প্ৰতিকূলক অনুকুল কৰাৰ প্ৰতিশ্ৰুতি আছিল তোমাৰ
আজি পানীৰে অভাৱৰ তাড়নাত
সকলো হ'ল শুকান
মৰহিল মোৰ ফুলপাহ।



# শব্দহীন

শ্ৰী সচ্চিদানন্দ শইকীয়া

বুঢ়া আঙুলিৰে থিয় দিলেও
সিপাৰ নেদেখা এখন দেৱাল
আকাশ লংঘা
দুচকুত লাগি ৰয় সময়ৰ অশ্ৰু
মোৰ নিচেই কাষতে।
চিক্-মিক্ লাইটৰ পোহৰত
বগা-নীলা কিছুমান চিলা উৰিছিল
ৰাতিৰ বুকুত
মোৰ চাৰিও কাষে থকা গভীৰ শূন্যতাৰে
ভাষাবোৰ সাগৰৰ দৰে শান্ত হৈ
কবৰৰ পৰা ভাহি অহা হিমচেচা বতাহত
সিহঁতে আহিছিল ক্ৰমে নিবিড়-নিস্তব্ধতালৈ,
মোৰ বন্দৰত যেতিয়া
নিশাৰ শেষৰখন জাহাজে লঙ্গৰ পেলাই
হেমন্ত নিশা এইদৰে
ফুটুকা-ফুটুকী হৰিণা পোৱালীবোৰে
অহাযোৱা কৰে
মোৰ দেহৰ মাজেৰে
অতি সংগোপনে।



# মই ধৰিত্ৰীয়ে কৈছোঁ

শ্ৰী প্ৰণৱ কুমাৰ চাংমাই

মই ধৰিত্ৰীয়ে কৈছোঁ
মোৰ যৌৱনপুষ্ট দেহত
চটিয়াইছে সহস্ৰাধিক ৰক্ত ফাকু
কোনোবা পিশাচৰ দলে
আঁজুৰিব ধৰিছে মোৰ দেহৰ বস্ত্ৰ
কামুকতাৰ চৰম শীৰ্ষত বৈ
নৈতিকতা মানৱতাক গচকি গচকি
কৰিছে তাণ্ডৱ নৃত্য
স্বাধীনতাৰ বৰপীৰা যে সিহঁতৰ ভৰিৰ তলত

মই ধৰিত্ৰীয়ে কৈছোঁ
মোৰ পুত্ৰবোৰ আজি বলীয়া হ'ল
বলীয়ালিবোৰ পৰিণত হৈছে
একোটাহঁত পেছালৈ
বিশ্বাসৰ দহনত সৃষ্টি হৈছে কলীয়া ভৱিষ্যত
সৃষ্টি হৈছে শতসহস্ৰ বৃত্ৰাসুৰ, বিভীষণ

মই ধৰিত্ৰীয়ে কৈছোঁ
হৃদয় আজি মোৰ বিদীৰ্ণ
দশোদিশ ধূসৰ এক কৰাল গ্ৰাসত
মোৰ অশ্ৰুৰে এই পাৰ ভাঙো ভাঙো
দেহত মলিনতাৰ সীমাহীন ঘা
মোৰ বক্ষত অৰাজকতা
হয়তো ই এক চৰম গণতন্ত্ৰৰ পৰিণতি!

মই ধৰিত্ৰীয়ে কৈছোঁ
বোলো মোক কোনে সান্ত্বনা দিব
কোনে দিব এটুপি পানী
হিমশীতল শান্তিৰে পৰিপূৰ্ণ
কাৰণ মোৰ বুকুত ফাতনা মেলিছে
দীনতাৰ কংকালে দ'ম বান্ধিছে
হায় মোৰ ফুটা কপাল।



# অপেক্ষাৰ শেতেলীতে

শ্ৰী ৰাজীৱ বৰঠাকুৰ

মোৰ আশাবোৰক
বলাৎকাৰ কৰা হ'ল—
সৃষ্টিবোৰ আজি নিৰ্যাতিত, নিপিড়িত, অৱহেলিত, লুণ্ঠিত
শব্দ বোৰ আজি কোনোবা অচিন দুবৃত্তৰ
বুলেটৰ আঘাতত ঢলি পৰিল।
একমাত্ৰ যোড়ষী গাভৰুৰ ভাষা
তাই আজি অপহৃতা।
আঃ নোৰাৰি, এনে নিৰ্মম যন্ত্ৰণা ...।
পঞ্চাঙ্গুলীৰ মুখ কেইখনলৈ বেয়াই লাগে
সিহঁতো যে আজি বাক্‌ৰুদ্ধ।
কলমটো এদিন আহিছিল
অতিথিৰ সভ্ৰান্ত বেশত
কিন্তু, কি হ'ব— হৃদয়ৰ মণিকোঠাত
অতিথি শয্যা খনো ঘূণে ধৰিলে।
সাৰথি বুলিবলৈ আজি একোৰেই নাই
তিক্ততাৰে ভৰা মাথোঁ এখনি থানবান হৃদয়।
অতীত কিম্বা ভৱিষ্যত
দুয়োটাই শূন্যৰ কোঠালীত বিলীন
তথাপিও মই অপেক্ষাৰ শেতেলীতে
জানোচা জীৱনে হাত বাউল দি মাতে।

(প্ৰাচীৰ পত্ৰিকা— জাগ্ৰতৰ পৰা)



## মাথোঁ তোমাৰ বাবে

তিলক গগৈ

তুমি মোক শব্দ দিয়া
মই তোমাক কবিতাৰে সজাম
তুমি মোক সুন্দৰ বাক্য দিয়া
মই তোমাক গল্প, উপন্যাসেৰে সজাম;
তুমি মোক হৃদয় দিয়া
মই তোমাক অন্তৰ খুলি ভাল পাম
আৰু তোমাৰ দেহত যৌৱনৰ
মাত্র তুমি মোক যি দিবলৈ নিবিচৰা কিয় ?
প্রতিদানত মই দিব পাৰো
তেজৰ বিনিময়ত তেজ; পোহৰৰ বিনিময়ত পোহৰ;
কাৰণ মই তোমাৰ শব্দৰ বাবেই ভিক্ষাৰী
তুমি মাত্র মোক শব্দ দিয়া
তোমাক কবিতাৰে সজাম
মই কবি হ'ব বিচাৰো
মাথোঁ তোমাৰ বাবেই।

## জাবৰ বুটলা ল'ৰা

অজয় শইকীয়া

দিনৰ দিনটো
জাৱৰ খুচৰি
গেলা-পচা সকলো ফেনেকি
ফুৰিছে এদল
জাবৰ বুটলা ল'ৰা।
সিহঁতৰ পিঠিত এটাকৈ
ভাজ নথকা বস্তাৰ টোপোলা
তাতে ভৰাই
অৱৰ্জনা সোপা
নিয়ে সিহঁতে পিঠিত ওলোমাই।
দেখিবলৈ সিহঁত
পিশাচৰ পোৱালী
চুলিবোৰ জৰাজীৰ্ণ
নাকত হেঙুনৰ থোপা
মুখবোৰ সিহঁতৰ দুৰ্গন্ধ
জাৱৰৰ মাজতে সিহঁত
থাকে জীয়াই
জাবৰে সিহঁতৰ জীৱন
জাৱৰ বিক্ৰী কৰি
সিহঁতে পায়
এটকা, দুটকা, চাৰিটকা
তাৰে সিহঁতে ৰাতিৰ
সাজ যোগাৰ কৰে
ৰাস্তৰ ঘাটৰ জাৱৰ খুচৰি
পৰে সিহঁতে নিতৌ ভাগৰি
সকলোৱে দেখিলে নাক কোঁচাই
দূৰতে বোলে ৰাম ৰাম
এইয়া প্ৰাপ্য জাৱৰ
বুটলা ল'ৰাৰ
তাৰ মাজতে থাকে জীয়াই
নিতৌ সংগ্ৰাম কৰি।



# YOU'RE HAPPY WHEN YOU

Dhrubajyoti Chutia

Live one day at a time,
Avoid unhealthy worries,
Are you satisfied,
Reduce your desires,
Take notice of simple things,
Trust in God,
Are friendly,
Appreaciate yourself,
Make love your sole aim,
Care for others,
choose .....

You are happy
When you view
each day as
a fresh beginning,
bring with promise,
and never define yourself,
in term of
past accomplishments.

You are happy
when you avoid
unhealthy worries
about tomorrow,
for it never free tomorrow
of its sorrow,
but only saps today
of its strength.

You are happy
when you are
satisfied with
what you have.

You are happy
not by adding to your riches,
but rather by reducing
from the sum of your desires,
for your desire may increase
more rapidly than your power
to produce.

You are happy
when you take notice of
and appreciate
the simple things in life
and also are grateful for them.

The three grand essentials of happiness are
something to do,
something to love,
something to hope for.



## প্রতীক্ষা

নৱনীতা চেতিয়া

মোৰ হৃদয় পথাৰত
সেউজ শস্যই ভৰপক দিছিল;
সোণালী বৰণ ধৰিছিল;
প্রেমৰ বৰষুণ পৰিছিল।

ক্রমশঃ বৰষুণ জাকত তিতি গৈছিলো
আকাশ কুসুম কল্পনাৰে
সময়বোৰ পাৰ হৈছিল
চদুচকুত অযুত স্বপ্নই উটিভাহি ফুৰিছিলো।

হঠাৎ কজলা ডাৱৰৰ
বিষাদ বৰষুণ পৰিছিল পথাৰ দৰাত

সপোনবোৰ ধুৱাই লৈ গ'ল
জীৱনক জীৱন কৰা কথা আছিল সপোনত;
সোণালী ৰঙেৰে
বসন্ত অহা কথা আছিল জীৱনলে।

কিন্তু বসন্ত অহাৰ আগতে
উদং হ'ল হৃদয় পথাৰৰ সেউজীয়াবোৰ

তথাপিও বহু আশাৰে বাট চাওঁ
হৃদয়ৰ পদুলিত
এছাটি জোনাকৰ বাবে .....
(প্ৰাচীৰ পত্ৰিকা— জাগ্ৰতৰ পৰা)



নীৰজ সোনোৱাল

# সপোনৰ সমাধিত গদ্য-অগদ্যৰ সুবাস

নৈঃশব্দত বাস্তৱৰ খোজ ঃ

'নিশাবোৰ ভাঙি চিঙি যায়
দুখ আৰু যন্ত্ৰণাত
মোক সাৱটি ধৰাচোন দুখ
ময়ো নিশা ভাঙি
উলিয়াই আনো সুখৰ বেলি
যাৰ স'তে উমলিম
পুৱা গধুলি ...'

আকাশতেতিয়া পশ্চিমমুখী সূৰ্যটো ওলমি আছিল। কৰ্মক্লিষ্ট দিনান্তৰ অৱশেষত নিয়ৰে ৰাজপথত লাহে লাহে খোজ পেলালে। নাই... আজি সি বিক্ৰমত নুঠে; এনেয়ে খোজ কাঢ়ি যাব। নিয়ৰৰ মুখাৱয়বত অৱসাদৰ ছিটিকনিৰ এক লুকা-ভাকু। জীৱনৰ বিৰুদ্ধে প্ৰস্তাৱনা লিখি লিখি নাভাগৰা নিয়ৰক স্বাভাৱিক সজীৱতাত প্ৰতিপলে লাভ কৰা যন্ত্ৰণাৰ গদ্যত বয়সতকৈ বেছি গহীন কৰি পেলাইছে। 'নিজৰ অজ্ঞাতত যিবোৰ কথা কোনোদিনেই ভাবিব লগা নাছিল পুনৰ যদি সেইবোৰকে ভাবিব লগাত পৰে তেন্তে ...! বৰ কষ্টকৰ হৈ পৰে নিজে নিজৰ মাজত লুকাবলৈ' — এয়া নিয়ৰৰ philosophy, আজিকালি সি এনেদৰে ভাবে।

চহৰখনত আবেলিৰ উৎসৱৰ বেহাই ভিৰ কৰিলেহি। চৌদিশে বিভিন্ন শব্দ তৰংগৰ মেলা। হেজাৰ ব্যতিব্যস্ততাৰে নিয়ৰে অন্যমনস্কভাৱে খোজ দিছে। তাৰ সম্মুখে-পিছফালে, সোঁৱে-বাঁৱে অহৰহ ব্যস্ততাৰে অগণন চাইকেল আৰোহী, ৰিক্সা, অ'ট, স্কুটাৰ, বাইক, সৰু গাড়ী-ডাঙৰ গাড়ীৰ বৃহৎ সমুদ্ৰখনৰ পৰা শাব্দিক হুট্টগোল উঠিছে।

উদ্দেশ্যবিহীনভাৱে কিবা এটাৰ অনুসন্ধান কৰি ফুৰাটো নিয়ৰৰ এক প্ৰাচীন সুৰ। বিগত দিনবোৰতো যেতিয়া সি সকলোকে বুকুৰ ডায়েৰিত প্ৰোথিত কৰি লোৱাৰ নিশ্চিত এক বিশ্বাস আছিল ... তেতিয়াও সি উদ্দেশ্যবিহীনভাৱে ঘূৰি ফুৰাটো তাৰ লগত ছাঁৰ দৰে লাগি ফুৰিছিল আৰু তেতিয়াই সি নিজকে আৱিষ্কাৰ কৰিছিল নৈখনৰ সেউজীয়া ঘাঁহ গজা বালি চাপৰি কেইটাত। কি বিচাৰি পাইছিল তাত সি ...? শান্তি নে নীৰৱতাত নিজক এবাৰ অকলে পোৱাৰ হেঁপাহ! নে পৰিকল্পনা কৰিছিল সপোনক বাস্তৱায়িত কৰাৰ ...! মুঠতে সি তাত কিবা এটা পাইছিল; ভাবিছিল তেতিয়াও কিন্তু ভবা হৈছিল বা কি ভাবিব লাগিছিল আচল বিষয়বস্তুটো নিয়ৰৰ মগজুৰ জখলাত লগোৱা নাছিল। যি ভাবি থকা হৈছিল সেয়া আছিল ভুল। তাৰ পৰাই নেকি খেলিমেলিৰ এক যুদ্ধ। নিয়ৰ নিজে নিজৰ মাজতে অপলক থমকি ৰ'ল ...; কি আচৰিত এই সময়ত সেইবোৰ কথা। তাৰটো এইবোৰ অতীত অতীত লাগে। 'যি ভাবি থকা হৈছিল সেয়া আছিল ভুল' — নিয়ৰে মনৰ মাজতে কথাষাৰ পুনৰ এবাৰ আওৰালে। সি বাৰু কথাষাৰ ডায়েৰিত লিখিছিল নেকি? ... হয়তো লিখিছিল। কিন্তু ...। ডায়েৰিৰ কথা মনলৈ অহাৰ লগে লগেই চাট্ কৰি এষাৰি বাক্যই নিয়ৰৰ মগজুৰেদি দৌৰি গ'ল ... 'মই জানো, মই বুজো ... বুজিও নুবুজাৰ এক অভিনয় আছিল সেয়া মই যে পলাব খুজিছিলোঁ।' সহস্ৰ শব্দৰ বিশৃংখলতাই নিয়ৰে বিচৰণ কৰি থকা জগতখনৰ পৰা মহানগৰীৰ জীৱন বিচিত্ৰতাৰ লগত সন্মুখিন কৰাই দিলেহি। দ্ৰুততম বেগত পাৰহৈ গ'ল দুখন বাইক পিছৰ ছিটত একোজনীকৈ ছোৱালী। এজনীৰ দীঘল চুলিকোছাৰ সন্মুখৰ চুলিখিনি ঢৌ খেলি ঝিৰি ঝিৰি বৈছে। সি দৃশ্যটো লাহে লাহে দূৰৈত হেৰাই যোৱাৰ পিনে চাই থাকিল। ইমান মানুহ অথচ নিয়ৰে সাংঘাতিক



ধৰণে নিঃসংগ অনুভৱ কৰিলে। অকলশৰীয়া অলসতাৰে সি চলমান মানুহবোৰলৈ দৃষ্টি দিলে ... বিভিন্ন মুখাবয়ৱৰ উপস্থিতিৰে নিয়ৰৰ কাষেদি মানুহবোৰ পাৰহৈ গৈছে, আগবাঢ়ি আহিছে। চহৰৰ ধূলিয়াৰি এজাক গৰম বতাহে নিয়ৰক কোবাই গ'ল। মুহূৰ্তৰ বাবে খঙই তুলিলে বতাহজাকে নিয়ৰক। নিয়ৰে ক্ষন্তেক ভাবিলে, সামান্য ধূলিয়ৰি বতাহজাকৰ প্ৰতি তাৰ আজি কিয় খং উঠিল? এই খং বতাহ জাকৰ প্ৰতিয়ে নে? নে বুকুৰ মাজত সাঁচি ৰখা অদমিত খং আছিল সেয়া!!

কাৰণ-অকাৰণতে হেৰুৱাই পেলালে কিছুমান ভাল লগা মুহূৰ্ত সি। কোনোবাই হয়তো ঠিকেই কৈছিল — "যেতিয়া কিবা এটা নোহোৱা হয় তেতিয়াহে কাৰোবাৰ অনুপস্থিতিৰ মূল্য বুজা যায়।" ইমান জনসমাগম অথচ্ কিমান নিঃসংগ সি। ভাবিলে আচৰিত লাগে তাৰ। জীৱনত প্ৰথম বন্ধুত্ব গাঁৱৰ পৰিৱেশৰ লগত, পথাৰ, মুকলি পদূলিৰ লগত, আইতাৰ সাধুকথাৰ লগত ... ঠিক ইয়াৰ পিছতে বন্ধুত্ব কিতাপৰ স'তে আৰু হয়তো তেতিয়াই নেকি শব্দৰ আঙুলি চুহি চুহি গদ্য-অগদ্য জগতত বিচৰণ।

ক'ত মেলি দিওঁ সপোনৰ ডিঙা ঃ

'দুখবোৰ মাৰি পেলোৱাৰ নিয়ম জানে সকলোৱে
কিন্তু ... দুখৰ বিষয় মাৰিব নোৱাৰে কোনোৱে।"

মই ভালপোৱা অন্তৰংগ মুহূৰ্তবোৰ পৰা ভায়'লিনৰ মায়াবী সুৰলৈকে, সামাজিক অৱস্থালৈকে ... মই আজিকালি বহু অভাৱ অনুভৱ কৰোঁ। বোধকৰো অৱধাৰিত পৰিৱৰ্তনক মই স্বীকাৰ কৰিবলৈ টান পাইছোঁ। সন্দেহেৰে ভাবিছোঁ; কিজানি পৰিৱৰ্তন এনেকৈয়ে আহে যাক কেতিয়াবা হৃদয়ে স্বীকাৰ কৰিবলৈ টান পায়।

বুকুখন গুমৰি আছিল। মোৰ আকণ্ঠ উশাহত ছট্‌ফট্‌ৰ এক যন্ত্ৰণাৰ তানপুৰা। দিনবোৰ আগবাঢ়ি গৈছিল ঘৰখনৰ অৱৰ্তমানত। বহুদিনৰ পৰা দুচকুত নিদ্ৰাইবাস লোৱা নাছিল। বিষণ্ণতাৰ স্বপ্ন মোৰ বুকুত আয়োজন কৰাৰ মুঠেই নাছিল। কিন্তু ...! লাহে লাহে ইয়াৰো প্ৰয়োজন হ'ল জীৱনৰ বুৰঞ্জীৰ আড্ডাত। দুখৰ এটি গীতৰ ছন্দেৰে জোখা হয় মোৰ সময়ৰ গতি, প্ৰেম-অপ্ৰেম, জীৱনৰ গদ্য, মোক্ষম বাতুলতা ... ভৱিষ্যৎ দুৰাকাংক্ষা।

মোৰ ভাৰা ঘৰৰ শীৰ্ণ কোঠাৰ খিৰিকীখন খুলি দিছোঁ। বিৱৰ্ণ হৈ পৰা কাঠৰ পুৰণি খিৰিকী। মোৰ বহু অনিদ্ৰা, অস্থিৰতাৰ প্ৰত্যক্ষদৰ্শী এই খিৰিকীখন। কোঠাৰ শীৰ্ণ বিছনাখনত শৰীৰটো অলসভাৱে এৰি দিছিলোহে, এনেতে দুৱাৰত টুকুৰ পৰিল ...

"কোন ?"

"মই বাবা।"

"আঁহা।"

"নাই মানে ... আপোনাৰ message এটা আছিল।

"মোৰ message..!!"

"অঁ ... অথনি আপুনি কলেজলৈ যোৱাৰ পিছত ওখ বগাকৈ ল'ৰা এজন আহিছিল, তেখেতেই দি গৈছিল।"

"আচ্ছা ...!"

এৰা ... মাৰ চিঠি। খুবেই প্ৰয়োজনবোধ কৰিছিলোঁ এই কেইদিন। প্ৰতীক্ষাৰ গুণ গুণ কঁপনি এটাৰ অন্ত পেলাই মোৰ হাতত আজি মাৰ চিঠি। গুম্‌গুমাই উজ্জ্বলি উঠিল, ভাবনাৰ সকলোতে এটাই কথা — 'মাৰ চিঠি ন' ...!!"

মৰমৰ জান,

মৰম লবি। আশাকৰোঁ তোৰ কুশল। আমাৰ আৰু কি? গতানুগতিক ভালেই। তোৰ কথাই বৰকৈ আমনি কৰে অ' — তই কেনে আছ, কি কৰিছ, কি খাইছ? বহুদিন তোক দুনয়ন ভৰি ভালকৈ দেখা নাই। ঘৰলৈ নহাইহ'লি। ক'ৰবাত বেয়া পালি নেকি? অজানিতে তোৰ এই হোজা মায়ে ক'ৰাত জগৰ লগালে যদি ক্ষমা কৰি দিবি। তোৰ অবিহনে ঘৰখন বৰ উকা উকা লাগে অ'। ভাইটিয়ে তই হঠাতে ওলাবিহি বুলি প্ৰায়ে পদূলিলৈ জুমি জুমি চাই। ভাইটিয়ে খুব মন দি পঢ়া দেখিছোঁ, সি কয় — 'পৰীক্ষাত ভাল ফল দেখুৱাব নোৱাৰিলে জান ককাই বেয়া পাব।' দেউতাৰ বিষয়ে কিনো ক'ম, সেই একেটাই স্বভাৱ। ঘৰখনৰ প্ৰতি কোনো মৰমেই নাই। অনবৰত আকণ্ঠ সুৰাত মচ্‌গুল হৈ থাকে। গাঁওখনৰ বিষয়ে কিনো ক'ম, শান্তি নোহোৱা হৈছে গাঁওখনৰ। আলফা বিচৰাৰ নামত মিলিটাৰিয়ে প্ৰায়ে অত্যাচাৰ চলাই এই সৰল মানুহখিনিৰ ওপৰত। এই জঞ্জালৰ মাজত তই দূৰৈত থকা বাবে ভালেই লাগে, তথাপি তই বহু দিনলৈকে নাহিলে মোৰ মনটো কান্দি উঠে, জানোচা মই তোৰ মাহী মা বুলি আচল মাৰ মৰম দিয়া বিফল হ'লো। ভগৱানৰ প্ৰতি মাৰ এটাই আক্ষেপ থাকিব জান, — তোক কিয় মই পেটৰ সন্তান কৰাৰ যোগ্যতা নাপালোঁ।' বাৰু এইবোৰ বাদ দিওঁ, তই নহ'লে কান্দি দিবি। মই জানো তই মোক খুব ভাল পাৱ বুলি। ... মাজতে গাঁৱত দুটা বান আহিছিল। বানে কঠিয়াখিনি এক প্ৰকাৰে নষ্টয়ে কৰি পেলালে। পথাৰখন প্ৰায় উদং হৈ ৰ'ল। তথাপি তই চিন্তা নকৰিবি, এইবোৰ আমাৰ পুৰণি কথা ... চিঠিৰ মাজতে টকা দুহেজাৰ পঠালো জয়ন্ত দাদাৰ হাতত। মোৰ দুচকুৰ আঁতৰত থকা অজুহাতত তই বেয়া কাম নকৰিবি, বেয়া বস্তু নাখাবি, বেয়া সংগ ন'লবি, কৰণীয়খিনি মনদি কৰিবি। তোৰ ওপৰত মোৰ গভীৰ বিশ্বাস। তই উদ্ধাৰ কৰিব লাগিব আমাক বানে ধোৱা গাঁওখনৰ পৰা, দেউতাৰ নিচিনা আকণ্ঠ সুৰাত মচ্‌গুল হৈ থকা মানুহখিনিৰপৰা, ভাইটিয়ে খোজ দিয়া পথটি তইয়েই চিকুণাই দিব লাগিব। আজিলৈ আৰু হ'ব, তোক আমনি নিদিও। তই কুশলে থাক।

ইতি

তোৰ মা

আবেগ গধূৰ মাতৃৰ স্পৰ্শ। মনটো অপাৰ আৱেগত বাৰিষাৰ পুখুৰীৰ দৰে চপ্‌চপীয়া হৈ পৰিল। প্ৰতিশ্ৰুতিৰ এক বিশাল বিশ্বাস বুকুত সিঁচি দিলে স্বপ্নময় মাদকতা, জল্‌মল্ দীপ্তি, তথাপি মোৰ নয়নযুগল তিতি গ'ল। দৌৰ মাৰিল মোৰ মন মাৰ চৰণ চুমিবলৈ।

তুমি এসাগৰ আৱেগৰ সৃজন ঃ

'তোমাক ভাল লগা পাছৰে পৰা
কিয় জানো বুকুখন দুৰু দুৰু কঁপে
ঘনে ঘনে উৰে মন, এয়েযেন তোমাৰ কাষ পামগৈ ...'

"তোমাৰ নামেই নিয়ৰ নেকি?"

"অঁ।"

"প্ৰায়ে অৰবিন্দদাৰ মুখত শুনো তোমাৰ কথা, কেতিয়াবা আলোচনীৰ পাতত পাওঁ, ভাল লাগিল সশৰীৰে লগ পাই।"

— নিয়ৰৰ মুখাবয়ৱত এটি কোমল হাঁহি বিৰিঙিল।

"আমাৰ এইফালে আগতে আহিছা?"

"নাই অহা, এয়াই প্ৰথম।"

"কেনেকুৱা লাগিছে?"

"যথেষ্ট ভাল লাগিছে, মাত দিলেই কাষত মানুহবোৰ পোৱাকৈ আছে। আমাৰ আক' গাঁৱত ইঘৰ-সিঘৰলৈ মুখামুখিকৈ কথা পতাই দুৰূহ।"

"জনবসতি কম নেকি?"

"নহয় ... যথেষ্ট আছে, ঘৰৰ টোলবোৰ বৰ বৃহৎ বৃহৎ।

"মোৰ হ'লে গাঁৱৰ পৰিৱেশ বৰ ভাল লাগে। কোলাহল নাই, মুকলি মুকলি লাগে।"

"চহৰৰ ছোৱালীৰ মুখত পৰাপক্ষত গাঁৱৰ ভাল মন্তব্য নুশুনোৱে, তোমাৰ মুখত শুনিলো তুমি নিশ্চয় ব্যতিক্ৰম।"

"ওৱা ...! চব্ ছোৱালীয়ে একে নহয় নহয়। তাতে আমিতো গাঁৱৰে মানুহ। দেউতাৰ চাকৰিৰ সূত্ৰেহে আমি চহৰত, তাতে কোৱাৰ্টাৰত, গাঁৱৰ মানুহ যেতিয়া এদিন গাঁৱলৈয়ে যাম।"

"চোৱাচোন বাৰু ইমান পৰ তোমাৰ লগত কথা পাতিলোঁ, কি পগলা, তোমাৰ নামটোকে সুধা নাই, কবানে?"

"ওঁ ... ক'ম জানো! সংঘমিত্ৰা ... মানে সংঘমিত্ৰা শইকীয়া।"

— ঠিক এনেধৰণৰ আলাপৰে মই তোমাৰ স'তে কথাৰ বৰষুণ সিঁচিছিলোঁ প্ৰথম বাৰৰ বাবে আৰু ইয়াৰ পৰাই কিবা খেলিমেলি সকলোতে; কাৰণ তোমাক ভাল লগা হৈ আহিছিল ক্ৰমশঃ মোৰ বাবে। যি দিনাখন তুমি মোৰ বুকুৰ অভ্যন্তৰলৈ সোমাই আহিলা সেই দিনাখনৰ পৰাই প্ৰেম বিষয়ক কবিতাবোৰ বুজি পোৱা হ'লোঁ। হেঁপাহৰ জখলাৰে নামি অহা শব্দৰ পোছাকৰে তোমাক সঁজালো মোৰ প্ৰাণৰ প্ৰতিমা বুলি। আজিকালি মই প্ৰতিটো প্ৰহৰতে মোৰ কেঁচা সপোনবোৰৰ স'তে তোমাক কঢ়িয়াই ফুৰোঁ। উপায় নাই ভালপোৱাৰ এয়া এক অন্য দৰ্শন। মন যায় হৃদয় উজাৰি সকলো কথা তোমাৰ সন্মুখত বাকি দিম। এক নাতিদীৰ্ঘ পৰিক্ৰমাত মই অতি দীৰ্ঘ সময়ৰ পৰিক্ৰমাত মই অতি সংগোপনে তোমাৰ প্ৰেমত পৰিলোঁ, এই বিষয়ে বৰ্তমান সন্ধিক্ষণতো তোমাক শীৰ্ণ মানো জানিবলৈ নিদিলোঁ। থাকক দিয়া ...। হৃদয়ৰ নিৰ্বাক কোঠালিত প্ৰোথিত হোৱা ডায়েৰিখনৰ সকলো পাঠতো তোমাক পঢ়াব নোৱাৰি। পঢ়াব খুজিলেও ... শংকা উপজে কিজানিবা তোমাৰ বেথাত আঘাত লাগে যদিহে মোৰ চৰম সত্যক তুমি জানি লোৱা। সেইবাবে শব্দহীন খোজেৰে মোৰ প্ৰেমে গতি লয়, মূক ভাষাৰে মই মোৰ প্ৰেমক লালন কৰোঁ।

নাজানো মোৰ হৃদয়ৰ গোপন ভাষা কেকিয়াকৈ তোমাক বুকু উজাৰি ক'বলৈ পাম। এনে সুদিন আহিবনে বাৰু? — এৰা ... মোৰ উত্তৰণ পথৰ কোনটো উচিত দিশ কোনটো অনুচিত তাক বিচাৰ কৰিব পৰা ক্ষমতা ক্ৰমশঃ মই হেৰুৱাই পেলাইছোঁ। প্ৰেমবোধৰ সংকীৰ্ণতাৰ বাবে ছাগেই মই মানুহটো কেতিয়াবা কেতিয়াবা বৰ আৱেগিক হৈ পৰোঁ। তোমাক মই আৱিষ্কাৰ নকৰাহেঁতেন 'প্ৰেম'ৰ দৰে এটি শব্দক কাহানিও অনুভৱ নকৰিলোঁহেঁতেন। তোমাৰ বাবেই মোৰ মন অভিলাষী, অনুভৱী। এটা কথা কিন্তু ...! তুমি মোক ভীষণ ৰোমাণ্টিক ভাববিলাসী মানুহ বুলি মুঠেই নাভাবিবা, মই তেনেকুৱা নহওঁ। বাস্তৱক লৈ মই বহুখিনি সচেতন। মাথোঁ তুমি মোৰ বাস্তৱত নোহোৱা বাবেই মই তোমাৰ বাবে ইমান অনুভৱী হৈ পৰিছোঁ। নভবাকৈ থকা নাছিলোঁ, ভাবিছিলোঁ এদিন সকলো কথা খুলি কৈ দিম। মোৰে দুৰ্ভাগ্য দিয়া ... সেই কণ সুযোগ নাপালোঁ। তোমাৰ ভাল বন্ধু হ'ব পাৰিলোঁ কিন্তু ..., মনৰ মানুহজন হ'ব নোৱাৰিলোঁ, মই যে তোমাৰ বাবে তৃতীয় পুৰুষ।

জীৱনৰ কেলেণ্ডাৰত খোদিত কৰিছোঁ এটুপাল চকুলো ঃ

চিপ্‌চিপ্‌কৈ সৰিছে নিয়ৰ। আকাশৰ বুকুত দুখৰ পণ্যাগাৰ, ইয়াত নাচিবলৈ মোৰ আত্মাই হেনো খুব ভাল পায় ... নাচক। ছন্দ হেৰুওৱা কবিতাৰ যন্ত্ৰণাতকৈ ইয়েই শ্ৰেয়। আজি ৰাতিপুৱাতে এগিলাচ যন্ত্ৰণাৰ চৰ্বত পি মোৰ সত্তাখিনি খুবে ব্যস্ত হৈ পৰিছে উৱলি যোৱা জখলাত বগাবলৈ, কি উচ্চাকাংক্ষা চকুলোৰ ৰাজ্যত সত্যক পোষণ কৰাৰ।

"নিয়ৰ দা' আপোনাৰ ফোন। (বোবাই চিঞৰি মাতি দিয়াত নিয়ৰে ভাবনাৰ ৰাজ্যৰ পৰা বাস্তৱৰ ৰাজ্যত খোজ দিলে।)

"মোৰ ফোন?" ... একপ্ৰকাৰে নিয়ৰে দৌৰিয়ে গ'ল।

"Hello ... মই নিয়ৰ।"

"নিয়ৰ ... মই জয়ন্তই কৈছোঁ।"

"অ' ... জয়ন্তদা' ভালনে আপোনাৰ ... কিবা খবৰ আছিল ছাগে?"

"ভালে দিয়াচোন। খবৰ আছিল ... বেয়া খবৰ।"

"বেয়া খবৰ ...!!" (নিয়ৰৰ বুকুখন কিহবাই হেঁচা মাৰি ধৰা যেন লাগিল।)

"যোৱা নিশা গাঁৱলৈ মিলিটাৰি আহিছিল। যথেষ্ট অত্যাচাৰ চলালে। ভাইটি ...

"ভাইটি ...!! কি হ'ল তাৰ?"

"বেছি অধৈৰ্য নহ'বা ... জখম হৈছে খুব বেয়াকৈ। অৱশ্যে এতিয়া চিন্তাৰ কাৰণ নাই। তথাপি ... তুমি ঘৰৰ ফালে এপাক আহিবা।"

"মই গৈয়ে আছোঁ। আজিয়েই এতিয়াই।"

"নাই নাই তুমি আজি আহিব নালাগে। ঘৰ পোৱাহি মানে আন্ধাৰ হ'ব। অহাকালিলৈ পুৱাতে আহিবা।"

"মা?"

"ভালেই, ইমান চিন্তা নকৰিবা। হ'ব থৈছোঁ।"

"ওঁ।" — খুব জোৰে কান্দি দিবৰ মন গৈছিল তাৰ। ভাইটি ... ওফ্। ইমান কুমলীয়া দেহটো তাৰ ...

পশ্চিমফালৰ কোঠাৰ খিৰিকীখন খুলি দি নিয়ৰৰ এনে লাগিল যেন গোটেই আকাশখনেই কজলা। বিষাদৰ ৰঙো কজলা। এই কজলাই শুহি লৈছে বিশাল আকাশৰ নীলাখিনিক। কেতিয়াবা সেই কজলাৰ মাজত প্ৰকাণ্ড থালী আকাৰৰ বেলি এটাই লুকা-ভাকু খেলে আৰু তেতিয়াই ৰাশি ৰাশি গছবোৰ কিবা অদ্ভুত মিশ্ৰণেৰে ৰসহ্যময় হৈ উঠে। এনে লাগে যেন নৈসৰ্গিক পৃথিৱীৰ মায়াই গিলি পেলাব এফালৰ পৰা।

নিয়ৰে নিজক প্ৰায়ে প্ৰশ্নৰ কাঠগড়াত তুলি চাই। কাহানিও কৈফিয়ৎ নাপাইছিল সি। ভাবনাবোৰ কিবা আউল লাগি যায় তাৰ। অহমিকাই বাৰে বাৰে উপহাস কৰে নিয়ৰক। ঘটনাটো ঘটি যোৱাৰ পাছৰে পৰা নিয়ৰৰ বুকুখন কৰালৰ দৰে গুমৰি আছিল। গাঁৱলীয়া ল'ৰা সি ..., সপোনৰ সৌধ সাজিব নোৱাৰে সি। সপোন ৰচাৰ মাত্ৰকে তাৰ বুকুৰ কোনোবাখিনিত বাজি উঠে বিপ্লৱৰ শংখ'গান। স্বপ্ন ভংগৰ স্পৰ্শত নিয়ৰে পৃথিৱীৰ মায়াজালত সোমাই পৰিছে, জোনাকেৰে ভৰা অথচ সকলোবোৰতে এন্ধাৰৰ আয়োজন, আধৰুৱা সপোন এটাৰ পৰা খকমকাই সাৰপাই উঠাৰ দৰে নিয়ৰে সাৰপাই উঠে। আশ্চৰ্যকৰ! পাপৰ নিশাটি যাপন কৰাৰ পাছৰে পৰা শিশুৰ পৰা অলপ পূৰঠ হ'বলৈ ধৰা যতীন (ভাইটী) কুচিমুচিকৈ শুই আছে। তাৰো সপোন আছে। এবুকু বুকুৰ উমেৰে দিন-ৰাতিৰ বাট কাটি সপোনৰ পথচোৱা সজাইছিল সি। নিশ্চুপ হৈ দীঘল দি পৰি আছে বিচনাত ... যেন ছায়ামগ্ন এক অৱয়ব।

নিয়ৰে খিৰিকীৰ কাষত থিয় হৈ থাকোঁতে আকৌ বুকুৰ বিষটোৱে উক দিলে মনৰ ৰাজ্যত। কজলা যেন লগা বিষাদটোৱে নিয়ৰৰ হৃদয়খনক কৰাঘাত কৰিবলৈ ল'লে খচ্‌খচ্‌কৈ ...। বুকুৰ উচুপনিবোৰ সিৰাইদি নিগৰি নিগৰি বৈ আহিছে শূন্যতালৈ। কাকো খুলি ক'ব নোৱৰা আনুভূতিক যাতনাখিনিৰ বাবেই দুচকু বাৰিষাৰ পুখুৰীৰ দৰে চপ্‌চপীয়া হৈ পৰিল। সি সংগোপনে চকুৰ কোণ দুটা মোহাৰি ল'লে। সি অপলক কোঠাটোৰ বিচনাত পৰি থকা অসুস্থ ভায়েকটোৰ সৰু মুখখনলৈ চাই থাকিল। নিয়ৰ আগবাঢ়ি আহি ভায়েক শুই থকা বিচনাখনতে বহিল। ইমান কোমল সৰল মুখখনত সেই কুকুৰ পোৱালিবোৰে কেনেকৈ উগ্ৰপন্থীৰ চেহেৰা দেখিলে। ইমান বেয়াকৈ পিটিলে এই নিৰ্দোষী কিশোৰজনক ... কি অনিষ্ট কৰিছিল মোৰ ভাইটোৱে। চাল্লা ...। কুকুৰবোৰক এফালৰ পৰা শেষ কৰি দিম ... আকৌ নিয়ৰৰ মনটো বিদ্ৰোহী হৈ পৰিল। শান্তিৰক্ষক ...। য'ত অশান্তিৰ মূল। কিশোৰৰ মুখত উগ্ৰহন্থীৰ মুখ দেখে, গাভৰুৰ বুকুত উগ্ৰপন্থীৰ ঠিকনা বিচাৰি পাই সিহঁতে। দিনৌ সিহঁত ছেখোৱাবাসী, কাকপথাৰবাসী, লক্ষীপথাৰবাসী ৰাইজে ৰাষ্ট্ৰ প্ৰহৰীৰ হাতত অত্যাচাৰৰ বলি হৈছে। কিমান নিৰ্দোষী সৰল গাঁৱলীয়া যুৱকৰ সপোন কাঢ়ি নিছে এই ৰাষ্ট্ৰপ্ৰহৰীয়ে, কিমান যৌৱনা গাভৰুৰ সতীত্বৰ হেতালি খেলিছে সিহঁতে। ইয়াৰ হিচাপ জানো কোনোবাই ৰাখিছে। পৰীক্ষাত গণতন্ত্ৰ বিষয়ক প্ৰশ্নোত্তৰ লিখি উত্তীৰ্ণ হ'ব পাৰোঁ। কিন্তু এচামে গণতন্ত্ৰৰ নীতিক চানাৱালাই চানা বান্ধি দিয়া কাগজৰ দৰে ব্যৱহাৰ কৰে। ক'ৰবাত পঢ়িছিলোঁ, "আমি মাননীয় মন্ত্ৰী, সাংসদসকলক সম্বোধন কৰোঁ, প্ৰশস্তি গাওঁ, সম্বৰ্ধনা জ্ঞাপন কৰোঁ। সেয়া আমাৰ ভাষা, তেওঁলোকে চৰকাৰী বানচত সকাম খাবলৈ সমষ্টিলৈ আহে, হেলিকপ্টাৰত উঠি বানপানী চায়, চাইৰেণ বজাই পদচাৰীক ফৰিংচিটিকা দিয়াই ৰং চায়। সেয়া তেওঁলোকৰ ভাষা। আমি ধৈৰ্যশীল হৈ থাকোঁ, তেওঁলোকে আমাৰ ধৈৰ্যশীলতাক লৈ গৱেষণা কৰে।" — হয়তো ঠিকেই কৈছিল। সোণৰ অসমৰ গীত গাই। স্বাধীনতা দিৱসৰ ৰং বিৰংঙৰ সভা পাতে। সভ্যতা সলনি কৰাৰ ভাষণ দিয়ে ... প্ৰান্তত এয়াইনেকি ... কেশা লগা সভ্যতাৰ জখলাত বগাই নিচুকণিৰ গীত গাই নিজে শুবৰ চেষ্টা কৰা। নিয়ৰৰ দোষ লাগে আমাৰ সমাজ ব্যৱস্থাটোৰ প্ৰতি। তাতোকৈ দোষ লাগে ভূমিপুত্ৰ বুলি হাতত অস্ত্ৰ তুলি লোৱাসকলক। কাৰবাবে যুঁজে সিহঁতে। আমাৰ নিচিনা সৰল গাঁৱলীয়া মানুহখিনিৰ বাবে নে? নে আমাক শল ঠেকত পেলাবলৈ। এৰা ...। সিহঁত সলনি হৈ গ'ল। সিহঁতৰ উত্তৰণ পথৰ ছন্দ হেৰাই গ'ল। কিহৰ দেশ উদ্ধাৰ কৰাৰ কথা কয়হে সিহঁতে।

"দাদা পিয়াহ লাগিছে...।" কঁপা মাতেৰে ভাইটিয়ে চিঞৰি উঠিল।

"অঁ, অঁ দিছোঁ দিছোঁ ..।" জাৰৰ পৰা এগিলাচ পানী বাকি দি নিয়ৰে আলফুলে ভাইটিক খোৱাই দিলে। ভাইটিৰ মূৰটো তাৰ কোলাত থৈ সি আলফুলে তাৰ আঙুলিৰে ভাইটিৰ মূৰটো মোহাৰি থাকিল।

"দাদা, তই বৰ দুখ কৰিছ নহয় — অহা কাইলৈ মই পৰীক্ষাত বহিম নোৱাৰিম বাবে।"

"চুপ। কথা ন'কবি। তই টোপনি যা ... চব ঠিক হৈ যাব। একো নাই পৰীক্ষাবোৰটো আহিয়ে থাকিব। তই সোনকালে ভাল হ। মোক আৰু একো নালাগে।"

"দাদা ... কথা এটা কওঁ?"

"কি? ক।"

"তই গাঁৱৰ পৰা সোনকালে যা গৈ। নহ'লে সেই যমদূতবোৰে তোকো ...

(মৌনতাই নিয়ৰক গ্ৰাস কৰিলেহি। সি ভায়েকক কি বুলিনো ক'ব! গাঁৱৰ ডেকাবোৰৰ দুৰ্দশা ভাইটিহঁতে ভালদৰেই বুজে, সিওতো ভুক্তভোগী ... সেইবাবেই ছাগে ...)

"তই মনে মনে থাক বুলি কৈছোঁ নহয়। একো নহয়, দিন সদায় বেয়া নাথাকে।" — ভুৱা কথাৰে সান্ত্বনা দিলে নিয়ৰে।

ভুক্তভোগী গাঁওবোৰত সুদিন কেতিয়াও নাহে নিয়ৰে ভালদৰেই জানে। তথাপিও ...।

"দাদা ... তই বহুদিন একো গুণগুণোৱা নাই। কিবা এটা গাই শুনা না।"

— ভাইটিৰ এনে এটা প্ৰস্তাৱৰ বাবে নিয়ৰ একেবাৰে প্ৰস্তুত নাছিল। বুকুখন যন্ত্ৰণাত টন্‌টনাই ধৰিলে। কি মুড়্‌লৈ সি গাই শুনাব? পাৰিব জানো সি —

'আজি জোনে ওৰণি খহালে
জোনাকিৰ মেলা
আকাশত তৰাৰে খেলা
আই ঐ দেহী ৰিয় মনে মাৰি থাকা ...'

মৃত হৃদয়ৰ অনিদ্ৰাৰ গিলিপত এয়া কিহৰ তিৰ্‌বিৰণি ঃ

'তোমাৰ অজ্ঞাততে ভগাই লোৱাৰ কথা
আছিল এদিন, আবেলিবোৰক
যি আবেলিত প্ৰতিদিনাই তুমি
হৈ পৰিছিলা সেউজীয়া ...'

চলন্ত নগৰীত ঘুৰ্মুটিয়াই ফুৰিছোঁ অকলশৰে। মানুহৰ আচৰণত হায়ৰাণ হৈ পৰিছে মোৰ সত্তা। ৰাতিপুৱাৰে পৰা হৃদয়খনে ওন্দোলাই ফুৰিছে তাৰ চাহিদাৰ কথা। মই নিৰুপায় হৃদয়খনক কেনেকৈনো বুজাওঁ কজলা ডাৱৰৰ ভিৰ ঠেলি মোৰ বুকুত ৰদে নাহাঁহে বুলি। তুমি কি জানিবা দিনলিপিৰ তুলাপাতত পৰিশ্ৰান্ত হৈ পৰা মোৰ এটোপাল দুটোপাল বহু চকুলোৰ আত্মকথা। কি আচৰিত যন্ত্ৰণাৰ প্ৰেৰণাত নাচি বুকুৰ শব্দবোৰ। কলমডালো কম নহয় অভিমানী ডায়েৰীৰ বুকুত মুখ গুজাই অত্যাচাৰ কৰে ... 'তাকো এখন হৃদয় লাগে।'

মইবিচাৰি ফুৰিছোঁ, বিচাৰ ফুৰিছোঁ মোৰ অনিদ্ৰাৰ শেতেলিৰ গিলিপত তিৰবিৰাই ফুৰা অস্থিৰতাখিনিক। যি অস্থিৰতাৰ উৎস মূলতঃ তুমি। তোমাৰ বাবেই মোৰ এই সপোন দেখা ... এই সপোনৰ অন্য এক শংকা হৈছে 'শূন্যতা', যি শূন্যতাৰ বুকুত হাত থৈ কুঁৱলিৰ আৱৰণ ফালি একমাত্ৰ তোমাৰ বাবেই আমন্ত্ৰণ কৰা হয় নিঃসঙ্গ ভাবনাক। বিষাদে উপচি থকা নিৰ্যাসৰ ৰাজ্যত তুমি মোক কিয় মই হৈ থাকিবলৈ দিয়া নাই? মোক হেৰাই যাবলৈ দিয়া একান্ত নিজস্বতাত। মৃত হৃদয়ৰ অনিদ্ৰাৰ গিলিপত তিৰবিৰাবলৈ দিয়া ... এৰা তিৰবিৰাবলৈ দিয়া।

মৌনতাৰ ৰাজ্যত এযোৰ টল্‌বলগৈ নাচি থকা চকু। উসঃ কি প্ৰসস্তি...।

"ঐ আমনি কৰিছে?" — স্মৃতিৰ কৌতুক কৰা মাত। কোন ছেগত আহি মোৰ ভাবনাত স্মৃতিয়ে আউল লগালে তত ল'বই নোৱাৰিলো।

"কিয় নিজক ইমান কষ্ট দিয়? ভাল লাগে জানো নিজে নিজৰ মাজত অভিনয় কৰিবলৈ?"

"অভিনয় ..."

"ঐ অকৰা বৰ সহজে বাস্তৱৰ লগত বন্ধুত্ব কৰ' ... চাবি বাস্তৱ বৰ নিষ্ঠুৰ!! ... হ'ব হ'ব তই ইমান খং নকৰ ... সময় থাকোঁতে কিবা এটা কৰ, মই হ'লে গৈছোঁ ...।"

— স্মৃতি গ'লগৈ। মোৰ টেবুলত কৰ্ফালখাই পৰি থকা ডায়েৰিখন বুটলি ল'লো ... লগতে মোৰ কলমৰ পৰা ওফৰি অহা ধাৰাল শব্দবোৰ তাৰ বুকুত গুজি দিলো ...

(ডায়েৰি লিখা দুটা মাহৰ পিছত ... এদিন ভাৰা ঘৰত ...)

"অৰবিন্দদা মোৰ এজন ভাল বন্ধু হেৰাইছে, কত যে গ'ল ... মোৰ বৰ চিন্তা হৈছে!"

"কাৰ কথা কৈছ তই ?"

"কোননো হ'ব আৰু ... মোৰ ডায়েৰিখন।"

"কতনো যাব? আছে ...। আছে আছে ভাললগা মানুহৰ হাততে আছে।"

"মানে ..."

"মানে কি আৰু ... head office-ত।"

"অৰবিন্দদা।" (কৃত্ৰিম অভিমানত নিয়ৰে চিঞৰি দিয়ে।)

"প্ৰথম কথা — আজি কিন্তু ডাঙৰ পাৰ্টি লাগিব ... হোঁ .. এইখন পঢ়চোন ... পঢ় ... পঢ় ..."

— কঁপা কঁপা হাতেৰে অৰবিন্দৰ হাতৰ পৰা নিয়ৰে কাগজৰ টুকুৰা এটা তুলি ল'লে — কাগজ টুকুৰাটোৰ ওপৰত নিয়ৰৰ দুচকু বাগৰি গ'ল —

'ঐ পগলা',

মুখ ফুটাই একো নোকোৱালৈকে মই কেনেকৈ জানিম প্ৰেমৰ সাগৰত মোৰ নামেৰে নাও মেলাৰ কথা। ইমান বছৰে তোমাৰ কাষতে থাকিলোঁ অথচ্ ল'ৰা হৈ মনৰ কথাকে খুলি ক'ব নোৱাৰিলা। নিজক কষ্ট দি পাইছা কি? হ'ব আৰু মোৰ অজ্ঞাতত আবেলিবোৰক অকলে ভগাব নালাগে দিয়া; আহা আজিৰ পৰা আমি দুয়ো সমানে ভাগ কৰি ল'ম আবেলিক। যি দিনাখন অৰবিন্দদাই তোমাৰ ডায়েৰিখন হাতত গুজি দিছিলহি... সেইদিনাখনৰ পৰাই বহু বাৰ পঢ়িছোঁ ... অথচ্ ভাগৰি পৰা নাই। আচৰিত লাগে, ইমান ভাল পোৱাঁনে মোক ...!! এইবাৰ ডায়েৰি লিখিলে নহ'ব; মুখ ফুটাই ক'ব লাগিব মোৰ সন্মুখত নহ'লে কিহৰ ল'ৰাহে? ... বাট চাই ৰ'ম আহিবা।

তোমাৰ
সংঘমিত্ৰা

"ঐ তাই কান্দিছ?"

"ক'তা নাই কন্দা।"

"পগলা ক'ৰবাৰ ... দুগালত বাৰিষাৰ ঢল এইফালে বুলে নাই কন্দা।"

"অ' ... এয়া (দুগাল মোহাৰি লৈ) — এয়া আনন্দৰ চকুলো অৰবিন্দদা। আনন্দৰ ... বলক বলক আজি পাৰ্টি হ'ব বাম্পাৰ পাৰ্টি।" ■





# শিক্ষা আৰু ইয়াৰ বৰ্তমান ৰূপ

মঃ চৰিফুল হুচেইন

মানুহৰ জীৱন যাত্ৰাত লাভ কৰা প্ৰয়োজনীয় সকলো অভিজ্ঞতাকে শিক্ষাৰ ভিতৰত সামৰি ল'ব পাৰি। যি শিক্ষা কলেজ, ইউনিভাৰচিটি বা অন্যান্য শিক্ষানুষ্ঠানত দিয়া হয় সেয়াই আছল শিক্ষা বুলি আমি বহু সময়ত ভুল কৰোঁ। কিন্তু শিক্ষানুষ্ঠানত উপস্থিত নাথাকিলে মানুহে সম্পূৰ্ণ শিক্ষা লাভ কৰিব নোৱাৰে। ভৱিষ্যতে সুস্থ জীৱন নিৰ্বাহৰ বাবে সুখ-শান্তি আৰু প্ৰতিষ্ঠা আদিৰ বাবে আৱশ্যকীয় গুণসমূহৰ বিকাশ সাধন কৰাটোৱেই হৈছে শিক্ষা।

দেশৰ স্বাধীনতাৰ কালত শিক্ষানুষ্ঠান তেনেই তাকৰ আছিল। উচ্চ শিক্ষাৰ অনুষ্ঠানটো গাঁৱে ভূঞে নাছিলেই। গৰিষ্ঠ সংখ্যক লোকেই আছিল অনাখৰী। লিখিব পঢ়িব পৰা হোৱাই আছিল শিক্ষাৰ লক্ষ্য। দুখৰ বিষয় যে ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা আনুষ্ঠানিকভাৱে গ্ৰহণ কৰা ভাৰতৰ সংবিধানে দহ বছৰৰ ভিতৰত দেশৰ পৰা নিৰক্ষৰতা দূৰ কৰাৰ সংকল্প গ্ৰহণ কৰিছিল যদিও তেনে প্ৰায় ছটা দশক অতিক্ৰম কৰা সত্বেও ভাৰতৰ জনগণৰ প্ৰায় প্ৰতি পাঁচজনৰ দুজন অনাখৰী হৈয়ে আছে। সম্প্ৰতি চলোৱা হৈছে সৰ্বশিক্ষা অভিযান। দেখি-শুনি আৰু সংবাদপত্ৰৰ বা-বাতৰিৰ পৰা অনুমান হৈছে যে সৰ্বশিক্ষা অভিযানে মাথো ব্যৰ্থতাৰ অভিমুখে গতি কৰিছে। ইয়াৰ কাৰ্যকৰিতাৰ নামত হেজাৰ হেজাৰ কোটি ৰাষ্ট্ৰীয় ধন ব্যয় হৈছে। কিন্তু ধন ব্যয় হৈছে অবাবত। সৰ্বশিক্ষাৰ নামত মন্ত্ৰী-বিষয়াক আদৰিবলৈ জাক-জমকীয়া তোৰণ, সভা-মঞ্চ, ভোজ-ভাত আদিতে এই ধন ব্যয় হৈছে যেন নালাগেনে?

আনহাতে যি সকল স্বাক্ষৰ বা কলেজীয়া ডিগ্ৰীৰে ডিগ্ৰীধাৰী সেইসকলৰ প্ৰায় এক কোটিৰো অধিক ভাৰতীয় কৰ্মসংস্থানহীন নিবনুৱা। কৰ্মসংস্থানহীন নিবনুৱাসকলে সংস্থান বিচাৰি হাবাথুৰি খাইছে। সংস্থানৰ নামত কৰ্তৃত্বশালী সকলক তুষ্ট কৰাৰ অৰ্থে অনেক সময়ত পৈতৃক সম্পত্তি বেছি হ'লে টোপোলা একোটা আগবঢ়ায়। কিন্তু তথাপি সংস্থান নিমিলাত সন্ত্ৰাসবাদী দলত অন্তৰ্ভুক্ত হ'বলৈও দ্বিধাবোধ নকৰাত পৰিছে আৰু দীঘল হাত থকাসকলে একোটা টোপোলাৰ বিনিময়ত কৰ্মসংস্থান লাভ কৰে। সেই সকলে পাহৰি যায় সংস্থানবিহীন যুৱকসকলৰ যন্ত্ৰণাৰ কথা। জীৱনৰ একান্ত ধাউতি হৈ পৰে যিকোনো প্ৰকাৰে বৰ্ণাঢ্য হোৱা।

আগৰ দিনত পুথিগত শিক্ষাৰ মূল উদ্দেশ্য আছিল জ্ঞান আহৰণ কৰা, কিন্তু বৰ্তমান পুথিগত শিক্ষাৰ উদ্দেশ্য বেলেগফালে ধাৱমান হোৱা পৰিলক্ষিত হৈছে। বৰ্তমান




পুথিগত শিক্ষাৰ দ্বাৰা জীৱিকাৰ সন্ধান বিচৰা হৈছে। কোনোমতে কলেজীয়া ডিগ্ৰীটো লৈ সৰু-সুৰা চাকৰি এটা পালেই যেন জীৱনটো চলি যায়। তেনেকুৱা কৰ্মবিমুখ ভ্ৰান্ত ধাৰণাৰ ফলত দিনক দিনে শিক্ষিত ডিগ্ৰীধাৰী নিবনুৱা সংখ্যা বাঢ়িবলৈ ধৰিছে। যাৰ ফলত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হৈছে। স্থানীয় শিক্ষানুষ্ঠানসমূহৰ বেছিভাগেই ছাত্ৰক মানৱ সম্পদ ৰূপে গঢ়িব পৰা নাই। এজন ছাত্ৰ বা ছাত্ৰীক মানৱ সম্পদ ৰূপে পাবলৈ হ'লে তেওঁলোকৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক, আধ্যাত্মিক, সৃজনীশীল আদি সকলো দিশতে তেওঁলোকৰ সুপ্ত হৈ থকা প্ৰতিভাসমূহ বিকশিত হোৱাকৈ গঢ়ি তুলিব লাগিব আৰু এইদৰে গঢ়ি তুলিবলৈ হ'লে শিক্ষানুষ্ঠানৰ প্ৰশাসনিক ব্যৱস্থাটো কটকটীয়া হ'ব লাগিব।

আজিৰ যুগত ছাত্ৰ-ছাত্ৰীয়ে পুথিগত শিক্ষাৰ মাজত সীমাবদ্ধ নাথাকি বহিঃশিক্ষাৰ প্ৰতিও সজাগ আৰু উৎসাহিত হ'ব লাগিব। তেতিয়াহে তেওঁলোকে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, শাৰীৰিক মানসিক আৰু আধ্যাত্মিক আদি সকলো দিশৰ সম্যক জ্ঞান আহৰণ কৰি ভৱিষ্যতে সন্মুখীন হোৱা সকলো সমস্যা সমাধান কৰিবলৈ সক্ষম হ'ব। ■

# মহাকাশ অভিযান

✍ হিৰোমণি দিহিঙীয়া

কুৰি শতিকাৰ আগভাগত মানুহৰ মহাকাশত বিচৰণ কৰাৰ প্ৰৱল ইচ্ছা জাগিছিল যদিও এই ক্ষেত্ৰত সাফল্য লাভ কৰে (ছোভিয়েট) ৰাছিয়াই। ১৯৫৭ চনৰ ৩ অক্টোবৰত ৰাছিয়াই প্ৰথমবাৰ 'স্পুটনিক-১'নামৰ এটা কৃত্ৰিম উপগ্ৰহ পৃথিৱীৰ কক্ষপথত স্থাপন কৰে। ১৯৫৭ চনৰ তিনি নৱেম্বৰত 'স্পুটনিক-২' কৃত্ৰিম উপগ্ৰহত এটা জীৱন্ত



কুকুৰ 'লাইকা'ক ৰাছিয়াই মহাকাশলৈ প্ৰেৰণ কৰে। ১৯৬০ চনৰ ১৫ মে' তাৰিখে ৰাছিয়াই আন এটা উপগ্ৰহ পৃথিৱীৰ কক্ষপথত স্থাপন কৰে যিটোৰে প্ৰতি ৯১ মিনিটত পৃথিৱীক এবাৰকৈ প্ৰদক্ষিণ কৰিছিল। এই উপগ্ৰহত এটা যন্ত্ৰ-মানৱো আছিল।

অৱশেষত ১৯৬১ চনৰ ফেব্ৰুৱাৰী.মাহত ৰাছিয়াই 'ভষ্টক-১' নামৰ কৃত্ৰিম উপগ্ৰহত মহাকাশলৈ প্ৰথমবাৰৰ বাবে মানুহ পঠিয়াইছিল। পৃথিৱীৰ প্ৰথম মহাকাশচাৰী হিচাপে চিহ্নিত হোৱা ৰাছিয়াৰ ভাগ্যৱান পুৰুষজন আছিল 'কৰ্ণেল য়ুৰি এলেক্সিভিচ গেগৰিণ'। য়ুৰি গেগৰিণ মহাকাশত ১০৮ মিনিট সময় আছিল।

**বিশ্বৰ বিভিন্ন দেশৰ মহাকাশচাৰীসকল ঃ-**

পৃথিৱীৰ প্ৰথম মহাকাশচাৰী ঃ- য়ুৰি গেগৰিণ, ১৯৬১ চনৰ ফেব্ৰুৱাৰী মাহ, 'ভষ্টক-১'নামৰ কৃত্ৰিম উপগ্ৰহত।

পৃথিৱীৰ প্ৰথম মহিলা মহাকাশচাৰী ঃ- ৰাছিয়াৰ লেফ্ কৰ্ণেছ্চুল ভেলেণ্টিনা টেৰেশ্বকৰা। ১৯৬৩ চনৰ জুন মাহ। ৪ বাৰ পৃথিৱীক প্ৰদক্ষিণ কৰে।

একেলগে তিনিগৰাকী মহাকাশচাৰীৰ মহাকাশ অভিযান ঃ- ৰাছিয়াৰ কৰ্ণেল ভ্লডিমিৰ মিখাইল'ভিচ, কনস্তানতিন ফিয়কাটিস্তয় আৰু ডাঃ ব'ৰিছ ইয়েগ'ৰ'ভ, ১৯৬৪ চনৰ ১২ অক্টোবৰত, মহাকাশযান 'ডশ্বক'ভ-১'।

মহাকাশত খোজকঢ়া মহাকাশচাৰী ঃ- ৰাছিয়াৰ লেফ্ কৰ্ণেল এলেক্সি আৰখিপ'ভিচ লিঅ'নভ। ১৮ মাৰ্চ, ১৯৬৫ চন, ভষ্টক-২। তেওঁ গ্ৰীণউইচ মান সময়মতে পুৱা ৮.৩০ বজাত যানৰপৰা ওলাই মহাকাশত ১২ মিনিট ৯ চেকেণ্ড কটায়। তেৰেঁই মহাকাশত খোজকঢ়া প্ৰথম মহাকাশচাৰী।

চন্দ্ৰত খোজ পেলোৱা প্ৰথম মহাকাচাৰী ঃ- ১৯৬৯ চনৰ জুলাই মাহৰ ১৬ তাৰিখে 'এপ'ল-১১' মহাকাশযান চন্দ্ৰলৈ যাত্ৰা কৰে। আমেৰিকান মহাকাশচাৰী নীল অলডেন আৰ্মষ্ট্ৰং আৰু এডুইন ইউজেন এলড্ৰিন 'এপ'ল-১১'ৰ পৰা 'ঈগল' যানত চন্দ্ৰত অৱতৰণ কৰে। চন্দ্ৰত প্ৰথম নীল আৰ্মষ্টঙে ১৭ মিনিট বিচৰণ কৰাৰ পাছত এডুইন এলড্ৰিন চন্দ্ৰত নামে। চন্দ্ৰত নমা আৰু উভতি আহোতে সহা কৰে 'এপ'ল-১১'ৰ তৃতীয়জন মহাকাশচাৰী লেফ্ কৰ্ণেল মাইকেল কলিন্সে।

চন্দ্ৰপৃষ্ঠত গাড়ী চলোৱা মহাকাশচাৰী দুজন ঃ- আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডেভিড আৰ স্কট আৰু জেমছ নেছন আৰউই। তেওঁলোকে 'এপ'ল-১৫' মহাকাশযানত লৈ যোৱা চাৰিচকীয়া ৰ'ভাৰ গাড়ীখন চন্দ্ৰত দুই কিল'মিটাৰ (প্ৰায়) চলায়। ২৬ জুলাই ১৯৭১ চন।

আটাইতকৈ কম বয়সীয়া মহাকাশচাৰী ঃ- ৰাছিয়াৰ কৰ্ণেল ঘেৰমেন ষ্টেপান'ভিচ টিট'ভ। ২৫ বছৰ ৩২৯ দিন (জন্ম ১৯৩৫ চনৰ ১১ চেপ্তেম্বৰ)। ১৯৬১ চনৰ ৬ আগষ্ট, মহাকাশযান 'ভস্তক-২'।

আটাইতকৈ বেছি বয়সীয়া মহাকাশচাৰী ঃ- আমেৰিকা যুক্তৰাষ্টৰ জন গ্লেন। ৭৬ বছৰ বয়সত। তেওঁ ১৯৯৮ চনৰ অক্টোবৰ মাহত জাপানৰ চিয়াকি মুকাইৰ সৈতে দ্বিতীয়বাৰ মহাকাশলৈ গৈছিল।

মহাকাশত আটাইতকৈ বেছি সময় থকা মহাকাশচাৰী তিনিজন ঃ- ৰাছিয়াৰ লিঅ'নিভ কিমিজ, ভ্লদিমিৰ ছ'লোভিয়ভ আৰু ড°অ'লেগ এটক'ভ। তেওঁলোক ১৯৮৪ চনৰ ৮ ফেব্ৰুৱাৰীৰ পৰা ২ অক্টোবৰলৈ মুঠ ২৩৭ দিন আছিল।

মহাকাশত আটাইতকৈ বেছি সময় থকা মহিলা মকাশচাৰী ঃ- আমেৰিকা যুক্তৰাষ্ট্ৰৰ ড° শ্বনন লুছিড। ১৯৯৬ চনৰ এপ্ৰিল মাহৰ চেপ্তেম্বৰ মাহলৈ ১৮৮ দিন মহাকাশত আছিল। তেওঁ মুঠ পাঁচবাৰ মহাকাশলৈ গৈছে।

মহাকাশ শ্বাটল মিছনৰ মহিলা কমাণ্ডাৰ ঃ- লেফ্ কৰ্ণেল এলিন কলিন্স। আমেৰিকা যুক্তৰাষ্ট্ৰ। ডিচেম্বৰ ১৯৯৮ চন, মহাকাশযান কলম্বিয়া।

ভাৰতীয় মহিলা মহাকাশচাৰী ঃ- কল্পনা চাওলা, নৱেম্বৰ ১৯৯৭ চনত প্ৰথমবাৰ আৰু দ্বিতীয়বাৰ ১৬ জানুৱাৰী, ২০০৩ চন; 'কলম্বিয়া এছ. টি. এছ.-১০৭'।

মহাকাশত খোজকঢ়া প্ৰথম মহিলা মহাকাশচাৰী ঃ- শ্বেতলানা ছাভিৎস্কায়া। ১৯৪৮ চনৰ ২৫ জুলাই তাৰিখে মহাকাশ যানৰপৰা ওলাই আহি ৩ ঘণ্টা ৩৫ মিনিট খোজকাঢ়ে।

মহাকাশলৈ যোৱা শিক্ষয়িত্ৰী ঃ- আমেৰিকা যুক্তৰাষ্টাৰ ছাৰোন ক্ৰিষ্টা মেক আউলিফ। ১৯৬৮ চনৰ ২৮ জানুৱাৰী; মহাকাশযান 'চেলেঞ্জাৰ'। দুৰ্ঘটনাত মৃত্যু হয়।





সাংবাদিক মহাকাশচাৰী ঃ- জাপানৰ ট'য়েহিৰ' আকিমিয়া। ৩-১০ ডিচেম্বৰ, চন ১৯৯০। তেৰেঁই প্ৰথম সাংবাদিক মহাকাশচাৰী।

পোলেণ্ডৰ প্ৰথম মহাকাশচাৰী ঃ- মেজৰ মিৰ'শ্লৱ হেৰমাছজেউস্কি। ১৯৭৮ চনৰ ২৭ জুনত। মহাকাশযান 'ছয়ুজ-৩০।

চেকশ্ল'ভাকিয়াৰ প্ৰথম মহাকাশচাৰী ঃ- কেপ্টেইন ভ্লডিমিৰ ৰেমাৰ্ক; মহাকাশযান 'ছয়ুজ-২৮', ১৯৭৮ চনৰ ২ মে'।

জাৰ্মানিৰ (তেতিয়াৰ পূৰ জাৰ্মানী) প্ৰথম মহাকাশচাৰী ঃ- ১৯৭৮ চনৰ ২৬ আগষ্ট; মহাকাশযান 'ছয়ুজ-৩১'। লেফ্ কৰ্ণেল ছিগমণ্ড



জায়েন।

**বুলগেৰিয়াৰ প্ৰথম মহাকাশচাৰী** ঃ- মেজৰ জাৰ্জি ইভানভ। মহাকাশযান 'ছয়ুজ-৩৩'। ১৯৭৯ চনৰ ১০ এপ্ৰিল।

**হাংগেৰীৰ প্ৰথম মহাকাশচাৰী** ঃ- কেপ্টেইন বাৰ্টালন ফ্ৰেংখাছ। ১৯৮০ চৰ ২৬ মে', মহাকাশযান 'ছয়ুজ-৩৬'।

**ভিয়েটনামৰ (প্ৰথম এছীয়) প্ৰথম মহাকাশচাৰী** ঃ- লেফ্ কৰ্ণেল ফাম টুৱান। ১৯৮০ চনৰ ২৩ জুলাই; 'ছয়ুজ-৩৭'।

কিউবাৰ প্ৰথম মহাকাশচাৰী ঃ- লেফ্ কৰ্ণেল আৰ্ণণ্ড'টমায়ো মেঞ্জেজ। ১৯৮০ চনৰ ১৮ ছেপ্টেম্বৰ। মহাকাশযান 'ছয়ুজ-৩৮'।

**ফ্ৰান্সৰ প্ৰথম মহাকাচাৰী** ঃ- কৰ্ণেল জিন পুল ক্ৰেটিয়েন। মহাকাশযান 'ছয়ুজ টি-৬'। ১৯৮২ চনৰ ২৪ জুন।

ভাৰতীয় প্ৰথম মহাকাশচাৰী ঃ- উইং কমাণ্ডাৰ (তেতিয়াৰ স্কোৱাড্ৰন লিডাৰ) ৰাকেশ শৰ্মা। ১৯৮৪ চনৰ এপ্ৰিলৰ ৩ তাৰিখে ৰাছিয়াৰ দুজন মহাকাশচাৰীৰ লগত ৰাছিয়াৰ বৈকানোৰ মহাকাশ অভিযান কেন্দ্ৰৰ পৰা 'ছয়ুজ টি-১১' মহাকাশযানত যাত্ৰা আৰম্ভ কৰিছিল আৰু ১১ এপ্ৰিলত সফলতাৰে পৃথিৱীলৈ উভতি আহিছিল।

বৃটিছ মহাকাশচাৰী ঃ- হেলেন শ্বাৰমান। ১৯৯১ চনৰ ১৮ মে'। মহাকাশযান 'ছয়ুজ টি এম-১২।

চীনৰ প্ৰথম মহাকাশচাৰী ঃ- লেফ্ কৰ্ণেল ইয়াং লিয়েই। সম্পূৰ্ণ ঘৰুৱাভাৱে নিৰ্মাণ কৰি মহাকাশলৈ মানুহ পঠোৱা দেশ হিচাপে তৃতীয় স্থান অধিকাৰ কৰে চীন দেশে। ২০০৩ চনৰ ১৫ অক্টোবৰত চীনা মহাকাশচাৰী ইয়াং-লিয়েইক লৈ 'শ্বেনঝৌ-ভ্ৰি' মহাকাশলৈ উৰা মাৰে।

কলম্বিয়াৰ পতন ঃ- ১৯৭৯ চনত সজা হৈছিল মহাকাশযান 'কলম্বিয়া'। কলম্বিয়াৰ পাছত 'চেলেঞ্জাৰ', 'ডিছক'ভাৰী' আৰু 'আটলাণ্টিছ' সজা হৈছিল। কলম্বিয়াৰ প্ৰথম উৎক্ষেপন ১৯৮১ চনত কৰা হৈছিল। ১৯৮২ চনত চেলেঞ্জাৰ, ১৯৮৩ চনত 'ডিছক'ভাৰী' আৰু ১৯৮৫ চনত 'আটলাণ্টিছ' মহাকাশযান প্ৰথম প্ৰথম উৎক্ষেপন কৰা হৈছিল। কিন্তু এই নতুন ছাটলকেইখনৰ পৰিৱৰ্তে এইবাৰ প্ৰেৰণ কৰা হয় ২২ বছৰ পুৰণি 'কলম্বিয়া'; যিখন মহাকাশযান দুৰ্ঘটনাত ধ্বংস হয়।

২০০৩ চনৰ ১৬ জানুৱাৰীত ফ্ল'ৰিডাৰ 'কেনেডি মহাকাশ কেন্দ্ৰ'ৰ পৰা 'কলম্বিয়া এছ. টি. এছ.-১০৭'নামৰ শ্বাটল মহাকাশযানখন উৎক্ষেপ কৰা হয়। এইটো আছিল কলম্বিয়াৰ ২৮ তম যাত্ৰা। আগতে মুঠ ২৭ বাৰ সফলতাৰে সমাপ্ত কৰিছিল। কলম্বিয়া মহাকাশযানত ভাৰতত জন্মগ্ৰহণ কৰা কল্পনা চাওলা, ইজৰাইলৰ প্ৰথম মহাকাশচাৰী ইলান ৰেমন, লৰেল ব্লেয়াৰ, শ্বেলটন ক্লাৰ্ক, মাইকেল পি এণ্ডাৰছন, ডেভিদ এম ব্ৰাউন আৰু ইউলি মেককুল মুঠ গৰাকী মহাকাশযাত্ৰী আছিল। আনজন আছিল কমাণ্ডাৰ ৰিক হাজবেণ্ড।



২০০৩ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে কলম্বিয়াৰ পতন হয়। ভূ-পৃষ্ঠৰ পৰা ৬৩ কিল'মিটাৰ উচ্চতাত কলম্বিয়া ভস্মীভূত হয়। দুৰ্ঘটনাৰ সময়ত যানখন ঘণ্টা ১২,৫০০ মাইল বেগত মাৰ্কিন প্ৰদেশ টেক্সছৰও পৰত আছিল। অতি দুখৰ বিষয় যে মহাকাশচাৰীকেইজন পৃথিৱীত অৱতৰণ কৰিবলৈ মাত্ৰ ১০ মিনিট বাকী আছিল। ■

# CHARLIE CHAPLIN

✍Milanjyoti Borah

One of the most popular names in the world of cinema is certainly that of Charlie Chaplin. He will always be remembered for his contribution in the world of cinema. He was associated with all its aspects like actint, directing, producing etc.

He began his film career at the age of silent films by giving memorable performance in such silent classics as 'The Kid', 'The Gold Rush' and many more. With the coming of sound in 1920, he made brilliant appearances in talkies like 'City Light' (1931), 'Lime Lighths' (1952) etc. All these films were written by Chaplin himself. The audience were greatly entertained by the marvellous ideas and incomparable comedy of Charlie Chaplin.

Charlie Chaplin was born on April 16, 1889 in a south London slum. His father and mother were stage singers. At the age of 5, he started giving musical performance. In 1914, he went to Hollywood where became very famous. He left USA in 1951 for Europe but later when he came back he was refused entry into the USA. Thus, he settled in Switzerland where he died in 1977.

Charlie Chaplin was the most dominant figure in the world of cinema. ■

# কাল-ধুমুহা

✍প্ৰণীতা বড়া

বৰুৱাৰ একমাত্ৰ ছোৱালী মাইনা পঢ়া-শুনাত খুবেই মেধাবী। সিহঁতৰ মাক-দেউতাক আৰু ভায়েকৰ সৈতে চাৰিজন সদস্য। মাক-দেউতাকৰ অতি মৰমৰ মাইনা প্ৰতিটো শ্ৰেণীতে প্ৰথম স্থানত উত্তীৰ্ণ হয়। সেই মাইনা শিক্ষক-শিক্ষয়িত্ৰীসকলৰো অতি মৰমৰ ছাত্ৰী। বৰ্তমান উচ্চ মাধ্যমিকৰ নৱন শ্ৰেণীৰ ছাত্ৰী সুনয়না বৰুৱা অৰ্থাৎ মাইনা আছিল অতি ধুনীয়াও। তাই অতি মৰমীয়াল আৰু নম্ৰ ছোৱালী ৰূপে পৰিচিত সকলোৰে মাজত। তাই সদায় ডাঙৰক শ্ৰদ্ধা আৰু সৰুক মৰম কৰিবলৈ শিকি আহিছে। সেয়েহে মাইনাই সকলো লোককে নিজৰ দৰে ভাবি লয় অতি সহজতে। সকলোকে আপোন কৰি ল'ব পৰা মাইনাক আনে কিন্তু আপোন বুলি নাভাবে। পুৰুষ আৰু ডেকাসকলৰ বাবে তাই আছিল এটি ভোগৰ বস্তু। পুৰুষৰ বলি হ'ব লগা হ'ল নাবালিকা, পৱিত্ৰ মনৰ মৰমীয়াল ছোৱালীজনী। সদায় সময়মতে স্কুলৰপৰা ঘূৰি আহিছিল তাই। স্কুল ছুটিৰ পিছত তাই পোনে পোনে ঘৰলৈ আহে ভায়েকৰ লগত খেলা-ধূলা কৰা এটা আনন্দময় মন লৈ। তাই যেন ভায়েকৰ অকাল খেলৰ লগৰীয়েই নহয় এজনী ভাল বায়েক আৰু প্ৰকৃত বান্ধৱী। কিন্তু এদিন মাইনাই আনদিনৰ দৰে স্কুলৰ পৰা ঘূৰি নহাত মাক-দেউতাক আচৰিত হ'ল। পুলিচকো জনালে কিন্তু পুলিচৰ কোনো খবৰ নাই। মাক-দেউতাক অস্থিৰ হৈ পৰিল। কিন্তু মাইনাৰ খবৰ নাপালে। কেইজনমান ৰক্ত পিপাসু যুৱকে এখন মাৰুতি ভানত তুলি তাই ক'ৰবালৈ লৈ গ'ল। পিছৰ দিনা ৰাতি মাকে প্ৰায় ১২ মান বজাত এখন গাড়ীৰ শব্দ শুনি লৰি আহি খিৰিকিৰে জুমি চাই দেখিলে যে আউলি-বাউলি চুলিৰে সৈতে এজনী ছোৱালী, যিজনী ছোৱালী সিহঁতৰ পৰিয়ালৰ অতি মৰমৰ ছোৱালী মাইনা। মাকে আৰু ৰৈ থাকিব নোৱাৰিলে লগে লগে ওলাই গ'ল। মাকক দেখা পাই তাই মাকক সাৱতি ধৰিলে। তাই মাকক সেই পিপাষু যুৱককেইজনে তাইক কৰা ব্যৱহাৰৰ সকলোখিনি কথা বিবৰি ক'লে। মাকৰ বুজিবলৈ অলপো সময় নালাগিল। মাকে তাইক ঘৰৰ ভিতৰলৈ লৈ আহিল। তেতিয়াই সিহঁতৰ ঘৰলৈ নামি আহিল এক কাল ধুমুহা। মাক-দেউতাকৰ সপোন, দিঠক সকলো উৰুৱাই নিলে এই ধুমুহাই। মেধা শক্তি সম্পন্না মাইনাই সিমানতে শিক্ষা শেষ কৰিলে। পুৱাতে আধু ফুলি উঠা ফুল পাহিত পোকে বিন্ধি চিৰ জীৱনৰ কাৰণেই মৰহাই পেলালে। এদিন মাক-দেউতাক ঘৰত নথকাৰ অৱস্থাত একমাত্ৰ ভায়েকৰ খেলাৰ পুতলাস্বৰূপ মাইনাই আত্মহত্যা কৰিলে। কান্দি কান্দি মাক অজ্ঞান হৈ পৰিল। শিক্ষক-শিক্ষয়িত্ৰী আৰু সেই অঞ্চলৰ সকলো লোকে এগৰাকী মেধাবী ছাত্ৰী তথা দেশৰ সুনাগৰিক হেৰুৱালে। সকলোৰে মাজত বলি গ'ল এক কাল-ধুমুহা। ■

*(মহাবিদ্যালয় সপ্তাহত পুৰস্কাৰপ্ৰাপ্ত)*





# NATURAL LAWS

✍Debasish Chetia Phukan

Man is a part of Nature, a manifestationof God Himself. His relation with other constituents of Nature is very intricately woven and there are Natural laws which bind these constitutions of Nature. Man being the most intelligent amongst all creatures in nature, has climbed the steps of evolutions very quickly and has over exploited all other items of nature in the world.

Sadly, however, in the process, man has caused utter imbalance between himself and nature; thereby multiplying serious problems to his own safe existance by the global phenomenon of environmental degredation and destruction of the habitats of wild-life.

The wild denizens and their habitats are damaged not only by man's needs but for his unlimited greed, thus causing ecological imbalance by breaking the laws of Nature. One fast growing population increasing diverse activities have caused threat not only to the flora and fauna on earth but to outer space too.

When we have right to live, we can not force other not be killed as made to suffer and their home. "The forests", should not be over exploited and mother earth may not be made devoid of the greenary. Let, the plant kingdom and animal kingdom with thousands of macro and micro orginisms in the universe thrive and flourish in Nature. Nature will control their growth by its own natural constitutions or 'Natural Laws'. Let us respect 'Natural Laws'. ■

# বিপন্ন পক্ষীকুল

✍তৰুণ গগৈ

আমি সকলোৱে জানো "মানুহ" নামৰ প্ৰাণীবিধ এই পৃথিৱীত জীয়াই থাকিবলৈ হ'লে জৈৱ বৈচিত্ৰতা সংৰক্ষণ অতি অপৰিহাৰ্য। প্ৰকৃতিৰ অনুপম সৃষ্টি চৰাইবিলাকো জৈৱ বৈচিত্ৰতাৰ এক গুৰুত্বপূৰ্ণ উপাদান। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাত ইহঁতৰ গুৰুত্বক আমি কোনেও উপেক্ষা কৰিব নোৱাৰো। চৰাইৰ মধুৰ কণ্ঠ, সিহঁতৰ ধুনীয়া ৰং, আকাৰ আৰু উৰাৰ কৌশলে অতীজ কালৰেপৰাই মানুহক আনন্দ তথা প্ৰেৰণা যোগাই আহিছে।

কিন্তু প্ৰাণীজগতৰ আন আন প্ৰাণীৰ লগতে আজি পক্ষীকুলো কিছুমান মানুহৰ বিচনাহীন কাৰ্যকলাপৰ বলি হৈছে। বিশেষকৈ বাসস্থান ধ্বংস, খেতিপথাৰত কীটনাশক দ্ৰব্য প্ৰয়োগ, চোৰাংচিকাৰ আদিকে ধৰি বিভিন্ন কাৰণত পক্ষীসমাজৰ বহু প্ৰজাতি আজি অস্তিত্বৰ সংকটত ভুগিছে। বৰ্তমানলৈ পৃথিৱীত যি 27 টা গোত্ৰৰ 8650 টা প্ৰজাতিৰ চৰাই পোৱা গৈছে তাৰ ভিতৰত আমাৰ ভাৰতবৰ্ষত 20 টা গোত্ৰৰ 1225 টা প্ৰজাতি পোৱা গৈছে। আমাৰ বাবে অতি গৌৰৱৰ কথা যে ভাৰতত পোৱা প্ৰজাতিবিলাকৰ ভিতৰত 912 টা প্ৰজাতিয়েই দেখা যায় আমাৰ অসমত। কিন্তু অতি পৰিতাপৰ কথা যে শেহতীয়া তথ্য অনুসৰি বিশ্বৰ প্ৰায় 1186 টা প্ৰজাতিয়েই 'IUCN'ৰ 'Red Data Book'ৰ বিপন্ন প্ৰজাতিৰ তালিকাত স্থান লাভ কৰিছে। ইয়াৰ ভিতৰত ভাৰতৰ 8 টা প্ৰজাতি অতিশয় বিলুপ্তপ্ৰায় (Critically Endangered), 10 টা প্ৰজাতি 'বিলুপ্তপ্ৰায়' (Endagered), 57 টা প্ৰজাতি বিপন্নপ্ৰায় (Vulunable), 2 টা প্ৰজাতি তথ্যহীনতা (Data Deficient) আৰু 1 টা প্ৰজাতি সংৰক্ষণৰ ওপৰত নিৰ্ভশীল (Conservation Dependent) হিচাপে মুঠ 78 টা প্ৰজাতিও আছে। এইটো জানি দুখ লাগিব যে যোৱা শতিকাটোত ইতিমধ্যেই 37 টা প্ৰজাতিৰ চৰাই আমাৰ পৃথিৱীৰ বিভিন্ন স্থানৰপৰা বিলুপ্ত হৈ গৈছে। যিয়েনেকি অতি ভয়ংকৰ তথ্য হিচাপে অস্তিত্বৰ সংকটত ভুগি থকা 'পক্ষীকুল'ৰ সামগ্ৰিক চিত্ৰখনকে প্ৰতিফলিত কৰিছে।

'পক্ষীকুল'ৰ এইদুৰ্দশাৰ সময়ত ইহঁতক ৰক্ষা কৰাৰ উদ্দেশ্যে বিশ্বৰ কেইটামান অগ্ৰণী অনুষ্ঠান Birdlife International, RSPB, BNHS, IBCN আদিয়ে কাম কৰি আহিছে। আমাৰ অসমৰো আৰ্লি বাডছ, নেচাৰ্ছ বেকন, আৰণ্যক আদি অনুষ্ঠানেও এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে। চৰকাৰেও আইন প্ৰণয়ন কৰি বনৰীয়া চৰাইৰ হত্যা তথা ব্যৱসায় নিষিদ্ধ কৰিছে। বিভিন্ন বেচৰকাৰী সংস্থা তথা জনসাধাৰণৰ ঐক্যবদ্ধ প্ৰচেষ্টাত 'পক্ষীকুল'ৰ বিপক্ষে হোৱা বৰ্বৰতা আৰু অন্যায়ৰ এদিন নিশ্চয় অৱসান ঘটিব।■

# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল বীৰ পুৰুষে অসম মাতৃৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ প্ৰাণাহুতি দিলে সেই সকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

তাৰোপৰি মোক ২০০৩-০৪ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদলৈ নিৰ্বাচিত কৰি বিভিন্ন দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱ তথা ডিব্ৰুয়ানলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

লগতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া তথা শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছোঁ।

উপ-সভাপতি পদত অধিষ্ঠিত হৈ মূল লক্ষ্যত কিমানখিনি সফলতা লাভ কৰিবলৈ সক্ষম হ'লো তাৰ মূল্যায়নৰ ভাৰ মাননীয় সুধীবৃন্দৰ হাতত অৰ্পণ কৰিলোঁ।

কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া আৰু সাংস্কৃতিক সপ্তাহত ছাত্ৰ-একতা সভাৰ প্ৰতিজন বিষয়ববীয়াৰ লগত ওতপ্ৰোতভাৱে জড়িত থাকি কাৰ্যসূচী সফল ৰূপায়ণত সঁহাৰি জনাওঁ। মহাবিদ্যালয় ক্ৰীড়া সপ্তাহৰ লগত সঙ্গতি ৰাখি সাংস্কৃতিক সন্ধিয়া আৰু নৱাগত আদৰণী সভাখনি সুন্দৰভাৱে আমাৰ পৰিয়চালনাত সম্পন্ন হয়।

মোৰ প্ৰতিবেদনৰ শেষত অধ্যক্ষা মহোদয়া আৰু সকলো শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱলৈ পুনৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ। ধন্যবাদেৰে —

**শ্ৰী দেৱজিত বৰুৱা**
*উপ-সভাপতি*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*



*ডিব্ৰু মহাবিদ্যালয়ৰ ভৱনৰ একাংশ*



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে দেশ আৰু জাতিৰ বাবে বিভিন্ন সময়ত প্ৰাণ বিৰ্সজন দিয়া মহান শ্বহীদ সকলক শ্ৰদ্ধাৰে সোঁৱৰাব লগতে যি সকল মহান ব্যক্তিৰ সমূহীয়া প্ৰচেষ্টাত আমাৰ ডিব্ৰু মহাবিদ্যালয়ে জন্ম গ্ৰহণ কৰি আজিৰ এই পৰ্য্যায়ত উপনিত হৈচেহি সেই মহান অনুষ্ঠান প্ৰেমী আৰু শিক্ষানুৰাগী সকলক এইপ্ৰতিবেদনৰ জৰিয়তে মই মোৰ গভীৰ শ্ৰদ্ধা আৰু ভক্তি নিবেদন কৰিছো।

ডিব্ৰু মহাবিদ্যালয়ৰ ২০০৩-২০০৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচিত মোক সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিৰ উন্নতিৰ হ'কে সেৱা আগবঢ়াবলৈ যি সকলে এই সুযোগ প্ৰদান কৰিলে সেই সকল সমূহ ডিব্ৰুয়ানৰ ওচৰত মই আজীৱন ধাৰুৱা হৈ ৰম।

লগতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া আৰু সেই সকল অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো যি সকলে মোক এই গধুৰ দায়িত্ব বহন কৰোতে প্ৰতিটো ক্ষণতে সহায় সহযোগ আগবঢ়ালে। নৱনিৰ্বাচিত ছাত্ৰ একতা সভাই ২৪-১২-০৩ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়াৰ উপস্থিতিত এখনি সাধাৰণ সভাৰ জৰিয়তে "সত্য আৰু নিষ্ঠাৰে" মহাবিদ্যালয়ৰ উন্নতিৰ হ'কে সকলো কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ আগবাঢ়ি যাম বুলি শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ মাজত এখন কাৰ্যনিবাহক অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়াৰ জ্ঞাতাৰ্থে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ ৪ জানুৱাৰী ২০০৪ তাৰিখৰ পৰা ১০ জানুৱাৰী ২০০৪ তাৰিখলৈ পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৪ জানুৱাৰী ২০০৪ তাৰিখে ৰাতিপুৱা অধ্যক্ষা মহোদয় শ্ৰীযুতা জ্যোতি বৰগোহাঁই বাইদেউৱে পতাকা উত্তোলনেৰে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ শুভাৰম্ভ কৰে আৰু সেই দিনাৰ পৰাই বিভিন্ন প্ৰতিযোগীতা সমূহৰ আৰম্ভ হয়।

মই ভাবো "মহাবিদ্যালয় সপ্তাহ" হল ছাত্ৰ-ছাত্ৰীৰ মাজত লুকাই থকা প্ৰতিভা বিকাশৰ এটি অন্যতম সুযোগ। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ প্ৰায়সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোগিতা সমূহত যোগদান কৰি মহাবিদ্যালয় 'সপ্তাহ' সাফল্য মণ্ডিত কৰি তুলিছিল। প্ৰতিযোগিতা সমূহৰ শেষৰ দিনা ১০ জানুৱাৰী ২০০৪ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়ৰ সভানেত্ৰীত্বত বঁটা বিতৰণী সভা আৰু সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পীয়ে পৰিবেশন কৰা গীতত সমূহ ডিব্ৰুয়ান তথা ডিব্ৰু মহাবিদ্যালয়ৰ ছৌ-পাশৰ আনন্দত মুখৰিত হৈ উঠে আৰু এনেদৰে জাক-জমককৈয়ে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ কাৰ্যসূচীৰ সফল সমাপ্তি ঘটে।

২৬ জানুৱাৰী ২০০৪ তাৰিখে পূৰ্বৰ দৰে দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ শ্ৰীশ্ৰী সৰস্বতী পূজা উদযাপন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আমন্ত্ৰিত ভকত আৰু কণ কণ ভাইটি ভণ্টিহঁতৰ যোগেদি আমাৰ সৰস্বতী পূজাৰ উদযাপন অধিক ফলপ্ৰসূ কৰিলো।

১৩ আগষ্ট তাৰিখে উচ্চ শিক্ষাৰ লাভৰ আশাৰে ডিব্ৰু মহাবিদ্যালয়লৈ ঢাপলি মেলি অহা নবাগত সকলৰ উদ্দেশ্য নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এই সভাৰ সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া শ্ৰীযুতা জ্যোতি বৰগোঁহাই বাইদেউৱে আৰু মূখ্য অতিথি ৰূপে আসন গ্ৰহণ কৰে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীঋতুপৰ্ণ বৰুৱাদেৱে।

মোৰ কাৰ্যকালত, ৫৮ তম স্বাধীনতা দিৱস উদযাপনৰ প্ৰাক মূহুৰ্ত্তত ১৫ আগষ্ট তাৰিখে ধেমাজি চহৰৰ মাজ মজিয়াত ধেমাজি মহাবিদ্যালয়ৰ খেল পথাৰত সন্ত্ৰাসবাদীৰ ৰ্বৰতাৰ বলি হোৱা ফুল কুমলীয়া নিষ্পাপ শিশু আৰু নিৰীহ জনতাৰ আত্মাৰ শান্তি ও সদ্গতিৰ হকে ২০ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ পৰা মৌন সমদল উলিয়ওৱা হৈছিল। এই মৌন সমদল উলিয়াওঁতে প্ৰত্যক্ষ ভাৱে সহায় কৰা সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাক এই প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালৰ সকলোতকৈ উল্লেখনীয় তথা গুৰুত্বপূৰ্ণ বিষয় হৈছে আমাৰ মহাবিদ্যালয়লৈ অহা ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যাৰণ সমিতি (NAAC) ৰ আগমন। এনে এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমিতিক মই মহাবিদ্যালয়ৰ হৈ আদৰিবলৈ পাই নিজকে অতি সৌভাগ্যবান বুলি ভাবো।

এই NAAC টিমক আদৰিবলৈ আমাৰ ছাত্ৰ একতা সভা তথা মহাবিদ্যালয়ে কিমান যে কষ্ট কৰিবলগীয়া হৈছিল ভাবিলে আচৰিত লাগে। তথাপিও আমাৰ সমূহীয়া কষ্টৰ বিনিময়ত NAAC টিমে আমাৰ মহাবিদ্যালয়ক B+ গ্ৰেড দিয়ে। ইয়াক লৈ আমি গৌৰৱান্বিত। এইখিনিতে আমাৰ মহাবিদ্যালয়ৰ কেইজনমান শ্ৰদ্ধাৰ অধ্যাপক অধ্যাপিকাৰ নাম নলৈ নোৱাৰো যি সকলে NAAC ৰ আগমনৰ সময়ত মোক সকলো দিশৰ পৰা দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়াইছিল। তেখেতসকল হ'ল একাদিক্ৰমে শ্ৰীযুত বিপুল বৰা ছাৰ, শ্ৰীযুত ফনী কুমাৰ চেতিয়া ছাৰ, শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা ছাৰ, শ্ৰীযুত লক্ষণ বৰা ছাৰ, আৰু শ্ৰীযুতা ৰুমা ফুকন বাইদেউ, শ্ৰীযুতা এইচ কে ওৱালিয়া বাইদেউ। এখেতলোকলৈ এই প্ৰতিবেদনৰ জৰিয়তে মই মোৰ গভীৰ শ্ৰদ্ধা আৰু ভক্তি নিবেদিছোঁ।

মোৰ কাৰ্যকালত সম্পন্ন হোৱা উন্নয়নমূলক কাম সমূহঃ-

(ক) মোৰ কাৰ্যকালতে বহুবছৰৰ আগৰ পৰা জৰাজীৰ্ণ পৰিত্যক্ত অৱস্থাত থকা মহাবিদ্যালয়ৰ একমাত্ৰ প্ৰেক্ষাগৃহটো নিৰ্মাণ কৰি উলিওৱা হয়।

(খ) উক্ত বৰ্ষতে নিৰ্মাণ সম্পূৰ্ণ হোৱা মহাবিদ্যালয়ৰ পুথিভঁড়ালৰ অধ্যয়ন কোঠা মুকলি কৰি দিয়া হয়।

(গ) বহু বৰ্ষৰ পৰা মহাবিদ্যালয়ে অভাৱ অনুভৱ কৰা এখন স্থায়ী কেণ্টিনৰ নিৰ্মাণ কৰি উলিওৱা হয়।

(ঘ) মহাবিদ্যালয়ৰ বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰ সমূহৰ স্থান বহলোৱা হয়।

(ঙ) মহাবিদ্যালয়ত স্থায়ী ছাত্ৰী জিৰণী কোঠা আৰু Community Hall ৰ নিৰ্মাণ সম্পূৰ্ণ কৰি উলিওৱা হয়।

(চ) মহাবিদ্যালয়ত এটা অস্থায়ী ছাত্ৰ জিৰণী কোঠাৰ ব্যৱস্থা কৰা হয়।

(ছ) উক্ত কাৰ্যকালতে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ সুকীয়াকৈ বিভাগীয় কোঠাৰ ব্যৱস্থা কৰাৰ লগতে প্ৰতিটো বিভাগৰ সন্মুখত বিভাগীয় নামসহ ফলি লগোৱা হয়।

(জ)মহাবিদ্যালয়ৰ প্ৰাঙ্গণত থকা গছসমূহত বৈজ্ঞানিক নামসহ ফলি লগোৱা হয়।

(ঝ) ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি মাছুল হ্ৰাস কৰাৰ ব্যৱস্থা কৰাও হৈছিল।

(ঞ) উক্ত বৰ্ষৰ ছাত্ৰ একতা সভাই ছাত্ৰ-ছাত্ৰীৰ পৰা লোৱা বৰঙণিৰে আৰ্থিক ভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি কৰণ গ্ৰীষ্মকালত শিক্ষা আহৰণৰ সুবিধাৰ্থে মহাবিদ্যালয়ত ফেনৰ যোগান ধৰাৰ ওপৰিও Wall Magazine ৰ ব্যৱস্থা কৰি দিয়া হৈছিল।

(ট) মহাবিদ্যালয়ৰ পিছফালে নিৰ্মাণৰত অৱস্থাত থকা Administrative Building ৰ নিৰ্মাণ কাৰ্য ভক্ত বৰ্ষৰ পৰা আৰম্ভ হৈছিল।

(ঠ) মোৰ ব্যক্তিগত প্ৰচেষ্টাত মহাবিদ্যালয়ৰ নামত এটা স্থায়ী মাইক চেট সংগ্ৰহ কৰি আনি দিয়াটোও এটা উল্লেখনীয় পদক্ষেপ।

**মহাবিদ্যালয়ৰ অভাৱ অভিযোগ সমূহ ঃ-**

(ক) মহাবিদ্যালয়ত অনতি পলমে একোটাকৈ ছাত্ৰ নিবাস ও ছাত্ৰী নিবাস নিৰ্মাণৰ সুব্যৱস্থা কৰিব লাগে।

(খ) মহাবিদ্যালয়ত এটা স্থায়ী ছাত্ৰ জিৰণী কোঠাৰ ব্যৱস্থা কৰিব লাগে।

(গ) মহাবিদ্যালয়ৰ এখন সুকীয়া খেল পথাৰৰ ব্যৱস্থা কৰিব লাগে।

(ঘ) ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি এটা ডাঙৰ চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰিব লাগে।

(ঙ) অনতি পলমে মহাবিদ্যালয়ৰ সীমা নিৰ্দ্ধাৰণ কৰি সীমাৰ চাৰিওফালে বাউণ্ডেৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(চ) মহাবিদ্যালয়ত এটা জিমনেছিয়াম হ'লৰ ব্যৱস্থা কৰিব লাগে।

(ছ) মহাবিদ্যালয়ত ক্ৰীড়া, নাট্যচৰ্চা, সংগীত আদি বিভিন্ন ক্ষেত্ৰত প্ৰয়োজন অনুসৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

(জ) মহাবিদ্যালয়ত নিয়মীয়াকৈ উপস্থিত নথকা অধ্যাপক অধ্যাপিকাৰ প্ৰতি উচিত ব্যৱস্থা ল'ব লাগে।

(ঝ) মহাবিদ্যালয়ৰ অধ্যক্ষ পদটোৰ স্থায়ী নিযুক্তিৰ বাবে আবেদন কৰিব লাগে।

**ক্ষমা প্ৰাৰ্থনাঃ** মোৰ এই এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ৰ হ'কে বিভিন্ন দিশত উন্নতি সাধন কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিলো যদিও মই কিমানখিনি আগুৱাবলৈ সক্ষম হলো সেই বিচাৰ আপোনালোকলৈ এৰিলো, জীৱনত পোন প্ৰথমবাৰ এটা গধুৰ দায়িত্ব বহন কৰিছিলো, গতিকে এই দায়িত্ব বহন কৰোতে কিছু ক্ষেত্ৰত সফল আৰু কিছুক্ষেত্ৰত বিফল হৈছিলো। সেয়ে মোৰ কাৰ্যত যদি কিবা খুঁত ৰৈ গৈছিল তাক মোৰ অনভিজ্ঞতাৰ দোষ বুলি মাৰ্জনা কৰিব। উক্ত কাৰ্য কালছোৱাত মহাবিদ্যালয়ৰ ছাত্ৰ জীৱনৰ যিকোনো সময়তে মোৰ অজ্ঞাতে যদি কেতিয়াবা শিক্ষাগুৰু বৃন্দ, কৰ্মচাৰী বৃন্দ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱী সকলৰ ওচৰত কিবা দোষ কৰিছিলো তেন্তে এই প্ৰতিবেদনৰ যোগেদি মই তেওঁলোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্যকালছোৱাত মোক বিভিন্ন দিহা পৰামৰ্শ দি সকলো কাম সূচাৰুৰূপে পালন কৰি যোৱাত সহায়-সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়া শ্ৰীযুতা জ্যোতি বৰগোঁহাই বাইদেউ লগতে সন্মানীয় শিক্ষাগুৰু ৰঞ্জিত সিন্‌হা ছাৰ, মহেশ কুমাৰ জৈন ছাৰ, প্ৰদীপ চেতিয়া ফুকন ছাৰ, লক্ষণ বৰা ছাৰ, চন্দ্ৰগুপ্ত বড়া ছাৰ, ফণী কুমাৰ চেতিয়া ছাৰ, অদিতি বৰুৱা বাইদেউ, আৰু মোৰ তত্বাৱধায়ক হিচাপে থকা সন্মানীয় বিপুল বৰা ছাৰ, মনোজ শৰ্মা ছাৰলৈ মই শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰিও কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষ মুহূৰ্ত্তলৈ প্ৰতিটো ক্ষেত্ৰত মোক সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে সুনীল, উদয়ন, মিন্টু, ফ্ৰাংকি, বাতুল, ইমৰাণ, ৰাজীৱ, নীলোৎপল, ছাদ্দাম, চাংকাকতি, বদন, আছিফ, সমৰ, বিজয়, ৰাহুল, নীতু, শান্তি, প্ৰিয়ংকা, মঞ্জু, প্ৰিয়ম, ছবি, ৰঞ্জু, হতলৈ মোৰ আন্তৰিক মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা, মই সম্পন্ন কৰিব নোৱৰা আধৰুৱা কামবিলাক আগন্তুক সম্পাদক সকলে সুচাৰুৰূপে পালন কৰি ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি সাধন কৰে যেন সেই আশাৰে মোৰ বাৰ্ষিক প্ৰতিবেদন ইমানতে সামৰণি মাৰিছোঁ।

"জয়তু ডিব্ৰু মহাবিদ্যালয়।"

"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

**জ্যোতিষ দত্ত**
*সাধাৰণ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*



## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে যিসকল মহান শ্বহীদে দেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দি গ'ল সেইসকললৈ মোৰ বৈপ্লৱিক প্ৰণাম যাচিলো। লগতে সকলো ডিব্ৰুয়ানলৈ মোৰ আন্তৰিক মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলো।

সহকাৰী সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ হকে মই যৎপৰোনাষ্টি চেষ্টা অব্যাহত ৰাখিছিলো। কিন্তু আমি ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকলে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী বৃন্দৰ পৰা বিশেষ কোনো সহায়-সহযোগিতা পোৱা নাছিলো। যি সকলে এই ক্ষেত্ৰত স্ব-ইচ্ছাৰে আগবাঢ়ি আহিছিল তেওঁলোকৰ সংখ্যা তেনেই নগন্য আছিল। যেন এপাছি শাকত এটা জলকীয়া। গতিকে আমি ছাত্ৰ একতা সভাৰ বিষয়ববীয়া অথবা মই এই ক্ষেত্ৰত কিমান দুৰ সফল হ'লো সেই হিচাপ-নিকাচসমূহ ডিব্ৰুয়ানক নিজেই কৰি ল'বলৈ অনুৰোধ জনালো।

মোৰ হাতত বিশেষ কোনো কাৰ্যভাৰ দিয়া হোৱা নাছিল। কিন্তু তথাপিতো মই সমূহ বিষয়ববীয়া সকললৈ সহায়-সহযোগ আগবঢ়োৱাত পিছ পৰা নাছিলো বুলিয়েই ভাবো।

মহাবিদ্যালয়লৈ কলেজ পৰিদৰ্শক NAAC ৰ দল অহাৰ সময়তো আমি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা যিমান সহায়-সহযোগিতা আশা কৰিছিলো সিমানখিনি নাপালো। বহু দুখমনেৰে কওঁ যে আমাৰ মহাবিদ্যালয়ত এতিয়াও ছাত্ৰ-ছাত্ৰীৰ মাজত একতা ভাব জাগি উঠা নাই। আশা কৰোঁ ভৱিষ্যৎ প্ৰজন্মই এই কথাষাৰত গুৰুত্ব দিব।

শেষত যিসকল বন্ধু-বান্ধৱে মোক প্ৰথমৰ পৰা শেষলৈকে সকলো দিশত সহায়-সহযোগ আগবঢ়ালে, মোৰ উপদেষ্টা মণ্ডলী, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ আৰু কৰ্মচাৰীবৃন্দ আৰু সমূহ ডিব্ৰুয়ানলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়।

**ৰাজীৱ দুৱৰা**
*সহঃ সাধাৰণ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*



*নবাগত আদৰণী উপলক্ষে আয়োজিত সভাৰ এক মুহূৰ্ত*

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে মই প্ৰতিবেদন লিখিবলৈ লোৱাৰ আৰম্ভণিতে মই অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যি সকল বীৰ ছহিদে কলিজাৰ ৰঙা তেজ ঢালি জীৱন বিসৰ্জন দিলে সেই সকলৰ স্মৃতিত গভীৰ শ্ৰদ্ধা জনালো।

২০০৩-০৪ চনৰ বাবে ডিব্ৰু মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাপে মোক ছাত্ৰ একতা সভালৈ নিৰ্বাচিত কৰা ছাত্ৰ-ছাত্ৰীসকল আৰু মোৰ বন্ধু-বান্ধৱীসকললৈ মোৰ ফালৰপৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

২০০৩-০৪ চনত সাংস্কৃতিক সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰা অলপ দিনৰ পিছত আন বছৰৰ দৰে মহাবিদ্যালয়ৰ "বাৰ্ষিক ক্ৰীড়া সপ্তাহ" যিদৰে আয়োজন কৰি আহিছে ঠিক সেইদৰে এইবাৰো ৩৯ তম মহাবিদ্যালয় সপ্তাহ ০৪/০১/২০০৪ তাৰিখৰ পৰা ১০/০১/২০০৪ লৈকে আয়োজন কৰা হয়। এই ৩৯ তম মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত প্ৰতিযোগিতাসমূহৰ কাৰ্যসূচী ০৬/০১/২০০৪ আৰু ০৭/০১/২০০৪ এই দুটা দিনত অনুষ্ঠিত কৰা হয়। মোৰ এই প্ৰতিযোগিতাসমূহত যথেষ্ট প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

মোৰ কাৰ্যকালত প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহাৰ দৰে সৰস্বতী পূজা আৰু শ্ৰীমন্তশংকৰদেৱৰ তিথি এইবাৰ ছাত্ৰ-ছাত্ৰীৰ বিপুল সমাৱেশেৰে পৰম্পৰাগতভাৱে আমাৰ মহাবিদ্যালয়ত সাধাৰণ সম্পাদকৰ সহযোগত অনুষ্ঠিত কৰা হয়।

এইসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ — ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰা আৰু বিভিন্ন ক্ষেত্ৰত হিতোপদেশ, সু-পৰামৰ্শ দিওঁতা সৰ্বশ্ৰী ৰঞ্জিত সিংহ ছাৰ, মনোজ শৰ্মা ছাৰ, অদিতি বৰুৱা বাইদেউলৈ আৰু মৌচুমী দত্ত বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো।

মোৰ কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষলৈকে মোৰ লগত ছাঁৰ দৰে লাগি সহায় আগবঢ়োৱা এই কেইজন বন্ধু-বান্ধৱীৰ স্নেহ-শ্ৰদ্ধা অক্ষয় হৈ ৰ'ব। সৰ্বশ্ৰী সুনীল দা, জিতু, আছিফ, চিত্ত, নয়ন, নিখিল, ননা, কানু, তপন, চন্দ্ৰ, গৌৰৱ, দিগন্ত, মিগম, প্ৰিয়ংকা, মঞ্জু, নিতু, প্ৰিয়ম্বদা, ভানু, জুন আৰু বহুতো ছাত্ৰ-ছাত্ৰীলৈ মই কৃতজ্ঞতা জনাইছো।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ আন্তৰিক শ্ৰদ্ধা যাঁচিলো আৰু মাতৃতুল্য ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতিৰ ৰঙীন বাটেৰে আগবাঢ়ি যাওক ..... মোৰ বিভাগৰ এবছৰীয়া চমু কাৰ্যকালৰ সামৰণি মাৰিছোঁ।

**শ্ৰী অনুপ দত্ত**
*সাংস্কৃতিক সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*



## ২০০৩-০৪ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ

**অসমীয়া কবিতা আবৃত্তিৰ ফলাফল ঃ-**
প্ৰথম ঃ কবিতা দাস
দ্বিতীয় ঃ শান্তি ছেত্ৰী
তৃতীয় ঃ শিবিৰাজ দেউৰী

**সংস্কৃত কবিতা আবৃত্তিৰ ফলাফল ঃ-**
উদ্গণি ঃ মেনকা সোনোৱাল

**ইংৰাজী কবিতা আবৃত্তিৰ ফলাফল ঃ-**
নিচুকণি বঁটা ঃ নয়ন জ্যোতি দত্ত

**বাংলা কবিতা আবৃত্তিৰ ফলাফল ঃ-**
নিচুকণি বঁটা ঃ নয়ন জ্যোতি দত্ত

**হিন্দী কবিতা আবৃত্তিৰ ফলাফল ঃ-**
নিচুকণি বঁটা ঃ ৰঞ্জিত কুমাৰ ৰয়

**আকস্মিক বক্তৃতা প্ৰতিযোগিতা ঃ-**
প্ৰথম ঃ শ্ৰী মনোৰঞ্জন গোহাঁই
দ্বিতীয় ঃ শ্ৰী নয়ন জ্যোতি দত্ত
তৃতীয় ঃ শ্ৰীমতী শান্তি ছেত্ৰী

**তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঃ**
প্ৰথম ঃ শ্ৰী ৰূপম বৰা
দ্বিতীয় ঃ শ্ৰী নয়নজ্যোতি দত্ত
তৃতীয় ঃ শ্ৰীমতী শান্তি ছেত্ৰী

**কুইজ প্ৰতিযোগিতাৰ ফলাফল ঃ**

**প্ৰথম দল ঃ-**
শান্তি ছেত্ৰী
মন্দিৰা বৰা
তৰুণ গগৈ
মনিন্দ্ৰ নেওগ

**দ্বিতীয় দল ঃ-**
টিঙ্কু সোনোৱাল
গৌৰিত গগৈ
দেৱজিৎ চেতিয়া
ৰিজুৱান আহমেদ

**তৃতীয় দল ঃ**
লোকেন্দ্ৰজিৎ বৰা
মেনকা সোনোৱাল
হৰদীপ ৰাজকোঁৱৰ
বিভাস সোনোৱাল

**কইনা প্ৰতিযোগিতাৰ ফলাফল ঃ-**
প্ৰথম ঃ সুস্মিতা সোনোৱাল
দ্বিতীয় ঃ সংগিতা বৰুৱা
তৃতীয় ঃ বেলী যোশী

**দৰা প্ৰতিযোগিতাৰ ফলাফল ঃ-**
চিত্তৰঞ্জন দুৱৰা

**থলীতে লিখা ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঃ-**
প্ৰথম ঃ লোকেন্দ্ৰজিৎ বৰা
দ্বিতীয় ঃ প্ৰণীতা বৰা
তৃতীয় ঃ নিৰজ সোনোৱাল

**থলীতে লিখা গল্প প্ৰতিযোগিতা ফলাফল ঃ-**
প্ৰথম ঃ নয়নজ্যোতি দত্ত
দ্বিতীয় ঃ তৰুণ গগৈ
তৃতীয় ঃ প্ৰণীতা বৰা

**থলীতে লিখা কবিতা প্ৰতিযোগিতাৰ ফলাফল ঃ-**
প্ৰথম ঃ নয়নজ্যোতি দত্ত
দ্বিতীয় ঃ হিৰকজ্যোতি সোনোৱাল
তৃতীয় ঃ ৰিজুৱান আহমেদ

**মিছ ডিব্ৰু প্ৰতিযোগিতাৰ ফলাফল ঃ-**
সংগীতা বৰুৱা

**ডিব্ৰুশ্ৰী প্ৰতিযোগিতাৰ ফলাফল ঃ-**
জিতু ভৰালী

# সমাজ কল্যাণ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই ২০০৩-০৪ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সমাজ কল্যাণ বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলো। যি সকলে মোক সহায় কৰিছিল তেওঁলোকৰ ওচৰত মোৰ ধন্যবাদ থাকিল।

আমাৰ মহাবিদ্যালয় সপ্তাহত মই এখনি তোৰণ সাজি উলিয়াইছিলো আৰু নানা সামাজিক কাম কৰিছিলো। তাত মোক বহু বন্ধু-বান্ধৱসকলে সহযোগ কৰিছিল। মোৰ দায়িত্বভাৰ মই নিষ্ঠাৰে পালন কৰিছিলো। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়ে আৰু শিক্ষাগুৰুসকলে মোক বহুখিনি সহায় কৰিছিল। তেখেতলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। ডিব্ৰু মহাবিদ্যালয়ৰ উত্তৰকাল কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

**শ্ৰী বংকিম পল্লৱ বৰুৱা**
*সমাজ কল্যাণ বিভাগৰ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*



*মহাবিদ্যালয় সপ্তাহ উপলক্ষে কইনা প্ৰতিযোগিতাৰ এটা মুহূৰ্ত*



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাৰম্ভতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া আৰু সন্মানীয় শিক্ষা গুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে ২০০৩-০৪ বৰ্ষত ছাত্ৰ একতা সভাৰ এক গুৰুত্বপূৰ্ণ পদবী ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ গুৰু দায়িত্ব বহন কৰিবৰ বাবে নিৰ্বাচিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ স্নেহভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আৰম্ভ হৈছিল বিগত বছৰৰ দৰে এই বছৰৰ আমাৰ মহাবিদ্যালয়ৰ "বাৰ্ষিক সপ্তাহ"। ছাত্ৰী জিৰণী কোঠাৰ ভিতৰুৱা খেলসমূহ হ'ল — বেডমিন্টন, কেৰম, ডবা, টেবুল টেনিছ ইত্যাদি। এই খেল সমূহত মই যিমানখিনি প্ৰতিযোগী আশা কৰিছিলো তাতোকৈ বহু বেছি ছাত্ৰীয়ে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি সাফল্য লাভ কৰে। ছাত্ৰীসকলৰ এনে উৎসাহ উদ্যম দেখি মোৰ সঁচাই ভাল লাগিছিল। তেতিয়াই মই "ছাত্ৰী জিৰণী কোঠাৰ" সম্পাদিকা হিচাপে অনুভৱ কৰিছিলোঁ যে বৰ্তমান ছাত্ৰসকলে ক্ৰীড়াক শিক্ষাৰ এক অবিচ্ছেদ্য অংগ হিচাপে ভাবিবলৈ লৈছে। এনে ধৰণে ছাত্ৰীসকলে খেলত মনোনিৱেশ কৰিলে ভৱিষ্যতে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনি মহাবিদ্যালয়খনৰ উন্নতি সাধিব পাৰিব বুলি মই আশা কৰিলো।

মোৰ কাৰ্যকালৰ সময়তে মহাবিদ্যালয়ৰ অধ্যক্ষা জ্যোতি বৰগোহাঁই বাইদেউৱে ছাত্ৰীসকলৰ সুবিধাৰ্থে স্থায়ীভাৱে এটি ছাত্ৰী জিৰণী কোঠা নিৰ্মাণ কৰি দিয়ে। এই জিৰণী কোঠাটোত মই ছাত্ৰী সকলে খেলিবৰ বাবে কিছুমান খেলৰ সামগ্ৰী ৰখাৰো ব্যৱস্থা কৰোঁ। যেনে — Chess Board, Chinese Checker, Carrom, Racket, Discus, Shot Put ইত্যাদি। উক্ত সামগ্ৰীসমূহ ৰাখিবলৈ মহোদয়াই এটি আলমীৰা আৱণ্টন দিয়ে।

এই খিনিতে মোৰ এবছৰীয়া কাৰ্যকালত সকলো ক্ষেত্ৰত মোক দিহা-পৰামৰ্শ আৰু সহায়-সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষাগুৰু শ্ৰীযুত লক্ষণ বড়া ছাৰ, ৰূপজ্যোতি বড়া বাইদেউ আৰু জলি বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ।

কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষ মুহূৰ্তলৈ সহায়ৰ হাত আগবঢ়োৱা বিভাগীয় সমূহ বিষয়-ববীয়াসকলৰ লগতে মোৰ মৰমৰ বন্ধু-বান্ধৱীসকল হ'ল — ৰূপাঞ্চৰ, সঞ্জয়, ৰূপেশ্বৰ, হীৰেন, বিকাশ, লুকু, বিশ্ব, অৰুণ, সুৰেন্দ্ৰ, নিতু, বিঙ্কি, শান্তি আৰু নাম নজনা আন বহুতো ছাত্ৰ-ছাত্ৰীলৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিছিলোঁ যদিও কিছুমান বিষয়ৰ সমাধান হয়তো কৰিব নোৱাৰিলো। সেয়ে মোৰ কাৰ্যত যদি অনিচ্ছাকৃতভাৱে কিবা খুঁত ৰৈ গৈছিল তাৰ বাবে মোৰ অনভিজ্ঞতাৰ দোষ বুলি ভাবি ক্ষমা কৰি দিয়ে যেন।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীমতী নয়নমণি খনিকৰ**
*ছাত্ৰী জিৰণী কোঠাৰ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*

## মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ

**Table Tennis Single :**

| | | |
|---|---|---|
| 1st | : | Nayanmoni Khanikar |
| 2nd | : | Shanti Chetri |

**Table Tennis Double :**

| | | |
|---|---|---|
| 1st | : | Nitu Singh & Nayanmoni Khanikar |
| 2nd | : | Lakhipriya Chitrakar & Jyotimoni Singh |

**Badminton (Single) :**

| | | |
|---|---|---|
| Winner | : | Menoka Sonowal |
| Runners up | : | Shanti Chetry |

**Badminton (Double) :**

| | | |
|---|---|---|
| Winner | : | Nayanmoni Khanikar |
| | : | Shanti Chetry |
| Runnersup | : | Nitu Singh |
| | : | Lakhipriya Chitrakar |

**Carrom (Single) :**

| | | |
|---|---|---|
| Winner | : | Menoka Sonowal |
| Runnersup | : | Shanti Chetry |

**Carrom (Double) :**

| | | |
|---|---|---|
| Winner | : | Menoka Sonowal |
| | : | Shanti Chetry |
| Runnersup | : | Lakhipriya Chitrakar |
| | : | Mitali Saikia |

**Chess :**

| | | |
|---|---|---|
| | : | Manju Devi |
| | : | Shanti Chetry |



## সাধাৰণ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "ডিব্ৰুয়ান" খনিত মই মোৰ বিভাগৰ প্ৰতিবেদন দাঙি ধৰিবৰ সুযোগ পাই অত্যন্ত সুখী হৈছোঁ বাবে আজি মই হাতত কলম তুলি লৈছোঁ।

লিখনিৰ আৰম্ভণিতে মই যিসকল ব্যক্তিয়ে দেশৰ হকে জয়ধ্বনি তুলি প্ৰাণ হেৰুৱালে সেই মহান শ্বহীদ বীৰসকলক এই সুযোগতে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ আৰু যিসকলে আমাৰ মহাবিদ্যালয়খনলৈ বিভিন্ন দিশৰ ফালৰ পৰা গৌৰৱ কঢ়িয়াই আনিছে সেই সকললৈ মই মোৰ আন্তৰিক অভিনন্দ জ্ঞাপন জনোৱাৰ লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ২০০৩-২০০৪ বৰ্ষৰ ছাত্ৰ একতা সভালৈ "সাধাৰণ খেল বিভাগৰ সম্পাদক" ৰূপে তেওঁলোকৰ বহুমূলীয়া ভোট দি জয় যুক্ত কৰিলে সেই ছাত্ৰ-ছাত্ৰীসকললৈও মই ধন্যবাদ আগবঢ়ালো।

২০০৩-২০০৪ বৰ্ষৰ "ছাত্ৰ একতা সভা"খনি ডিচেম্বৰ মাহতে গঠন হৈছিল। আমি মহাবিদ্যালয়খনিৰ লগতে একতা সভাৰ ভৱিষ্যত দিশলৈ চাই ডিচেম্বৰ মহাত কাৰ্যভাৰ গ্ৰহণ কৰিছিলো। কাৰ্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পিছতেই সপ্তাহজোৰা কাৰ্যসূচীৰে "মহাবিদ্যালয় সপ্তাহ" অনুষ্ঠিত কৰা হয়। উক্ত কাৰ্যসূচীত মোৰ বিভাগৰ খেলসমূহ মই জালান নগৰ চাহ বাগিছাৰ খেল পথাৰত তিনিদিন ধৰি অনুষ্ঠিত কৰা হয়। মোৰ বিভাগৰ খেল সমূহ ল'ৰা-ছোৱালী উভয় শাখাতে অনুষ্ঠিত হৈছিল। মোৰ বিভাগৰ খেলসমূহ আছিল মাৰাথন দৌৰ, ১০০ মিঃ, ২০০ মিঃ, ৪০০ মিঃ, ৮০০ মিঃ দৌৰ, ৪৪০০ ৰিলেৰেচ, ডিচ্‌কাচ, চটপুট, দীঘল জাপ, ওখ জাপ, জেভলিন আদি। মাৰাথন দৌৰ মই মোহনবাৰী তিনিআলিৰ পৰা মহাবিদ্যালয়লৈকে ল'ৰাৰ শাখাত অনুষ্ঠিত কৰিছিলো। ছোৱালী প্ৰতিযোগী নাছিল আৰু মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা নিচেই তাকৰ আছিল। তথাপিও Inter College Championship ত অংশ গ্ৰহণ কৰিবলৈ তাৰে পৰাই খেলুৱৈ নিৰ্বাচন কৰিছিলো।

মোৰ এবছৰীয়া কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়াই অহা মোৰ শিক্ষাগুৰু অধ্যাপক শ্ৰীযুত প্ৰশান্ত বৰা ছাৰ আৰু শ্ৰীযুত প্ৰণৱ গগৈ ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। তাৰোপৰি নিৰ্বাচন পৰ্যায়ৰ পৰা আৰম্ভ কৰি সকলো দিশত অৰিহণা যোগাই অহা মোৰ মৰমৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু ভাইটি-ভণ্টিসকললৈ মোৰ আন্তৰিক হিয়া ভৰা মৰম আৰু অশেষ ধন্যবাদ জ্ঞাপন জনালো।

শেষত মোৰ কাৰ্যকালত যদি কিবা ভুল কৰিছিলো তাৰ বাবে ক্ষমা বিচাৰিছোঁ। শেষত ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**শ্ৰী মনজিৎ মানিকীয়াল**
*সাধাৰণ খেল বিভাগৰ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*

# মুখ্য খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা মহোদয়া, শ্ৰদ্ধাভাজন শিক্ষাগুৰুসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০০৩-০৪ চনৰ মুখ্য খেল বিভাগৰ সম্পাদক ৰূপে সেৱা আগবঢ়াবলৈ যিসকল অগ্ৰজ দাদা-বাইদেউ, অনুজ ভাইটি-ভন্টি আৰু বন্ধু-বান্ধৱীয়ে নিৰ্বাচিত কৰিলে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰা অতি কম দিনৰ ভিতৰতে মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হৈছিল আৰু ইয়াৰ লগতে মোৰ বিভাগৰ সৈতে জড়িত খেল সমূহৰ যোগেদি দায়িত্ব গ্ৰহণ কৰিছিলোঁ। মহাবিদ্যালয়ৰ মুখ ক্ৰীড়া বিভাগৰ সকলোবোৰ প্ৰতিযোগিতা সুচাৰুৰূপে পালন কৰিবলৈ সদায় চেষ্টা কৰিছিলো। মোৰ দায়িত্বত থকা প্ৰতিযোগিতাবোৰ আছিল ভলীবল, ক্ৰিকেট আৰু কাবাডী। সকলো প্ৰতিযোগীয়ে সাধ্যানুযায়ী নিজৰ যোগ্যতা প্ৰদৰ্শন সুন্দৰভাৱে দাঙি ধৰিছিল আৰু সমূহ ডিব্ৰুয়ানে সুন্দৰ খেল উপভোগ কৰিবলৈ সুবিধা পাইছিল।

ইয়াৰ সাত-আঠ মাহৰ পিছতে আন্তঃ মহাবিদ্যালয় ফুটবল-ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হয় আৰু মহাবিদ্যালয়ৰ দল কেইটিয়ে ইয়াত অংশ গ্ৰহণ কৰে। মই ক'বলৈ পাই দুঃখিত যে আমি ফুটবলৰ প্ৰথম ৰাউণ্ডতে আৰু ক্ৰিকেটৰ দ্বিতীয় ৰাউণ্ডত পৰাজয় স্বীকাৰ কৰিবলগীয়া হয় যদিও আমাৰ দলত অৰ্থাৎ মহাবিদ্যালয়ত বহুতো প্ৰতিভাপন্ন খেলুৱৈ উপস্থিত আছিল। মোৰ ধাৰণা মতে তেওঁলোকক যদি অধিক সহায়-সুযোগ আৰু সুবিধা আগবঢ়াই তেন্তে তেওঁলোকে নিশ্চয় আমাৰ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনাত সক্ষম হ'ব। সেইবাবে মোৰ অধ্যক্ষা মহোদয়াৰ ওচৰত এটাই অনুৰোধ যেন আগন্তুক মুখ্য খেল বিভাগৰ সম্পাদক আৰু খেলুৱৈসকলক অধিক সুযোগ-সুবিধা দিয়ে।

শেষত মোৰ পূজনীয় শিক্ষাগুৰুসকলে যি ধৰণে দিহা-পৰামৰ্শ আগবঢ়ালে তাৰ বাবে তেখেত সকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষকৈ মোৰ পৰামৰ্শদাতা মাননীয় শিক্ষাগুৰু ফণী কুমাৰ চেতিয়া, এ. এন. চাহাই আৰু অধ্যক্ষা জ্যোতি বৰগোহাঁই বাইদেউলৈ। আৰু ইয়াতে মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ বিভাগৰ এবছৰীয়া কাৰ্যকালৰ সামৰণি মাৰিলোঁ।

“জয়তু ডিব্ৰু মহাবিদ্যালয়।”

“জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।”

**শ্ৰী দীপাংকৰ শইকীয়া**
*মুখ্য খেল বিভাগৰ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*



# College Week Reports

**Kabadi Champion Team (Girls) :**
1. Jyoti Baruah
2. Menoka Sonowal (C)
3. Juri Buragohain
4. Ranjumoni Mech
5. Rumi Sonowal

**Kabadi Runners-up Team (Girls)**
1. Sabera Hussain
2. Jefrin Begum (C)
3. Jaya Bora
4. Lakhipriya Das
5. Bhagyalipi Hazarika

**Volley-Ball Champion Team :**
1. Tinku Sonowal
2. Satya Gohain
3. Gautom Hazarika
4. Sanjay Gogoi
5. Dipjyoti Doley
6. Putul Deori
7. Rupankar Borpatra Gohain
8. Rupeswar Sonowal

**Volley-Ball Runners-up Team :**
1. Ashif Hussain Hazarika
2. Pabitra Kouli
3. Diganta Doley
4. Elric Tirkey
5. Nikhil Chandra Bharali
6. Nayanjyoti Khanikar
7. Jintu Sonowal
8. Gaurav Chetia

**Cricket Champion Team :**
1. Ratul Deori (C)
2. Bijoy Shankar Gogoi
3. Deepankar Saikia
4. Surajit Bokolial
5. Manhurjya Chetia
6. Aman Ullah
7. Binud Chetry
8. Rahul Chandak
9. Maklin Gogoi
10. Lelakanta Bora
11. Bijoy Saikia
12. Biraj Sharma
13. Sumon Banarjee
14. Bapan Banarjee
15. Anku Phukan
16. Bonkim Phukan

## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে এই মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা মহোদয়া প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকাৰ লগতে সমূহ সতীৰ্থবৃন্দ তথা ডিব্ৰুয়ান সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

মই মোৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মোৰ দায়িত্বসমূহ আকোঁৱালি লৈছিলোঁ আৰু সেইবিলাক নিয়াৰিকৈ সম্পাদন কৰিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু মহাবিদ্যালয়ৰ তৰফৰ পৰা আগবঢ়োৱা সীমিত সুবিধাৰ বাবে মই মোৰ দায়িত্বসমূহ সুকলমে সম্পাদনা কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলোঁ। তথাপিও মই মোৰ সাধ্যানুযায়ী যিমান পাৰো আন্তৰিকতা আৰু উৎসাহেৰে আগবাঢ়ি গৈছিলোঁ। যদিও অজানিতে ক'ৰবাত হয়তো ভুল হৈ গৈছিল, সেয়েহে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লোঁ। মহাবিদ্যালয়ৰ ৩৯ তম প্ৰতিভা সন্ধানী সপ্তাহত মোৰ দায়িত্বত কেৰম, ডবা, বেডমিণ্টন আৰু টেবুলটেনিচ খেল আছিল। উক্ত খেলসমূহৰ প্ৰতিযোগিতাসমূহ যথেষ্ট উপভোগ্য হৈছিল আৰু লগতে উক্ত খেল সমূহত যথেষ্ট সংখ্যক ছাত্ৰই অংশগ্ৰহণ কৰিছিল। প্ৰয়োজনীয় সহায় সহযোগ পালে আৰু লগতে এটি সু-পৰিৱেশ পালে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে অধিক উন্নত খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব।

মোৰ কাৰ্যসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত মোক সহায় কৰা ছাৰ-বাইদেউসকলৰ লগতে মোৰ মৰমৰ সমূহ ডিব্ৰুয়ানৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'লো।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ বিভাগৰ এবছৰীয়া চমু কাৰ্যকালৰ সামৰণি মাৰিছোঁ।

"জয়তু ডিব্ৰু মহাবিদ্যালয়।"
"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

**শ্ৰী অংকু ফুকন**
*ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*



*মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত তৰ্ক প্ৰতিযোগিতাৰ এটা মুহূৰ্ত*



## College Week Reports

**Winners of Badminton :**

| | | |
|---|---|---|
| Singles | : | Rituparna Sonowal |
| Runnersup | : | Khirud Baruah |
| Doubles | : | Khirud Baruah / Rituparna Sonowal |
| Runnersup | : | David Deori / Dhrubajyoti Chutia |

**Winners of Table Tennis:**

| | | |
|---|---|---|
| Singles | : | Udayan Borah |
| Runnersup | : | Durlov Gogoi |
| Doubles | : | Durlov Gogoi / Udayan Borah |
| Runnersup | : | Debasish Chetia Phukon / Irshad Ahmed |

**Winners of Chess :**

| | | |
|---|---|---|
| First | : | Sri Abhijit Chutia |
| Second | : | Sri Prandip Borah |
| Third | : | Sri Dhrubajyoti Chutia |

**Winners of Carrom :**

**Singles**

| | | |
|---|---|---|
| First | : | Sri Kripal Gogoi |
| Second | : | Sri Nobol Kokalial |
| Third | : | Sri Dhrubajyoti Chutia |

**Doubles**

| | | |
|---|---|---|
| First | : | Sri Debasish Chetia Phukon / Sri Surajit Sarma |
| Second | : | Sri Rahul Chandak / Sri Huneswar Tanti |
| Third | : | Sri Rabi Baruah / Sri Boney Konwar |

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, শিক্ষাগুৰু সকললৈ মোৰ সেৱা তথা শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ হিয়াভৰা প্ৰীতি-শুভেচ্ছাৰ লগতে কৃতজ্ঞতা জনাই সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন দাখিল কৰিবলৈ ওলাইছো।

যোৱা এটা বছৰৰ কালছোৱাত মই আপোনালোকলৈ কেনেধৰণেৰে সেৱা আগবঢ়ালো সেয়া বিচাৰৰ দায়িত্ব সম্পূৰ্ণ আপোনালোকৰ ওপৰত থলো।

২০০৩-২০০৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতে আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ ওপৰত সংগীত বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ পতাৰ দায়িত্ব আহি পৰে। বহু কষ্ট আৰু অসুবিধাৰ মাজেৰে ডিব্ৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ সহায়েৰে প্ৰতিযোগিতা সমূহ সুকলমে অনুষ্ঠিত কৰা হয়।

শেষত মোৰ এই এবছৰৰ কাৰ্যকালত থাকি যোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি।

**শ্ৰী প্ৰাঞ্জল কুমাৰ বৰা**
*সংগীত বিভাগৰ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*

নিম্নোক্ত ছবি দুখন নন্দিতা বৈশ্যৰ CARREER GUIDANCE AND COUNSELLING প্ৰবন্ধৰ লগত সম্পৰ্কিত








# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

লিখনিৰ আৰম্ভণিতে গৌৰবোজ্জ্বল ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া আৰু শিক্ষাগুৰুসকল, প্ৰিয়ভাজন সতীৰ্থ ছাত্ৰ-ছাত্ৰীবৃন্দলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

২০০৩-০৪ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত হৈ দায়িত্বভাৰ গ্ৰহণ কৰি ইং ৪/১/২০০৪ তাৰিখৰ পৰা আৰম্ভ হোৱা ৩৯ তম মহাবিদ্যালয় সপ্তাহৰ ইং ৭/১/২০০৪ আৰু ৮/১/২০০৪ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে শৰীৰ চৰ্চা বিভাগৰ খেলসমূহ অনুষ্ঠিত কৰা হয়। বিভাগৰ প্ৰায় সকলো প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হৈ যায়। উল্লেখযোগ্য যে সমস্যাৰে জৰ্জৰিত ডিব্ৰু মহাবিদ্যালয়ৰ সীমিত সুবিধাৰ মাজেৰে নিজস্ব কৰ্তব্য পালন কৰাৰ প্ৰতিশ্ৰুতি লৈ শৰীৰ চৰ্চা বিভাগৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ। আৰু তাক কাৰ্যত পৰিণত কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছিলোঁ।

সদৌ শেষত অনিচ্ছাকৃতভাৱে থাকি যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি পূৰ্ণৰ সকলোলৈকে শ্ৰদ্ধা জনাই এই চমু প্ৰতিবেদন সামৰিছোঁ।

"জয়তু ডিব্ৰু মহাবিদ্যালয়।"

"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

**শ্ৰী কৃতীশ ত্ৰিপাঠী**
*শৰীৰ চৰ্চা বিভাগৰ সম্পাদক*
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*(২০০৩-২০০৪ বৰ্ষ)*



*সৰস্বতী পূজা উপলক্ষে অনুষ্ঠিত নাম-প্ৰসঙ্গৰ এটা মুহূৰ্ত*

# DIBRU COLLEGE STUDENT UNION

## 2003-2004



Debajit Boruah
*Vice President*



Jyotish Dutta
*General Secretary*



Rajeev Dowarah
*Asst. General Secretary*



Pankaj Borah
*Magazine Editor*



Anup Dutta
*Cultural Secretary*



Dipankar Saikia
*Major Games Secretary*



Monjit Manikial
*General Sports Secretary*



Ankur Phukan
*Boys' Common Room Secretary*



Nayan Moni Khanikar
*Girls' Common Room Secretary*



Raktim Plaban Boruah
*Social Welfare Secretary*



## লেখক/লেখিকা পৰিচিতি

ড° দিলীপ কলিতা, প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ
ড° মহেশ কুমাৰ জৈন, প্ৰবক্তা, বাণিজ্য বিভাগ
ড° ৰমিজা খাটুন, প্ৰবক্তা, বাণিজ্য বিভাগ
প্ৰশান্ত কুমাৰ বৰা, প্ৰবক্তা, অৰ্থনীতি বিভাগ
লক্ষণ বৰা, মূৰববী অধ্যাপক, অৰ্থনীতি বিভিগ
নন্দিতা বৈশ্য, প্ৰবক্তা, ইংৰাজী বিভাগ
কামদেৱ কাশ্যপ, প্ৰবক্তা, অসমীয়া বিভাগ
নিত্যৰঞ্জন কলিতা , ছাত্ৰ, উঃমাঃ প্ৰথম বৰ্ষ, বিজ্ঞান শাখা
পৰাগ চুতীয়া, ছাত্ৰ, স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ
মায়া শইকীয়া, পুথিভঁৰাল সহায়ক
চৰিফুল হুছেইন, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, নৃতত্ব বিভাগ
ৰঞ্জীত কুমাৰ ৰয়, ছাত্ৰ
ৰাজীৱ বৰঠাকুৰ, ছাত্ৰ, স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা
ললিত সোণোৱাল, ছাত্ৰ স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা
প্ৰশান্ত শইকীয়া, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, গণিত বিভাগ
তৰুণ গগৈ, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ
নিতু সিং, ছাত্ৰী, স্নাতক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা
ধীৰাজ কোঁৱৰ, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, কলা-শাখা
সত্যনাথ গগৈ, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিভাগ
মানসজ্যোতি দাস, ছাত্ৰ, উঃমাঃ দ্বিতীয় বৰ্ষ, কলা শাখা
নৱনীতা চেতিয়া, ছাত্ৰী, স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ
যোগমায়া গোহাঞি, ছাত্ৰী, স্নাতক তৃতীয় বৰ্ষ, নৃতত্ব বিভাগ
ভৱেশ দাৰিক, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ
মনোজ সন্দিকৈ, ছাত্ৰ উঃমাঃ দ্বিতীয় বৰ্ষ, কলা শাখা
মৰমজ্যোতি দত্ত, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান শাখা
মৃদুস্মিতা দাস, ছাত্ৰী, স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ
পংকজ বড়া, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ
নীৰজ সোণোৱাল, ছাত্ৰ, স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ
প্ৰণৱ কুমাৰ চাংমাই, ছাত্ৰ স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান
অৰবিন্দ হাজৰিকা, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ
অজয় শইকীয়া, ছাত্ৰ, স্নাতক প্ৰথম বৰ্ষ
ইলিমেন গৰদা, ছাত্ৰ, স্নাতক প্ৰথম বৰ্ষ, কলা শাখা
দেৱাশীষ চেতিয়া ফুকন, ছাত্ৰ, উঃমাঃ দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা
দিগন্ত মাহাতু, ছাত্ৰ, স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ
দেবেন কুৰ্মী, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান শাখা
জুনুমণি শইকীয়া, ছাত্ৰী, স্নাতক তৃতীয় বৰ্ষ, নৃতত্ব বিভাগ
লক্ষ্যজিত দেউৰী, ছাত্ৰ, স্নাতক প্ৰথম বৰ্ষ, কলা শাখা
সচ্চিদানন্দ শইকীয়া, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ, কলা শাখা
সীমান্ত হাজৰিকা, ছাত্ৰ, উঃমাঃ প্ৰথম বৰ্ষ, শিক্ষা বিভাগ
বিৰাজ সোণোৱাল, ছাত্ৰ, উঃমাঃ দ্বিতীয় বৰ্ষ, কলা শাখা
আছেচ আহমেদ, ছাত্ৰ, স্নাতক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা
ধ্ৰুৱজ্যোতি চেতিয়া, ছাত্ৰ, স্নাতক তৃতীয় বৰ্ষ
তিলক গগৈ, ছাত্ৰ, উঃমাঃ দ্বিতীয় বৰ্ষ, কলা শাখা
ৰাতুল ঠাকুৰীয়া, ছাত্ৰ, স্নাতক প্ৰথম বৰ্ষ কলা শাখা

# OUR EX-EDITORS

| Vol. No. | Editors | Year |
|---|---|---|
| I. | Ram Chantra Goswami | 1965-66 |
| II. | Haren Handique | 1968-69 |
| III. | Kiran Saikia | 1969-70 |
| IV. | Dibakar Gogoi | 1972-73 |
| V. | Kanakeswar Dowarah | 1977-78 |
| VI. | Sachi Handique | 1982-83 |
| VII | Devakanta Konwar | 1983-84 |
| VIII. | Rabindrajeet Gogoi | 1984-85 |
| IX. | Bitul Neog | 1985-86 |
| X. | Sukumar Chetia | 1986-87 |
| XI. | Miss Gitimallika Gogoi | 1987-88 |
| XII. | Profulla Kalita | 1988-89 |
| XIII. | Sanjeeb Narayan Chaudang Baruah | 1989-90 |
| XIV. | Utpol Sonowal | 1990-91 |
| XV. | Chandan Kumar Sonowal | 1991-92 |
| XVI. | Nilim Kumar Das | 1993-94 |
| XVII. | Amiya Kumar Borah | 1994-95 |
| XVIII. | Dipen Handique & Rahul Dev Sonowal | 1996-97 |
| XIX. | Anupam Saikia | 1997-98 |
| XX. | Ananta Khanikar & Prasanta Saikia | 2000-2001 |
| XXI. | Jitu Bhabali | 2001-2002 |
| XXII | Shanti Chetri | 2002-2003 |